
অলকেশ
১৯৮৫ - ২০২৪

# অলকেশ

(১৯৮৫-২০২৪)

# অলকেশ

(১৯৮৫-২০২৪)

*অলকেশ কলিতা সোঁৱৰণী সংকলন*

*সম্পাদনা*

**কুশল দত্ত**

*সহযোগী*

**ধীমান বৰ্মন**

পূৰ্বায়ণ
প্ৰকাশন

ALAKESH

A commemorative volume on Alakesh Kalita, edited by Kushal Dutta
Published by Purbayon Publication, Panbazar, Guwahati-1 on behalf of family of Alakesh Kalita

1st Edition : July, 2024

ISBN : 978-93-5860-603-4

# অলকেশ

**প্ৰথম প্ৰকাশ**
জুলাই, ২০২৪
**প্ৰচ্ছদ আলোকচিত্ৰ আৰু পৰিকল্পনা**
জ্যোৎস্না কলিতা, বিকাশ কলিতা
**অংগসজ্জা**
ৰূপম নাথ, জয়ন্ত ডেকা
**গ্ৰন্থস্বত্ব**
অলকেশ কলিতাৰ পৰিয়াল

**প্ৰকাশক ঃ**
**অলকেশ কলিতাৰ পৰিয়ালৰ হৈ**
**পূৰ্বায়ণ প্ৰকাশন**
যশোৱন্ত ৰোড, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

**Printed at :** Purbayon Publication Pvt. Ltd.
Panbazar, Guwahati- 1, Assam, India

.



Alakesh Kalita
(4 September, 1985, Jorhat - 19 April, 2024, Guwahati)

*Photo : Kushal Dutta (10 March, 2018)*

**কৃতজ্ঞতা**


প্ৰণৱ কুমাৰ বৰ্মন,
মৃদুল হালৈ,
জোনমণি দাস,
মন্দিৰা গগৈ,
ডঃ অমৃত কুমাৰ উপাধ্যায়
আৰু পূৰ্বায়ণ প্ৰকাশনৰ কৰ্মীবৃন্দ

.

*"One thing special about a poet, he is never made of circumstances; everyone else is."*

*— Alakesh Kalita*

(Source : Alakesh Kalita's Facebook post,
Date : 17th April, 2024)



*অলকেশ কলিতাৰ এটি কবিতাৰ খচৰা পৃষ্ঠা*

# সুচীপত্ৰ

**কবি অলকেশ কলিতা** (১৫-৮৮)

ডঃ পৰী হিলৈদাৰী ॥ শব্দাতীতক ধৰি ৰখাৰ উপায় মানুহ নিজেই ॥ ১৭
অনুভৱ তুলসী ॥ এক এলেজী ঃ ফুল আৰু ফলৰ উৎসৱৰ ॥ ২৭
ডঃ এম. কামালুদ্দিন আহমেদ ॥ অলকেশ কলিতাৰ *ভাস্কৰ* ॥ ৩৪
Dr. Bibhash Choudhury ॥ On a poet and a Workview ॥ ৪২
মনোজ শৰ্মা ॥ অলকেশৰ সৈতে বহু কথা ॥ ৪৩
ডঃ মৌচুমী কন্দলী ॥ অলকেশৰ বাবে দুটামান শাৰী ॥ ৪৯
জ্যোতি খাটনিয়াৰ ॥ হে অনন্ত বাটৰ ধূলি পৰিণতিৰ পিছৰ দিন ॥ ৫২
অৰিন্দম বৰকটকী ॥ অলকেশৰ স্মৃতিত ॥ ৬৫
ডঃ বিৰিঞ্চি কুমাৰ দাস ॥ অলকেশ কলিতাৰ *যোৱাবেলিৰ বসন্তঃ* এটি চমুটোকা ॥ ৬৮
ডাঃ নীলিমা ঠাকুৰীয়া হক ।। অলকেশলৈ এখন চিঠি ॥ ৭১
প্ৰাঞ্জল তালুকদাৰ ।। নতুন চকুৰে নিষ্ফল উৎসৱ ॥ ৭৫
অসীম কৃষ্ণ বৰুৱা ।। অলকেশ ঃ অন্তহীন কবিতা ॥ ৮১
বিনীতা গোস্বামী ।। কমাৰশালত শাণ দিয়া আৰু এটা বিধুৰ বেলা ॥ ৮৫
বিজু দাস ॥ বিহংগম দৃষ্টিৰে *বগা ফুল আৰু তেজৰ তাপ* ॥ ৮৮

**অলকেশলৈ কাব্যাঞ্জলি** (৮৯-১১২)

কৰবী ডেকা হাজৰিকা ॥ অলকেশ, তোমালৈ! ॥ ৯১
নীলিম কুমাৰ ॥ অলকেশ কলিতা য'লৈ গুচি গ'ল ॥ ৯২
লুটফা হানুম ছেলিমা বেগম ॥ অলকেশলৈ ॥ ৯৪

সৌৰভ শইকীয়া ॥ অলকেশ ॥ ৯৫
মণিকুন্তলা ভট্টাচাৰ্য্য ॥ বতাহ দূৰলৈ গুচি যায় ॥ ৯৭
কৌশিক বাস্যস ॥ এটা দিন, এটা ৰাতি ॥ ৯৯
অভিজিৎ তালুকদাৰ ॥ ৰবীন্দ্ৰনাথ ॥ ১০০
টম মেদক ॥ কবি এতিয়া ধ্যানমগ্ন ॥ ১০২
সংগীতা মেধি ॥ যোগ অথবা বিয়োগ ॥ ১০৩
সৃঞ্জনা শৰ্মা ॥ অলকেশদা - তোমালৈ দুশাৰী ॥ ১০৪
বিভা দেৱী ॥ আকুলতা ॥ ১০৫
খঞ্জনা শৰ্মা ॥ সাক্ষাৎ ॥ ১০৬
হিমাংশু শৰ্মা ॥উৎসুকতা, আকুলতা আৰু বিষাদ ॥ ১০৮
কল্পনা শৰ্মা ॥ মান-অভিমান ॥ ১১০

**বন্ধু-সুহৃদজনৰ দৃষ্টিত অলকেশ** (১১৩-১৩৬)

ধীমান বৰ্মণ ॥ এয়া কি কবিতাৰ বিয়লি বেলা ? ॥ ১১৫
মৃদুল হালৈ ॥ আকৌ লগ পাম বন্ধু... ॥ ১১৭
মৈত্ৰেয়ী পাটৰ ॥ অলকেশ, আপোনাৰ বাবে মই সুখী ॥ ১২০
ডঃ অমৃত কুমাৰ উপাধ্যায় ॥ প্ৰজ্ঞাৱান বন্ধু অলকেশ কলিতা ॥ ১২২
কিশোৰ মনজিৎ বৰা ॥ আকাশক ছাতিৰ কি দৰকাৰ ॥ ১২৩
মনালিছা শৰ্মা ॥ অলকেশক যিদৰে পাইছিলোঁ... ॥ ১২৫
মামণি দাস ॥ যিজনে দুবছৰমান আগতে আমাক বুজালে,
তেওঁ নিজে কালি অবুজন হৈ গুচি গ'ল... ॥ ১২৮
ৰাজীৱ ডেকা ॥ বন্ধুৰ সোঁৱৰণত... ॥ ১২৯
দিগন্ত নিবিড় ॥ আৰু এটা বিধুৰ বেলা ॥ ১৩২
দ্বিজেন কুমাৰ দাস ॥ অলকেশ ঃ এটি ৰাগ ॥ ১৩৪

**অলকেশ কলিতা ঃ সান্নিধ্য সোঁৱৰণ** (১১৩-১৩৬)

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী।। তোমাৰ প্ৰতিটো শব্দত
দেখা পাম তোমাৰ মুখ।। ১৩৯
ড° পূৰ্ণ ভট্টাচাৰ্য।। নিঃসংগতাৰ কোলাহলৰ মাজত।। ১৪৩

পবন বৰদলৈ ।। তবলা বাদক অলকেশ ।। ১৪৮
তৰুণ বৰ্মন ।। অলকেশ ঃ কিছু ভাৱনা ।। ১৫১
মুনীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য ।। বিভিন্ন সম্পৰীক্ষাৰে নিজস্ব এক
শৈলীৰে আগবাঢ়িছিল অলকেশ ।। ১৫৫
অনুৰূপা চৌধুৰী ।। ছাত্ৰ-ঘোষক অলকেশ আৰু মই ।। ১৫৮
প্ৰণৱ কুমাৰ বৰ্মন ।। আকৌ লগ পাম অলকেশ ।। ১৬২
মণিকা দেৱী ।। অলকেশ আমাৰ বাবে
কেতিয়াও অতীত হ'ব নোৱাৰে ।। ১৬৫
প্ৰতীম বৰুৱা ।। এজন মননশীল-সংবেদনশীল কবি ।। ১৬৭
অপৰ্ণা দেৱী ।। অলকেশৰ বিষয়ে ।। ১৬৯
গজেন্দ্ৰ নাথ ডেকা ।। কবি অলকেশৰ সোঁৱৰণত ।। ১৭১
সঞ্জয় কলিতা ।। ব্যতিক্ৰমী অলকেশ ।। ১৭৩
ৰুমী বৰুৱা আগৰৱালা ।। অলেকেশ কলিতালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি ।। ১৭৬
পৰমেশ্বৰ শৰ্মা ।। অলকেশ কলিতা ঃ সফলতা আৰু সান্নিধ্যৰ ৰূপৰেখা ।। ১৭৭
ৰামকৃষ্ণ চক্ৰৱৰ্তী ।। আপোন ভতিজাসদৃশ অলকেশৰ স্মৃতিত ।। ১৮০
চন্দ্ৰপ্ৰভা তালুকদাৰ ।। হীৰাৰ দৰে উজ্জ্বল অলকেশলৈ ।। ১৮৪
डॉ. देवेंद्र कुमार देवेश ।। तुम्हारा प्रिय पंछी अब डाल पर नहीं है,
हे काव्या ! ।। ১৮৬
Kaustabh Kashyap ।। The Punches and the Pauses :
Upon Losing a Poet and Brother ।। ১৮৯
Aishwarya Singh Thakur ।। Remembering Alakesh ।। ১৯৪
Divya Rana ।। In Memory of Alakesh ।। ১৯৬
Navvya Singh Charak ।। In Fond Memories ।। ১৯৮
Prasham Pahade ।। Remembering Alakesh Kalita :
A Tribute to a Remarkable Colleague ।। ১৯৯
Riya Bezbora ।। Tribute to Alakesh :
My Colleague and Friend ।। ২০১
Shampee Chandra ।। Alakesh, hope you continue
telling stories ।। ২০৩

Kirti Nimase ।। Homage to Alakesh Ji ।। ২০৫
Rahul Chaurasiya ।। In memory of Alakesh : Colleague and Brother ।। ২০৬
Paramanshu Mukherjee ।। Kindred Spirit to Marginalised Voices ।। ২০৭

**পৰিয়াল-পৰিজনৰ দৃষ্টিত অলকেশ** (২০৯-২৪০)

প্ৰমীলা কলিতা ।। প্ৰজ্ঞাৰ সাধক সৰু পুত্ৰ পিকুলৈ স্নেহাঞ্জলি ।। ২১১
ফণী কলিতা ।। আলো মঞি কি কহবো দুখ... ।। ২১৪
Jyotshna Kalita ।। How to Buy a Beautiful Bouquet for my Little Brother ।। ২১৭
Bonjita Borkotoky ।। Stardust Reverie : A Spiritual Memoir ।। ২২৭
কনকলতা কলিতা ।। অলকেশৰ স্মৃতিত একলম ।। ২৩০
গোলাপী ডেকা ।। অলকেশৰ স্মৃতিত একলম ।। ২৩২
নীলিমা কলিতা ।। স্মৃতিভৰা অশ্ৰু অঞ্জলি অলকেশলৈ ।। ২৩৫

**অলকেশ কলিতা ঃ সৃষ্টি সুষমা** (২৪১-২৬৮)

অলকেশ কলিতাৰ পাতনি সংগ্ৰহ ।। ২৪২
Kaustabh Kashyap ।। Ten Selected Poems ।। ২৪৮
অলকেশ কলিতাৰ গ্ৰন্থসম্ভাৰ ।। ২৬১

**শোকবাণী** ।। ২৬৯

·

# সম্পাদকীয়

অলকেশ কলিতা অসমৰ সমকালীন কবিকুলৰ এজন মৰমৰ আৰু শ্ৰদ্ধেয় কবি; তাতোতকৈও— এজন ভাল মানুহ। বাক্যটোত মই 'আছিল' শব্দটো ঐচ্ছিকভাৱেই বৰ্জন কৰিছোঁ। কাৰণ মুৰাকামি (জন্ম ঃ ১৯৪৯) ৰ দৰে অনেকে ক'ব খোজে— "মৃত্যু জীৱনৰ বিপৰীত নহয়, ই জীৱনৰে এক অংশ" (Death is not the opposite of life, but a part of it.)। কায়িকভাৱে অলকেশ আমাৰ মাজত অবৰ্তমান যদিও আত্মিক-মননেৰে অলকেশ আমাৰ মাজতে আছে আৰু আগলৈকো থাকিব।

অলকেশৰ পাৰ্থিৱ জীৱনৰ ইতি আমাৰ সমাজ, বিশেষকৈ অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনলৈ এক আশ্চৰ্য্য মিহলি দুখৰ খবৰ। অলকেশৰ পৰিয়াল, অলকেশকেন্দ্ৰিক অঞ্চলটো আৰু সমাজখনৰ বাবে এয়া অতিকে এক দুখজনক ঘটনা হোৱাৰ লগে লগে সময়ৰ দৃষ্টিকোণেৰে অলকেশৰ অবৰ্তমান এই সময়ছোৱাৰো এক বিশেষ ক্ষতি। আনহাতে, লেখক হিচাপে অতিকে প্ৰতিভাশালী অলকেশৰপৰা ভৱিষ্যতে সৃষ্টি হ'বলগীয়া অধিক সম্ভাৱনাযুক্ত সাহিত্যসম্ভাৰৰপৰা বঞ্চিত হ'বলগীয়া হোৱাটো— নিশ্চিতভাৱে আমাৰ বাবে আৰু বিশেষ ক্ষতি।

এই পৰ্য্যন্ত যি অলকেশ কলিতা (১৯৮৫-২০২৪) আৰু অলকেশৰ যি সৃষ্টি— তাৰ আধাৰতে এই সোঁৰৰণী সংকলন। এই সংকলন সমৃদ্ধ হৈছে পৰিয়াল-পৰিজনৰ কিছু মৰম মিহলি, কিছু অশ্ৰুসিক্ত অন্তৰভৰা লেখা; বন্ধু-অগ্ৰজ-অনুজজনৰ প্ৰীতিভৰা, শ্ৰদ্ধাপূৰ্বক কিছু স্মৃতিচাৰণ আৰু অন্যান্য লেখক-সমালোচকসকলৰ কিছু সমালোচনাত্মক লেখাৰে। আটাইলৈকে এই সংকলনৰ সম্পাদনা সমিতিৰ ফালৰপৰা আমি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। অতি কম সময়ত এই সংকলন যুগুতাই উলিয়াব লগা হোৱা বাবে আমাৰ অনৱধানবশতঃ কিছু ভুল হয়তো ৰৈ গৈছে— তাৰ বাবে আমি সংশ্লিষ্ট আটাইৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

সকলো লেখকৰ দৰে অলকেশেও অধ্যয়ন আৰু জীৱনৰ বিবিধ অভিজ্ঞতাক শব্দলৈ অনুবাদ কৰি সেয়া সাহিত্যৰ ৰূপ দিছিল। অলকেশৰ সাহিত্য মূলতঃ কবিতা; তদুপৰি সংখ্যাত তাকৰীয়া কিছু প্ৰবন্ধ। মাতৃভাষা অসমীয়াৰ উপৰি ইংৰাজী ভাষাতো সামান্য চৰ্চা কৰিছিল অলকেশে। সাহিত্যৰ উপৰি দৰ্শন আৰু ধৰ্মও অলকেশৰ

জিজ্ঞাসাৰ অন্যতম বিষয় আছিল। আমি জানিবলৈ পোৱা মতে, কৃষ্ণৰ একান্ত উপাসক আছিল অলকেশ। কিছু সংগীত সাধনাও কৰিছিল অলকেশে— বাদ্যযন্ত্ৰ তবলাৰ। তেনেকৈ জ্যেষ্ঠ ভগ্নী-ভাতৃৰ ব্যৱসায়ৰ সৈতেও কিছু জড়িত আছিল অলকেশ। কৃষ্ণ উপাসনা-সংগীত-ব্যৱসায় আদিয়ে অলকেশৰ সাহিত্য সৃষ্টিত কিবা ভূমিকা পালন কৰিছিল নেকি— ভৱিষ্যতলৈ অলকেশ চৰ্চাত এনে কিছু দিশেও কিছু গুৰুত্ব পাব বুলি আশা কৰিব পাৰি। গুৰুত্ব পালগীয়া আন এটা দিশ হ'ব অলকেশৰ প্ৰেম-অপ্ৰেম, জীৱন সম্পৰ্কীয় ধাৰণা আদি। ঘাতকৰূপী স্কিজোফ্ৰেনিয়াই কঢ়িয়াই অনা হতাশা, মৃত্যু চেতনা আদিও নিশ্চিতভাৱে অলকেশ চৰ্চাৰ আন এক উপ-বিষয় হিচাপে বিবেচিত হ'ব।

নিজৰ কাব্য যাত্ৰাৰ বিষয়ে প্ৰথমাৱস্থাত কিছু দোমোজা থাকিলেও লেখক হিচাপে এগৰাকী লেখকৰ অন্যতম সম্পদ 'আত্মবিশ্বাস' প্ৰচুৰ আছিল অলকেশৰ— "নিজৰে তেজকেইটোপাৰ উত্তাপত উমাল হৈ" (কবিৰ একাযাৰ, *যোৱাবেলিৰ বসন্ত*, ২০১৬) থাকিব খোজাৰ দৃঢ় আত্মবিশ্বাস এক কথাত অবিস্মৰণীয়। সেই আত্মবিশ্বাসেৰেই 'স্বতঃস্ফূৰ্ততা'তকৈ কাব্যৰ পাঠ 'নিৰ্মাণ'তহে আগ্ৰহ আৰু দক্ষতা দেখুৱালে অলকেশে। অলকেশ চৰ্চাত এই দিশটোৰেও প্ৰাধান্য পাব নিশ্চয়। সমালোচনা আৰু সাহিত্য তত্ত্বৰ প্ৰতিও সদা আগ্ৰহী-সচেতন অলকেশ অত্যন্ত আত্মসমালোচকো আছিল। প্ৰথমটো কবিতা সংকলন *ভাস্কৰ* (২০১২)ৰ পাতনিৰ স্ব-ঘোষণাতে সেয়া স্পষ্ট। অলকেশৰ কবিতাৰ দৰ্শন, কাব্য-ধৰ্ম, কাব্য-ভাষা আদিৰ বিষয়ে সমালোচকসকলে ইতিমধ্যে কিছু পৰিমাণে (এনেকি এই সংকলনতো) আলোচনা কৰিছে; আৰু আশা কৰিছোঁ আগলৈকো তেওঁৰ সৃষ্টিৰ বিস্তৃত-যথোচিত মূল্যায়ন চলি থাকিব।

এটা সুন্দৰ মনৰ অধিকাৰী অতিকে সংবেদনশীল মৃদুভাষী অলকেশ মানুহ হিচাপে যিদৰে সহজ-সৰল-নম্ৰ স্বভাৱৰ, লেখক হিচাপেও তেওঁৰ সুবিনীত নম্ৰতা সোঁতৰ বিপৰীতেই উজোৱা। ৰবীন্দ্ৰনাথে কৈছিল, "মানুষ এক দিকে মৃত্যুর অধিকারে, আর এক দিকে অমৃতে; এক দিকে সে ব্যক্তিগত সীমায়, আর এক দিকে বিশ্বগত বিৰাটে।" মৃত্যুৰ অধিকাৰেৰে পাৰ্থিৱ অলকেশ অবৰ্তমান হৈ'ৰ'লেও বিশ্বজগতলৈ অলকেশৰ সৃষ্টিসম্ভাৰ অমৃত হৈ ৰওক। এই সোঁৱৰণী সংকলন অলকেশৰ সৃষ্টিৰাজিৰ বস্তুনিষ্ঠ মূল্যায়নৰ আৰম্ভণি হওক। আপোন ভাতৃসম অলকেশলৈ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

**কুশল দত্ত**

১৫ জুলাই, ২০২৪

# কবি

অলকেশ কলিতা

# শব্দাতীতক ধৰি ৰখাৰ উপায় মানুহ নিজেই

**ডঃ পৰী হিলৈদাৰী**

অলকেশ কলিতাৰ কবিতা আস্থাৰ কবিতা। অলকেশ কলিতাৰ কবিতা মাজে-সময়ে পঢ়িছিলোঁ। আজি কিছুদিনৰ আগতে অলকেশ শাৰীৰিকভাৱে এইখন পৃথিৱীৰপৰা গুচি যোৱাৰ পাছত তেওঁৰ কবিতাবোৰ একেলগে গোটাই আকৌ পঢ়িবৰ মন গ'ল। কাৰণ কবিজনৰ কবিতাবোৰত মই সামাজিক দায়বদ্ধতাৰ চেতনা দেখা পাইছিলোঁ; কবিতাই সেই দায়িত্ব পালন কৰিছে নে নাই সেই লৈ তেওঁৰ অপাৰ আগ্ৰহ আছিল, কিন্তু তেওঁ বিচাৰকধৰ্মী উচ্চাত্মিকাবোধৰপৰা সহজ দূৰত্ব বৰ্তাই ৰাখি নিজেও যে সকলো সীমাবদ্ধতাত আক্ৰান্ত, সেই ভাব অকপটে স্বীকাৰ কৰি লৈছিল। এই বৈশিষ্ট্যবোৰে তেওঁৰ কবিতাক এক আশাবাদৰ পোহৰেৰে বান্ধি ৰাখিছিল বুলি মোৰ ধাৰণা হৈছিল। এতিয়া মোৰ হঠাৎ এনে লাগিল যেন অলকেশৰ কবিতাত যন্ত্ৰণাৰ অনুচ্চ চিঞৰ মই আগতে শুনা নাছিলোঁ। সেয়ে তেওঁৰ প্ৰায়বিলাক কবিতা পুনৰ পঢ়িলোঁ, আৰু তেওঁ হেৰাই যোৱাৰ আগত কবিতাবোৰ সন্দৰ্ভত মোৰ যি ধাৰণা আছিল, সেই ধাৰণা পূৰ্বতকৈ দৃঢ়হে হ'ল, সলনি নহ'ল।

অলকেশৰ কবিতাত কবিতাক লৈ কবিৰ যি উদ্বিগ্নতা আৰু আত্মদ্বন্দ্ব ফুটি উঠিছে সি স্বাভাৱিকতেই এক আধুনিকতাবাদী কাব্য দৰ্শন। *আৰু এটা বিধুৰ বেলা* নামৰ কাব্য সংকলনখনৰ পাতনিত কবিগৰাকীয়ে কবিতাৰ ভাব প্ৰকাশৰ মাধ্যম যি 'ভাষা'— সেই ভাষা সম্পৰ্কে কিছুমান চিন্তনীয় প্ৰসংগ অৱতাৰণা কৰিছে। তেওঁ লিখিছে— "ভাষাৰ নিজা দায়বদ্ধতা নাই, সেয়া কেৱল মানুহেহে বাহিৰৰপৰা ভাষাত আৰোপ কৰি লয়।" কিন্তু ভাষাতেই যিহেতু ভাবৰ প্ৰকাশ ঘটে, সেয়ে কবিতাই সেই ভাবৰ মূল্যবোধক যথাযথ ন্যায় দিব পাৰিছে নে নাই, সেইটোও কবিজনৰ কাৰণে নিশ্চয় গুৰুত্বপূৰ্ণ কথা হ'ব। কবি অলকেশে ইয়াতেই কবিতা লিখাৰ 'যুক্তি' আৰু

যুক্তিহীনতাৰ মাজত এক অনিশ্চয়তাৰ সত্যক স্বীকাৰ কৰি কৈছে— “প্ৰতিটো কথাই ভুল হওক, প্ৰতিটো কথাই ভ্ৰান্তি হওক।” *আৰু এটা বিধুৰ বেলাৰ* প্ৰসংগত কোৱা এই কথাষাৰৰ মাজেদি পঢ়ুৱৈয়ে কবিৰ অন্তৰ্জগতত খেলাই থকা কবিতাকেন্দ্ৰিক কিছুমান সূক্ষ্ম ভাব-চিন্তা আৰু জীৱন দৰ্শনৰ উমান লাভ কৰিব পাৰে। কথাটো এনেদৰে ভাবিব পাৰি— কবিতাৰ ভাষাই দুখ-ক্ষোভ, হতাশা-বিড়ম্বনা-মৃত্যু কামনা ইত্যাদি ঋণাত্মক ভাবাৰ্থ বহন কৰিছে যদিও সেয়া কবিৰ ভাব জগতৰ শেষ কথা নহয়; সেয়া কেৱল কবিতাবোৰৰ ভাষা নিৰ্মিত পাঠ। পাঠৰ আঁৰৰ অধিপাঠত কবিয়ে নিৰ্ভুল, ভ্ৰান্তিহীন সত্যৰহে অন্বেষণ কৰিব বিচাৰিছে। এই পাঠ-অধিপাঠৰ মাজৰ দ্বন্দ্ব কবিতাবোৰৰ আধুনিক চৰিত্ৰৰ মূল আধাৰ।

কবিৰ ‘স্কিজ্জ’ফ্ৰেনিয়া’ নামৰ কবিতাটোৱে স্বাভাৱিকতেই কবি অজিৎ বৰুৱাৰ ‘স্কিজ্জ’ফ্ৰেনিয়া’ নামৰ কবিতাটোলৈ মনত পেলাই দিব। কিন্তু এই কবিতাটোত অলকেশে সেই বিশেষ মানসিক অৱস্থানত অৱস্থিতি লাভ কৰা এজন অন্তৰ্ভুক্ত ব্যক্তিৰ দৃষ্টিৰে বিষয়বস্তু উপস্থাপন কৰিছে, সেইটো মন কৰিবলগীয়া কথা। কবিতাটোৰ প্ৰথম শাৰীটোৰে বক্তাৰ সৈতে অন্য এজনৰ কথোপকথনৰ আগলি বতৰা দিছে। সেই অন্যজন স্কিজ্জ’ফ্ৰেনিক বক্তাই নিজৰ মাজত কঢ়িয়াই লৈ ফুৰা সমান্তৰাল পৃথিৱীখন হ’ব পাৰে (যিহেতু কবিতাটোৰ নামটোৱে তাৰেই ইংগিত দিয়ে)। এই সমান্তৰাল অন্তৰ্জগতখনে বক্তাক বিভিন্ন প্ৰশ্ন, প্ৰত্যাহ্বান আৰু প্ৰসংগৰে ব্যতিব্যস্ত কৰি ৰাখে, অনিশ্চয়তাত আক্ৰান্ত ভৱিষ্যতৰ ভয়াৱহ সকীয়নিৰে শংকিত কৰি তুলিব খোজে। সেই সমান্তৰাল সত্তাই প্ৰলোভিত কৰিছে—

“তুমি এনেকৈ মুঠেই যুদ্ধ কৰি থাকিব নালাগে
তুমি মাথোঁ এনেকৈ জীয়াই থাকিবহে লাগিব।
সেয়েহে তোমাৰ বাবে বিচাৰি বিচাৰি মই
জীৱনৰ বহু অৰ্থ পেলাই দিছোঁ,
মাত্ৰ এটাহে লুকুৱাই থৈছোঁ আনৰপৰা।
শেষত তুমি মাথোঁ কোৱা মোক তুমি বিশ্বাস কৰিছা
আৰু তেতিয়া মই তোমাক সেয়া দিম।”

জীৱনৰ বহু অৰ্থ প্ৰত্যাখ্যান কৰি সেই সত্তাই মাত্ৰ এটা অৰ্থ গোপনে ৰাখি থৈ কবিতাটোৰ বক্তাৰপৰা কেৱল আস্থাই নহয়, আত্মসমৰ্পণো বিচাৰিছে। সমান্তৰাল সত্তাৰ ওচৰত কবিৰ আত্মসমৰ্পণৰ অন্য নাম মৃত্যু, আত্মঘাতী মৃত্যু— যিটো আনৰপৰা

লুকুৱাই থৈ 'তোমাক সেয়া দিম' বুলি সমান্তৰাল সত্তাই প্ৰলোভনৰ খেলো খেলিছে। কিন্তু কবিতাটোৰ মোখনিত বক্তা তথা প্ৰথম সত্তাই প্ৰকাশ কৰা প্ৰতিক্ৰিয়াত আত্মসমৰ্পণৰ ভাব অনুপস্থিত—

"নামুআমিডাবুৎসু!!! নামুআমিডাবুৎসু!!!
মই চকু দুটা কিছু সময় মুদি দিলোঁ
আৰু তেওঁ ভাবি ল'লে
মই সন্মতি দিছোঁ বুলি।"

সামৰণিৰ এই শাৰীকেইটাই স্পষ্ট ইংগিত দিছে যে স্কিজজ্জ'ফ্ৰেনিক প্ৰথম সত্তাই 'নৰকৰ উত্তাপ', 'চেঁচা ব্ৰহ্মাণ্ড সংগীত', 'নিঃসংগ ঘণ্টাবোৰৰ মৌনতা', 'এই ব্যাপ্ত অন্ধকাৰ'— ইত্যাদি ভয়াবহ সত্যবোৰ কেৱল ধাৰণ কৰাই নহয়, বহন কৰিবলৈও সাজু যদিও তেওঁক অস্থিৰ কৰি ৰখা সমান্তৰাল সত্তাই সেই চেতনাৰ অস্তিত্বক গ্ৰহণ কৰিব বিচৰা নাই। এই দুই সত্তাৰ মাজৰ দ্বন্দ্বত প্ৰথম বক্তাৰ স্বকীয় স্থিতিহে সাব্যস্ত হৈছে, দ্বিতীয় সত্তাৰ দাবী গ্ৰহণ কৰি তেওঁ নতি স্বীকাৰ কৰা নাই।

অলকেশ কলিতাৰ কবিতাৰ ভাবজগত মুঠেও ব্যক্তিসৰ্বস্ব নহয়; তেওঁ নিতান্তই এজন সমাজ সচেতন কবি। কবিতাই সামাজিক দায়বদ্ধতা পালন কৰিছে নে নাই, এই প্ৰশ্নটোৱে উদ্বিগ্ন কৰি ৰখা এই কবিজনে কেতিয়াবা হতাশা, শূন্যতা আৰু হাহাকাৰৰ ওচৰত আত্মসমৰ্পণ কৰে আৰু আমি যদি তাৰ কাৰণ বিচাৰি যাওঁ, তেন্তে দেখা পাম যে এফালে সামূহিক নিৰ্লিপ্তি আৰু অন্যফালে কবিকুলৰ আত্মম্ভৰিতাই জন্ম দিয়া আত্মসন্তুষ্টি, এই পৰিস্থিতিয়ে জন্ম দিয়া বিচ্ছিন্নতা আৰু উন্নাসিকতাইহে নেতিবাচক আৱেগবোৰক জন্ম দিছে। 'অস্তিত্ব' নামৰ কবিতাটোত কবিয়ে আত্মসমালোচনা কৰিছে, কাৰণ তেওঁৰ দৃষ্টিত কবিসকলৰ এনে কোনো বিশেষ শক্তি নাই যে তেওঁলোকে আনৰ দৃষ্টিগোচৰ নোহোৱা কিবা সত্য দেখা পায়, কিন্তু শ্লেষৰ কথা এয়ে যে দেখাখিনিৰ বৰ্ণনাতে কবিয়ে বিশ্বাসযোগ্যতা হেৰুওৱাৰ আশংকাত ভোগে। কবিৰ ভূমিকা আৰু সামৰ্থ্যক লৈ অলকেশৰ কবিতাত কোনো ৰোমাণ্টিক স্বপ্নবিলাসিতা নাই; বৰং স্বপ্নবিভোৰতাই তেওঁক বিড়ম্বনাহে দিছেঃ

মই আচলতে ইমান নিঃসংগ হোৱা
উচিত আছিল নে
যে মই কেৱল মোৰ বাবেই সপোন
দেখিলোঁ?

'মোৰ তেজৰ বিষয়ে মই সদায় সঁচা কথা ক'ম' বুলি কথা দিয়া কবিজনে 'কবি' নামৰ কবিতাটোত অকপটে স্বীকাৰ কৰিছে— "আনে নাজানে যে মোৰ তেজেৰে/ নোহোৱা কথা এটা লিখি পেলাব নোৱাৰি।"

কোনো কবিয়েই বোধকৰোঁ শব্দক নিখুঁতভাৱে ব্যৱহাৰ কৰি প্ৰত্যাশিত অৰ্থ সম্পূৰ্ণ ৰূপত প্ৰকাশ কৰাৰ তৃপ্তি লাভ কৰিব নোৱাৰে। অলকেশেও নিশ্চয় এই অতৃপ্তিৰ যন্ত্ৰণাত ভুগিছিল। *নিষ্ফল উৎসৱ* নামৰ কবিতা সংকলনটোৰ প্ৰায়বিলাক কবিতাতে কবিৰ আত্মসমালোচনা, আত্ম-দৈন্যৰ উপলব্ধি আৰু ক্ষমাহীন স্বীকাৰোক্তিৰ স্পষ্ট সুৰ শুনা যায়—

"মৃত অৰ্থৰ এই ৰসাতল ময়ে সাজিছোঁ
ময়ে পহৰাদাৰ
শব্দৰ পাপৰ ঐশ্বৰ্য্য বিস্তৰ এই
কাব্য হ'ল-নহ'ল কোনে জানে?"

কবিতা 'মৃত অৰ্থৰ ৰসাতল' হোৱাৰ আশংকাই অৱশ্যে কবিক সম্পূৰ্ণভাৱে আশাহত কৰা নাই—

কাৰণ, সময় 'ভণ্ড' হ'ব পাৰে, সভ্যতা 'ভ্ৰষ্ট' হ'ব পাৰে, কিন্তু কবিয়ে তেতিয়াও শব্দৰ মাজত শক্তিৰ সন্ধান কৰিব পাৰে—

ফেঁটীসাপৰ প্ৰতিভাৱে মই বাৰে বাৰে খোঁট
মাৰি যাম শব্দত।

কবি অলকেশে আত্মনিৰিষ্টতা আৰু একাকিত্বৰ বন্দিত্বক অস্বীকাৰ কৰি সমূহৰ সৈতে সংলগ্ন হৈ থকাৰ সংকল্প লৈ কৈছে—

"এনেবোৰ গীতেই অনন্তকাল বাজিব
ক'ৰবাত কেঁচু-কুমটিৰ, ক'ৰবাত নিমাওমাও হুদুৰ
আৰু মই মোৰ ৰাজকবিৰ আভূষণ দলিয়াই
আৰু একো নিপিন্ধো বতাহ একোছাটিৰ বাহিৰে।

(কবিতা নং ৪৩)

*নিষ্ফল উৎসৱ*ৰ প্ৰস্তাৱনাত কবিয়ে প্ৰশ্ন কৰিছে— "আমি এতিয়ানো কি কৰিম? নিষ্ফল উৎসৱৰ পিছৰ দিনটোত?" কবিয়ে তাৰ উত্তৰো দিছে প্ৰত্যয়পূৰ্ণ ভাষাৰে— "কিন্তু আমি এই বৃহৎ শূন্যটোক Electrify কৰি দিব পাৰোঁ। এটা বৈদ্যুতিক বৰ্তনীৰ দৰে 'এক' এটা পাব পাৰোঁ। তাতেই মানুহ হোৱাৰ গৌৰৱ। 'এক' আৰু 'শূন্য'ৰে কি নহয়? 'এক'ৰ অৰ্থ 'আছে' (Presence) শূন্যৰ অৰ্থ 'নাই' (absence)। *নিষ্ফল*

উৎসৰত সেয়েহে কেতিয়াবা কিবা এটা আছে, কেতিয়াবা কিবা এটা নাই।" কিতাপখনত সন্নিৱিষ্ট কবিতাবোৰেও এক আৰু শূন্যৰ মাজত, থকা আৰু নথকাৰ মাজত অৰ্থৰ সন্ধান কৰি যেন ক'ব খুজিছে— এয়া কেৱল সময়ৰ অপব্যয় নহয়, তাৰ বাহিৰেও 'আন কিবা'। কবিয়ে লিখিছে—

"দিয়ে যদি কোনোৱে দুটা শব্দ যোৰা লগাই
নিতে চুটি হৈ অহা এই থেৰীগাথাৰ শূন্যতাত।
পাত কৰিলোঁ সেই স্থিতি প্ৰজ্ঞা
অৰ্থ-অনৰ্থৰ যাত্ৰাৰ পুতৌ লগা বিফলতাত।
এতিয়াও বৃশ্চিকৰ নেগুৰত বিষ
অমৃত সাগৰ কথকতাৰ প্ৰতিশ্ৰুতিময় হাতবাউলি"

(কবিতা নং ৩০)

থেৰীগাথাৰ শূন্যতাই শেষ সত্য নহয়; কবিতাটোৰ শেষৰ শাৰীটোত সেই ইংগিত স্পষ্ট। সেয়ে অন্য এটা কবিতাত কবিয়ে আশাৰ বাটত খোজ পেলোৱাৰ হেঁপাহ প্ৰকট কৰিছে—

"আশা কৰিবলৈ দিয়া মোক নতুন ইডেনৰ ৰেঙনিৰ
সন্মুখত মোৰ আছে সেই সহস্ৰবাদৰ সৃষ্টি তাড়নাৰ
তেজ আৰু হাড় সিঁচি থোৱা ভূমি
য'ত ফুল ফুলোঁতে ঠাৰিৰ কষ্ট হৈছিল" (কবিতা নং ২৯)

প্ৰথাসিদ্ধ, পৰম্পৰাধীন নিৰ্মিতিক কবিতাই প্ৰত্যাখ্যান কৰে। অলকেশ কলিতাৰ কবিতাত 'স্বদেশ' মানে ভৌগোলিক সীমাত আৱদ্ধ এখন দেশ নহয়। 'স্বদেশ' নামৰ দুটা কবিতাত তেওঁ 'স্বদেশ' অভিধাৰদ্বাৰা সূচিত আদৰ্শগত অৱস্থানটোক সম্পূৰ্ণভাৱে নাকচ কৰি তাৰ মাজত অন্য এক বাস্তৱক অনুধাৱন কৰিবলৈ চেষ্টা কৰিছে। এই বাস্তৱ মানুহকেন্দ্ৰিকতো নহয়েই, পৃথিৱী সৰ্বস্বও নহয়। 'স্বদেশ' নামৰ দ্বিতীয়টো কবিতাত কবিয়ে এক নতুন অথচ পুৰাতন স্বদেশৰ সংজ্ঞা দিছে এনেদৰে—

"গোটেই পৃথিৱীখনৰপৰা বহিষ্কৃত হ'লে
এই ঠাইখন পায়।...
মই আচৰিত হোৱা নাই মানুহ জাতিটো
এই দেশত নাই।...
ইয়ালৈ আহিলেহে কোনোৱে বুজিব

কিছুমান সহজ আনন্দই কিদৰে পৃথিৱীত
ঠাই উলিয়াব নোৱাৰিলে।

স্বদেশ বুলি যি ৰাজনৈতিক নিৰ্মাণক আৱেগিকভাৱে মানুহে আত্মস্থ কৰি আহিছে তাৰ বিপৰীতে চৰাই, তৰা, বেলি, বতাহ আৰু সেউজীয়াৰ এখন স্বদেশৰ কথাহে কোৱা হৈছে; য'ৰপৰা কবি ক্ষন্তেকৰ বাবে পৃথিৱীলৈ নিৰ্বাসিত হৈছিল আৰু য'লৈ তেওঁ পুনৰ উভতি যাব খোজে। মানুহবিহীন এক কল্পস্বৰ্গীয় অৱস্থানৰ প্ৰশস্তি কৰা বুলি কবিক অৱশ্যেই দোষাৰোপ কৰিব পাৰি, কিন্তু কিছুমান 'সহজ আনন্দ'ক ঠাই উলিয়াই দিব নোৱৰা মানুহ জাতিটোৰ প্ৰতি কবিৰ ক্ষোভ এক স্বাভাৱিক আৰু যুক্তিসংগত প্ৰতিক্ৰিয়াই। এই অকৃত্ৰিম ক্ষোভে জানো আশাৰ সঞ্চাৰ নকৰে?

কবিতাই সামূহিক জনগণৰ বাবে একো কৰা নাই— এই নিষ্ফলতাৰ উপলব্ধিৰ মুখামুখি হৈ কবিয়ে কঠোৰ আত্মসমালোচনা কৰিছে—

"কবিয়ে হেনো কণা চকুৰেও দেখে সুন্দৰতমকেই
......................................................................
কেৱল ময়ে দেখিছোঁ দ্বিতীয় এখন আকাশ
গোপনে আহি সলনি হৈ থকা
গণবিস্মৃতিৰ বিশাল প্লাৱন কঢ়িয়াই বিস্তীৰ্ণ
ৰাতিৰ এন্ধাৰ মেঘসজ্জা" (কবিতা নং ৪০)

কবিতাৰ ওপৰত কবিয়ে আস্থা অৱশ্যেই হেৰুওৱা নাই। সেয়ে কবিতাৰ নামত চলা মিথ্যাচাৰক তেওঁ অকপটে উদঙাই দেখুৱাইছে। 'কবিত্ব' নামৰ এটা কবিতাত এটা কাহিনীৰ ছলেৰে কবিয়ে পঢ়ুৱৈক সোঁৱৰাই দিছে, কেনেকৈ সস্তীয়া বীৰপূজাৰ আশাত কিছুমান স্বাৰ্থপৰ কবিয়ে সাধাৰণ মানুহৰ সৰল বিশ্বাসৰ সুবিধা লৈ মিছাক সঁচাৰ ৰূপত উপস্থাপন কৰে। কবিতাৰ শক্তি আৰু দুৰ্বলতা সম্পৰ্কে কবি অলকেশ সচেতন; এই সচেতনতাই তেওঁৰ আত্মসমালোচনাৰো ভেটি। *পৰাস্মৃতিত* অন্তৰ্ভুক্ত 'পৰিতাপৰ বোধ' নামৰ কবিতাটোৰ এই শাৰী দুটাৰ মাজেদি কবিৰ জীৱন-দৰ্শন আৰু কাব্য-দৰ্শনৰ এটি আভাস প্ৰকট হৈ উঠা যেন লাগে—

"শব্দাতীতক ধৰি ৰখাৰ উপায়
মানুহ নিজেই, আন কিছুমান শব্দ নহয়"

কেৱল দহিকতৰাৰ গীতে অকলে ফাগুন নমাই আনিব যিদৰে নোৱাৰে, শব্দৰ খেলাৰে কবিয়েও একো অসাধ্য সাধিব নোৱাৰে।

২০১৬ চনত প্ৰকাশিত *যোৱাবেলিৰ বসন্ত* নামৰ কবিতা সংকলনটোৰ কবিতাবোৰত অনুৰণিত আশাবাদৰ সুৰ পাছৰ কবিতাবোৰত স্তিমিত হৈ আহিলেও অলকেশৰ কাব্যযাত্ৰাত এইখিনি কবিতাৰ তাৎপৰ্য্যক উপেক্ষা কৰিব নোৱাৰি। 'জ্বলন্ত চৰাই' নামৰ কবিতাটোত কবিয়ে নিজকে এটা জ্বলন্ত চৰাইৰ ৰূপত আৱিষ্কাৰ কৰিছে—

"ধোঁৱাৰ মাজত থপিয়াইছোঁ বনজুইৰ কুকুহা
বাহ সাজিম
তোমাৰ বংশবৃক্ষৰ টিকনিত"

বংশবৃক্ষৰ প্ৰসংগটোৱে অৱশ্যে কোনো সাংঘাতিকধৰণে ৰূপান্তৰমুখী উদ্দেশ্যৰ ইংগিতেৰে আমাক আ !াদিত কৰিব পৰা নাই। এই একেটা সংকলনতে 'আত্মহত্যা'ৰ দৰে কবিতাও আছে, 'কাহ'ৰ দৰে কবিতাও আছে। 'ডিচেম্বৰৰ ফুল' নামৰ কবিতাটো আৰম্ভ হৈছে এটা প্ৰশ্নৰে—

"অতযুগৰ অশান্ত অধীৰ মোৰ মনটোক
এইবাৰৰ ডিচেম্বৰৰ ফুলবোৰে
শান্ত কৰিব নেকি?"

আৰু কবিতাটো শেষ হৈছে এনে প্ৰত্যয়পূৰ্ণ ভাষাৰে—

"যোৱাটো বছৰ,
মই সুখী!
আৰু এই ডিচেম্বৰৰ ফুল
এইবেলি এইবোৰ
ফুলিব নতুন কথাত, নতুন অৱধাৰণাত।"

অলকেশ কলিতাৰ 'ডাক্তৰখানাৰ গল্প' নামৰ কবিতাটোৱে আমাক এটা কাহিনী কৈছে— ৰোগী আৰু ডাক্তৰৰ মাজৰ কথোপকথনৰ মাজেদি। ৰোগীয়ে মাটি খায়—

"ভাই-ভনীবোৰৰ মূৰ খাবলৈ মোৰ
খুউব লাজ লাগে।
গতিকে মাটিকে খাওঁ ছাৰ
নিতান্তই ভোকত খাওঁ।"

কিন্তু ৰোগীয়ে মাটি খাই অনবৰতে মাটিলৈ চাই থাকিব লাগে— "মাটি খোৱাৰ পাছত/ মোক মাটিয়ে মাটিলৈ টানি থাকে।" আনহাতে, তেওঁ আকাশ নোচোৱাকৈও থাকিব নোৱাৰে আৰু আকাশলৈ চালেই সমস্ত মাটি বমি হৈ ওলাই আহে, ৰোগীৰ পুনৰ ভোক লাগে। চিকিৎসকৰ পথ্য হ'ল এনেকুৱা—

"জুই পানী আকাশ আৰু বতাহো
সমানে খোৱা কৰা"

নিৰাময়ৰ এই নিদানত যে প্ৰতীকী অৰ্থ নিহিত হৈ আছে সেয়া বুজাত কঠিন নহয়। মাটি খোৱা কথাটোৱে নিশ্চয় ভোগবাদী সংস্কৃতিৰ কথাই কৈছে। কিন্তু চিকিৎসকৰ নিদানত মাটিক ভোগৰ বস্তু হিচাপে প্ৰক্ষেপ নকৰি পঞ্চভূতৰ এক উপাদান হিচাপেহে চোৱা হৈছে। মানুহে মাটি, পানী, জুই, আকাশ, বতাহক ভোগৰ সামগ্ৰীৰ শাৰীত নাৰাখি সেইবোৰৰ বিশালতা আৰু নিজৰ তুচ্ছতা বুজি উঠিব পাৰিব লাগিব। কবিতাটোৱে ভোগবাদী সংস্কৃতিৰ ঠাইত আধ্যাত্মবাদী দৰ্শনৰ উপযোগিতা যি নাটকীয় কৌশলেৰে প্ৰতিপন্ন কৰিছে, সিয়েই কবিতাটোত এক সৰল আবেদনৰ সৃষ্টি কৰিছে। ভোগ-লিপ্সাক নিয়ন্ত্ৰণ কৰাৰ উপায়ো মানুহৰ হাততেই আছে, সেয়ে মাটি খাই ভাল পোৱাজনেও আকাশলৈ নোচোৱাকৈ থাকিব নোৱাৰে।

বিদ্যায়তনিক চৰ্চাৰ গদ্য, কঠিন বিষয়বোৰৰ সৈতে অলকেশ কেৱল সুপৰিচিতই নহয়, সেইবোৰক তেওঁ কেইটামান কবিতাত অনায়াসে কেন্দ্ৰীয় বিষয়বস্তু হিচাপে উপস্থাপনো কৰিছে। তেনেকুৱা এটা কবিতা হৈছে— 'ইতিহাস চৰ্চা'। বিশুদ্ধ সত্যৰ ওপৰত প্ৰতিষ্ঠিত ইতিহাস যে এটা ভ্ৰান্ত ধাৰণা সেই সম্পৰ্কে ইতিপূৰ্বে যথেষ্ট আলোচনা-বিলোচনা হৈছে। কিন্তু উদ্দেশ্যপ্ৰণোদিতভাৱে ইতিহাসক বাৰে বাৰে সলনি কৰিবলৈ চেষ্টা কৰাৰ কথাটোকো সমকালীন তত্ত্বৰ নামত মানি ল'ব নোৱাৰি। অলকেশে এই ৰাজনৈতিক সাংস্কৃতিক বিষয়টোৰ প্ৰতি চিন্তাশীল পঢ়ুৱৈৰ দৃষ্টি আকৰ্ষণ কৰিছে এনেদৰে—

"ইতিহাস
সি এনে, যে তাক ঘঁহি-মাজি চাফ-চিকুণ কৰি
জিলিকাব নোৱাৰি
অথচ এই কামটো যত্নপৰভাৱে আমি কৰোঁ,
তেতিয়া হয়তো
অতীততে কাৰোবাক বেছি ভাল লগা হ'ব পাৰে।
অথচ যেতিয়া এই কামটো যত্নপৰভাৱে আমি কৰোঁ
তেতিয়া তাক হয়তো এটা পৰিতাপৰ বিষয় বুলি নাভাবোঁ।"

'ইতিহাস চৰ্চাৰ লগত সংলগ্ন হৈ থকা বিপজ্জনক উদ্দেশ্য আৰু পৰিণামৰ প্ৰতি পঢ়ুৱৈক সতৰ্ক কৰি দিয়া এই কবিতাটোত কবিৰ বুদ্ধিদীপ্ত মননশীলতাৰ সমান্তৰালকৈ অন্য এটা মন কৰিবলগীয়া দিশ হৈছে যে তেওঁ আক্ৰমণাত্মক, বিদ্ৰূপাত্মক

ভাষা বৰ্জন কৰি চলিছে। তাৰ বিপৰীতে তেওঁ ইতিহাস চৰ্চাৰ সমকালীন ধাৰাটোত নিজকো অংশগ্ৰহণকাৰীৰ ৰূপতহে আৱিষ্কাৰ কৰিছে। এনে আত্মসমালোচনাৰ সুৰ অলকেশৰ কবিতাত বিৰল নহয়। 'দেৰিডা ধেমালি' নামৰ এটা কবিতাত আকৌ কবি অলকেশে প্ৰাত্যহিক জীৱনৰ, সৰু ঘটনা এটাক দেৰিডাৰ অনিশ্চয়তা, অসম্পূৰ্ণতা, উপস্থিতি-অনুপস্থিতিৰ (Presence-absence) সূত্ৰত বিচাৰ কৰি আমোদ লাভ কৰাৰ চেষ্টা কৰিছে। 'ধূলি পৰি ধুনীয়া হৈ উঠা এটা মহান বাস্তু', 'কাউৰীয়ে হগা বেঞ্চ' আৰু ডাষ্টবিনটো সন্মুখত লৈ কবিয়ে দেৰিডাক এনেদৰে মনত পেলাইছে—

> "পাৰ্কবোৰৰো নিশ্চয় এটা মতলব আছে
> এনেই খালী ঠাই এটুকুৰাতকৈ ?
> কিন্তু এইখনো যে আকৌ কিবা আধা বনোৱা
> পকামিস্ত্ৰী, ৰেল্ডাৰ আৰু শিল্পীৰ পাছত
> বাকীখিনি কাম স্বৰ্গৰ পৰা দেৰিডাই চলাইছে
> সেয়ে অসম্পূৰ্ণ।"

অৱশ্যে তত্ত্ব বিষয়বস্তু নহয়, সমাজ ব্যৱস্থাৰ সমালোচনাৰ মাধ্যমহে। অলকেশৰ কবিতাত ভাব বস্তুৰ ৰাজনৈতিক উপাদান আৰু প্ৰতিষ্ঠানবিৰোধী সমালোচনাত্মক সুৰ উপেক্ষা কৰিব নোৱাৰি। 'যুদ্ধহীন সময়ৰ লোকগাথা'ত পুৰণি দিনৰ যুদ্ধৰ আৱাহন কৰা যেন অনুভৱ হ'লেও কবিয়ে প্ৰকৃততে ক'ব বিচাৰিছে যে আজিৰ এই সময় যুদ্ধকালীন সময়তকৈও ভয়াৱহ—

> "যুদ্ধ আহা। কিন্তু যেতিয়া আহা
> আনিবা সুবিমল সুযোগ্য সন্তাপ
> যাৰ মেৰুকৰণ কৰিব নোৱাৰি
> তাচ্ছিল্যই ঢুকি নোপোৱা মৃত্যু
> যন্ত্ৰণাবিলাসে ঢুকি নোপোৱা দুৰ্ভাগ্য
> আৰু পুতৌৱে ঢুকি নোপোৱা চকুপানী"

এই যে যুদ্ধহীন সময়তো কবিতাৰ বক্তাজনে নিজৰ "অবৰ্ণনীয় দৃশ্য কঢ়িয়াই ফুৰা আৰু অসহ্য বোজাৰে মই ক্ষত্ৰিয়" বুলি কৈছে, তাৰ মাজেদি আৱিষ্কাৰ কৰা বিৰোধাভাস তথা পৰিহাস হৈছে এনেকুৱা— আমি যুদ্ধহীন সমাজ এখনত বাস কৰিও যুদ্ধতকৈও বীভৎস এক সময়ৰ সাক্ষী হৈ পৰিছোঁ। 'আৰামী চকীত মধ্যবিত্ত' শীৰ্ষক কবিতটোত অলকেশে মধ্যবিত্তীয় মনস্তত্ত্বৰ স্বৰূপ উন্মোচন কৰিবলৈ যি শ্লেষ

আৰু সমালোচনা মিহলি স্বীকাৰোক্তিৰ ভাষা ব্যৱহাৰ কৰিছে সিয়েই সাধাৰণ যেন লগা বিষয় এটাক বহু তৰপীয়া বিস্তাৰ আৰু তাৎপৰ্য্য প্ৰদান কৰিছে।

অলকেশ কলিতাৰ কবিতাৰ ভাব-ঘনত্ব, ভাবৰ বৈচিত্ৰ্য আৰু নাটকীয় উৎকণ্ঠা সৃষ্টি কৰিব পৰা প্ৰকাশভংগী— এই বিশেষত্বকেইটাৰ আঁৰত খুব সক্ৰিয় ভূমিকা পালন কৰিছে তেওঁৰ বুদ্ধিদীপ্ততাই। তেওঁ কোনোধৰণৰ বহু ব্যৱহৃত ৰূপক-প্ৰতীক ব্যৱহাৰ নকৰে, কোনো কঠিন ব্যক্তিগত প্ৰতীকৰো আশ্ৰয় নলয়, কিন্তু ক'বলগীয়া কথাবোৰ ইমান ক্ষিপ্ৰ নাটকীয়তাৰে প্ৰক্ষেপ কৰে যে পঢ়ুৱৈয়ে নিজৰ Comfort zone-ৰপৰা ওলাই নাহিলে সেইবোৰৰ ৰস পান কৰাটো সম্ভৱ হৈ নুঠে।

# এক এলেজী ঃ ফুল আৰু ফলৰ উৎসৱৰ

## অনুভৱ তুলসী

"Poetry is truth at the forefront."

Ko Un

অলকেশ কলিতাৰ কবি হিচাপে আত্মপ্ৰকাশ ঘটিছিল *ভাস্কৰ* নামৰ কবিতা সংকলনৰ যোগেদি। *ভাস্কৰ*ত তেওঁ হয়তো কবি আৰু কবিতাৰ সংজ্ঞাৰ সন্ধান কৰিছিল আৰু সেয়ে কবিশিল্পী আৰু কবিতাশিল্পক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি ক'ব খুজিছিল। মন-মানসত কবিতা সম্পৰ্কে এক সুস্থিৰ ধ্যান-ধাৰণা লৈয়ে তেওঁ লিখিবলৈ আৰম্ভ কৰিছিল— মাথোন কবিতাৰ মাজেৰেহে মনৰ সংগোপন অন্তৰ্ধাৰাৰ স্ফূৰণ ঘটে। বাস্তৱ জগতৰ সকলো প্ৰপঞ্চ, পৰিঘটনা আদি অধিৰূপান্তৰৰ মাজেৰে আখ্যান, নাইবা কিংবদন্তিত পৰিণত হয়। অলকেশ কলিতাৰ ২০১৯ চনত প্ৰকাশিত কবিৰ চতুৰ্থ কাব্যপুথি *নিষ্ফল উৎসৱ*-ত আছে মুঠ তিৰাল্লিশটা কবিতা। কবিতাসমূহত কবিয়ে নিৰলাত বহি নিজৰ লগতে কথা পাতিছে। তেনে কৰিবলৈ তেওঁ ক'ৰবাত এক কাল্পনিক চৰিত্ৰৰো সৃষ্টি কৰিছে সমমৰ্মী সহযোগী হিচাপে। সমাজৰ সবাতোকৈ অতিসংবেদীসকলৰ অন্যতম কবি এজনৰ যি আত্মিক অসহায়বোধ সিয়েই হ'ল কবিতাসমূহৰ মূল বিষয়। কবিতাৰ দীঘে-বাণিয়ে অতি-শীঘ্ৰ-সংক্ৰমিত বিষণ্ণতা, আধ্যাত্মিক অন্তঃসাৰশূন্যতা, সোলোক-ঢোলোক জাগতিকতাৰ পৰশ বিদ্যমান। ইয়াৰ লগতে আছে সদ্যজন্মা শিশু-খনিজৰ দিব্যসৌন্দৰ্য, নিজৰি-নিগৰা ৰীতি-বিবৰ্জিত কাব্যানুৰাগ, অনুশীলন-অনীহাৰ কাঁচিয়লি ৰ'দ, যিয়ে আমাক অপৰিচিতৰ ওচৰ চপাই নিয়ে আৰু কবিতাত অন্তৰ্লীন ৰহস্যৰ পৰিপুষ্টি দিব পাৰে। এই পুথিৰ দুই নম্বৰ কবিতাটোত কবিয়ে নিজৰ আত্মপৰিচয় এনে ধৰণে অংকন কৰিছে—

"সৰগৰপৰা নামি আহি পৃথিৱীত ফুল মৰহে
মোৰ শব্দবোৰো পিয়াহ লগা কণ্ঠৰ দৰে শুকাই গৈছে
কেৱল ময়েই
নমাই অনাৰ বাবে সেই নৰমল্লিকা
কোমল বৰষুণ যেন ভাবনাৰ
কিমান যে পাপ কৰিছোঁ
মৌপিয়াবোৰে যেনেকৈ বেঁকা এটি ঠোঁট লৈ আহে
মই এটা কলম আনিছিলোঁ বৃথা।"

কবিতা লিখা এক অপৰিহাৰ্য্য পাপ, যি বৰষুণৰ দৰে স্নিগ্ধ আৰু কোমল। কবিতা লিখিবলৈ হ'লে কবিয়ে মৌপিয়াৰ দৰে হ'ব লাগে মৌ সন্ধানী আৰু সেই মৌ সংগ্ৰহ কৰিব লাগে, চিধা বাটেৰে নহয়, বেঁকা পথেৰে; চিধা বাটেৰে সংগ্ৰহ কৰা মৌ তিতা, সেই ধৰণৰ কলমেৰে লিখা কবিতা বিফল। কবিয়ে তেনে ভাবতে এই পুথিৰ নাম *নিষ্ফল উৎসৱ* ৰাখিছে। কিন্তু, কবিৰ মতে কবিতাহে নৰমল্লিকা, আৰু কবি আধুনিক জীৱন চকাত পিষ্ট এক প্ৰাণ, পিয়াহত আতুৰ এক কণ্ঠ— কণ্ঠৰ অৱধাৰিত এই আতুৰতা হ'ল কবিৰ সৃজনীশক্তিৰ ইন্ধন। এইখিনিতে আইৰিছ কবি ছীমাছ হিনীৰ 'ডিগিং' নামৰ কবিতাটোলৈ মনত পৰি যায়।

একেখন সংকলনৰ সাত নম্বৰ কবিতাটোলৈ লক্ষ্য কৰিলে কি দেখোঁ,

"আনৰ নাজানোহঁক
মই বিদায় মাতষাৰ লগাই গুচি আহিছোঁ
এতিয়া মাথোঁ অন্ধকাৰ পথবোৰ জঁট লাগে
তোমাৰ চকুৰ অন্ধকাৰ মোৰ চকুৰ অন্ধকাৰ।
মানুহে বনোৱা বাটৰ শেষ, কেঁকুৰিটোত ৰৈ
ভয়তে মাথোঁ হেঁহো নেহোঁ কৰি থাকোঁ
আটাইতকৈ মূৰ্খ যিয়ে সিহে আগুৱাই যাব
আৰু সেইজন মই"

এক অসহায় কবিৰ স্বীকাৰোক্তি। অনাদিকালৰে পৰা কবিজন অন্ধকাৰ পীড়িত, কবিতাৰ 'তুমি'ও একেধৰণে আক্ৰান্ত। একৰ পৰা বহুবচনলৈ গৈ আন্ধাৰৰ আয়তন বাঢ়িছে। সেই আন্ধাৰ গুচোৱাৰ সংকল্প কবিৰ মনত দৃঢ়; কবিজনে নিজকে কবি বুলি মানে যদিও জগতৰ মানুহৰ সংজ্ঞা অনুসৰি কবি জধামূৰ্খ (এইখিনিতে ফ্ৰীডৰিখ নীট্‌ছেৰ এটি অমোঘ উচ্চাৰণ মনলৈ আহিছে— 'Mutter ich bin dumn'

জাৰ্মান ভাষাৰ এইকেইটা শব্দৰ অসমীয়া ভাঙনি হ'ব এনেকুৱা ঃ 'আই মই মহামূৰ্খ')। কবিৰ মৰ্মবেদনাৰ অন্তৰ্লিপি দিনলিপি হৈ প্ৰকাশ পাইছে সুবিমল ভাবনা সংপৃক্ত এই শাৰীকেইটাত।

এই পুথিৰ দহ নম্বৰ কবিতাটোৰ কথা ক'বলৈ আগবাঢ়িছোঁ—

"মোৰ পূৰ্বজৰ দালান
শেলুৱৈয়ে খোৱা
য'ত মৌন আমৰ তল আগতীয়া শৰতৰ
আবেলিৰ একোছাটি বতাহ মাৰিছে
মই এটা শব্দও বাকী ৰখা নাই
ভাল পাবলৈ এই মৌনতাক
অথচ কেনেকৈ জানো
কাৰোবাক শেষ সত্যটো ময়ে ক'ম বুলি ৰৈছোঁ
পশ্চিমলৈ নামি যোৱা লয়মান আকাশৰ সৌন্দৰ্যৰ বাবে
মই নিজে
বেলাটো নামি যোৱাৰ পিছৰ পূব"

উপৰিউক্ত শাৰীকেইটা এলিয়টৰ 'ট্ৰেডিশ্বন এণ্ড ইণ্ডিভিজুৱেল টেলেণ্ট'ৰ আমাৰ কবিয়ে নিৰ্মাণ কৰা এক আন্তৰিক পদ্যপাঠ। কবিৰ আগৰখন কবিতাপুথিৰ নাম আছিল *যোৱাবেলিৰ বসন্ত*, ঋতুৰ স'তে কবিৰ এৰাব নোৱৰা সম্পৰ্ক; সেয়ে এই কবিতালৈও সোমাই আহিছে ঋতুবাচক শব্দ শৰৎ। কবি অস্তিত্বৰ পৰিচয়মূলক এক স্মৰণীয় শাৰী 'বেলাটো নামি যোৱাৰ পিছৰ পূব', এই শাৰীত এক আত্ম-ব্যংগও লুকাই আছে, আন কথাত সন্ধিয়াৰ দিগন্তৰো ই এক আয়ৰনী। শেষ কথা কেতিয়াবা কোনোবাই ক'ব পাৰে বুলি মনে নধৰে, অথচ কবিয়ে লিখিছে, পৰম প্ৰত্যয়েৰে লিখিছে, দীপ্ত এক শাৰী, 'কাৰোবাক শেষ সত্যটো ময়ে ক'ম বুলি ৰৈছোঁ'— এনেকৈ ভাবিব পাৰি নেকি যে পূৰ্বপুৰুষে শেষ সত্যটো কৈ যোৱা নাই, সেই শেষ সত্য প্ৰকাশৰ কাম উত্তৰপুৰুষে কৰিবলৈ এৰি গৈছে। পূৰ্বপুৰুষে উত্তৰপুৰুষক আস্থাত লৈছে, কথাটোও নিহিত হৈ আছে। চৈধ্য নম্বৰ কবিতাটোতো এনে এক পূৰ্ব আৰু উত্তৰপুৰুষৰ সম্পৰ্কৰ অৱতাৰণা,

"এটা অলস আবেলিৰপৰা আন এটা অলস আবেলিলৈ
তোমাৰ স্মৃতি কঢ়িয়াই ফুৰোঁতে
যুগে মোক পুতৌ কৰে অন্ততঃ

এক ঘুণে খোৱা হৃদয়ৰ হাড়েৰে
এওঁ কবি”

ইয়াতো পূৰ্বপুৰুষে আমাৰ আগত উত্তৰপুৰুষক চিনাকি কৰি দিছে,— “এয়া ঘুণে খোৱা হৃদয়ৰ হাড়েৰে/এওঁ কবি”— উত্তৰপুৰুষৰ পৰিচয়ৰ মাজেৰে পূৰ্বপুৰুষে নিজকেও উন্মুক্ত কৰিছে, পূৰ্বপুৰুষেও সমূহীয়া স্মৃতি ঘুণে খোৱা হাড়ৰ হৃদয়ত বহন কৰি লৈ ফুৰে, উত্তৰপুৰুষেও পাইছে সেই স্মৃতিৰ উত্তৰাধিকাৰ; সমস্ত মানৱ জাতিৰ উত্তৰাধিকাৰ; মাথোন কবিয়েহে নিজৰতেজ, মঙহ, হাড়, হিমজু, মজ্জাত কঢ়িয়াই লৈ ফুৰে। ঘুণ পোক কবিৰ সময়, স্বদেশ-স্বকাল, অতীত-ভৱিষ্যতৰ যাতনা-সুহৃদ। কবিয়েহে ধাৰণ কৰে, “উদ্ভিন্ন ইতিহাসৰ সদানতুন যৌৱন/ আছাৰিছে বাৰম্বাৰ ধুমুহাত/ আৰু অপলক চাই আছে চিৰকালৰ স্থবিৰতা/ এটা চুমা দুডোখৰ হোৱা”— প্ৰেমিক কবিৰ চিৰশাশ্বত উন্মাদনা, শব্দচয়নতো তাৰ ৰেশ ৰৈ গৈছে, সম্ভৱ হৈছে অসম্ভৱ, ‘এটা চুমা দুডোখৰ হোৱা’— এনেকুৱা অমল শাৰী মাথোঁ অলকেশেহে লিখিব পাৰিছে।

যোল্ল নম্বৰ কবিতাত আকৌ ঋতু, চলতি ঋতু শৰৎ, শৰৎ অতিক্ৰান্ত হ’লে আহে হেমন্ত। তেওঁ লিখিছে,

“পুনু শৰৎ
পুনু হেমন্ত
এয়া যোৱাবেলিৰ এটি মৰা দিন”

মৃত্যুৰ পুনঃপৌণিকতা, প্ৰতিটো ঋতু যেন মৃত্যুৰেই নামান্তৰ, প্ৰতিটো দিন যেন মৃত্যুৰেই জন্মান্তৰ। অপৰিহাৰ্য এই মৃত্যু যাতনাৰে কবি নিয়ত কাতৰ। কবি সমৃদ্ধ, কবি বেছি কবি এই মৃত্যুৰ পৰশেৰে। মৃত্যুৰ জন্মান্তৰৰ মাজেৰে কবিৰ কাল প্ৰবাহ, কবিৰ প্ৰজন্ম প্ৰবাহ। সোতৰ নম্বৰ কবিতাত নাম সলাই আকৌ ঋতু, এইবাৰ আহিন নাম লৈ আকৌ উদয় হৈছে মৃত্যু-বেলিৰেই। মৃত্যুৱে জীৱনক পেলনীয়া, সেৰসেৰীয়া, সেৰেকা কৰি এৰি গৈছে, পৰিত্যাগ কৰিছে। সেই মৃত্যুৰ তাল-মান-ছন্দ-মূৰ্ছনা প্ৰকাশ কবিৰ অৱশ্য কৰণীয় হৈ ৰৈ গৈছে। “ভাগি গ’ল বীণখনি/ছিগি গ’ল তাঁৰ/ৰৈ গ’ল অৱশেষ/অমিয়া জোকাৰ” এই কবিতাৰ প্ৰতিধ্বনি এই কবিতাত ৰৈ ৰৈ বাজিছে। এলিয়টৰ ‘দ্য ৱেষ্ট লেণ্ড’ কবিতাৰ নিৰ্যাসো ৰিণিকি ৰিণিকি দেখা পোৱা যেন লাগে।

ওঠৰ নম্বৰ কবিতাত সময়ৰ লঘু প্ৰকাশ, পাতলীয়া কটাক্ষ,
“বিছনাত পৰি অবাবত আকাশ-পাতাল ভাবি আছোঁ বুলিয়েই

টং টংকৈ নাবাজিবা বাৰে বাৰে
ঘড়ী বোপা”

গতিশীল, যন্ত্ৰৱৎ সময় আৰু তাৰ বিপৰীতে জীৱন স্থবিৰ, এক পৰিহাস, আয়ৰনি এই লঘু প্ৰকাশৰ মাজেৰে ফুটি ওলাইছে। মনলৈ আহিছে “নশা পিলাকে গিৰানা সবকো আতা হ্যেই/ মজা তো তব হ্যায় কি গিৰতো কো থাম লে সাকী”— সময় তুমি গতিশীল, তাৰ বাবেই স্থবিৰ জীৱনক উপহাস কৰিবা নেকি? তাত কিহৰ কৃতিত্ব? কৃতিত্ব দাবী কৰা যদিহে তোমাৰ গতিশীলতাৰ পৰশ অকণ দি জীৱনকো গতিশীল কৰি তুলিব পাৰা...

কুৰি নম্বৰ কবিতাত এক শাশ্বতৰ আহ্বান— প্ৰত্যাশা,

“কোৰা খোজৰ কাহিনী কোৰা
হে অনন্ত বাটৰ ধূলি
মই এতিয়া মাথোঁ শুনিবলৈ সম্পূৰ্ণ প্ৰস্তুত
কবৰৰ এই লেৰেলা ঘাঁহ সম্পূৰ্ণ মৌন”

আকৌ প্ৰত্যাশাপূৰ্ণ জীৱনৰ পটভূমিত সেই মৃত্যুকাতৰ পৰিৱেশ, যি অনন্ত কালৰ বাটৰ বাটৰুৱা, তেওঁ ধূলি হ'লেও জাতিস্মৰ, তেওঁৰ পৰা ত্ৰিকালৰ সাধু শুনাৰ আগ্ৰহ। যি অনন্ত কালৰ কবৰতলিত শুকাই লেৰেলি যোৱা ঘাঁহত (“মই এটি দিনৰ জোনাকী/বহি আছোঁ শুকান ঘাঁহত/ৰাতিৰ সপোন দেখি দেখি”— নৱকান্ত বৰুৱা) জিৰণি লৈ থকা মৃত্যুৰ ছায়া-প্ৰচ্ছায়া কবিয়ে দেখা পাইছে। জীৱনে তেনে এক মুমূৰ্ষু উপাদানৰ পৰা বেদুইন মহাজীৱনৰ মহাকাব্যৰ পাঠ শুনিব খোজা নাই; শুনিব খুজিছে ধূলিৰ মুখৰ পৰা, যি যুগ যুগৰ, যাউতিযুগীয়া, বুকুৰ বান্ধৈ, জাতিস্মৰ।

বাইশ নম্বৰ কবিতাত পুনৰ আহিছে,

“পুনৰপি কাহিনী সেই অৱলীলাৰ
দোহাৰিলা তুমিও তৰুণ কবি
যিদৰে একেটা মন্দিৰৰ ঘণ্টা বাৰে বাৰে বাজে
বহুজনৰ বিভিন্ন প্ৰাৰ্থনাত”

পুনৰায় সেই প্ৰসংগ পূৰ্বপুৰুষ আৰু উত্তৰপুৰুষৰ বোৱঁতী সোঁতৰ, সম্পৰ্ক সেতুৰ, এই আত্মপৰিচয় বহু পৰিচয়ত লীন গৈ বহু কণ্ঠৰ প্ৰাৰ্থনা সংগীত মন্দিৰৰ একেটা ঘণ্টাত ধ্বনিত হৈছে আৰু এই আত্মপ্ৰত্যয়যুক্ত তৰুণ কবিয়ে কাণ থিয়

কৈ শুনিছে সেই সংগীত— এই কবিতাৰ পূৰ্বপুৰুষত পৃথিৱীৰ বহু ভাষাৰ কবিতাপুৰুষ জীন গৈ আছে, জাৰ্মান কবি ৰেইনাৰ মাৰিয়া ৰিল্কেও আছে, হোল্ডাৰলিনো আছে।

সাতত্ৰিশ নম্বৰ কবিতাটোৰ বিষয়ে কিছু অপলাপেৰে এই লেখা সামৰি দিম। কবিতাৰ বিষয়ে কবিতাতকৈ বেছি কথা কোৱাটো এক অক্ষমণীয় অপৰাধ। কথাটো বুজি পাওঁ বাবে চোকহীন কথাকে আৰু বেছি চেপেটা কৰি থাকিব খোজা নাই। কিয়নো মোৰ সমুখত আছে এক গোটা কবিতা, সেইটো সমুখত লৈ মোৰ আৰ্তস্বৰ বহি আছে, জনাব খুজিছে অনুৰাগী, সমমৰ্মীক এনেকৈ,

"তোমাৰ প্ৰিয় পখী আৰু ডালত নাই কাব্যা"

গছৰ ডালৰ পৰা প্ৰিয় পখী উৰি যোৱা খবৰটো বতাহত ভাহিছিল, মই নিজে পীড়িত আছিলোঁ মোৰ তেজত টঙী সাজি বহি থকা এক অ-সুখৰ দ্বাৰা, নিদান বিচাৰি গৈ আছিলোঁ, আদবাটতে আছিলোঁ, তেতিয়াও পোৱা নাছিলোঁগৈ গন্তব্য। 'সি শেষবাৰ পাখি ধপধপাই এন্ধাৰ সৰাই গ'ল অন্তিমৰ পথেৰে'— অলকেশ কলিতাই নিজৰ এপিটাফ নিজে লিখিছিল। বহু ঠাইত লিখিছিল, স্পষ্টকৈ, ঠাঁৰে-টিঁয়াৰেও লিখিছিল। তেওঁ জানে, কবি হ'লে জানিবই, তেওঁৰ ঘৰৰ মানুহেও জানিছিল, অলকেশ নামৰ কবিজনৰ তেজত টঙী সাজি বহি থকা সেই জন্মান্তৰৰ কথা। সাতত্ৰিশ নম্বৰ এই কবিতাটোত তেওঁ সেই কথা 'কাব্যা'ক কৈছে, কাব্যা হ'ল কবিৰ 'মিউজ', কাব্যৰ পৰাই এই কাব্যা শব্দটো নিৰ্গত হৈছে, কবিৰ চিৰকালৰ প্ৰিয়া, কবিয়ে চূড়ান্ত সত্য তেওঁৰ আগত প্ৰকাশ নকৰি ক'ত কৰিব? এই কবিতা কবিয়ে নিজহাতে লিখা এক এলেজি, নিজৰ নিষ্ফল উৎসৱ, এক আয়ৰনি। বহু বাটৰ ধূলিত তেওঁ এই এলেজি লিখিছে, বতাহে বাৰে বাৰে মচি পেলাইছে সেই কবিতা, কাব্যাৰ চকুৰ পতাতো সেই লিখা চিৰস্থায়ী নহয়, কাব্যাৰ সপোনৰ বাৰম্বাৰ বিচৰণে, সপোনৰ খোজৰ ধূলিয়ে বাৰে বাৰে মচি পেলাইছে সেই লেখা— ইমানৰ পিছতো কোনেও মচিব নোৱৰা এই এলেজি। জীৱননো কি? 'মেনেকিনৰ অলীক লাৱণ্য গীতি', তেওঁৰ এপিটাফত এই শাৰীটোও আছে, এনে কৃত্ৰিম সৌন্দৰ্যৰ অলীক লাৱণ্য গীতিয়ে তেওঁক আমুৱাইছে, একেজোপা গছৰ, একেটি ডালৰ মায়া-বন্ধনত নাথাকি সেয়ে প্ৰিয় পখী উৰি গৈছে, ('উৰি গৈলা ৰাজহংস', কবীৰৰ 'উড় যায়েগা হংস অকেলা' কুমাৰ গন্ধৰ্বৰ কণ্ঠত এই তেওঁক শুনাইছিলোঁ) অন্য ডাললৈ, বিৰিখৰ অলীক সেউজৰ অন্য জগতলৈ, অন্য লাৱণ্যলৈ। আৰু মোৰ এই লেখা এক অপচয় মাথোন, অনিবাৰ্য্য এক অপলাপ, 'পেলনি গৈছে কিমান অন্তৰা'— মই যিমানেই

ব্যাকুলতা নিগৰাওঁ কিয়, সেই সকলো পেলনীয়া, সকলো অথৰ্ব; অথচ তাৰ পিছতো মই অসহায়! অলকেশৰ চকুত তুমিহে দেখা পোৱা কাব্যা 'অন্তিমৰ এক শিখা শেষবাৰ কঁপি উঠা'। হয়, হয় বুলি মই মাথোন হয়ভৰ দিওঁ। এয়া 'শ্ৰান্তি নিৰ্ঘোষ'— হুবহু উদ্ধৃত কৰাৰ বাহিৰে মোৰ সমুখত কোনো খোলা পথ নাই আৰু তাৰ ঠিক পিছতে দুৱাৰ স্বয়ং জাপ খাই হৈ যাব, যি 'জাপ খোৱা'ত আমাৰ হাত নাই— হাত সাবটি বহি থকাৰ বাহিৰে, হাতৰ শূন্যতাত বিদায়ৰ চিহ্ন অঁকাৰ বাহিৰে আমাৰ আন পথ নাই। সাতত্ৰিশ নম্বৰ কবিতাৰ শেষ দুই স্তৱক,

"শুনা হে কাব্যা
ধ্বংসৰ উৎসুক শ্ৰোতা
অৱশ্যে দীঘলীয়া কৰিব পাৰোঁ মোৰ
অমিয়া উচুপনি অনন্তলৈ।
অথচ বতাহে এইবোৰো পাপৰি উৰুৱাই লৈ যাব অনন্তকাল
তাৎপৰ্যৰ প্ৰাচীন শান্তি সমাধিৰ উপবনলৈ
য'ত প্ৰকৃতিয়ে ইতিমধ্যে তাইৰ যৌৱন পাত কৰিছে।"
অনন্তৰ আগলিপাত যেন সৰ্বশেষ স্তৱক,
"শুনা কাব্যা
ধ্বংসৰ উৎসুক শ্ৰোতা
ঠিকেই
অত্যন্ত লেহেমীয়াকৈ মই শেষৰ বাৰ্তা দিম তোমাক।
আৰু তেতিয়া তোমাৰ বাসনাৰ বাৰাণ্ডাত অনন্ত গধূলি নামিব
আৰু বহিম তুমি মই বহু সময়
আচল কথাটো পাছলৈ ঠেলি ঠেলি।
অত্যন্ত লাহে লাহে শেষ হ'ব অন্ধকাৰৰ তৰ্জমা
খৰচ হ'ব অমিয়া মাতৰ কতনা ৰত্ন মণি মৰকত
আকৌ এবাৰ হে কাব্যা
সকলো ৰস এটি এটিকৈ হেৰুৱাম আমি অসাৰ ৰাতিৰ পথত।"

উমানন্দৰ পশ্চিমমুৱা এক শিলাখণ্ডত অলকেশ, তুমি মই তোমাৰ কাব্যাক সমুখত লৈ সাগৰ অভিমুখী এক মহানদক সাক্ষী কৰি, কাব্যাৰ সৈতে কথা পাতি পাতি সময়ক পাছলৈ ঠেলি ঠেলি, সত্যক স্থগিত কৰি কৰি বহি আছিলোঁ, আজিও তেনেকৈয়ে বহি ৰৈছে অনন্তকাল।

# অলকেশ কলিতাৰ ভাস্কৰ

## ডঃ এম. কামালুদ্দিন আহমেদ

কবি অলকেশ কলিতাৰ 'ভাস্কৰ' এটি দীঘলীয়া কবিতা। আধুনিক অসমীয়া কবিতাৰ ইতিহাসত দীঘলীয়া কবিতাৰ এটি পৰম্পৰা আছে। নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, বীৰেশ্বৰ বৰুৱা আৰু শেহতীয়াকৈ হৰেকৃষ্ণ ডেকাই এনে কবিতা ৰচনা কৰিছে। তৰুণ কবিসকলৰ কোনো কোনোৱে এনে দীঘলীয়া কাব্যৰ প্ৰয়াস কৰিছে। তৰুণতৰ কবিসকলৰ মাজত অলকেশ কলিতাৰ এই প্ৰয়াস নিঃসন্দেহে আদৰণীয়।

কবিয়ে শিল একান্ত ৰূপকধৰ্মী হিচাপে প্ৰকাশ কৰা নাই, কেতিয়াবা আকৌ পোনপটীয়া উক্তি বা ব্যঞ্জনাধৰ্মী ভাষাৰ জৰিয়তে পঢ়ুৱৈৰ মনত অভিঘাত পেলাবলৈ কবিয়ে যত্ন কৰিছে। শিল বুলিলে আমাৰ নিহিত প্ৰতিক্ৰিয়াক নতুন দৃষ্টিৰে বোলাই পেলোৱা হৈছে। কাঠিন্যৰ যি বোধ সাধাৰণতে শিলে আমাৰ মনত জগাই তোলে তাৰ বিপৰীতে অলকেশে শিলক বিভিন্ন ধৰণে চাইছে ঃ কেতিয়াবা এটি সংবেদনশীল উপাদান হিচাপে, কেতিয়াবা সৃজনশীল বস্তুৰ দৰে।

যৌনতাক অনুষংগ হিচাপে কবিয়ে ইয়াৰ আগেয়েও ব্যৱহাৰ কৰিছে। তাত এটা কথা লক্ষ্য কৰা যায়, যৌনতাৰ জটিল অভিব্যক্তিৰ জৰিয়তে মানৱ মনৰ ৰহস্যময়তাৰ অন্বেষণৰ প্ৰয়াস কৰিছে কবিয়ে। যৌনতা কেৱল দৈহিক ক্ষুধা হিচাপে যদিওবা তেওঁৰ কবিতালৈ আহিছে তথাপি মনৰ বিভিন্ন মুড ই প্ৰকাশ কৰাৰ বাবে স্থূলতা অতিক্ৰম কৰিব পাৰিছে। মনৰ সূক্ষ্মতম অনুভূতিয়ে লাভ কৰিছে বাংময় ৰূপ ঃ

> "সমুখত এজনি নঙঠা ছোৱালী
> তাইৰ ৰঙা ওঁঠজুৰি আৰু স্তন দুটাৰ বাবে তাইৰ কষ্ট
> কোমল ঘাঁহবোৰৰ বাবে তাইৰ যাতনা।

কাৰ ক'লা তেজত হেৰায় দিগন্ত,
সেই অদেখাত মোৰ প্ৰেম
জীয়ে নে মৰে জনাব
তাইৰ যেতিয়া কোনো উপায় নাথাকে,
সবাতোকৈ ক'লা পাতবোৰৰ মাজত
মই হাত দিওঁ চেঁচা ফলটোত।"

(পটকথা)

যৌনতাক বিষাদৰ লগত সংপৃক্ত কৰি কবিয়ে ইয়াক সূক্ষ্মতা দান কৰাৰ লগতে মানৱ মনৰ ৰহস্যময়তাৰ অন্বেষণ কৰিব বিচাৰিছে। সেয়ে যৌন অনুষংগৰ বাবে ক'লা ৰঙৰ ব্যৱহাৰ কৰিছে ঃ "সবাতোকৈ ক'লা পাতবোৰৰ মাজত/মই হাত দিওঁ চেঁচা ফলটোত"। যৌনতা আৰু বিষাদৰ সংমিশ্ৰিত ৰূপৰ কথা ইতিমধ্যে কোৱা হৈছে ঃ "সমুখত এজনী নওঠা ছোৱালী/তাইৰ ৰঙা ওঁঠজুৰি আৰু স্তন দুটাৰ বাবে তাইৰ কষ্ট/ কোমল ঘাঁহবোৰৰ বাবে তাইৰ যাতনা।" ইয়াকে তেওঁৰ দীঘল কবিতাটোলৈ কবি অলকেশ কলিতাই লৈ আহিছে শিলৰ অনুষংগৰ জৰিয়তে ঃ

"কিন্তু সৃষ্টিৰ আটাইতকৈ বিকৃত শিলটো
এটা গোলক নে কি?
তেন্তে আহা জোনটোৰে
তাইৰ স্তনলৈ মনত পেলাই দিয়াৰ বাবে
তোমাৰ গাত চকুপানী ঢালোঁ।"

শিলৰ পৰিচিত আৱহ ভাঙি কবিয়ে বিভিন্ন বোধ শিলত আৰোপ কৰিবলৈ যাওঁতে ভাষাৰ ওপৰত নিয়ন্ত্ৰণেও স্বাভাৱিকতে আকৰ্ষণ কৰে ঃ

"মায়াবী দৃষ্টিৰে মই আভঁজা শিলটোৰ বাবে ভাস্কৰ।
চালোঁ চিন্তিলো, একোতে নপৰে, কেনে দুৰ্ভগীয়া শিল।
মানুহৰ নিখুঁত ঈশ্বৰ শিলৰ আৰু অমানুহ শিলৰ।
আৰু কেতিয়াবা নিজেই শিল হৈ
বিভিন্ন সাগৰত ডুব যাওঁ।
কিন্তু আভঁজা শিল
তোমাক কোনেও চকুপানীৰে নোওঁৱা নাই?"

(ভাস্কৰ ১)

শিলৰ প্ৰসংগেৰে মানুহৰ প্ৰেম, যাতনা, নৃশংসতা কবিয়ে উদ্ভাসিত কৰি তুলিব বিচাৰিছে। কবিতাটোত ভাবৰ পৰিৱৰ্তন ইমান সঘনাই ঘটিছে যে সেয়াই আধুনিকতাবাদৰ কেতবোৰ কথাও আমাৰ মনলৈ আনি দিয়ে ঃ

"মোৰ ড্ৰয়িংৰুমত থাকিবা নে শিল
মই যদি তোমাক বাং কুকুৰৰ
দাঁতৰ দবে জোঙা হোৱাটো বিচাৰোঁ ?"

(ভাস্কৰ ১)

শিল সম্পৰ্কীয় প্ৰবাদ আৰু প্ৰবাদতুল্য বাক্যসমূহৰ ওলোটা ৰূপ পাবৰ বাবে কবিয়ে যত্ন কৰিছে, তাতেই উক্তিসমূহে লাভ কৰিছে আকৰ্ষণীয়তা ঃ

"মোৰ চকুপানীত তিতিছা মানে তুমি
শৰতৰ চকুপানীত তিতিছা।
**
মই প্ৰথমতে তোমাক শিকাব লাগিব শিল
যে মানুহ আৰু মানুহৰ অসাধাৰণ শোকক
তুমি অৱজ্ঞা নকৰিবা"

(ভাস্কৰ ২)

শিলত মহত্ত্ব আৰু বিৰাটত্ব আৰোপ কৰাৰ জৰিয়তে কবি অলকেশ কলিতাই তাৰ বৈপৰীত্য হিচাপে মানুহৰ নিদাৰুণত্ব প্ৰকাশ কৰিছে ঃ

"পৃথিৱীৰ আটাইবোৰ খোদিত শিলে
অনুভৱ কৰিবপৰা একমাত্ৰ কথাটো হ'ল
মানুহৰ শোক।
কোনোকালে মানুহক নিচিনা কেতবোৰ ৰাং কুকুৰৰ দাঁতে
যি শোক অনুভৱ কৰিব নোৱাৰে।"

(ভাস্কৰ ২)

শোকে বুকু ভেদি যায়, হুলে বিন্ধে বুকুত, কিন্তু এই পৰিচিতক দূৰলৈ ঠেলি দি শিলৰ জৰিয়তে ইয়াক অভিব্যক্ত কৰিবলৈ কবিয়ে প্ৰয়াস কৰিছে ঃ

"কিন্তু তোমাক ক্ষুৰধাৰ এটি জোং কৰি তোলাটোৱেই
মোৰ প্ৰথম সিদ্ধান্ত।
কাৰণ আন একোৱেই যে আজিলৈ মোৰ বুকুত
সোমাই নৰ'ল"

(ভাস্কৰ ২)

বিভিন্ন পৰোক্ষ উল্লেখেৰে অলকেশৰ দীঘলীয়া কাব্যখন ভৰি আছে। কল্পনাৰ ডেউকা মেলি দিছে কবিয়ে এইদৰে ঃ

"মই যাৰে অন্য শ্ৰীকৃষ্ণৰ বাঁহী বজোৱা আঙুলিবোৰৰ এটি
বতাহ আৰু শুকুলা মেঘৰ চপৰা।
তাৰে মই স্পৰ্শ কৰিম তোমাৰ
নৰীৰ জুটলা চুলি যেন অংশটোক
আভঁজা শিল"

(ভাস্কৰ ৩)

শিলৰ হৃদপিণ্ডৰ অলংকাৰৰ (Oxymoron) জৰিয়তে শিলৰ সংবেদনশীলতাকে স্পৰ্শ কৰিছে কবিয়ে ঃ

"কিন্তু তোমাৰ হৃদপিণ্ডটি স্পৰ্শ কৰোঁতে
তোমাৰ ব্যথা মমতাক স্পৰ্শ কৰোঁতে
সেইবোৰ যদি আটাইবোৰ মোৰ নিজৰেই আঙুলি হয়
তুমি মোক বেয়া পবা নে কি অ' আভঁজা শিল ?"

(ভাস্কৰ ৩)

আকৌ শিলৰ স্বাভাৱিক শিলত্বতকৈ মানৰ শিলক উদ্ধাৰ কৰা যে কঠিন ঃ

"আৰু তোমাকে কোনো ভাস্কৰে
উদ্ধাৰ কৰিব নোৱাৰিলেহেঁতেন
যদিহে তুমি হ'লাহেঁতেন মানুহ নামৰ শিল এটুকুৰা।"

(ভাস্কৰ ৪)

(Oxymoron) অলংকাৰৰ সফল প্ৰয়োগো মন কৰিবলগীয়া ঃ

"মই পাহৰি গৈছোঁ মেৰ হৃদয়ৰ
সোঁফালৰ হিমস্তূপটোত তুমি ঠেৰেঙা লাগি আছিলা নে
বাওঁফালৰ মৰুভূমিৰ শুকান জাৰত।"

(তলৰ আঁচ আলোচকৰ)

বিষণ্নতা আৰু যৌনতাৰ সমন্বিত ৰূপ এনেদৰে ঃ

"মোৰ সোঁচকুটোৰে মই তোমাক
তাইৰ বাওঁস্তনটোৰ দৰে দেখিছো
বাঁওচকুটোৰে চাওঁতে তাইৰ

সোঁস্তনটোৰ দৰে দেখিছো।
দুয়োটিয়েই মোৰ দুখৰ”

(ভাস্কৰ ৫)

যৌনতাৰ অনুষংগ হিচাপে আহিছে ফুলনি, তাত ফুলি থকা অশোক ফুল ঃ

“ফুল আৰু কাঁইট, চৰাই পখিলা আৰু এজন মালিৰে
আমাৰ এখন ফুলনি আছে।
অশোক ফুল ঃ ফুলনিখনৰ ৰঙা স্তন।”

(ভাস্কৰ ৭)

বাগিচাত শিলৰ ভূমিকা সৃষ্টিশীলতাৰে ৰঞ্জিত ঃ

“কিন্তু আভঁজা শিল
মই তোমাক দুখন পাখি দিম।
চৰাই আৰু পখিলাবোৰৰ সতে মোৰ ফুলনিত
তুমি উৰি ফুৰিব পাৰিবানে
এই ধুনীয়া দৃশ্যটিৰ
এজন ৰখীয়া দেৱদূতৰ দৰে?”

(ভাস্কৰ ৭)

ব্যক্তিগত নৈৰ্ব্যক্তিকৰ মিশ্ৰণেৰে এই দীঘলীয়া কবিতাটোৱে অন্য মাত্ৰা লাভ কৰিছে। প্ৰেমৰ উন্মেষ আৰু তাৰ নিদাৰুণ সমাপ্তি শিলৰ জৰিয়তে কবিয়ে মূৰ্ত কৰি তুলিছেঃ

“কাৰণ সেই দিনটোতেই মই গম নোপোৱাকৈ
শিলচটাৰ ভিতৰত তাই উপজিছিল।
সেইদিনা মই দেখিছিলো সচাঁকে এছাটি তেজৰ বৰষুণ নামিছে
ৰঙা লুণীয়া তেজৰ বৰষুণ
মানুহৰ কেঁচা তেজতকৈও উষ্ণ
জোঁৱাৰৰ দৰে উতলা
মোৰ হাঁতুৰীটোতকৈও বেছি অনুভূতিপ্ৰৱণ।
সেইদিনা মই গৈ দেখিলো
তাই সঁচাকে মোৰ বাবে অধীৰ, উতলা, আতুৰ, কামুক
অথচ তাই অলৰ অচৰ শিল
হাঁয় তাই লৰচৰ কৰিব নোৱাৰিছিল।

তোমাৰ লগত তেনেকুৰা কিবা এটা হ'লে
মোক কেতিয়াও ক্ষমা নকৰিবা
মোক কেতিয়াও ক্ষমা নকৰিবা।"

(ভাস্কৰ ৮)

কিন্তু এনেবোৰ বাক্য অসমীয়া ভাষাৰ কালিকাপ্ৰকাশক নহয় ঃ

"তোমাৰ লগতো যদি তেনেকুৰা কিবা এটা হয়"

(ভাস্কৰ ৯)

শিল-জাত সেইনাৰী ধূলি-মাটিৰ লগতে সম্পৰ্কিত, মহাজাগতিকতাৰ পৰা ই মুক্ত ঃ

"তুমি হ'বা দেহৰক্ষীজনৰ সেই প্ৰেমিকাগৰাকী
যাৰ কথা ভাবি ভাবি তেওঁ কৰ্তব্যত গাফিলতি কৰিব।
কিন্তু তুমি এটা দূৰৈৰ তৰা কেতিয়াও নহ'বা
তেওঁলোকে সেইটোৱেই বিচাৰে।
কিন্তু এইচবৰপৰা মই তোমাক
কেতিয়া আহৰি দিম ?"

(ভাস্কৰ ৯)

কথকৰ সংগ্ৰামশীলতা মূৰ্ত হৈছে শিলৰ অনুষংগৰ জৰিয়তে, সেয়াও লীৰিকেল ভংগিমাত সাৰ পাই উঠিছে ঃ

"তুমি যিদৰে এদিন লয় পাই মাটি হ'বা
মই হ'ম একুৰা মাটিত মিলি যোৱা জুই।
মোৰ যুঁজ বাগৰ আৰু ভাগৰ
দুয়োটাৰে এই জুইতেই অন্ত পৰিব।"

(ভাস্কৰ ১৪)

ভাস্কৰ-১৫ৰ অন্তৰ্গত শিল-১ত শিলৰ জন্মকাহিনী আৰু তাৰ বিৱৰ্তন ব্যঞ্জনাদীপ্তভাৱে দাঙি ধৰিছে, লগে লগে ভাস্কৰৰ জন্মকাহিনীও ঃ

"ঈশ্বৰে প্ৰথমে শিলেৰে কৰিলে এখন ছুৰী ঃ
শিলৰ প্ৰথম দুৰ্যোগ।
তাৰ পাছত সেইখনেৰে শিলতেই নানা ফুল, পাত, পখিলা
কাটি ফুৰিলে ঃ প্ৰথম আনন্দলোতক।
তেতিয়াৰে পৰা আন কোনো এজনৰ মনোজগতক
শিলে বুজিবলৈ ল'লে, তেনেকৈ জন্ম হ'ল ভাস্কৰৰ।"

কল্পনাপ্ৰৱণতাই লীৰিকৰ জৰিয়তে প্ৰকাশ লাভ কৰিছে ঃ সাগৰ আৰু ঢৌ, পৰ্বত, গছ-গছনি, আকাশৰ নীলা শিলৰ বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্যৰ দ্যোতক ঃ

"তেনেকুৱা আৰু বহুত কিবাকিবি ইয়াত লিখা আছে
শিলৰ বাইবেলৰ প্ৰথম পৃষ্ঠাত। তুমি শুনি আছানে মৰমৰ ভাস্কৰ
মই কিন্তু হ'লোঁ এজন নাস্তিক।"

প্ৰস্তৰ যুগ আৰু সাম্প্ৰতিক সময় ইটোৰ ওপৰত সিটো ৰোপণ কৰি পৰিচিত উপমাত নতুন বোল সানিছে কবিয়ে। তাতে শিলৰ ভৱিষ্যতমুখী উল্লিখন মন কৰিবলগীয়া ঃ

"এদিন পৃথিৱীৰ প্ৰতিজন মানুহ ইজনে সিজনৰ শত্ৰু হৈ উঠিব
আৰু শিলেৰে ইজনে সিজনৰ লাওখোলা ভাঙিব।
এদিন সকলো শিলেই মানুহৰ তেজত ওপঙি উঠিব।
কাৰণ মানুহৰ প্ৰথম অস্ত্ৰপাত আছিল শিলৰ।"

(ভাস্কৰ-১৬, শিল-২)

কবি অলকেশ কলিতাই দীঘলীয়া এই কবিতাটোত বহুস্বৰবিশিষ্টতাৰ ৰূপায়ণ সম্ভৱ কৰি তুলিছে। কেতিয়াবা শুনা গৈছে ভাস্কৰৰ কণ্ঠস্বৰ, কেতিয়াবা নাৰীৰ কণ্ঠস্বৰ, কেতিয়াবা আকৌ শিল আৰু নাৰী একাকাৰ হৈ গৈছে ঃ

"প্ৰাচীন শিলনিখনৰ নিৰ্জনতাত মানুহ আৰু শিলে
সাবটা সাবটি কৰি থকা নাই নে?
লালটি লগা ওঁঠেৰে কেঁচুবা এটাই
মোৰ শিলৰ স্তনটি চুপিলে মই কি তাৰ মাতৃ নহ'ম?"

(ভাস্কৰ-১৭, শিল-৩)

শিলো ইয়াত এটা কণ্ঠস্বৰ, শিলত আৰোপ কৰা আবেগময়তাই কবিৰ ভাষাৰ অভিঘাত স্থায়ী কৰি তুলিছে ঃ

"মোক একুৰা কাহানিও নুনুমোৱা জুই নকৰিবা।
মোক কৰা একুৰা শীতল বগা জুই আৰু
প্ৰতিজন গৰ্ব্বিত বীৰ শহীদৰ নামত মোক উছৰ্গা কৰা।
মোক তোমাৰ অময়া দেশত ৰাখা স্বাধীনতাৰ প্ৰতীক কৰি
তোমাৰ অমিয়া মাতেৰে মোক তিয়াই ৰাখা জীয়াই ৰাখা।"

(ভাস্কৰ-১৮, শিল-৪)

অইন সৃষ্টিশীল ব্যক্তি, সৃজনশীলতাৰ দ্যোতক গছ এই আটাইবোৰতকৈ ভাস্কৰকে শিলে উচ্চ স্থান দিছেঃ

"মই আহি পৰিলোঁ তোমাৰ অন্তৰৰ মজিয়াত।
মই কিন্তু তোমাক অগাধ বিশ্বাস কৰিছো ভাস্কৰ।"

(ভাস্কৰ-১৯, শিল-৫)

কবিতাও কেতিয়াবা এটা কণ্ঠস্বৰ হিচাপে দেখা দিছেঃ

"মই এজন ভাস্কৰৰ বিষয়ে এটি কবিতা।
নহয় মই এটুকুৰা শিলৰ বিষয়ে এটি কবিতা।"

(ভাস্কৰ-২১, এটি কবিতা)

এই দীঘলীয়া কবিতাটোত সত্তাৰ বিচ্ছিন্নকৰণ নকৰাকৈয়ে নৰ-নাৰীৰ সম্পৰ্ক আৰু মানৱ জাতিৰ বিনাশলৈকে সামৰি ল'বৰ বাবে কবিয়ে প্ৰয়াস কৰিছে। ব্যক্তিগত ঠেক পৰিসৰক নেওচা দিবৰ বাবে তৰুণ কবি অলকেশ কলিতাৰ এই প্ৰয়াসক আমি সাধুবাদ দিব লাগিব। মানৱ মনৰ বাবে অপৰিহাৰ্য আৰু প্ৰশস্ত বহুকেন্দ্ৰিকতা ব 'পলিফনি'ৰ সমাৱেশ ঘটিছে ভাস্কৰ কবিতাটিত। কবিতাটোত কবিৰ স্বৰেও বিশেষ তাৎপৰ্য বহন কৰিছেঃ শিল্পৰ প্ৰতি আকুলতা আৰু জীৱনৰ উদ্‌যাপন ইয়ালৈ একেলগে আহিছে। কবিৰ অনুভূতি, সংবেদন 'ভাস্কৰ'ত বস্তুগত সহগৰ যোগেদি ব্যঞ্জিত হৈছে।

# On a Poet and a Worldview

## Dr. Bibhas Choudhury

Alakesh Kalita. A name. A man behind the name. I met him at different times. In different locations. At a poet's home, at the bookshop, at a ceremony, at the bookfair, also at the crossroads of existence. And I met him in his words. His books spoke a distinctive language, at once poetic and of his creds, alphatized to articulate an idiom he saught to navigate his mind through, almost sculpting a reality of belonging – which we perhaps could not quite respond to – his words continue to speak to us but are we listening ?

Things are not easy. The image of Alakesh that we have now is only half a portrait – a semblance – the poet and the mind that made poetry remain hovering over us – as we read and re-read, perhaps, some day, there will be some wield – is not that what poetry does? Bring to life the resonant filters of experience, consolidating in poetic markers points of convergence which come to mean more than what they say.

Art is conditioned craft. Alakesh crafted his verses to hold thoughts and ideas in moulds of his own making. I had translated a poem of his once, on sculpting, and on the nature of making things, it was a poem on the process itself, the words proceeding forward to a horizon that dissolved somewhat, carrying, as the Lithuanian philosopher Levinas said – reality and it's shadow. I would say Alakesh the poet shadowed Alakesh the man right down to the elemental use of his being – and for a life so rich in texture- Alakesh carved his own space, and even as he tiptoed away from us – he spoke, and will continue to speak – the moot point being the words again – are we reading them honestly enough?

# অলকেশৰ সৈতে বহু কথা

## মনোজ শৰ্মা

(১)

অসমীয়া কবিতাৰ ফৰ্ম, পেটাৰ্ন, ষ্ট্ৰাক্‌চাৰ, ভাষা কিদৰে সলনি হৈছে এক দশকমান ধৰি মই তাকেই ভাবি আছিলোঁ। সমাজখন যে দ্ৰুত সলনি হৈছে তাৰ উমান কবিসকলে কিদৰে পাইছে আৰু তাৰ লগত তাল মিলাই কবিয়ে কিদৰে নতুন ভাষা লিখিছে সেয়া আছিল মোৰ চিন্তা আৰু চৰ্চাৰ বিষয়। তেনেতে ২০১১ চনত মোৰ ঘৰলৈ অলকেশ আহিল। প্ৰথম দিনাৰপৰাই অলকেশৰ সৈতে বহু কথা পাতিব ধৰিলোঁ। সেই সময়ছোৱাত মোক আলোড়িত কৰি ৰখা বিষয়বোৰ অলকেশৰ আগত ক'লোঁ আৰু মই দেখিলোঁ বিষয়বোৰৰ কথা শুনাৰ লগে লগে অলকেশ আগ্ৰহী হৈ উঠিছে। সেইদিনা ফৰ্মৰ কথা ওলাল। অকল কবিতাৰ ফৰ্ম নহয়, সকলো ধৰণৰ ফৰ্ম। পেইণ্টিং, ভাস্কৰ্য্য, কবিতা আদি সকলো বিষয়ৰ। বিংশ শতিকাৰ আদিছোৱাত পেইণ্টিং আৰু কবিতাৰ ফৰ্ম কেনেকুৱা আছিল সেই সম্পৰ্কে অলকেশে মোক বহু কথা ক'লে। মই আচৰিত হৈছিলোঁ যদিও খুব ভাল লাগিছিল। আকৌ এদিন অলকেশৰ সৈতে কবিতাৰ ফৰ্মৰ কথা ওলাল। মই ক'লোঁ, বিংশ শতিকাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় দশকত যেতিয়া কবিতা লিখা হৈছিল এই ধৰা, ইউৰোপীয় কবিতাই, এলিয়ট, অ'ডেন আদি তেওঁলোকৰ কবিতাত সংস্কৃতিৰ ভূমিকাটো কেনে আছিল ? নিশ্চয়কৈ সংস্কৃতিৰ এক আন্তঃপ্ৰৱাহিত প্ৰক্ৰিয়া চলি আছিল। অৰ্থাৎ এই ধৰা, মানুহে নিজাকৈ প্ৰতিনিয়ত সংস্কৃতিৰ কিছুমান ৰূপ সৃষ্টি কৰি যায়, সমাজত বিভিন্ন ধৰণে তাৰ ৰূপবোৰ দেখো সেই ৰূপবোৰে কবিতাক কিদৰে প্ৰভাৱিত কৰে। প্ৰশ্ন হ'ল, কবিয়ে সংস্কৃতিৰ এই ৰূপবোৰৰ পৰা কিদৰে কবিতাৰ ভাষা, ষ্টাইল আদিৰ সৃষ্টি কৰে ?

(২)

তেতিয়া অলকেশে ক'লে, "কবিতাত ফৰ্ম অহাৰ লগে লগেই কণ্টেণ্ট আহিল, তাৰ আগতে কিন্তু কণ্টেণ্ট নাছিল।" মই অলকেশক সমৰ্থন কৰি ক'লোঁ সেইটো একেবাৰে সঁচা কথা, কাৰণ বড্‌লে'ৰ আৰু ৰেঁবোৰ কবিতা ৰোমাণ্টিক কবিতাতকৈ অলপহে আঁতৰি আহিছিল। মন বা চেতনাৰ পৰাই কবিতাৰ সৃষ্টি হ'ব পাৰে বুলি থকা ধাৰণাটো শক্তিশালী হৈ আছিল। তুমি দেখিবা অলকেশ, এলিয়ট আৰু ৰাছিয়াৰ কিছুমান কবিৰ কবিতাত কণ্টেণ্টৰ ধাৰণাটো শক্তিশালী হ'ব ধৰিলে। এলিয়ট এইবাবেই আমাৰ বাবে সন্মানীয় হৈ থাকিল যে কবিতাত ফৰ্মৰ বিষয়টো তেওঁ প্ৰভাৱশালী ৰূপত লৈ আহিলে। সেয়ে কবিতাত ফৰ্ম অহাৰ লগে লগে কণ্টেণ্ট আহি গ'ল। ফৰ্ম সম্পৰ্কে অলকেশে এটা খুব গুৰুত্বপূৰ্ণ কথা ক'লে। সি ক'লে এই যে ফৰ্মৰ পাছত ষ্ট্ৰাক্‌চাৰটো আহিল সেই ষ্ট্ৰাক্‌চাৰত ফৰ্মটোও নিশ্চয় থাকে। সি আৰু ক'লে ফৰ্মৰ লগত যদি ষ্ট্ৰাক্‌চাৰটো থাকেই তেন্তে সংযুক্তিবাদে ফৰ্মক অতিক্ৰম কৰে কেনেকৈ? মই তেতিয়া অলকেশক ক'লো, অতিক্ৰম কৰা কথাটো কিছুমান তাত্বিকৰ বিলাসী আৰু বাঢ়াবাঢ়ি কাৰবাৰ। কবিয়ে যেতিয়া কবিতা এটা লিখে তাত কবিৰ কি ধৰণৰ ভাষা-চিন্তা, শৈলী-চিন্তা সামগ্ৰিকভাৱে কবিৰ নিৰ্মাণ প্ৰক্ৰিয়াটোৰ সৈতে তাত্বিকসকল জড়িত হৈ নপৰে বাবেই তেওঁলোকে উপৰুৱা ধৰণৰ কিছুমান কথা কৈ থাকে। মই ভাবোঁ, কবিতাৰ নিৰ্মাণ প্ৰক্ৰিয়াটোৰ মাজত যদি তাত্বিকজন সোমাই নপৰে, তেন্তে কবিতা সম্পৰ্কে তাত্বিকজনে গুৰুত্বপূৰ্ণ কথা ক'ব নোৱাৰে।

(৩)

মোৰ এই কথাখিনি অলকেশে খুব ভাল পালে আৰু ক'লে যে উত্তৰ সংযুক্তিবাদী যুগতো তেতিয়াহ'লে ফৰ্মটোহে প্ৰথম কথা। মই তাক ক'লোঁ, উত্তৰসংযুক্তিবাদী যুগতো কবিয়ে কবিতাৰ ফৰ্ম এটাহে লিখে বা লিখিব পাৰে। তাত বিভিন্ন ষ্ট্ৰাক্‌চাৰ সোমাই থাকে গতিকে মই পোষ্টষ্ট্ৰাক্‌চাৰেলিষ্ট ধৰণে কবিতা এটা লিখিম বুলি কথা এটা হ'ব নোৱাৰে, কাৰণ পোষ্টষ্ট্ৰাক্‌চাৰেলিজ্‌মটো এটা অধ্যয়ন প্ৰক্ৰিয়াহে। অলকেশে ক'লে তেন্তে মানুহে কবিতাৰ পৰা কি বিচাৰিব? কবিতাৰ ভৱিষ্যৎ কি আদি কথাবোৰৰ উত্তৰ কি হ'ব? দুদিনমান পাছত মোৰ whatsapp-ত কবিতা সম্পৰ্কে অলকেশৰ চিন্তাৰ কিছুমান কথা সি মোলৈ লিখি পঠিয়ালে—

> "কবিতা কাৰবাৰটো ইমান বিশাল যে ই সমগ্ৰ সভ্যতাৰ প্ৰতিয়েই দায়বদ্ধ। সভ্যতা মানে তাৰ গৰিমা, বিশাল বৌদ্ধিক ঐতিহ্য, social

contract-বোৰ আৰু categorical imperative-বোৰ। অৰশ্যে ইয়াত সভ্যতাৰ synchronic গতিবিধিতকৈ diachronik study-বোৰক অগ্ৰাধিকাৰ দিয়া ভাল, অৰ্থাৎ কবিয়ে কালৰ প্ৰস্থচ্ছেদ বিশ্লেষণ কৰি সভ্যতাৰ সংকট বা সম্পদ বিচাৰ কৰিব জানিব লাগিব, diachronic মানে সেইটোৱেই, প্ৰস্থচ্ছেদত আলোকপাত কৰাটো। আজি ভালেমান দিন ধৰি মোকে সোধা এই প্ৰশ্নটোৰ এটা fashionable উত্তৰ হৈ আহিছে যে কবি কেৰল ভাষাৰ ওচৰত দায়বদ্ধ হৈ থকা উচিত। এই উত্তৰত ভাষাৰ parole আৰু langue এই দুয়োটা স্বৰূপৰ Social function-ৰ বিচাৰ আংশিক আৰু অসমত্ত ৰূপত ৰৈ গ'ল যেন ধাৰণা হয়। ভাষাই ঘটনাৰ আকস্মিকতাৰ প্ৰতি যথাযথ সঁহাৰি দিবলৈ যাওঁতেই তাক এটা action বুলি গণ্য কৰি ভাষাৰ স্বয়ংবিধি অথবা যাদৃচ্ছিকতা দুয়োটাকেই subject to sudden humane motives (both sudden numane motives (Dotn material and ideological) বুলি আমি যেতিয়ালৈকে মানি নলওঁ তেতিয়ালৈকে এই fashionable উত্তৰটো fashionable হৈ থাকিব। এতিয়া ঘটনাৰ ঠাই তাৰ বিৰৰণীয়ে লৈছে, বিৰৰণীয়ে ঘটনাৰ পৰা spectacular reality আৰু politics of forgetting দুয়োটাই উৎপাদন কৰিব পৰা হৈছে। ভাষাভিত্তিক approach-বোৰ সেয়ে এতিয়া শিথিল কৰিবৰ হ'ল। সাহিত্যও অৰশ্যেই এটা medium বা intermediary, সেয়েহে সাহিত্যৰ প্ৰক্ৰিয়াটোত কেৰল ভাষাক মুখ্য পক্ষ কৰি ৰখাটো এতিয়া বিপজ্জনক, সেয়ে author বা authority এতিয়া dead হৈ থাকিলে নহ'ব, post modernism-ৰ বিপৰ্যয়ৰ পাছত সেয়েহে এতিয়া authorৰ পুনৰ জন্মৰ সময়। গভীৰতাৰ উন্মোচনৰ কথাটো প্ৰসংগান্তৰত আমি সেই কাৰণে কৈছিলোঁ, এতিয়া কামটো ভাষাই নহয় author-ৰ authority-য়ে কৰিব লাগিব, ঠিক marquez ধৰণৰ কাৰবাৰটো। আৰু সেয়েহে ইয়াতে দোহাৰি থওঁ, ইয়াত গণতন্ত্ৰ মুঠেই নাখাটে।

কবিতাৰ ভৰিষ্যৎ narrative-ক উৎখাত কৰা, textuality-ৰ সীমাৰেখাবোৰ অতিক্ৰম কৰিবৰ বাবে সি যি ঠাইত কৰ্মৰত হৈ থাকে, তাত operation চলাব লাগিব, আৰু সেইটো হৈছে narrativity। কবিতাত narrative-তকৈ ওখ ঠাইৰ পৰা expression-ৰ খণ্ডবোৰ

plane-লৈ দলিওৱাৰ সুবিধা আছে, আৰু অকল কবিতাতহে আছে তাৰ বাবে লাগিব author-ৰ তথাকথিত narrativity-ৰ সমতলৰপৰা figuratives-বোৰৰ poetic license-ৰ উচ্চতালৈ আৰোহণ। কবিতাৰ ভৱিষ্যৎ কি বুলি প্ৰশ্ন সোধাতকৈ এতিয়া প্ৰশ্ন হ'ব পাৰে হয়তোবা, কবিতাই কিয় একমাত্ৰ ভৱিষ্যৎ? তাৰ উত্তৰ হ'ল কবিতাৰ figuratives-বোৰৰ ক্ৰমবৰ্ধমানভাৱে extra linguistic সামৰ্থ্যৰ নতুন উন্মেষ। hyperbole-বোৰ extra linguistic capability-ৰ একোটা উদাহৰণ হ'ব পাৰে, যাৰ বিশ্লেষণত ভাষাৰ syntacticality আৰু তাৰ নিয়মবোৰে কোনো কাম নিদিয়ে।

অৱশ্যে কবিতাৰ ভৱিষ্যৎ এতিয়া বৰ্তমানৰ কবিতাৰ নাকৰ পোনে পোনে একেবাৰেই নাই। কাৰণ বৰ্তমানৰ কবিতা চিধাচিধি kitch culture-ৰ স'তে খুন্দা মাৰিবলৈ গৈ আছে। আৰু বাট সলাবলৈ পৰম্পৰাৰ এনে বিভংগন লাগিব যাক এটা genre-এ বহন কৰিবলৈ সক্ষম নহ'বও পাৰে। তেনেহ'লে বাট সদায় সমুখলৈ বুলি eutopian আশাবাদ পোষণ কৰি নাথাকি মই মাজে মাজে retrospective হোৱাৰ কথা ভাবোঁ, মই নিজৰ কবিতাত সেইটো কৰিবলৈ প্ৰায় সচেতন প্ৰয়াস কৰিছোঁৱেই, উত্তীৰ্ণ হৈছোঁ নে নাই নাজানো। কালৰ প্ৰস্থচ্ছেদৰ বৰ্তমান tuft-টোত আঁলফচ দু লামাৰ্টিনৰ 'শৰৎ কাল' কবিতাটো কেনেকুৱা লাগিলহেঁতেন মোৰ মাজে মাজে ভাবি চাবৰ মন যায়। একধৰণৰ foreverism-ৰ কথা ভাবিবলৈ মন যায়, যেন আমি সকলো যুগৰ সকলো কবি একে সময়তে একেখন চোতালতে কবিতা মাতি আছোঁ। অৱশ্যে genre নভঙাকৈ defamiliarise কৰাৰ প্ৰতিও মোৰ ধাউতি সমানেই আছে, কিন্তু rap লিখাৰ মন একেবাৰে নাই দেই।"

অকল কবিতাৰ কথাই নহয় অলকেশৰ সৈতে বহু কথা পাতিলোঁ। অলকেশৰ সৈতে আটাইতকৈ বেছি পাতিলোঁ সাহিত্যৰ বৰ্তমান স্থিতি সম্পৰ্কে। এই যে পোষ্টমডাৰ্নিজ্মে সাহিত্যক ক্ষমতা নিৰ্মাণৰ হাথিয়াৰ বুলিছে আৰু সেই অৰ্থতেই সাহিত্যক ৰাজনৈতিক বুলি কৈছে তেনেকুৱা কথাবোৰ। এদিন অলকেশক ক'লো সাহিত্যৰ যি বিশেষ মৰ্যাদা হাজাৰ বছৰ ধৰি স্বীকৃত হৈ আহিছে সেই বিশেষ মৰ্যাদা থাকিবগৈনে? এই যে পোষ্টমডাৰ্নিজ্মে কৈছে যে সাহিত্যই বাগ্ধাৰা আৰু ভাবাদৰ্শ নিৰ্মাণ কৰে গতিকে অন্য বিষয় আৰু পাঠৰ পৰা সাহিত্যৰ পাঠৰ কোনো পাৰ্থক্য

নাই। অলকেশে ক'লে সাহিত্যৰ বিশেষ মৰ্যাদা থাকিবই লাগিব। সাহিত্যৰ ভাষা যে অন্য বিষয়ৰ ভাষাতকৈ পৃথক এই কথা স্বীকৃত হ'ব লাগিব। মই ক'লো কবিতাৰ যি নতুন ষ্টাইল আহিছে তাত কবিসকলে ভাষাটো ধাৰাবাহিকভাৱে লিখাৰ এটা নতুন শৈলী আৰম্ভ কৰিছে। অৰ্থাৎ ভাষাৰ মাজত কোনো প্ৰেক্ষাপট নাথাকে। কবিতাৰ এই শৈলী সফলো হৈছে। কিন্তু এই কবিতাৰে কবিসকল কিমান দূৰ আগবাঢ়িব? অলকেশে ক'লে, মোৰ কবিতা এই শৈলীৰ নহয়, আপুনি জানে। মই দেখিছোঁ অলকেশ, তোমাৰ ভাষাৰ মাজত কিছুমান প্ৰেক্ষাপট সৃষ্টি হয় আৰু মই ভাবোঁ সেই প্ৰেক্ষাপটবোৰ থাকে বাবেই তোমাৰ কবিতা জটিলো হৈছে। সেয়ে কবিতাই আকৌ দীক্ষিত পাঠক বিচৰাৰ সময় আহি পৰিছে বুলি মই ভাবোঁ। এদিন অলকেশৰ লগত ডেৰিদাৰ অনিৰ্ণেয়তাৰ প্ৰসংগ ওলাল। বিশৃংখলাৰ মাজৰ পৰাই লেখকে এটা নিজস্ব অৰ্থ উলিয়াই ল'ব পাৰে বুলি সংযুক্তিবাদীসকলে যি সিদ্ধান্ত আগবঢ়াইছিল তাক ভুল বুলি ভবাৰ কোনো কাৰণ মই দেখা নাই অলকেশ, বৰং সংযুক্তিবাদৰ সিদ্ধান্তবোৰ কি প্ৰেক্ষাপটত নিৰ্গঠনবাদীয়ে প্ৰত্যাহ্বান জনাব বিচাৰিছে আৰু তাকে কৰিবলৈ গৈ কি পৰিস্থিতিৰ সৃষ্টি কৰিছে তাৰ বিচাৰ জৰুৰী। অলকেশে ক'লে বিশৃংখলাৰ মাজত শৃংখলা বিচাৰিলেই কবিতাৰ ভাষাবোৰ hegemonic হ'ব বুলি মই নাভাবোঁ। কাৰণ কবিতাই নিজৰ যাত্ৰাপথত hegemony সৃষ্টি কৰা পৰিস্থিতিৰ পৰা আঁতৰি আহিছে। সেই কথাটোৰেইতো নিৰ্গঠনবাদীয়ে নুবুজে অলকেশ। মই এতিয়াও ভাবোঁ পৃথিৱীৰ সকলো কথা এটা আনটোৰ পৰিপূৰক, তুমিও জানা অলকেশ আত্মসমাহিত, মনোগতবাদী চিন্তাৰ বিপৰীতে বহিৰ্ভাগৰ ক্ৰিয়া-কলাপবোৰৰ গুৰুত্ব বাঢ়িল। আত্মসৰ্বস্ব সাহিত্য কেতিয়াবাই নোহোৱা হ'ল। গতিকে সাহিত্যত authority-ৰ বিষয়টো লেখকে নিজেই বিদায় দিছে।

(৪)

এদিন অলকেশৰ সৈতে পোষ্টমডাৰ্নিজ্‌মে কোৱা ভাষাৰ স্বতন্ত্ৰ স্থিতিৰ কথা ওলাল। অলকেশে ক'লে, স্বতন্ত্ৰ স্থিতিৰ কথাটো প্ৰথমতে ময়ো বিশ্বাস কৰিছিলোঁ, কিন্তু আপোনাৰ লগত বহু আলোচনাৰ পাছত মোৰ ভুল ভাগিল। মই এতিয়া বুজি পাইছোঁ যে পোষ্টমডাৰ্নিজ্‌মে কোৱা ভাষাৰ স্বতন্ত্ৰ স্থিতিৰ কথাটো মানি ল'লে কবিতা সম্ভৱেই নহ'ব। অলকেশৰ কথাখিনি ভাল লাগিল। সেয়ে ক'লো, মানুহে বাৰে বাৰে নিজৰেই বস্তুগত স্থিতিক পুনৰ্নিৰ্মাণ কৰে। অলকেশে ক'লে, সেই বস্তুগত স্থিতিক পুনৰ্নিৰ্মাণ কৰা কাৰবাৰটো মই নিজেই experience কৰিছোঁ। কবিতা এটা লিখাৰ সময়ত সকলো কবিয়ে নিজৰেই বস্তুগত স্থিতিক পুনৰ্নিৰ্মাণ কৰি গৈ থাকে। তুমি এইটো

খুউব important কথা ক'লা অলকেশ, মানুহে আচলতে পৰস্পৰৰ মাজত ধাৰণাবোৰ বিনিময় কৰে আৰু সেই বিনিময়ৰ মাজেৰেই মানৱীয় চেতনা গঢ়ি উঠে। ভাষা সেই মানৱ চেতনা কঢ়িওৱা মাধ্যমহে। তেন্তে পোষ্টষ্ট্ৰাক্‌চাৰেলিষ্টসকলে ভাষাৰ সংগতিহীনতাৰ কথা কৈছে কিয়? আচলতে অলকেশ, ভাষাৰ স্বতন্ত্ৰ স্থিতিয়ে সংগতিহীনতাৰ জন্ম নিদিয়ে বৰং আমাৰ সামাজিক সম্পৰ্কবোৰ বহুস্তৰীয় আৰু তাৰ ফলতেই কেতিয়াবা কথাবোৰ সংগতিহীন যেন লাগে। কিন্তু ভাষাৰ সামাজিক স্থিতিয়ে বহুস্তৰীয় সম্পৰ্কবোৰৰো মৰ্মভেদ কৰিবলৈ আমাক শিকায়। সেয়ে মই ভাবোঁ, ভাষাৰ এটা পেটাৰ্ন থকাটো প্ৰয়োজন। এই পেটাৰ্নৰ প্ৰসংগতে অলকেশে পূব য়ুৰোপৰ কবিতাৰ কথা মোক ক'লে। ক'লে যে সমাজত সৃষ্টি হোৱা সংস্কৃতিৰ মৰ্ম উপলব্ধি কৰিব নোৱাৰিলে পূব য়ুৰোপৰ এই কবিতাসমূহ বুজা নাযাব। দুদিনমান পাছত অলকেশে মোক পূব য়ুৰোপৰ কিছু কবিতা পঢ়িবলৈ দিলে আৰু সেই কবিতাবোৰ পঢ়ি মই বুজিলোঁ যে ভাষা আৰু সংস্কৃতিৰ এটা পেটাৰ্ন থকাটো সম্ভৱ। পূব য়ুৰোপৰ এই কবিতাবোৰ সুৰ, শৈলী, tone আৰু উপস্থাপনত বহু পৃথক। যোৱা চাৰিটা দশকত বিশ্বৰ কবিতাত যি ধৰণৰ পৰিৱৰ্তন হৈছে তাতকৈ পূব য়ুৰোপৰ এই কবিতাবোৰ ভিন্ন।

(৫)

মই অন্তঃকৰণেৰে বিশ্বাস কৰোঁ যে বিশ্বজনীন পৰিস্থিতিত সৃষ্টি হোৱা বিশ্ব কবিতাৰ সাংস্কৃতিক অভিব্যক্তি আৰু সংস্কৃতিৰ পৰস্পৰ বাৰ্তা জ্ঞাপক প্ৰক্ৰিয়াটো উদ্ভাৱন কৰিব নোৱাৰিলে অলকেশ কলিতাৰ কবিতা অনুধাৱন কৰিব নোৱাৰি। বিশেষকৈ যোৱা কেইটামান দশকত কবিতাৰ যি বহিৰ্মুখী চৰিত্ৰ গঢ় লৈ উঠিছে তাৰ পৰিপ্ৰেক্ষিতত অলকেশ কলিতাৰ কবিতাৰ অন্তৰ্মুখী স্থিতিৰ চৰিত্ৰ বিচাৰ কৰিব নোৱাৰিলে অসমীয়া কবিতাৰ এক বিশাল সম্ভাৱনা আৱিষ্কাৰৰ কৰ্মকাণ্ডৰ পৰা উফৰি পৰিম। ভাষাৰ বহিৰ্মুখী স্থিতিয়ে জন্ম দিয়া নতুন narrativity-ৰ সৈতে অলকেশ কলিতাৰ সংঘাত কোনখিনিত তাৰ আৱিষ্কাৰে ভাষা আৰু সংস্কৃতি নিৰ্মাণৰ নতুন সম্পৰীক্ষাৰ সন্ধান কেনেকৈ দিব পাৰে সেয়া বুজি পোৱাটোহে কথা। অলকেশ কলিতাৰ কথা নতুন, ভাষা নতুন, সুৰ আৰু উপস্থাপনা নতুন। সেয়ে পঢ়ুৱৈৰ বাবে এই কবিতাৰ প্ৰত্যাহ্বান নতুন।

# অলকেশৰ বাবে দুটামান শাৰী

**ডঃ মৌচুমী কন্দলী**

"রাত বারোটা কি দেড়টায় কবিতার খাতা খুলতেই বাইরে
কে আমার নাম ধরে তিনবার ডাকল ?
গলা চিনতে ভুল হবার কথা নয়, তবু একবার কেঁপে উঠি...

উঠে গিয়ে বারান্দায় উকি মেরে বলি,
শক্তি— চলে এসো,
দরজা খোলা আছে"

পুৰণি *দেশ* পত্রিকাৰ পৃষ্ঠা এটাৰপৰা সুনীল গংগোপাধ্যায়ৰ 'শক্তি' নামৰ কবিতাটোৰ শাৰীকেইটামানে হঠাৎ খুন্দা মাৰিছে— বহু পুৰণি *দেশ*। নৱৈ দশকৰ শেষৰফালৰ। ছাত্র জীৱনতে পঢ়া যদিও কবিতাটোৰ টুকুৰা-টুকুৰ শাৰী কিছুমান চেতনাত ৰৈ গৈছিল আৰু এতিয়া দবাৰ ধম ধম কোবৰ দৰে হঠাৎ পুনৰ বাজি উঠিছে— "শক্তি একটু একটু দুলছে— জ্যোৎস্না ছিন্নভিন্ন করে— আমি চুপ করে বসে থাকি, সাদা দেওৱাল, কাণে তালা লাগিয়ে দিচ্ছে স্তব্ধতাৰ বাজনা— খাঁকি প্যাণ্ট ও কালো জামা, সাদা চুল, মুঠোয় চিগারেট ধরা— শক্তি একটু একটু দুলছে..."

তালফাল লগোৱা শাৰীকেইটাৰ লগতে ডেকা ল'ৰাটোৰ মুখখনো চকুৰ সন্মুখত বাৰে বাৰে কঁপিছে— এই যে শীতৰ বুকফেয়াৰবোৰত বছৰত একোবাৰ যেতিয়া দেখা হয়— থিয়ৈ থিয়ৈ ৰৈ ৰৈ কথা পাতি পাতি ল'ৰাটোৱে কয়— যাম দিয়ক এদিন, এপাক মাৰিম আৰু বহু কথা পাতিম। আৰু ময়ো কওঁ— আহিবা, হাঁহি হাঁহি

বাংলাতে কওঁ— "দৰজা খোলা থাকবে।" এইটো এতিয়াও খোলা আছে— 'শক্তি'ৰ বাবে লিখা কবিতাটোৰ দৰে যেন ময়ো ক'ম— "চলে এসো, দরজা খোলা আছে!" কিন্তু!! ল'ৰাটো আৰু কাহানিও সেই খোলা দৰজাৰে সোমাই নাহে...

কিছুমান অসহজ মৃত্যুত obituary লিখাটোৱেই হৃদয়বিদাৰক। সহজ মৃত্যুতেই যিটো কথা ইমান কঠিন! কবিতা লিখি, কিতাপ পঢ়ি ভাল পোৱা, শিশুসুলভ, জেনুইন, খুব জেনুইন, তীব্ৰ সংবেদনশীল, তীক্ষ্ণধী সত্তাৰ ডেকা ল'ৰা এটাৰ মৃত্যুত, কথাটো আৰু কঠিন হৈ পৰে। মৰ্মাহত, শোকস্তব্ধ ভাবনাত কলমটো জঠৰ হৈ পৰে। এতিয়া প্ৰতিভাশালী কবি, ভাইটি, জোনমণি দাসৰ অনুৰোধত obituary দুটিমান শব্দ লিখিবলৈ লৈ মনত পৰিছে— কিমান যে পুংখানুপুংখ দৃষ্টিৰে মোৰ গল্পবোৰ পঢ়ি গৈছিল সেই কবিয়ে! উদ্ধাৰ কৰিছিল পাঠৰ আঁৰৰ পাঠ, text-ৰ পাছৰ sub text!! উমাল উৎসাহী মাতটো বাৰে বাৰে ভাহি উঠিছে— "মই আপোনাৰ গল্পৰ Fan..." লগতে কবিতা, চিনেমা, ছবি-জগত-মহাজীৱন-বুকফেয়াৰৰ সেই বাৰ্তালাপ যেন বাৰ্ষিক এক Ritual!। এনে নাছিল যে খুব ঘনিষ্ঠ আছিলোঁ আমি, প্ৰতিদিনে মেছেজ, হোৱাটছএপ চাট, প্ৰতিটো কথাৰেই ভাগ-বতৰা। কিন্তু যেতিয়াই লগ পাইছিলোঁ— অতি আপোনজনৰ দৰে অনৰ্গল কথা-বতৰা, নিঃসংকোচ উন্মোচন। ভিতৰি ভিতৰি অতি গধুৰ মৰ্মন্তুদ কিবা এটা কঢ়িয়াই ফুৰা যেন ভাব হ'লেও, এক অতি সংযত ভংগিমাৰে কোনোধৰণৰ সৰৱ সূচনা-ইংগিত নিদি কেৱল এটাই প্ৰশ্ন সদায় সুধিছিল— মোৰ কবিতাবোৰ ঠিকেই আছেনে? এবাৰ বহু গভীৰ ৰাতি হঠাৎ ফোন এটা কৰি যেতিয়া সেই একেই প্ৰশ্ন কৰিছিল— সেইদিনাই বুজিছিলোঁ— কি গভীৰভাৱে তেওঁৰ সাৰ্বিক সত্তা আৰু অস্তিত্বক কেৱল কবিতাৰ বাবেই সঁপি দিয়া হৈছে। বাৰে বাৰে এটা কথাই কৈছিলোঁ— নিজস্ব ধৰণেৰে নিজা শৈলী আৰু চিন্তাৰে কোনোধৰণৰ compromise নকৰাকৈ লিখি যাব লাগে। মানুহে যিয়েই নকওক। পৃথিৱীখন অথবা মহাজীৱনটো— এটা ত্ৰিমাত্ৰিক ভাস্কৰ্য্য। মহাজাগতিক ভাস্কৰ্য্য। তাক নিজনিক পৰিপ্ৰেক্ষিত আৰু দৃষ্টিৰে যেনেদৰে দেখোঁ ঠিক তেনেদৰেই সততাৰে নিজস্ব সৃজনশীলতাৰে পুনঃনিৰ্মাণ কৰি যাব লাগে— We give shape to all according to our vision and perspectives as simple as what! এতিয়া আমি পতা কথাবোৰে অন্তৰত স্মৃতিৰ দলিচা পৰা হৈ খুন্দা মাৰি থাকোঁতে মনলৈ আহিছে যে তেওঁ লিখা বহু কবিতাৰ শাৰী কিছুমানে আমাক বহুদিনলৈ খেদি ফুৰিব— they will chase us for long– "মোৰ কপালৰ সোঁমাজত, চকুপানীৰ মৰ্মান্তিক এটি কণিকাই নাচিছে/ কৰক— মোক চবেই

প্ৰশ্ন কৰক মোকো মোৰ উত্তৰবোৰ লাগে.../ কেৱল উভতি আহিলোঁ বুলি চবকে জনাবলৈকে মই ক'ৰবালৈ গুচি গৈছিলো..../ ঘাঁহৰ সমান ওখ মই এটা বিষণ্ণ ছায়ামূৰ্তি...”

আৰু এতিয়া তেওঁৰ কবিতাৰেই তেওঁক শেষ বিদায় যাচিছোঁ— যোৱা “আকাশৰ মূধচত, এটি নিজান দ্বীপৰ সেই তোমাৰ ঘৰত” তুমি চিৰশান্তিৰে থাকা....

“অ' মোৰ আটাইবোৰ পথ
নিৰ্দয় বৃত্তবোৰ, সুগন্ধি বিলাই থকা,
য'ৰ আটাইবোৰ বন মৰহিল
য'ৰ প্ৰতিটো ধূলিকণা তেজেৰে হ'ল সিক্ত।
অ' মোৰ দুভৰিৰ মায়া আৰু ৰাগি
বাটৰ কাঁইটে ফালি-ছিৰি পেলোৱা মোৰ ছাঁ
হে মহৎ দোমোজা, কক্ষভ্ৰান্তি, বিস্মৃতি
অ' ভাগৰৰ ব্যংগ
টোপনিৰ স্তৰ
আৰু যাত্ৰাৰ অৰ্থ-অনৰ্থৰ শত-সহস্ৰ অথন্তৰ;
এখন ফুলনিৰ মাজেৰে
এটি শিখৰৰ ওপৰেদি
আকাশৰ মূধচত, এটি নিজান দ্বীপত
মোৰ ঘৰ।”

# হে অনন্ত বাটৰ ধূলি
# পৰিণতিৰ পিছৰ দিন

## জ্যোতি খাটনিয়াৰ

কাহিনী (narrative) এটাত বিশ্বাস, এক সহৃদয়ৱান কণ্ঠস্বৰ, এটা যাত্ৰা আৰু এই যাত্ৰাই সৃষ্টি কৰা নানান ঘটনাপুঞ্জই (যিবোৰ স্বাভাৱিকভাৱে বহুমাত্ৰিক) অলকেশ কলিতাক কবি হিচাপে এক স্বকীয় (distinguished) উপস্থিতি প্ৰদান কৰিছে। অলকেশ কবি হিচাপে আধুনিকতাক সমীক্ষাত্মক দৃষ্টিভংগীৰে গ্ৰহণ কৰা লোক। কবি এজনে জানে যে তেওঁ যি ভাব-ভাষা ব্যৱহাৰ কৰিছে, সি তেওঁ উপলব্ধি কৰা পৰিমণ্ডলক পঢ়ুৱৈৰ বাবে প্ৰস্তুত কৰি দিয়াৰ ক্ষেত্ৰত পৰ্য্যাপ্ত নহ'বও পাৰে। সেয়েহে তেওঁৰ বাবে 'Conventional forms of communication'-ৰ সীমাবদ্ধতা আন সকলোৰে পূৰ্বেই স্পষ্ট হৈ উঠে। এই সীমাবদ্ধতা এক বিশেষ ধৰণৰ সীমাবদ্ধতা। উদাহৰণ ইউৰোপত সংঘটিত Holocaust-ৰ ভয়াৱহতা। এই ভয়ংকৰ পৰিৱেশ, এই আতংক একেবাৰে অন্য স্তৰৰ বিষয়। আতংকৰ সৈতে পৰিচিত কবি মনে ৱিলিয়াম ব্লে'ইকৰ প্ৰসিদ্ধ শাৰীবোৰলৈ মনত পেলাব পাৰে।

"Tiger Tiger, burning bright
In the presence of the night,
What immortal hand or eye,
Could frame thy fearful symmetry?"

এই fearful symmetry-ৰ অভিজ্ঞতাক ব্যক্ত কৰিবলৈ ব্লে'ইকে সৃষ্টি কৰা পৰিমণ্ডল বা ভাব ভাষা কোনোটোৱেই সংঘাতত লিপ্ত হ'বলগীয়া হোৱা নাই। কবিয়ে গ্ৰহণ কৰা উপায় আৰু উদ্দেশ্য দুয়োটাই পৰম্পৰাগত চিন্তাৰ ভুৱনতে

উপৰিষ্ট হৈছে। কবিয়ে সৃষ্টি কৰা পৰিমণ্ডলৰ পৰিণতি আৰু উদ্দেশ্য দুয়োটাই পঢুৱৈৰ বাবে পৰ্যাপ্ত। কিন্তু Holocaust-ৰ পৰিণতি আৰু উদ্দেশ্য লগতে তাৰ পৰা জন্ম হোৱা অভিজ্ঞতাৰ বাতাৱৰণৰ বাবে আমাৰ হাতত থকা ভাষা আমাৰ পূৰ্বৰ অভিজ্ঞতাৰ নিৰ্যাসেৰে সিক্ত হ'ব লাগিব বুলি ভাবি লোৱাৰ কোনো যুক্তি নাই। এইক্ষেত্ৰত এটা পক্ষ বা শক্তিৰ অভিজ্ঞতা ইমানেই ভয়ংকৰ যে সি আনটো পক্ষক সামান্যতম গুৰুত্বও প্ৰদান কৰা নাই। আনকি এই মাৰণযজ্ঞক লৈ মাৰ্টিণহেইডেগাৰৰ দৰে শক্তিশালী দাৰ্শনিকৰ নিৰ্লিপ্তি এতিয়াও বহুতৰ বাবে সাঁথৰ। (প্ৰসিদ্ধ চিন্তাবিদ জঁ ফ্ৰঁচোৱা লিয়ঁতাৰৰ ভাষাত মাৰ্টিন হেইডেগাৰৰ এই নীৰৱতা a leaden silence, লগতে আউছৱিৎছে পৰৱৰ্তী সময়ত সৃষ্টি কৰা 'a politics of forgetting'ৰ বিৰুদ্ধে আমি সকলোৱে, লিয়ঁতাৰৰ দৃষ্টিত মাত মতা উচিত)। আমাৰ সমকালীন সচেতন কাব্যিক পৰিমণ্ডলে অভিজ্ঞতাৰ এই বিভিন্ন দিশ, যিবোৰৰ প্ৰতিনিধিত্বকৰণৰ বাবে আমাৰ হাতত নানান সমল আছে, সেইবোৰৰ ক্ষেত্ৰত এক ঐতিহ্যৰে অধিকাৰী হৈছে। এজন কবিৰ হাতত ক্ষুদ্ৰ ক্ষুদ্ৰ পৰম্পৰাৰে সমৃদ্ধ অভিজ্ঞতাৰ এখন ভুৱন থাকে। অলকেশ কলিতাই তেওঁৰ যাত্ৰা যে দীঘলীয়া (তাৰ মাজত পাহৰণিৰ অটল গৰ্ভত ডুব যাবলৈ নানান প্ৰৰোচনা থাকে) আৰু একে সময়তে বৃহৎ কথকতাৰ (grand narratives) আঁৰত ঢাক খাই থাকিবলৈ সমাজ আৰু সময়ে সৃষ্টি কৰা বাধ্যবাধকতাক ওপৰলৈ তুলি অনাৰ প্ৰতি তেওঁৰ কবি মন যে সচেতন তাক দ্বিধাহীন ধৰণেৰে আমালৈ মেলি দিছে ঃ

"কোৱা খোজৰ কাহিনী কোৱা
হে অনন্ত বাটৰ ধূলি
মই এতিয়া মাথোঁ শুনিবলৈ সম্পূৰ্ণ প্ৰস্তুত
কবৰৰ এই লেৰেলা ঘাঁহ সম্পূৰ্ণ মৌন।
হে বাট
এয়া মোৰ লাহে লাহে আহি থকাৰ অন্ত ইয়াত
এটা ভগা আইনাৰ নিৰ্জন ঘৰ আৰু একো নাই
তাৰ পিছত এয়া ইয়াত আৰম্ভ মোৰ
নিৰ্বিকাৰভাৱে লাহে লাহে আঁতৰি গুচি যোৱাৰ।"

(*নিষ্ফল উৎসৱ,* পৃ. ৩৬)

খোজৰ কাহিনী এটা grand narrative, বৃহৎ কথকতা। তাৰ আঁৰত আছে অসংখ্য সৰু সৰু কথকতা, যিবোৰ এই বিশালতাৰ সন্মুখত যেন তেনেই নগণ্য।

(কবিৰ বাবে সেয়া ‘বাটৰ ধূলি’) এই ধূলিবোৰ তেওঁৰ বাবে এতিয়া গুৰুত্বপূৰ্ণ হৈ দেখা দিছে। সেয়া দেখা দিয়াই নহয়, তাৰ প্ৰতি যেন এক দায়বদ্ধতাও আছে, যাক কবিয়ে ইমান দিনে আওকাণ কৰি আছিল। কবি এক বিশেষ পৰ্যায়ত ঋণগ্ৰস্তও 'To acknowledge such a debt is to bear witness to what has actually happened as opposed to what those in political power, and their apologists would prefer to have us believe'. এই ঋণগ্ৰস্ততাই কবিমনক এক ব্যাপ্তি দিছে, আৰু এই ব্যাপ্তিয়ে তেওঁৰ কণ্ঠস্বৰক জোনাক নিৰ্মল স্নিগ্ধতা আৰু গাম্ভীৰ্য্য প্ৰদান কৰিছে।

“বিদায়ী বাটত
এছাটি বতাহে কোমলকৈ চোন
উলাহ দিছে”

এই কণ্ঠস্বৰ, এই কবিসত্তা গভীৰভাবে দায়বদ্ধ। দায়বদ্ধতাৰ মাপকাঠীৰেই অলকেশ কলিতাই এখন বিশ্বৰ সৃষ্টি কৰি তাক মৰ্যাদাৰে গৰিমামণ্ডিত কৰিছে। কবিজনাৰ আহ্বান, দৰাচলতে সকলো শুভবুদ্ধি সম্পন্ন মানুহৰে অন্তৰাত্মাৰ বিশুদ্ধ সংগীত ঃ

“যদিহে সাহস কৰা এই কবৰৰ লেৰেলা ঘাঁহ
পুনু ঠন ধৰি বাঢ়ক বুলি
যদিহে কোনো দিনা ফুলে সেই ঘাঁহ
দুনাই বেছিকৈ গাবা সেই গীত
ৰুণজুন বিদায়ী মোৰ পদপাতৰ ধ্বনিৰ
সময়ে অনুসৰণ কৰি থাকোঁতেই
হঠাতে বতাহত মিলি যোৱা খোজৰ ছাপ।”

বেছিকৈ গোৱাৰ বাবে আহ্বান জনোৱা গীত, হঠাৎ বতাহত মিলি যোৱা খোজৰ ছাপ এই সকলো একো একোটা যাত্ৰাৰ পৰিণতি, কোনোবা উদ্দেশ্য সাধনৰ বাবে কালৰ কুটিল গতিত নিশ্চিহ্ন হৈ যাব খোজা ক্ৰিয়া প্ৰতিক্ৰিয়া। কবিয়ে বৃহৎ কথকতাৰ অন্তৰালত ভুমুকি মাৰি অনেকজনৰ হাহাকাৰক ধৰি ৰাখিব খুজিছে, সেই হাহাকাৰবোৰক দিব খুজিছে তাৰ প্ৰাপ্যস্থান। পাৰ্থক্যৰ প্ৰতি কবিৰ এই সচেতনতা বেছ পৰিষ্কাৰ আৰু লক্ষণীয় ঃ

“আগতে কাহানিও নোপোৱা শ্ৰান্তি-প্ৰশান্তিৰ
কিবা এক অৱশেষ মূৰ্ছনাৰ পিছতো ঠিক যেন

তানপুৰা দীঘলকৈ বাজি ৰ'ল
কাঁহ পৰি জিন গ'ল।"

বিখ্যাত ইংৰাজী সমালোচক, কেমব্রিজৰ F.R. Leavis ৰ মতে "Words in poetry invite us, not to think about and judge but to 'feel into' or 'become' — to realize a complex experience that is given in the words." শব্দৰ লগত জড়িত হৈ থকা অভিজ্ঞতাৰ জটিল, কণ্টক জৰ্জৰ ক্ষেত্ৰখনৰ সৈতেই কবিমনৰ আটাইতকৈ বেছি সংযোগ। কিন্তু অৰ্থৰ প্ৰসাৰ আৰু তাক অন্য এক পৰিমণ্ডল বা সাংস্কৃতিক বাতাৱৰণত স্থাপন কৰাও কবিৰ অন্যতম দায়িত্ব। পথ এটা বাস্তৱ কথা (physical reality) আৰু বাট চোৱাটো অপেক্ষাৰ সিপাৰত, অপেক্ষাৰ অন্তত কিবা এটা ঘটাৰ সম্ভাৱনা। অলকেশ কলিতাৰ বাবে এয়া যেন তেওঁৰ অস্তিত্বৰ চিৰসঙ্গী।

"যিবোৰ অৰ্থ সদায় পুৰণি আন কিবা নহয় কিবা এটা কথা,
পুনু এইবোৰেই পাম বুলি বাটত
মইতো বাট চোৱা নাই।
পুনু আনদিনৰ দৰেই বেলি ওলোৱাৰো
মই আচলতে আৰু বাট চাই থকা নাই।"

(*নিষ্ফল উৎসৱ*, পৃ. নং ৩২)

বাট চাই নথকা কবিৰ পৰা আমাৰ দৰে সাধাৰণ পঢ়ুৱৈয়ে কি আশা কৰিব পাৰে? এই কবিমনৰ সংগী হৈ পঢ়ুৱৈ নিজেও অনন্ত অপেক্ষাত ৰ'ব পাৰে নেকি? নাইবা, কবিক উদ্বুদ্ধ কৰিব পাৰে নেকি কিবা এক উত্তৰৰ সন্ধানত ব্ৰতী হ'বলৈ? অলকেশ কলিতাই একবিংশ শতিকাৰ এই সময়ছোৱাৰ কবি হিচাপে বৃহৎ কথকতাৰ প্ৰতি আনুগত্যতাক নিজৰ সৰ্বোচ্চ সমল কৰি লোৱা নাই। তাৰ বিপৰীতে তেওঁ এনে কথকতাৰ অন্তৰালত থকা ঘাত-প্ৰতিঘাতসমূহক চাব খুজিছে এক বিৰল নিৰ্লিপ্তি আৰু পৰম আত্মীয়তাৰে। বৃহৎ কথকতাই আমাৰ চকুত দিব খোজা চামনি বা ৰং-বিৰঙৰ ছবিখনৰ বিপৰীতেই অলকেশৰ কাব্যিক স্থিতি ঃ "to bear witness is to refuse to give in to grand narrative and to frustrate its purposes."

কবিয়ে একে সময়তে আৰু একে ধৰণেৰে নিজৰ অভিজ্ঞতা আৰু কৰ্ষণক সদায়ে তুলি ধৰিব বুলি কথা নাই। তেওঁ নিৰ্মাণ কৰি লোৱা মই (I) সবল নহ'লে তাৰ পৰা এক পৰিষ্কাৰ ছবি আমালৈ নাহে। কবি মাটিৰ মানুহ, তেওঁ তেজ-মঙহৰ মানুহ, তেওঁ যন্ত্ৰণা আৰু অপৰিসীম কষ্টত ভুগি থকা এজন মানুহ ঃ

(১) "আওকণীয়া হ'ব নোৱাৰি
মই অব্যৰ্থ এডোঙা তেজ
মই তৰ্কাতীত"

(উৎস 'তকাতীত', *যোৱাবেলিৰ বসন্ত*, ২০১৬ পৃ. ৫০)

(২) "জিলিকি উঠা নৈখনৰ পানীত
জাহাজখন
এক কৃষ্ণকায় প্ৰতীক
ক'ৰবাত বুঢ়া মানুহ এজনৰ ভিতৰত কেঁচুৰা এটা
ঠেচ্‌ঠেচাই হুল সোমাই থকা শব্দবোৰ লালটিত লৈ
নিৰলে তেওঁ কান্দে
কি বুলি কওঁ মই কি বিচাৰিছিলোঁ ?"

(উৎস ঃ 'জোনাকত এজন প্ৰহৰী', *বগা ফুল আৰু তেজৰ তাপ*, পৃ. ৩৫)

(৩) "হৃদয়ৰ চূড়াবোৰ ওখ হোৱা তেজ
আৰু এক লঘোন।
বসন্তৰ বোল দিয়া চূড়াত
বহি আছে শান্তি দিওঁতাজন।"

(উৎস ঃ 'বসন্তৰ বোল', *বগা ফুল আৰু তেজৰ তাপ*, পৃ. ৩৭)

সন্দেহ নাই যে এই লানি উপলব্ধিৰে অলকেশ কলিতা সাম্প্ৰতিক সময়ৰ পঢুৱৈৰ একেবাৰে ওচৰৰ এজন লোক। সচেতনতাৰ বিভিন্ন ৰূপকেৰে, বিভিন্ন পৰিস্থিতিৰে তেওঁ আমালৈ কঢ়িয়াই আনিছে অনন্ত প্ৰহৰৰ ক'ৰবাত কোমল, ক'ৰবাত নিৰ্মম বতৰা। তেওঁ অতি সতৰ্কভাৱে ব্যৱহাৰ কৰা নানা তৰপীয়া images of awarenessবোৰৰ তাৎপৰ্য্য সাহিত্যিক প্ৰতীকধৰ্মিতাৰে সাঙোৰ খাই আছে। এলিয়টৰ Murder in the Cathedral ৰ প্ৰথম খণ্ডৰ শেষৰ ফালে এনে ধৰণৰ দৃশ্যপট ঃ

**CHORUS:**
A man may walk with a lamp in night,
and yet be drowned in a ditch
**PRIESTS:**
A man may climb the stair in the day, and slip on a broken step
**TEMPTERS:**
A man may sit at meat, and feel the cold in his groin.

বা, নীলমণি ফুকনৰ এটা প্ৰখ্যাত কবিতাত আমি পঢ়িবলৈ পাওঁ ঃ

"আজি বহুদিন ধৰি মানুহজন অসুস্থ
বহি শুই থিয় হৈ ছটফটাই থাকে
মাজে মাজে নিজৰে তেজত লেটি লৈ
ইৰিকটি মিৰিকটি খেলি থাকে
নিজৰ শূন্যতাত খোজ কাঢ়ি
আবেলি ফুৰিবলৈ যায়
দেউতাকৰ চকীখনত বহি
নিৰ্বাক নিস্পন্দ হৈ ৰয়"

(উৎস ঃ নীলমণি ফুকন, *সম্পূৰ্ণ কবিতা*, অৰ্থাৎ, গুৱাহাটী,-২০০৬, পৃ. ২৭৪)

বা, বিখ্যাত ইজৰাইলী কবি য়েহুদা আমেখাইৰ কবিতাত আমি পাওঁ ঃ

"A man doesn't have time.
When he looses he seeks, when he finds
he forgets, when he forgets he loves, when he loves
he begins to forget.
Yehuda Amichai, A man in his life."

এই কেউটা দেশী-বিদেশী উদাহৰণে দেখুৱায় যে কবি এজন বিচ্ছিন্ন সত্তা নহয়, তেওঁৰ, বিভিন্ন স্থানৰ পৰিৱেশৰ আৰু ৰুচিৰ, মানসিকতাৰ সৃষ্টিশীল মনবোৰৰ সৈতে সংযোগ আছে। অভিজ্ঞতাৰ যিবোৰ প্ৰয়োজনীয় উপাদান, যিবোৰ উপাদানে তেওঁক এটা পৰিমণ্ডলৰ সৈতে চিহ্নিত কৰিব পাৰে, সেইবোৰ অলকেশ কলিতাই অতি সাৱলীলভাৱে আত্মস্থ কৰিব পাৰিছে। তেওঁৰ বাবে হৃদয়ৰ উপস্থিতি কেৱল জৈৱিক প্ৰেমৰ কেন্দ্ৰস্থলী নহয়, সি বিতাৰিত ভাৱনাৰ অমলীন সংলাপৰ স্থলীও। তাত সংযোগ আৰু চূড়ান্তজনৰ যুগপৎ উপস্থিত আছে। ভাৰতীয় দাৰ্শনিক ৰামানুজে (জন্ম- ১০১৭ চন) বিশিষ্টাদ্বৈতবাদত তিনিটা তত্ত্বক স্বীকাৰ কৰিছে। ঈশ্বৰ, জীৱ (চিৎ) আৰু জড় (অচিৎ) এই তিনিধৰণৰ কথা-বতৰাৰ পৰিপ্ৰেক্ষিতত ঈশ্বৰ এক পৰম তত্ত্ব বুলি কোৱা হৈছে। চিৎ আৰু অচিৎ ইয়াৰ দুই অংশ। চিৎ আৰু অচিৎ দুয়ো সত্য আৰু দুয়ো ঈশ্বৰৰ অংশ। এই ফালৰ পৰা ঈশ্বৰ ত্ৰিগুণাত্মক। ইয়াৰ বাহিৰেও সংসাৰত, ৰামানুজৰ দৰ্শন অনুসৰি, তিনি ধৰণৰ বিভেদ আছে। ঈশ্বৰৰ ক্ষেত্ৰত ইয়াৰে স্বগতঃ বিভেদ বিদ্যমান। ঈশ্বৰ জীৱ (চিৎ) আৰু জগত (অচিৎ) দুয়োৰে সন্মিলিত

গোট। আৰু ইয়েই ঈশ্বৰৰ স্বগতঃ ভেদ। অলকেশ কলিতাৰ বাবেও এনে ধৰণৰ দাৰ্শনিক উপলব্ধিৰ কিছু মূল্য নথকা নহয়। হৃদয়ত অস্তিত্ব আৰু উপলব্ধি সমানে বিদ্যমান। জীৱনৰ তাড়নাত নিপীড়িত হোৱাজনৰ খবৰ আছে। অস্তিত্ব, আৰু কেউফালৰ জগতখনক (যি 'বসন্তৰ বোল দিয়া চূড়া'— অৰ্থাৎ বসন্তৰ প্ৰাণৱন্ত, তৰুণ আৰু চঞ্চল ৰূপটোৰে বিদ্যমান এক ৰূপ) সামৰি এজন নিয়ন্তা আছে, যি নিয়ন্তাৰ বতৰা কবি মনে আমালৈ ধৰি ৰাখে। সংসাৰৰ চেপা খুন্দাই ইয়াৰ সকলো ৰূপক কঠোৰ কৰি তুলিছে। হৃদয়ৰ চূড়াবোৰে এই ভয়ংকৰ সময়ক ধৰি ৰাখিছে আৰু অনাহাৰে সময় কটাবলগীয়া হৈছে একেজন মানুহেই। মনত পৰে Holocaust-ৰ নিৰ্মম, কঠোৰ, কৰুণাৰ ক্ষুদ্ৰতমো ৰেশ নথকা পৃথিৱীখনলৈ। অভিজ্ঞাতাৰ দীৰ্ঘ যাত্ৰাৰ পথিকৰূপে অলকেশৰ কবিমনটোৱে ঈশ্বৰক দেখিছে এক নিৰ্লিপ্ত ৰূপতহে ঃ

"বসন্তৰ বোল দিয়া চূড়াত
বহি আছে শাস্তি দিওঁতাজন।"

এই বিশাল জগতৰ, এই সীমাহীন জীৱ (চিৎ)ৰ নিয়ন্তা হৈয়ো এই ঈশ্বৰ নিজেই অসহায় নেকি? নিজৰে সৃষ্ট মায়াত (শংকৰচাৰ্য্যৰ শক্তিশালী বেদান্ত দৰ্শনৰ ধাৰণা) বা লীলাত তেওঁ, যি পৰম শক্তিময় আৰু সকলো সামৰ্থ্যৰ অধিকাৰী, তেওঁ নিজেই বন্দী নেকি? আমাৰ কথা-বতৰাবোৰ অৰ্থহীন হ'লেও ঈশ্বৰ নিজেই ব্যৰ্থ নেকি তেওঁৰ এই অপৰিসীম বৈচিত্ৰ্যৰ ভুবন নিৰ্মাণত? এনেকুৱা নেকি যে এই পৰম শক্তিমানজনে ক'ব খোজা, কৰিব খোজা কথাবোৰৰ সকলো উজ্জ্বল দিশ ব্যৰ্থতাৰ অনন্ত গৰ্ভত ডুব গ'ল? ঈশ্বৰ যেন ক'ৰবাত শক্তিশালী জাহাজ, ক'ৰবাত যেন বৃদ্ধ ব্যক্তি যাৰ কোনো সংগী নাই যি নিজেই নিজৰ উচুপনি।

১) "জিলিকি উঠা নৈখনৰ পানীত
জাহাজখন
এক কৃষ্ণকায় প্ৰতীক"
২) "ক'ৰবাত বুঢ়া মানুহ এজনৰ ভিৰতত কেঁচুৱা এটা
ঠেচ্‌ঠেচাই হুল সোমাই থকা শব্দবোৰ লালটিত লৈ"
৩) "নিৰলে তেওঁ কান্দে
কি বুলি কওঁ মই কি বিচাৰিছিলোঁ?"

মনত পৰে আমাৰ দৈনন্দিন জীৱনৰ ভাষা, শব্দ চয়নৰ বিন্যাস আদিয়ে সৃষ্টি কৰা সীমাবদ্ধতাক অতিক্ৰম কৰিব খুজি কবিয়ে কিবা এটা নতুন ধৰণৰ বাগধাৰাক জন্ম দিয়াৰ প্ৰয়াসক। কবিতাই সদায় অৰ্থক জন্ম নিদিবও পাৰে, ই সংঘটিতও হ'ব

পাৰে।(The poem takes place : Alain Badiou, Handbook of Inaesthetics, Stanford University Press, 2005, P. 29) এনে ক্ষেত্ৰত কবিতা বৰ্ণনাও নহয়, ই প্ৰকাশভংগীও নহয়। ই এটা প্ৰক্ৰিয়াহে (an operation)।

কবিতা যে এক প্ৰক্ৰিয়া আৰু কবি যে এই প্ৰক্ৰিয়াৰ সাক্ষী, অংশীদাৰ আৰু ই যে তথ্য পঞ্জীয়নৰ (Documentation)ৰ দৰে এক বিৰাট কাৰবাৰৰ সৈতে জড়িত তাৰ সাক্ষী অলকেশ কলিতাৰ 'ভাস্কৰ' নামৰ বিশেষ প্ৰচেষ্টাটো। অধ্যাপক, কবি এম. কামালুদ্দিন আহমেদৰ মতে, "কাঠিন্যৰ যি বোধ সাধাৰণতে শিলে আমাৰ মনত জগাই তোলে, তাৰ বিপৰীতে অলকেশে শিলক বিভিন্ন ধৰণে চাইছেঃ কেতিয়াবা এটি সংবেদনশীল উপাদান হিচাপে, কেতিয়াবা সৃজনশীল বস্তুৰ দৰে।" নিঃসন্দেহে আমাৰ সমকালীন কাব্য জগতত 'ভাস্কৰ' এক প্ৰশংসনীয় পদক্ষেপ। সৃষ্টি আৰু সৃষ্টিৰ মূল আধাৰ দুয়োটাকে অলকেশ কলিতাই সম্পূৰ্ণ নতুন দৃষ্টিৰে চাইছেঃ

"মোৰ প্ৰথম পৰিচয়ত তোমাক কওঁ শুনা শিল
মোৰ চকুপানীত তিতিছা মানে তুমি
শৰতৰ চকুপানীত তিতিছা।
ৰামতকৈও আগতে মইহে
অহল্যাক আদৰেৰে স্পৰ্শ কৰিছিলো।
মই প্ৰথমতে তোমাক শিকাব লাগিব শিল
যে মানুহ আৰু মানুহৰ অসাধাৰণ শোকক
তুমি অৱজ্ঞা নকৰিবা
পৃথিৱীৰ আটাইবোৰ খোদিতে শিলে
অনুভৱ কৰিব পৰা একমাত্ৰ কথাটো হ'ল
মানুহৰ শোক।"

১১টা শাৰী আৰু ৪৯টা শব্দ। ইয়াৰ অন্তৰ্নিহিত বাৰ্তা বেছ বিশাল আৰু তাৎপৰ্যপূৰ্ণ। কবিয়ে জীৱ আৰু জড়ৰ মাজত এডাল সাঁকো তৈয়াৰ কৰিছে। চিৎ আৰু অচিৎ দুয়োটাকে কবিয়ে একেই সত্তাৰ বিস্তৃতিৰূপে দেখুৱাইছে। সৃষ্টিৰ প্ৰেৰণা বা উৎসৰূপে তেওঁ চিহ্নিত কৰিছে শোক বা দুখক। বৌদ্ধ চিন্তা অনুসৰি সংসাৰত দুখ থকাটো কোনেও অতিক্ৰম কৰিব নোৱাৰা সত্য। মনত পৰে এজন কবিৰ এক বিখ্যাত উক্তিলৈ, "তেওঁ কি কবি যি আনৰ দুখ অনুভৱ কৰিব নোৱাৰে!" ইয়াত শোকক কবিয়ে সংক্ষিপ্ত অৰ্থত ব্যৱহাৰ কৰা নাই, তাক আকাংক্ষা (Desire)ৰ সমাৰ্থক কৰি তুলিছে। এই আকাংক্ষাক কবিয়ে তাৰ বিশালতালৈ লৈ গৈছেঃ

"মানুহেই ঈশ্বৰৰ যৎকিঞ্চিৎ আকাংক্ষা।
পৃথিৱীৰ বাকী সকলো আকাংক্ষা মানুহৰ নিজৰ, "

আকাংক্ষাৰ শেষ নাই, ইয়াৰ ওপৰ-তল, আগ-পিছ নাই। আকাংক্ষাই সদায়ে বাট সলায়, উদ্দেশ্য আৰু আকাংক্ষাৰ বস্তুপুঞ্জৰ সহজে সলনি হয়। ছিগ্‌মাণ্ড ফ্ৰয়ডে আধুনিক সভ্যতা আৰু দৈনন্দিন জীৱনক নিউৰছিছ্‌ৰ মাধ্যমেৰে ব্যাখ্যা কৰিছে। ইয়াৰ লক্ষণক তেওঁ Repressed desire-ৰ বহিঃপ্ৰকাশ বুলিয়েই ধৰিছে। অলকেশ কলিতাই কবি হিচাপে আকাংক্ষাক নঞৰ্থক ভাৱত গ্ৰহণ কৰা নাই। চিন্তাবিদ ফ্ৰচোঁৱা লিয়ঁতাৰৰ দৰে তেওঁৰ দৃষ্টিত "Desire is productive and creative, and comparable to abstract art, where figures and lines criss- cross interminably." এই ফালৰ পৰা চাবলৈ গ'লে আকাংক্ষাৰ একো পৰিণতি নাথাকে। কাৰণ কোনো অন্তৰ্নিহিত বা নিৰ্দিষ্ট সত্যক আকাংক্ষাই আমাৰ আগত তুলি নধৰে। মনোবিশ্লেষণাত্মক তত্ত্বই দেখুৱায় যে সামাজিক সম্পৰ্কবোৰে আকাংক্ষাক নিয়ন্ত্ৰিত কৰে। তাৰ বিপৰীতে লিয়ঁতাৰে দেখুৱাইছে যে আমাৰ দৈনন্দিন জীৱনৰ সকলো ক্ষেত্ৰতে আকাংক্ষাৰ অবাধ গতি (Desire intersects all aspects of daily life)

"সকলো আকাংক্ষা পৰিহাৰ কৰিও
মানুহ শিল হ'ব নোৱাৰে।"

এই শিলৰ বিস্তৃতি বহু দূৰৰ, বহু বিশাল পৰিসৰৰ, কল্পনাৰ মোহৰ লগাই শিলক এক নতুন উচ্চতালৈ কবিয়ে লৈ গৈছে।

১) "তোমাতকৈও আগতে মোক এজোপা গছে দেখিছিল।
তাৰ শিপাবোৰে পৃথিৱীৰ যিকোনো শিলৰ হৃদপিণ্ডৰ
কোমল মঙহবোৰ চুই থাকিব পাৰে।"
বা,

২) "মোৰ গোটেইটো দেহত আহৰিৰ নাৰী আঙুলি।
স্মৃতিৰ গোটেইটো দেহ মই।
ভাৱনাৰ গোটেইটো দেহ মই।
একোৱেই শিলৰ নহয়।
আনকি শীৰ্ণকায় মালিজনৰ নলে গলে লগা কাঁইটবোৰো"
বা,
"মোক এনেকুৱা এটুকুৰা শিল কৰি তোলা
যি এটোপাল চকু পানীৰ স্পৰ্শতেই হৈ পৰে সাৰুৱা মাটি"

আকাংক্ষাক ফৰাচী তাত্ত্বিকসকলে, দুই ধৰণে সংজ্ঞাবদ্ধ কৰিব খুজিছে, ১) অভাৱৰ ক্ষণ (moment of lack) আৰু ২) সন্তুষ্টিৰ ক্ষণ (Moment of satisfaction)। ভাস্কৰ কবিতাটোৰ দীৰ্ঘ যাত্ৰাই পঢ়ুৱৈক আকাংক্ষাৰ এই দুয়োটা দিশৰ সৈতে পৰিচয় হোৱাৰ সুযোগ দিছে। আমি নাজানো, অলকেশ কলিতাই, পুনৰ এনে ধৰণৰ কাব্যিক বাগধাৰাৰ নিৰ্মাণত ব্ৰতী হ'বনে নাই, কিন্তু তেওঁৰ এই প্ৰচেষ্টা সমকালীন কবিতাৰ এক প্ৰশংসনীয় প্ৰসংগ হৈ ৰ'ব।

কবিতাৰ বিষয়ে কোৱা হয় যে Poetry is conceived in the soul, not in manners. অলকেশে তেওঁৰ শব্দচয়নত সংযম আৰু সুষম বিন্যাসৰ জৰিয়তে কবিতাৰ আত্মাক ধাৰণ কৰিছে। তেনে কৰিবলৈ যাওঁতে কবি হিচাপে তেওঁ শব্দকেন্দ্ৰিক শক্তি পুঞ্জৰ প্ৰতি সচেতন হৈছে। মনত পৰে আলবেয়াৰ ক্যামুৰ অবিস্মৰণীয় উক্তিলৈ ঃ I write with words, not ideas. কিন্তু শব্দ কেৱল আখৰৰ সংযোজনেই নহয়, মানুহৰ হাজাৰ হাজাৰ বছৰীয়া অভিজ্ঞতাৰ সি প্ৰকাশো, আনকি কাৰ্ল গুস্তাভ্ য়ুঙে ক'বৰ দৰে সামূহিক অৱচেতন (Collective unconscious) ৰ সি যেন একো একোটা প্ৰতিনিধি। এইবোৰ বিষয়ৰ সন্দৰ্ভত কবি হিচাপে অলকেশ সজাগ, তেওঁৰ কবিমনৰ সঁহাৰি বেছ বুদ্ধিদীপ্ত ঃ

"মই উৎসৱৰ পিছৰ দিনটোৰ কথা ভাবিছোঁ।.... মই পৰিণতিৰ পিছৰ দিনটোৰ কথা ভাবিছোঁ। আৰু মোৰ সন্মুখত মোৰ সেই পৰিণতি সলাব নোৱাৰা বিধিৰ অৱলীলা হৈ শিলীভূত হৈছে। সেই শিলটো লৈ মই কি কৰিম?.......

আমি এতিয়ানো কি কৰিম? নিষ্ফল উৎসৱৰ পিছৰ দিনটোত?"

(উৎস ঃ কবিৰ একাযাৰ, নিষ্ফল উৎসৱ, পূৰ্বায়ণ প্ৰকাশন, ২০১৯, পৃ. ৭)

এই দিনটোত, যাৰ নিৰ্য্যাস কবিৰ মনত ৰৈ যাব, কি কৰা যাব, তাৰ উত্তৰ নীলমণি ফুকনৰ কবিতাই এনেদৰে দিছে—

"ভয় খালে চাবা, মিছা হৈ যাব
এতিয়াও নিশা আছে
সূৰ্য্যই কথা ক'ব
সূৰ্য্যই এটা
আমাক উত্তৰ দিব।"

(নীলমণি ফুকন ঃ *সূৰ্য্য হেনো নামি আহে এই নদীয়েদি*)

অলকেশ কলিতাক কথা ক'ব তেওঁৰ অভিজ্ঞতা, তেওঁৰ কৌতূহল আৰু মনৰ নানান স্তৰে। যোগাচাৰ বৌদ্ধ চিন্তাই 'আলয় বিজ্ঞান'ৰ ধাৰণাৰে পৰিৱেশৰ প্ৰতি আমাৰ

সঁহাৰিক দৰ্শাইছে। মনৰ এই তৰপবোৰে আমাক আভ্যন্তৰীণ প্ৰবৃত্তিৰ খবৰ অহৰহ দি থাকে। সৃজন প্ৰক্ৰিয়াৰ বহু তৰপীয়া ৰসায়ন সম্পৰ্কে ই আমাক সচেতন কৰি তোলে। চুবুৰীয়া ভাষাৰ এজন শক্তিশালী কবি অৰুণ মিত্ৰই কৈছিল, "কাব্য মানেই নিবিড় লেখক সত্তাৰ স্ফুৰণ, ব্যক্তি হিচাপে লেখকৰ আত্মচেতনাৰ প্ৰতিষ্ঠা।" এই আত্মচেতনাক পঢ়ুৱৈৰ চেতনাৰ সমান অংশীদাৰ কৰি তুলিব পৰাতে কবিৰ কৃতিত্ব লুকাই থাকে। কাব্যৰ আঁৰৰ চিন্তা প্ৰক্ৰিয়া (Poetic thought) সেয়েহে সমালোচক আৰু পঢ়ুৱৈ উভয়ৰে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। সকলো কবি এই আকৰ্ষণৰ উৎস হ'ব নোৱাৰে। অলকেশ কলিতাৰ কবিতাই সেই আকৰ্ষণৰ এখন উজ্জ্বল [ভেন গগৰ Starry Night বা হেনৰি মূৰৰ (বা বাৰবাৰা হেপৱৰ্থৰ) Reclining Figures-ৰ দৰেই ] ভুৱনৰ সন্ধান আমাক দি গৈছে। তেওঁৰ এই যাত্ৰাপথ আমাৰ বাবেও এটা অনুসন্ধিৎসাৰে বাট হ'ব পাৰে।

কবিতাৰ, বিশেষকৈ কাব্যিক পৰিক্ৰমাৰ যে প্ৰয়োজনীয়তা থাকে, তাক অলকেশ কলিতাই বুজি উঠিছে। অলকেশে দুৰূহ শব্দভাৰক গ্ৰহণ কৰা নাই; তেওঁ কবি হিচাপে প্ৰত্যয়ক ব্যাপ্ত কৰিছে। আমাৰ চুবুৰীয়া ভাষাৰ প্ৰসিদ্ধ কবি সুধীন্দ্ৰনাথ দত্ত সন্দৰ্ভত কবি, বিশিষ্ট প্ৰবন্ধকাৰ অৰুণ মিত্ৰই কৈছিল, "ঘটনা, চিন্তা, অভিমত সবই সুধীন্দ্ৰনাথেৰ কবিতায় দুৰূহ গুৰুভাৰ শব্দকে অৱলম্বন ক'ৰে সাধাৰণ বাস্তৱ অৰ্থে প্ৰকাশ পায়।" শব্দক ওজন প্ৰদান অলকেশ কলিতাৰ কাব্য প্ৰচেষ্টাৰ উদ্দেশ্য নহয়। ইয়াৰ কাৰণ তেওঁ বাছি লোৱা জগতখনেই নিৰ্ভাৰ, বহু সময়ত মিলান কুণ্ডেৰাৰ "Unbearable lightness of being"-ৰ লেখীয়া। বুদ্ধিৰ সহায়ত তেওঁ আৱেগ ৰঞ্জিত ভাৱনাক ওচৰ চপাইছে, এক সৰল আৰু মোহনীয় বাতাৱৰণেৰে ঃ

"জাৰ পৰিবলৈ ওলাইছে।
অনাদি অনন্ত কাল জুৰি
ঢেৰ প্ৰতিশ্ৰুতিৰে
সদায় সত আৰু ধুনীয়া।
টাবকেইটাত ৰাতিপুৱা দেখিলোঁ"

টাবত দেখা পোৱা ৰাতিপুৱা — এই প্ৰকাশভংগী নানা তৰপীয়া ইংগিতধৰ্মিতাৰে সিক্ত। এই ৰাতিপুৱা আধুনিকতাৰ ৰাতিপুৱা, ফ্লেটৰ বেলকনিত সৌন্দৰ্য্যবৰ্ধনৰ বাবে ৰখা টাবত সিঁচৰতি হৈ পৰা পুৱাৰ কোমল কিৰণৰ এক যেন মধুৰ নিৰ্যাস। গীয়গীঅ' আগামবেনে (Giorgio Agamben) তেওঁৰ Infancy and History: on the Destruction of Experience নামৰ গ্ৰন্থত উল্লেখ কৰিছেঃ For modern men's

average day contains virtually nothing that can still be translated into experience." অভিজ্ঞতাৰ এই বিদায় বেছ এক জটিল কাৰবাৰ। কাৰণ অভিজ্ঞতাক বিদায় দিয়া মানেই ব্যক্তিগত সত্তাৰ সক্ৰিয়তাক অস্বীকাৰ কৰাৰ এক কাৰবাৰ। আগামবেনে অভিজ্ঞতাক অস্বীকাৰ কৰা নাই। তেওঁ ইয়াক ব্যক্তি বিশেষৰ নিয়ন্ত্ৰণৰ বাহিৰত বুলি কৈছে। অভিজ্ঞতাক ব্যক্তিয়ে নিৰীক্ষণহে কৰিব পাৰে, তাক সাল-সলনি কৰিব নোৱাৰে। ফলত ব্যক্তিয়ে অভিজ্ঞতাক এক তল (Plane)ৰ সৈতে জড়িত কৰি যেন চাব খোজে।

১) "এয়া মই
ভাবনাৰ চুবুৰিত আহি দুৱাৰ টুকুৰিয়াও
মোৰ কথা মোৰেই বাৰে বাৰে মনত পৰাৰ পাছৰেপৰা।"
বা,

২) "চব শুকান।
জানো কি অপেক্ষা নথকাৰ বাবেই
মোৰ আনন্দও শেষ
বাৰম্বাৰ অসীম উদাৰতাৰ"

মই বা সত্তা (Self) দৰ্শনৰ এক শক্তিশালী ধাৰণা। যোগাচাৰ বৌদ্ধ দৰ্শনে এই 'মই'ৰ স্বৰূপক ব্যাখ্যা কৰিছে এক নতুন দৃষ্টিভংগীৰে ঃ "Self is nothing but a complex of this stream of consciousness, and the objects that are taken to exist in the external world are simply the images that appear in the stream of consciousness" ওপৰৰ দুয়োটা উদ্ধৃতিয়েই এনে চিন্তাৰ ৰেঙনিত চাব পাৰি। অতীতৰ অভিজ্ঞতাক আলয় বিজ্ঞানে ব্যক্তিগত অৱচেতনত সংৰক্ষণ কৰি ৰাখে। কেতবোৰ বিশেষ পৰিস্থিতিত অহৰহ খুন্দা খাই সেইবোৰ মনৰ ওপৰৰ স্তৰলৈ উঠি আহে। উপনীত হয় 'মনোবিজ্ঞান'ত। ইংৰাজীত আলোচকসকলে এই পৰ্যায়টোকে "consciousness called mind" বুলি অভিহিত কৰিছে।

"অইনহে নালাগে
আজিৰ আবেলিও গ'ল
আৰু মই শুনি থাকিলোঁ, অকলে, চুপে-চাপে
সোঁৱৰণিয়ে প্ৰতিবাদ কৰা।"

অলকেশে বাছি লোৱা জগতখন স্মৃতিৰ পৰা আহৃত। কবিতাৰ এটা বিখ্যাত সংজ্ঞাই হ'ল ঃ Emotion recollected in tranquility। কবিতাক লৈ অলকেশে

চিন্তা কৰিছে। তেওঁ ইয়াক 'শুদ্ধ চৈতন্যৰ উদ্ভাৱন' বুলি ভবা নাই। তেওঁৰ কবিতাৰ মানুহখিনি তেজ মঙহৰ, সুখৰ-দুখৰ, উদ্যম আৰু যন্ত্ৰণাক্লিষ্ট বাতাৱৰণৰ সৈতে সাঙোৰ খাই থকা মানুহ। সেইবাবে পৰীক্ষাৰ নানান গণ্ডী অতিক্ৰমিও অলকেশে কাব্যিক ভাবনাৰ বাবে তৈয়াৰ কৰি লোৱা কাব্য ভাষা প্ৰাণৱন্ত আৰু এক মজ্জাগত উপলব্ধিৰে সংপৃক্ত ঃ

"পাহৰাকে আকৌ এবাৰ পাহৰো দিয়াচোন
হে নিষ্ফল অলস মেঘ
সেই ভৰ বাৰিষা পুনৰ মনত পৰক মোৰ।"

(অলকেশ কলিতাৰ *পৰাস্মৃতি* সংকলনৰ পাতনি হিচাপে ইতিপূৰ্বে প্ৰকাশিত)

# অলকেশৰ স্মৃতিত

## অৰিন্দম বৰকটকী

অলকেশ নিজৰ সমৃদ্ধিৰে জীয়াই থকা এটা জীৱন আছিল। তেওঁৰ মৃত্যুত বহুতে তেওঁৰ অপ্ৰাপ্তিৰ বেদনাৰ কথা উনুকিয়াইছিল। অধ্যয়নৰ গভীৰতাৰ প্ৰতি আগ্ৰহ, বিভিন্ন বিষয়-বৈচিত্ৰ্যৰ প্ৰতি অনুসন্ধানী দৃষ্টি, একাকিত্বৰ উদ্‌যাপন আৰু শিশুসুলভ সৰলতাৰ অলকেশ এনেবোৰ কথাৰ ঊৰ্দ্ধত বুলিয়েই মোৰ ভাব হৈছিল। এদিন অলকেশে মোক বিশেষ ধৰণৰ কথা কেতবোৰ কৈছিল যিবোৰ এই পৃথিৱীৰ বাস্তৱৰ কথা নাছিল। পিছত দীঘলকৈ পাতিম বুলি সেইদিনা অলকেশক মই ধেমালি কৰি কৈছিলোঁ এনেবোৰ কথাৰে জীয়াই থকাৰ অনুপ্ৰেৰণা বিচাৰি পালে তোমাৰ জীৱনটোও বয়স হ'লে বিনয় মজুমদাৰৰ দৰে হ'বগৈ, কবিতা হিচাপে বৰ ভাল, কিন্তু জীৱন দুৰ্বিষহ আৱেগিক যন্ত্ৰণাৰ। অলকেশক সেই কথা মই বিশেষ নভবাকৈয়ে কৈছিলোঁ, তাতোকৈ সঁচা অলকেশক নজনাকৈয়ে মোৰ মুখেদি সেই বাক্যটো ওলাইছিল। তেওঁ আমাৰ মাজৰপৰা কায়িকভাৱে বিদায় লোৱাৰ কথা গম পাই তেওঁৰ একান্ত সুহৃদ কবি জোনমণি দাসলৈ ফোন কৰোঁতে মই গম পাইছিলোঁ আমি নেদেখা কবি অলকেশে কঢ়িয়াই ফুৰা আন এটা পৰিচয়ৰ কথা। এদিন অলকেশে আমাৰ শিলপুখুৰীৰ ঘৰত বহি অজিৎ বৰুৱাৰ কবিতাৰ কথা উলিয়াইছিল। আমি পাতিছিলোঁ 'স্কিজ্জ'ফ্ৰেনিয়াৰ বিষয়ে' নামৰ কবিতাটোৰ কথা। পাছত অলকেশৰ বায়েক কবি জ্যোৎস্নাৰ সৈতে কথা পাতি গম পাইছিলোঁ অজিৎ বৰুৱাই সেই কবিতাটোত লিখাৰ দৰে ('তৰাবিলাক যিমান দূৰ মোৰ মনৰ তলিও সিমানেই') অলকেশৰ মনৰ তলিৰ উমান আমি পোৱা নাছিলোঁ। এয়া আমাৰ অসামৰ্থ্যতা নে অসংবেদনশীলতা নাজানো। কিন্তু এতিয়া ভাবিলে কষ্ট হয় তেওঁৰ মনৰ তলিৰ উমান পাব পৰাকৈ সময়ো দিব পৰা নাছিলোঁ।

*বগা ফুল আৰু তেজৰ তাপ* নামৰ কাব্য সংকলনটোৰ পাৰ্শ্বকথাত অলকেশে লিখিছিল— “অনুভূতি, মমতা হৃদ্যতা, মানৱতাবোধ, প্ৰেম বিদ্ৰোহ আদিয়ে গঢ়িব পাৰে ভাঙিব পাৰে, মানুহকো, ভাষাকো।” হয়তো এইজন কবিয়ে এই সত্য উপলব্ধিৰে ভাষাৰ সাধনাৰ জীৱন জগতক অনুধাৱন কৰিবলৈ চেষ্টা কৰিছিল অথবা জীৱন জগতৰ অনুধাৱনৰ চেষ্টা ভাষাৰ মাজেৰে প্ৰকাশ কৰিছিল। প্ৰায় প্ৰতিটো সংকলনতেই তেওঁ এটুকুৰা আগকথা লিখিছিল আৰু সেই আগকথা কবিৰ আত্মজিজ্ঞাসা, দৰ্শন আৰু অস্তিত্বৰ অসহনীয় লঘিমা (Unbearable lightness of being)ৰে অস্থিৰ আৰু সৃষ্টিশীল আছিল। তেওঁ এটা পথ বিচাৰিছিল আৰু সেই পথ তেওঁ ক্ৰমাৎ নিজেই নিৰ্মাণ কৰিছিল। মাজৰ এছোৱা সময়ত তেওঁৰ কাব্য চিন্তাৰ সাজ একধৰণৰ ‘জীৱনৰহিত মেকানিকেল উপদেশে’ ভাৰাক্ৰান্ত কৰাৰ উদাহৰণো তেওঁৰ কবিতাত নোহোৱা নহয়। কিন্তু পিছলৈ তেওঁ হয়তো গম পাইছিল নিজৰ শস্যভূমি আধি দিয়া প্ৰথাৰে বিকাশ কৰিব নোৱাৰি।

আমি *প্ৰকাশ*ৰ সম্পাদক থাকোঁতে নতুন কবিৰ যি দুটা সংখ্যা উলিয়াইছিলোঁ বা *প্ৰতিদিন কাকত*ৰ শাৰদীয় সংখ্যাৰ নিৰ্বাচিত কবিৰ কবিতাত অলকেশৰ সদায় আগ্ৰহেৰে ছপাইছিলোঁ। কবিৰ নাম কবিতাতকৈ আগতে অহা কথাটো বৰ ভাল কথা নহয়। কিন্তু যিকেইজন নতুন কবিয়ে সেই বিশ্বাস বা আস্থা আমাৰ পঢ়ুৱৈৰ মনলৈ আৰম্ভণিৰেপৰা আনিছে অলকেশ সেই সীমিতসকলৰ এজন। অলকেশৰ মৃত্যুত আমাৰ বহুতে কৈছে আমি এজন প্ৰতিশ্ৰুতিসম্পন্ন কবি হেৰুৱালোঁ। মই পিছে ভাবোঁ আমি এজন প্ৰতিভাৱান কবি অকালতে হেৰুৱালোঁ, যি ইতিমধ্যেই কেইবাটাও ভাল কবিতা লিখি থৈ গ’ল। এজন প্ৰতিভাৱান কবি হিচাপে স্বীকৃতি আৰু প্ৰতিষ্ঠা পাব পৰাকৈ সেইকেইটা কবিতা কম নহয়। একেধৰণৰেই আমি অমূল্য বৰুৱা বা হেমাংগ কুমাৰ দত্তৰ ক্ষেত্ৰতো ভাবিব পাৰোঁ। অলকেশে বিচাৰিছিল তেওঁৰ কবিতাৰ বিষয়ে মই দীঘলীয়াকৈ লিখাটো। মই সময় লৈছিলোঁ দুটা কাৰণত— প্ৰথম তেওঁৰ কবিতা সামাজিক appreciation-ৰ প্ৰয়োজনৰ উৰ্দ্ধত আছিল, দ্বিতীয়তে তেওঁৰ কবিতাৰ seriousness-এ তাৎক্ষণিক প্ৰতিক্ৰিয়াৰ দহটা বাক্যত তেওঁৰ কবিতাক ধৰি ৰখাটো পাঠক-সমালোচক হিচাপে অসৌজন্যসূচক হ’ব বুলি আমি ভাবিছিলোঁ। কবি হিচাপে তেওঁ পনীয়া কাহানিও নাছিল আৰু সেই কথাটো কোনো পনীয়া মতদাতাই নুবুজাটোও তেওঁলোকৰ বাবে দোষৰ কথা নাছিল।

অলকেশ কলিতা কবিতাৰ এজন কথক আছিল। তেওঁ নিজে লিখি থৈ যোৱাৰ দৰে তেওঁৰ কবিতাবোৰ তেওঁৰ নিজৰে তেজকেইটোপাৰ উত্তাপতে উমাল হৈ আছিল।

অসমীয়া কবিতাৰ এটা ‘প্ৰতিষ্ঠানবিৰোধী ঢৌ’ অলকেশে আৰম্ভ কৰিছিল নিজৰ মননশীল সামৰ্থ্যৰে। এই প্ৰসংগবোৰ অলকেশৰ কবিতাৰ আলোচনাত আমি সবিস্তাৰে লিখিম। অলকেশে তেওঁৰ দুখন কবিতাৰ কিতাপ নীলমণি ফুকনৰ নামত উছৰ্গা কৰিছে। কিন্তু তেওঁৰ কবিতা আন বহু সমসাময়িক কবিৰ দৰে নীলমণি ফুকন-হীৰেন ভট্টাচাৰ্য্যৰ কবিতাৰ নিষ্ফল অনুকৰণ নাছিল। তেওঁৰ প্ৰথম সংকলনটোৰ নাম আছিল *ভাস্কৰ*। অলকেশে কবিতাৰ নিজ যোগ্যতাৰ একজন ভাস্কৰ হ'বলৈহে সদায় প্ৰয়াস কৰিছিল। কৌতূহলী মন এটা কিদৰে সৃজনীশীলতাৰ কাৰণ হ'ব পাৰে, ‘ভাস্কৰ’ নামৰ এই দীঘলীয়া কবিতাটোৱে আমাক উনুকিয়াই গৈছে। সত্তাৰ অস্তিত্ব (existence of being) আৰু সত্তাৰ বিচ্ছিন্নকৰণৰ স্বতঃস্ফূৰ্ত মানসিক খেল এখন হয়তো অলকেশৰ জীৱনত আৰু কবিতাত গোপনভাৱে সদায় চলি আছিল। সেয়েহে তেওঁৰ কবিতাত একান্ত আৰু অকলশৰীয়া দুই সত্তাৰে প্ৰভাৱী ভূমিকা আছিল। সেইবাবেই হয়তো আত্মবিশ্বাসী আৰু অভিমানী দুয়োটা পৰিচয়েই অলকেশে কঢ়িয়াইছিল— কবিতাতো আৰু জীৱনতো।

# অলকেশ কলিতাৰ
# *যোৱাবেলিৰ বসন্ত* ঃ এটি চমুটোকা

## ডঃ বিৰিঞ্চি কুমাৰ দাস

অকালতে সময়ৰ বুকুত বিলীন হৈ যোৱা উদীয়মান কবি অলকেশ কলিতাৰ 'যোৱাবেলিৰ বসন্ত' শীৰ্ষক কাব্য সংকলনটো পঢ়ি থাকোঁতে কেইটামান কথা মনলৈ আহিছিল। অসমৰ যিসকল কবিক আমি নৱ-প্ৰজন্মৰ উল্লেখনীয় কবিৰ তালিকাত স্থান দিব পাৰোঁ, সেইসকলৰ মাজৰ এগৰাকী হিচাপে পঢুৱৈ সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ অলকেশ কলিতাই সক্ষম হৈছিল নিজস্ব কিছু বৈশিষ্ট্যপূৰ্ণ গুণৰ বাবেই, আৰু *যোৱাবেলিৰ বসন্ত*কো সেই গুণবোৰেই এক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। একে প্ৰজন্মৰ সমসাময়িক কবিসকলৰ পথেৰেই গৈ নিজৰ বাবে কাব্যিক ক্ষেত্ৰ এখন বাছি ল'বলৈ যাওঁতেও তেওঁ প্ৰতিপন্ন কৰিছে যে তেওঁ কোনোবাখিনিত আন বহুততকৈ ভিন্ন।

*যোৱাবেলিৰ বসন্ত*ত যিকেইটা কথাই বিশেষভাৱে মোৰ দৃষ্টি আকৰ্ষণ কৰিছিল, তাৰে প্ৰথমটো হৈছে কবিতাসমূহৰ মাজেৰে অলকেশ কলিতাই প্ৰতিষ্ঠা কৰিব খোজা এটা কিছু পৰিমাণে অগতানুগতিক কাব্যিক সুৰ। অলকেশ কলিতাই নিজৰ কবিতাৰ বাবে কেনে ধৰণৰ বিষয়বস্তু বাছি লৈছে সেইটো এটা লক্ষ্যণীয় কথা। সমসাময়িক আন বহু কবিৰ কবিতাৰ দৰেই বহু সময়তে কলিতাৰ কবিতাবোৰত এক ধৰণৰ আত্মমগ্নতা লক্ষ্য কৰা যায় যদিও সেইটো তেওঁৰ কবিতাৰ একমাত্ৰ সাৰবস্তু নহয়; নিজক উদঙাই দিয়াটোকে তেওঁ কবিতাৰ একমাত্ৰ উদ্দেশ্য হিচাপে লোৱা নাই। বৰং তেওঁৰ আন্তৰ্জাগতিক ক্ষেত্ৰখনৰপৰা বুটলি লোৱা কাব্যিক সমলসমূহৰ বহিৰ্জগতৰ সৈতেও থকা সম্পৰ্কৰ সূত্ৰ এটা সম্পৰ্কে তেওঁ অনবৰতে সচেতন হৈ আছে, আৰু

বেছ দক্ষতাৰে তাক তেওঁৰ কবিতাত প্ৰকাশো কৰিছে। কবিৰ কাব্যিক অন্তৰ্দৃষ্টিয়ে যিটো সুৰ কবিতাত উপস্থাপন কৰিবলৈ যত্ন কৰিছে, এই সুৰটোত কাব্যিক স্বতঃস্ফূৰ্ততাতকৈ এক সচেতন কলাত্মক নিৰ্মাণৰ আভাসহে পোৱা যায় বেছিভাগ সময়তে, আৰু ইয়েই কবি হিচাপে কলিতাৰ কলাত্মক সচেতনতাৰ কথা প্ৰকাশ কৰে।

এই ক্ষেত্ৰত উদাহৰণ হিচাপে আমি উল্লেখ কৰিব পাৰোঁ কবিতা সংকলনটোৰ প্ৰথমটো কবিতা 'ৰাইটাৰ্ছব্লক'ৰ কথা। ফ্ৰাঞ্জ কাফকাকে ধৰি বিশ্বৰ বহু বিশিষ্ট সাহিত্যিকে ৰাইটাৰ্ছ ব্লক অথবা লেখকৰ বন্ধ্যাত্বত ভূগিছিল বুলি তেওঁলোকে নিজেই প্ৰকাশ কৰিছিল, আৰু এনে স্থায়ী অথবা সাময়িক বন্ধ্যাত্ব সাহিত্য জগতত কোনো নতুন কথা নহয়। কিন্তু অলকেশ কলিতাৰ ক্ষেত্ৰত চাবলগীয়া কথা হৈছে এয়ে যে 'ৰাইটাৰ্ছ ব্লক' কবিতাটোত কবিয়ে একান্তভাৱে নিজৰ কথা কোৱা নাই। কোনোবাখিনিত একান্ত নিজৰ কথাবোৰেও এক সাৰ্বজনীন গুৰুত্ব অৰ্জন কৰিছে, যিটো কলিতাৰ কবিতাৰ এটা গুৰুত্বপূৰ্ণ দিশ। তদুপৰি কবিতাটোত প্ৰকাশ পোৱা লেখকৰ বন্ধ্যাত্ব নিৰ্দিষ্ট বাহ্যিক আৰু আন্তৰ্জাগতিক পৰিস্থিতিত কবিৰ স্ব-আৰোপিতহে; কবিতাটোত কথকে বাৰে বাৰে কৈছে, "মই একো ক'বলৈ বিচৰা নাই", আৰু তেওঁ একোকে ক'ব নিবিচৰা পৰিস্থিতি এটা আহি পৰাৰ আঁৰত এনেকুৱা কিছুমান কাৰক সক্ৰিয় হৈ আছে, যিবোৰ দেখাত ক্ষুদ্ৰ, অথচ কথকৰ নিয়ন্ত্ৰণৰ বাহিৰত থকা এইবোৰ কাৰক এটা সীমাহীন বিশালতাৰ সৈতেও সংলগ্ন হৈ আছে। তেওঁৰ কোঠাটো, মেজৰ আঁচবাববোৰ খেলিমেলি হৈ যোৱাৰ সৈতে তেওঁ অনন্ত সময় খেলিমেলি হৈ যোৱাৰ এটা যোগসূত্ৰ বিচাৰি পাইছে। অথচ তেওঁৰ এই স্ব-আৰোপিত বন্ধ্যাত্বৰ পৰিণতিয়েও তেওঁক একে সময়তে ভবাই তুলিছে, আৰু তেওঁ এই বন্ধ্যাত্বৰ ওৰ পেলোৱাৰ প্ৰতিশ্ৰুতি দিছে একান্ত আপোন এনেকুৱা কাৰোবাক যাৰ সৈতে কবিৰ অথবা কথকৰ সম্পৰ্কটো হৈছে পৰস্পৰক অনবৰতে প্ৰভাৱিত কৰি থকা বিধৰ।

অলকেশ কলিতাৰ কবিতাসমূহৰ কথক হৈছে এনেকুৱা এটা চৰিত্ৰ যিয়ে কেতিয়াবা কবিসত্তাৰ সৈতে একাত্ম হৈছে আৰু কেতিয়াবা কবিসত্তাৰ সৈতে তেওঁৰ দূৰত্বও তেওঁ স্পষ্ট ৰূপত দাঙি ধৰিছে। কথকগৰাকীয়ে এনে এটা কথনভংগী আয়ত্ব কৰিছে, যিটো বহু পৰিমাণে urban। কিন্তু কথকৰ বাহিৰেও কেতবোৰ কবিতাত আন একো একোটা চৰিত্ৰৰো উপস্থিতি মন কৰা যায়, যিয়ে কবিতাৰ কথকক কবিসত্তাৰপৰা আৰু অধিক দূৰলৈ ঠেলি দি এক স্বতন্ত্ৰ ৰূপত এগৰাকী পৰ্যবেক্ষকৰ ভূমিকাত অৱতীৰ্ণ কৰাইছে। 'বিক্ষিপ্ত বাইনেৰী' শীৰ্ষক কেইবাটাও সৰু সৰু কবিতাৰ সমষ্টি ৰূপে থকা দীঘল কবিতাটোত আমি দেখিবলৈ পাওঁ প্ৰচলিত সমাজখনৰ

বাস্তৱতাৰ প্ৰতি এক সুগভীৰ সচেতনতা, কিন্তু এই সচেতনতাক প্ৰকাশ কৰিবলৈ গৈ কথকৰ বক্তব্যই কেতিয়াবা এক তিৰ্যক ভংগীমাও লৈছে। সামাজিক দ্বন্দ্বসমূহৰ মাজলৈ যোৱাৰ প্ৰয়াস কবিতাটোত আছে, কিন্তু ইয়াৰ অন্তৰ্গত সৰু সৰু কবিতাবোৰত বাস্তৱতাৰ কেৱল পোনপটীয়া প্ৰকাশৰ পৰিৱৰ্তে সময়ে সময়ে কবিয়ে প্ৰতীকধৰ্মী, ইংগিতময় প্ৰকাশভংগীৰ আশ্ৰয় লোৱা দেখা যায়, যিয়ে কবিতাকেইটাক ভিন্ন মাত্ৰা প্ৰদান কৰিছে।

অলকেশ কলিতাৰ কবিতাৰ এক শক্তিশালী দিশ হৈছে তেওঁৰ সুচিন্তিত আৰু বৈচিত্ৰ্যময় চিত্ৰকল্পসমূহ। 'ৰাইটাৰ্ছ ব্লক' কবিতাটোত 'পৃথিৱীৰ প্ৰতিটোপা তেজ আলকাতৰা হৈ যাব বুলি মই ভবা নাছিলোঁ' বুলি কথকে কোৱাৰ লগে লগে স্বাভাৱিকতেই আমাৰ মনলৈ তেজ আৰু আলকাতৰাৰ ৰং আৰু চৰিত্ৰৰ বৈপৰীত্যৰ কথাই মনলৈ নাহে; কাৰণ আলকাতৰাৰ ব্যৱহাৰিক দিশটোৰ পিনে চালে তেজ আৰু আলকাতৰা এই দুয়োটা শব্দই মানুহৰ শ্ৰমৰ কথাও, আৰু তাৰ মাজেৰে মানৱ সভ্যতাৰ বিকাশৰ আঁৰৰ বহু কথাও, আমাক চকামকাকৈ হ'লেও মনত পেলাই দিয়ে। 'মোৰ বুজিবলৈ বাকী নাই' কবিতাটোত কথকে আন এটা চৰিত্ৰক বিভিন্ন বস্তুৰ সৈতে তুলনা কৰিছে; এই বস্তুসমূহৰ মাজৰ ভিন্নধৰ্মিতাই কবিতাটোত এই চৰিত্ৰৰ অৱস্থিতিক বহুমাত্ৰিক কৰি গঢ়ি তুলিছে। ঢেঁকীথোৱা, ফটা পুৰণি পেটিকোট, লাওখোলাৰ ছিনথেটিক নকল, আমনিদায়ক পেনপেননি, জুই সানি থোৱা এখন আইনা আদি বিভিন্ন ধৰণৰ বস্তুৰ সৈতে তেওঁক তুলনা কৰা হৈছে; কিন্তু কবিতাটোৰ সামৰণিত কবিয়ে পঢ়ুৱৈক জোকাৰণি দিছে এই বাক্যশাৰীৰে, "তেওঁ দেশৰ স্বাধীনতাক লৈ মোৰ লগত তৰ্ক কৰিবলৈ আহে"। 'বিক্ষিপ্ত বাইনাৰী'তো আমি এই ধৰণে সুৰৰ এটা আকস্মিক পৰিৱৰ্তন মন কৰোঁ, যেতিয়া কথকে কয়, "আত্মমৰ্যাদাৰ এই উপলব্ধিত সি গদগদ হৈ উঠিছে/ যে সিয়েই পৃথিৱীৰ আটাইতকৈ জ্ঞানী— /তিতাকেৰেলাটো"। বিশালতাৰপৰা হঠাতে কবিতাটোৰ সুৰটোৱে এটা ক্ষুদ্ৰতাৰ পিনে গতি কৰিছে।

অলকেশ কলিতাই তেওঁৰ কবিতাত এক বহল জীৱন বীক্ষাৰ সন্ধান কৰাৰ প্ৰয়াস কৰিছে। অন্তৰ্জগত আৰু বহিৰ্জগত সম্পৰ্কে সমানে সচেতনতা প্ৰকাশ কৰা কবিয়ে এই দুই জগতৰ অস্থিৰতাসমূহকো বুজিছে। তাৰ মাজতো পিছে তেওঁ আশা কৰিছে, "আৰু এই ডিচেম্বৰৰ ফুল/এইবেলি এইবোৰ/ফুলিব নতুন কথাত, নতুন অৱধাৰণাত"।

# অলকেশলৈ এখন চিঠি

## ডাঃ নীলিমা ঠাকুৰীয়া হক

অলকেশ,

মৰমৰ অনুজ সুহৃদ,

প্ৰচুৰ মেধা আৰু সৃষ্টিশীল সম্ভাৱনাৰে পূৰ্ণ তোমালৈ এনেকৈ চিঠি লিখিম বুলি সপোনতো কল্পনা কৰা নাছিলোঁ। তোমাৰ মাত্ৰ ৩৯ বছৰ হৈছিলহে! ভাবিছিলোঁ যে ঢেৰ সময় আছে কথা পাতিবলৈ... আমি কবিতাৰ কথা পাতিম। কবিতা সম্পৰ্কীয় সকলো কথাকে পাতিম— নিৰ্মাণ, বিষয়বস্তু, গাঁথনি, ৰস, আকৰ্ষণ ইত্যাদি... । নহ'ল। তাৰ আগতে তুমি যেন তোমাৰ কবিতাৰে নিজৰ কথা ইংগিতেৰে কৈ গৈছিলা—

"তোমাৰ লগতো যদি তেনেকুৱা কিবা এটা হয়
তুমি এটা টিয়েৰ গেছৰ শ্বেলৰ দৰে হ'বা
আটাইতকৈ ধুনীয়া মৰা কেঁচুৱাটোৰ দৰে হ'বা
কাৰণ তেওঁলোকে মোক নুবুজে,
কাৰো বুজাৰ যেন কাৰবাৰ নাই
তুমি হৈ পৰিবা নিজৰ চকুৰ আগতে নিজৰ অবৰ্ণনীয়
মৃত্যুৰ দৰে।" *(ভাস্কৰ)*

তোমাক প্ৰথম লগ পাইছিলোঁ কোনোবা এখন কবিতা সন্মিলনত, বহু বছৰ আগতে। তোমাৰ কবিতা ভাল লাগিছিল। নিজে আগবাঢ়ি গৈ সেই কথা কৈছিলোঁ... । অত্যন্ত অমায়িক, লাজকুৰীয়া তুমি "ধন্যবাদ, বাইদেউ" বুলি কৈ লাহেকৈ ভিৰৰ মাজত হেৰাই গৈছিলা। তেতিয়াৰ পৰা তোমাৰ কবিতা পঢ়িছিলোঁ, অনুসৰণ কৰিছিলোঁ। মুষ্টিমেয় দুজনমানৰ সৈতে তোমাকো অসমীয়া কবিতাৰ ভৱিষ্যৎ বুলি, উত্তৰসুৰী বুলি আশা কৰিছিলোঁ।

পিছত গম পাইছিলোঁ যে তোমাৰ দেউতা ফণী কলিতা আমাৰ গৃহস্থৰ অফিচৰ সহকৰ্মী আৰু তুমি কবি জ্যোৎস্না কলিতাৰ ভাতৃ। সেই সূত্ৰেও তুমি মোৰ আপোনজন। তথাপি কবিতাই চাগে আমাৰ অন্তৰতম যোগসূত্ৰ। কাৰণ কবিতা হ'ল আত্মাৰ দাপোণ! কাব্য সাহিত্যত এই দাপোণখনে ধাৰণ কৰে আত্মপ্ৰতিফলন, সত্য, দ্বন্দ্ব, বাস্তৱ আৰু ভ্ৰমৰ অস্পষ্ট সীমাৰেখা। যদি কবিতাৰ আত্মাত ইজনৰ সিজনৰ প্ৰতি ভালপোৱা নাথাকে, ইজনে সিজনৰ কথা নুশুনে, পৰস্পৰৰ দুখ-যাতনাত কাতৰ নহয়, তেনেহ'লে কবিতা অৰ্থহীন। সেয়ে আমেৰিকান কবি, দাৰ্শনিক খলিল জিব্ৰানে লিখিছিল,

"keep me away from the wisdom which doesn't cry , the philosophy which doesn't laughed and the greatness which doesn't bow before the children.,"

"মই এৰি আহিছোঁ
কিছুমান এৰাঁ সূতাৰ জঁটত
এখন লাহী ধাঁচ ঃ
প্ৰেম।" (এৰা এৰি, অন্যযুগ)

এৰা অলকেশ, আমি এতিয়া লাহী ধাঁচ হৈ জঁট ভাঙিবলৈ যত্ন কৰিছোঁ— তোমাৰ কবিতাৰ, চিন্তা-ভাবনাৰ, তোমাৰ মনন আৰু মগজুৰ জটিল বয়নৰ!

বহু পলমকৈ গম পাইছিলোঁ যে স্কিজ'ফ্ৰেনিয়াৰ দৰে ৰোগত এটা দশকৰো অধিক কাল তুমি যুঁজি যুঁজি তোমাৰ সৃষ্টিশীলতাক আগুৱাই নিছিলা! National Institute of Mental Healthত কৈছে— "Schizophrenia is a severe mental illness that affects how a person think, feels and behaves. People with schizophrenia may seem like they have lost touch with reality, which can be distressing for them and for their family and friends."

অলকেশ, তুমি এনেকৈ হঠাৎ গুচি গ'লা বাবে আমি আহত হৈছিলোঁ, আমাকো শূন্যতাই আচম্বিতে গিলিপ মাৰি ধৰিছিল। কিছুমান গুজবে আমাৰ লগতে তোমাৰ পৰিয়ালকো যথেষ্ট আঘাত দিছিল! তেওঁলোকেতো নাজানে কি ভয়ংকৰ মানসিক জোৱাৰভাটাই তোমাক আছাৰি আছিল! শান্ত সুদৰ্শন ডেকাজন যে নিজৰেই মস্তিষ্কই সৃষ্টি কৰা সাগৰীয় ধুমহাত ডুবি গ'ল!

তোমাৰ এটা দীঘলীয়া কবিতা পঢ়ি ভাব হৈছিল যে তোমাৰ কবিতাই নতুন মোৰ লৈছে, অধিক ৰসোত্তীৰ্ণ হ'বলৈ ধৰিছে—

"আমি সব অহৌবলিয়া, মই ফুলৰ পাপৰি, চৰাই-চিৰিকটি
আমাৰ হৃদয়ৰ দিব্য প্ৰেম অথলে গৈছে,
তুমি কাক কেনেকৈ মুখ দেখুৱাবা
তুমি অহাৰ আগতেই যদি পৃথিৱী উছন্ন হয়?"
... ... ... ... ...
"তোমাৰ লীলা ৰস ৰেণু এয়া কিঞ্চিত পাইছোঁ
বৈকুণ্ঠৰ এছিঙা ঘাঁহকে হ'লোঁ
তোমাৰ খোজে বিদাৰিলে
বৈকুণ্ঠৰ এটি পৰুৱা হ'লোঁ
তোমাৰ খোজে বিদৰিলে
তাৰ বাবেও হেনো কিবা বোলে সালোক্য সামীপ্য।"

(গোপথ ব্ৰাহ্মণৰ, অন্যযুগ)

বহু সৃষ্টিশীলতাৰ সম্ভাৱনাত যতিচিহ্ন দি তুমি গুচি গ'লা অলকেশ! তোমাৰ স'তে মুখামুখি আলাপ-আলোচনাৰ একো স্মৃতি সাঁচিবলৈ নহ'ল, কিন্তু মাজে মাজে তোমাৰ কবিতাৰ স'তে নিশ্চয় কথা পাতিম। ২৫ অক্টোবৰ, ২০২৩ত তুমি তলৰ কবিতাটো হোৱাটছ্এপযোগে পঠিয়াই মন্তব্য বিচাৰিছিলা—

"স্পষ্টতা

অলকেশ কলিতা

ইয়াতকৈ স্পষ্টকৈ মই তোমাক আঁকিব নোৱাৰোঁ, সেইবাবে আবেলিৰ মেঘৰ মাজত ইমানবোৰ সৰু সৰু চৰাই উৰি ফুৰিছে।

সাগৰৰ অনন্ত তৰংগৰ ভিতৰত, কোনটোৰ ফেনিল আৱাজে সঁচা কথা ক'লে?

মই নিজ হাতে মোৰ আবেলিৰ ৰাঙল সূৰ্যবোৰ ইমানদিনে হত্যা কৰিছোঁ, কিন্তু মই কেনেকৈ জানিম, কোনটো বেলি আছিল

বেলিবোৰৰ ভিতৰত এটা নতুন বেলি?

নৰ বৰুৱাৰ দৰে মাইলৰ খুঁটা বগৰাই মই দলং পাৰি দিব নোৱাৰোঁ,

তাৎপৰ্যৰ এই স্ৰোতস্বিনীৰ আনটো পাৰত মই দৰাচলতেই একেবাৰে অকলশৰে থাকিম।

হিংস্ৰ, জানোৱাৰ একোটা ভাবৰ প্ৰহেলিকাত, তাল মান লয়,

সকলো ইমান নিখুঁতকৈ কয়, মইতো সেই কবি নহয়,

যি তোমাক প্ৰকাশ কৰিব পাৰে স্পষ্টতকৈও স্পষ্টতৰ।

তিমান স্পষ্ট, যে বাস্তৱৰ বাস্তৱতা হয় নিৰন্তৰ প্ৰতাৰিত।
মই আগেয়েই জানিছিলোঁ যে আনকি এই কবিতাটোও মই
আধাহে লিখিব পাৰিম।”

তুমি কবিতাটো অসম্পূৰ্ণ বুলি কৈছিলা। নাজানিলোঁ ক'ৰবাত প্ৰকাশ হ'ল নে নহ'ল। তেতিয়া তুমি কৈছিলা যে এইটো লকডাউনৰ সময়ৰ কবিতা। এটা সুন্দৰ কবিতা। কিন্তু মই এতিয়া বুজিছোঁ যে কবিতাটোত তোমাৰ স্কিজোফ্ৰেনিক মনৰ কোনাবাটো তৰপৰ ৰং পৰিছে।

আজিলৈ এৰিছোঁ। য'তে আছা ভালে থাকা। তোমাৰ কবিতা পুথি— যোৱাবেলিৰ বসন্ত, নিষ্ফল উৎসৱ, ভাস্কৰ, আৰু এটা বিধুৰ বেলা আৰু পৰাস্মৃতি আমাৰ লগত থাকিব। কবিবোৰ সকলোৱেই অহৌবলিয়া অলকেশ। তোমাৰ কবিতাৰ লীলা ৰস ৰেণু তোমাৰ কবিতাবোৰত বিচাৰি থাকিম।

·

# নতুন চকুৰে *নিষ্ফল* উৎসৱ

**প্ৰাঞ্জল তালুকদাৰ**

সমকালীন ভাৰতীয় সাহিত্যৰ প্ৰখ্যাত কবি জয়ন্ত মহাপাত্ৰৰ এটা পংক্তি আছিল এনেকুৱা—

"For there is nothing like the ashes
To remind us how little there is to say"

*ভাস্কৰ* কাব্যগ্ৰন্থৰে অসমীয়া কাব্য জগতত আত্মপ্ৰকাশ কৰা কবি অলকেশ কলিতাই তেওঁৰ সংকলন *বগা ফুল আৰু তেজৰ তাপ*ৰ 'কাকলি' শীৰ্ষক কবিতা এটাত কবি মহাপাত্ৰৰ উপৰিউক্ত শাৰীটো উদ্ধৃত কৰিছে আৰু সজোৰে থিয় হৈছে জীৱন কাহিনী কোৱাৰ এক প্ৰচণ্ড ইচ্ছাৰ সপক্ষে আৰু লিখিছে—

"বসন্তৰ চৰাইবোৰৰ দশাৰে মই পাৰ হৈছোঁ ঈশ্বৰ
শিকোঁ। আৰু শ্ৰেণীৰ স্কুলীয়া ল'ৰা-ছোৱালীবোৰৰ দৰে মই
কোৰ্হাল কৰোঁ আৰু"

কিন্তু সেই একে কবিতাটোৰেই শেষৰফালে কবিয়ে ইংগিত দিছে প্ৰাণীমাত্ৰেই মুখামুখি হ'বলগীয়া কৰুণ সম্ভাৱনা আৰু পৰিণতিৰ। আৰু কৈছে—

"বসন্তৰ চৰাইবোৰৰ দশাৰে মই পাৰ হৈছোঁ ঈশ্বৰ
আৰু তোমাৰ বাগিচাখন ফুলিছে আৰু কাঁইটীয়া হৈ পৰিছে।"

জীৱন আৰু জগতৰ প্ৰতি কবিৰ পৰিপ্ৰেক্ষিত (Perspective) বুজিবলৈ যদিও একমাত্ৰ এটা কবিতাই যথেষ্ট নহয়, তথাপি আশা-নিৰাশা, জীৱনলিপ্সা আৰু মৃত্যুচেতনাৰ মাজৰ দ্বৈৰথ দ্বন্দ্ব (Binary opposition) আৰু যাতনাক শিল্পলৈ ৰূপান্তৰ কৰাত কবিৰ পটুতাক দৰ্শাবলৈ ই এটা ভাল উদাহৰণ।

২০০৯ চনত *প্ৰান্তিক* আলোচনীত আৰম্ভ হোৱা কবি অলকেশ কলিতাৰ কাব্য পৰিক্ৰমাই *ভাস্কৰ, বগা ফুল আৰু তেজৰ তাপ, যোৱাবেলিৰ বসন্তৰ* মাজেৰে আহি অতিসম্প্ৰতি *নিষ্ফল উৎসৱত* উপস্থিত হৈছে। কবিৰ প্ৰথম সংকলন *ভাস্কৰ* প্ৰকৃততে এটা দীঘল কবিতা আৰু ইয়াৰ বৰ্ণনাবিন্যাস (Narrative) কবিৰ সুকীয়া কাব্যচিন্তাৰ পৰিচায়ক। *বগা ফুল আৰু তেজৰ তাপ* আৰু *যোৱাবেলিৰ বসন্তত* কবিয়ে আধুনিক সময়ৰ মানুহৰ অস্তিত্ব, দ্বিধা, সংশয়, সমস্যা ইত্যাদিত গুৰুত্ব আৰোপ কৰিছে। *যোৱাবেলিৰ বসন্তত* কবিৰ বিচৰণথলী তুলনামূলকভাৱে অলপ বহিৰ্মুখী, কিন্তু *নিষ্ফল উৎসৱৰ* কবিজন আৰু *বগা ফুল আৰু তেজৰ তাপৰ* কবিজনৰ চিন্তন আৰু মননৰ বহু সাদৃশ্য আছে। আনকি ক'ব পাৰি *নিষ্ফল উৎসৱত* কবিৰ দৃষ্টি বেছি গভীৰ আৰু আগতকৈও বেছি জিজ্ঞাসা লৈ তেওঁ জীৱনক পুনৰাৱিষ্কাৰ কৰিব বিচাৰিছে।

পৰ্তুগীজ কবি Fernando Pessoaহ-ই লিখিছিল,

"in this calm and stupid life
I never know how i should act."

আৰু কবিয়ে স্বীকাৰ কৰিছিল যে মানৱ জীৱনৰ দুখ-যন্ত্ৰণা উপলব্ধি কৰা সত্ত্বেও তাৰ প্ৰতিকাৰৰ অৰ্থে একো কৰিব নোৱাৰাৰ আক্ষেপত সেয়া লিখিছে। *নিষ্ফল উৎসৱৰ* আৰম্ভণিতে 'কবিৰ একাষাৰ'ত কবি অলকেশ কলিতাই লিখিছে, "মই পৰিণতিৰ পিছৰ দিনটোৰ কথা ভাবিছোঁ। আৰু সমুখত মোৰ সেই পৰিণতি সলাব নোৱাৰা বিধিৰ অৱলীলা হৈ শিলীভূত হৈছে। সেই শিলটো লৈ মই কি কৰিম? লৰাব-চৰাব নোৱাৰোঁ। সেই অপেক্ষাৰ সময়বোৰ উকলি গ'ল, সেই পৰিণতি আমি ভোগ কৰি শেষ কৰিলোঁ। আমি এতিয়ানো কি কৰিম? নিষ্ফল উৎসৱৰ পিছৰ দিনটোত?" এই উক্তিখিনিৰ Pessoa-ৰ উক্তিৰ লগত বিষয়ীগত (Subjective) পাৰ্থক্য এটা আছে। ইয়াত কবিয়ে কেৱল আনৰ কথা কোৱা নাই। ইয়াতে কবিৰ মনত আক্ষেপ নাই, মাথোঁ বৰ্তমানৰ সত্যতা স্বীকাৰ কৰি তেওঁ নিজৰ আৰু পাঠকৰ বাবে মেলি দিব খুজিছে আত্মোপলব্ধিৰ এখন দুৱাৰ। এই দুৱাৰৰ সিপাৰে কি আছে, কি নাই, সেয়া প্ৰশ্ন নে সমিধান, অৰ্থ নে অনৰ্থ, সেয়া বিষাদ নে বসন্তৰ ঘাঁহ, তাকেই জানিবলৈ আপুৰুগীয়া এখন সাঁচিপাতৰ পুথিৰ দৰে অতীত আৰু অভিজ্ঞতাৰ পাত লুটিয়াইছে, আৰু তাৰে মাজতে আমাৰ কাৰণে এৰি গৈছে কিছুমান ছয়ামনয়া সত্য, বহুখন খণ্ড-বিখণ্ড কিন্তু অনুক্ৰমিত চিত্ৰ আৰু সবাতোকৈ শেষত জীৱনীৰ সলনি কবিতা, এটা সম্পূৰ্ণ যাত্ৰা অনুকলন কৰিব পৰাকৈ কিছু কবিতা।

অৰ্থ অন্বেষণৰ মাজতো কিন্তু কবি খুব সময় সচেতন। *নিষ্ফল উৎসৱত* সময় আটাইতকৈ গুৰুত্বপূৰ্ণ চৰিত্ৰ, ই যেন সূত্ৰধাৰ আৰু ইয়েই সংযোগ কৰি ৰাখিছে কবিৰ প্ৰেম, অস্তিত্ব, প্ৰশ্ন আৰু সংশয়ক। কবিৰ কাৰণে সময় দুই প্ৰকাৰৰ, প্ৰথম ইতিহাস আৰু দ্বিতীয় বৰ্তমান তথা অনাগত। চৰাচৰ জগতৰ দৰেই কবিৰো দ্বিতীয়বিধ সময়ক প্ৰথমবিধে গঢ়িছে অথবা ক্ৰমাৎ ঠেনুকা যদিও সমাজ বিচ্ছিন্ন নহয়। সেয়ে, আমি পঢ়িবলৈ পাইছোঁ,

"আজিওতো তেজ বাগৰিছে ঘাঁহনিত
এটম বোমবোৰ সংগ্ৰহশালত আৰু এটা দিনৰ পুৰণি।
সভ্যতাই উত্তৰ দিব পৰা নাই নিস্তেজ এই উপত্যকাক।
তাৰ যৎকিঞ্চিৎ উত্তেজনাৰ
পুৰাৰ নিয়ৰ শুকাওঁতে।"

সমাজক তেওঁ আওকাণ কৰা নাই। মগ্নতাই তেওঁৰ দৃষ্টি চোকা কৰিছে আৰু তেওঁ সময়ৰ সকলো হিচাপ-নিকাচ, দেনা-পাওনা দেখিবলৈ পাইছে, দেখিবলৈ পাইছে ভৱিষ্যতৰ ৰূপান্তৰ আৰু কৈছে 'অৱশ্যে দেখিছোঁ মই ভ্ৰষ্ট সভ্যতাৰ বাটেৰে অনেক খোজৰ সোণালী ধূলি উৰিছে আনফালে অপাৰ জলধিত হেৰাই গৈ নেদেখা হৈছেগৈ আদৰ্শৰ মাস্তুল। কেৱল ময়ে দেখিছোঁ দ্বিতীয় এখন আকাশ গোপনে আহি সলনি হৈ থকা গণবিস্মৃতিৰ বিশাল প্লাৱন কঢ়িয়াই বিস্তীৰ্ণ ৰাতিৰ এন্ধাৰ মেঘসজ্জা।'

আমেৰিকাৰ সাহিত্যিক James Baldwin-এ কৈছিল, "People are trapped in history and history is trapped in them." অতীত বা ইতিহাসে মানুহৰ মনত সাঁচ ৰাখি থৈ যায়, সেয়া লাগিলে সুমধুৰ স্মৃতিয়েই হওক অথবা সোঁৱৰণী। সেয়েহে, যৌৱনৰ পৰিত্যক্ত সময়ত কিজানি কবিয়ে স্বগতোক্তি কৰিছে,

"এতিয়া যেতিয়া বৰ বেছিকৈয়ে মোৰ মনত পৰিবলৈ লৈছে শৈশৱৰ কথা
মোৰ মনত পৰে বিস্তৰ এই পাতৰ একালৰ বসন্ত বতাহে বতাহে সেই গান গোৱা"

কিন্তু, ইতিহাসৰ কাৰণে কিমান গুৰুত্বপূৰ্ণ ব্যক্তিবিশেষৰ দিনলিপি আৰু পোৱা-হেৰুওৱাৰ কথা নে ইতিহাসৰ ভৰিৰ তলুৱাত নগণ্য ধূলি-মাকতিৰ দৰেই গুচি যায় মানুহ মাত্ৰৰ হা-হুমুনিয়াহ। হয়তো সেই কাৰণেই কবিয়ে কৈছে,

"কেৱল কোনোবাইহে কাৰোবাক হেৰুৱায়
ইতিহাসে নাজানে কোনোকালে কি মচা গ'ল কি শেষ হ'ল।"

প্ৰথমবিধ সময়ে মানুহক সমৃদ্ধ কৰে, কিন্তু সেয়া যজ্ঞৰ আয়োজন মাত্ৰ। তাৰ পিছৰ অৰ্থাৎ দ্বিতীয়বিধ সময়হে এই যজ্ঞৰ আহুতি। আৰু এই দুই সময়ৰ সন্ধিক্ষণত কবিৰ কাপৰপৰা নেদেখাজনক উদ্দেশ্যি কিজানি অলপ আৰ্তি—

"মই স্নাতক পিপাসাৰ
মই পানী খাব খোজোঁতে ঈশ্বৰে মোক দুটোপাল নিয়ৰ যাচিছিল
অলপ অনুযোগ
চকৰি।"

"মেজাজী মালিক এই পৃথিৱীৰ মাজে মাজে বন্ধ হৈ যায় মেলাৰ
আৰু অন্তৰৰ কৰুণতম প্ৰাৰ্থনা"

"হে ঈশ্বৰ মোৰ অভিজ্ঞান লুপ্ত কৰা
মই যেন আৰু জানিবলৈ নাপাওঁ কাহানিও বসন্তৰ পিছত অৰণ্যৰ নিয়মহে চলে আৰু নিদাঘত দুচকুৰ সেমেকা পৰ্যন্ত শুকাই হয় শেষ।"

দ্বিতীয়বিধ সময়ক তেওঁ অনন্যভাৱে 'ম'বীয়াছ পটি' (Mobius strip)ৰ সৈতে ৰিজাইছে। 'ম'বীয়াছ পটি' এখন এনেকুৱা পৃষ্ঠ (Surface) যাৰ মাত্ৰ এটা ফাল (side) আৰু এটা কাষ (boundary) থাকে। আন 'লুপ' (loop) সদৃশ আকৃতিৰ পৰা 'ম'বীয়াছ পটি' বহু ক্ষেত্ৰত পৃথক। পৃষ্ঠৰ মাত্ৰ এটা ফাল (side) থাকে কাৰণে ম'বীয়াছ পটি এটা অসীম 'লুপ'ৰ দৰে। সাধাৰণ 'লুপ'বিলাকৰ দৰে ম'বীয়াছ পটিত ঘূৰি থকা বস্তু এটাৰ যাত্ৰাৰ কেতিয়াও শেষ নহয় ঠিক তেনেকৈয়ে, যেনেকৈ ঋতুচক্ৰৰ পুনৰাবৃত্তি ঘটিলেও আৰু জীৱন ঋতুচক্ৰত আবদ্ধ হৈ থাকিলেও সময়ৰ কেতিয়াও পুনৰাবৃত্তি নহয়। কবিয়ে ঘড়ীক কৈছে—

"ম'বীয়াছৰ পটিত কি হাস্যস্পদ ৰুদ্ধশ্বাস তোমাৰ নিৰন্তৰ অবান্তৰ পাক-ঘূৰণি"

যদি কোনোবাই এখন এনেকুৱা জগতত বাস কৰে, যাৰ পৃষ্ঠতল এটা ম'বীয়াছ পটিৰ দৰে আৰু এদিন ৰাতিপুৱা সেই ধৰাপৃষ্ঠত তেওঁ কিছু কথা লিখে, তাৰ পিছত সেই পৃষ্ঠৰ ওপৰেৰে খোজ কাঢ়ি এটা ভ্ৰমণৰ বাবে ওলাই যায়, যেতিয়া তেওঁ ঘূৰি আহিব, তেতিয়া তেওঁ দেখিব যে লিখা কথাখিনি আছে, কিন্তু আখৰবোৰ একে নাই। আখৰবোৰ ৰূপান্তৰিত হৈছে ইয়াৰ প্ৰতিবিম্ব (mirror image)লৈ। তেওঁ যি বাটেৰে গ'লেও, যিমান দূৰ গ'লেও, এটা যাত্ৰাৰ অন্তত এই পৰিঘটনাই ঘটিব। কিন্তু, আন সাধাৰণ 'লুপ'বিলাকত এয়া নঘটে। আৰু এই একেধৰণেই ম'বীয়াছ পটি এটাত এটা বিন্দুৰ পৰা দীঘলে দীঘলে আঁকা ৰেখা এডালে ইয়াৰ আৰম্ভণি

বিন্দুটো স্পৰ্শ কৰে গোটেই পটিটোৰ দুগুণ দৈৰ্ঘ্যৰ সমান দূৰত্ব অতিক্ৰম কৰাৰ পাছতহে। কবিয়ে আকৌ লিখিছে,

"ক্ষীণ অকণ আশাও নাই

ম'বীয়াচৰ পটিত মোৰ দিন উভতি অহাৰ।" শেষ শৈশৱ বা যৌৱনকালত মানুহে সপোনে-দিঠকে বহু কথা লিখে, বহু মনোৰম ছবি আঁকে। জীৱনৰ বাটবোৰ পোনাই ল'বলৈ খুজি, অলপ আঁতৰি আহি পুনৰ উভতি গ'লে মানুহে দেখে সেই একে কথাবোৰৰ ওলোটা ছবি একোখন, একো একোখন 'মিৰ'ৰ ইমেজ'। তাৰ পিছত কোনোবাজনে ভাবে নেকি জন্ম-মৃত্যুৰ এটা চক্ৰত যি শিল্প সম্পূৰ্ণ কৰা সম্ভৱ হৈ নুঠিল, সেই চক্ৰ দুবাৰ অতিক্ৰম কৰি আকৌ ঘূৰি যোৱাৰ আশা সেই বিন্দু বিন্দু সুখৰ ক্ষণলৈ কবিয়ে কিজানি এনেকৈয়ে আশ্ৰয় দিছে নিৰুপায় মানৱৰ শেষ ভৰসাক। অন্য কিছু শিল্পকৰ্মত ম'বীয়াছ পটিৰ ধাৰণা ব্যৱহৃত হৈছে যদিও অসমীয়া কবিতাত সম্ভৱতঃ এয়া অলকেশ কলিতাৰ সংযোজন।

উপাদানৰ উপস্থিতি বা অনুপস্থিতি সাপেক্ষে মৌল আৰু পৰিৱেশ সলনি হয়। গছৰ লগত সংযুক্ত হৈ থাকোঁতে মাটি, পানী আৰু সূৰ্যৰ পোহৰে পাতক জীৱনীশক্তি দিয়ে। অথচ এবাৰ বিচ্ছিন্ন হৈ সৰি পৰাৰ পাছত সেই মাটি, পানী আৰু সূৰ্যৰ পোহৰৰ কাৰণে পাতৰ বিনাশ হয়। সময়ো ঠিক তেনেকুৱাই। সময়ে মানুহক প্ৰস্ফুটিত কৰিবও পাৰে আৰু কোঙা কৰি আনিবও পাৰে। দ্বিতীয়ভাগ সময়ত কবিৰ প্ৰেম আৰু বিচ্ছেদৰ দৃশ্যও প্ৰভাৱী। কবিৰ প্ৰেম হয়তো বসন্তৰ কোনো বগা ফুল, অথবা অতীত হোৱা কোনো আপোনজন, জীৱন জীয়াৰ ইচ্ছা অথবা স্বয়ং জীৱন। কিন্তু হৃদয়ৰ গভীৰত প্ৰেম আৰু বিচ্ছেদে ছেগ বুজি ইটোৱে সিটোক অতিক্ৰম কৰে। সেয়ে তেওঁ লিখে—

"তোমাৰ ধুনীয়া সেই বয়স কেৱল মোতেই চিৰকালৰ বাবে স্থবিৰ
মই যি যুগৰ সৰু আপত্তিৰ সাক্ষী
যাৰ বাবে সদায় এৰাএৰিও হয় আধৰুৱা"
আৰু
"শুনিছানে সেই মৃত্যুচিৎকাৰ
চিৰকালৰ মোৰ বিধ্বস্ত বাহুপাশত মোৰেই অনন্ত যৌৱনৰ?
যেতিয়া মনত পেলাই থাকোঁতেই শুকাই লেৰেলি যায়
প্ৰিয়জনৰ হতাশ সেই চেহেৰাবোৰ।"

সকলো বস্তুৱেই অন্ত দাবী কৰে আৰু সকলো যজ্ঞই পূৰ্ণতা। জুইক অন্ধকাৰে পূৰ্ণ কৰে, জন্মক মৃত্যুৱে। কাৰো মনৰ পৰা কথাবোৰ নোহোৰা হৈ নাযায়। উৎসৱৰ পাছৰ বাটবোৰ কোনেনো চিনি পায় কবিয়ে কাক কয়,

“আনৰ নাজানোহঁক মই বিদায় মাতষাৰ লগাই গুচি আহিছোঁ।
এতিয়া মাথোঁ অন্ধকাৰ পথবোৰ জট লাগে
তোমাৰ চকুৰ অন্ধকাৰ মোৰ সমুখৰ অন্ধকাৰ।”

কবিয়ে জানে নেকি এই নতুন পথবোৰ কি, এই নতুন সময়বোৰ কি, তেওঁ সাজু হৈছে নেকি নিজৰ আহুতিৰ কাৰণে, নে এতিয়া তেওঁ আকৌ শুনিব আৰম্ভণিৰে পৰা শুনা-নুশুনা সকলো কথা—

“কোৰা খোজৰ কাহিনী কোৰা
হে অনন্ত বাটৰ ধূলি
মই এতিয়া মাথোঁ শুনিবলৈ সম্পূৰ্ণ প্ৰস্তুত
কবৰৰ এই লেৰেলা ঘাঁহ সম্পূৰ্ণ মৌন।”

কি হ'ব এই নিষ্ফল উৎসৱৰ শেষত, সৰ্বশেষত; হে সদাশয় পাঠক, আমি নতুন দৰ্শক, জীৱনৰো আৰু কবিতাৰো। কাব্যৰ আলোচনা বা মূল্যায়ন কৰিবলৈ চেষ্টা কৰা নাই, কবিৰ ইংগিত আৰু চিত্ৰ অনুধাৱন কৰিবলৈ চেষ্টা কৰিছোঁ মাত্ৰ। পূৰ্বায়ণ প্ৰকাশনে প্ৰকাশ কৰিছে ৪৩টা কবিতাৰে অসমীয়া কাব্য সাহিত্যৰ শক্তিশালী আৰু ব্যতিক্ৰমী কণ্ঠ অলকেশ কলিতাৰ *নিষ্ফল উৎসৱ*, কবিতা আৰু জীৱনৰ আগ্ৰহী পাঠকৰ সংগ্ৰহযোগ্য এটা সংকলন। কি ঠিক, অকস্মাৎ ক'ৰবাত আপুনিও আৱিষ্কাৰ কৰিব পাৰে যে কোনোবাটো কবিতাৰ মাজতেই লিখা আছে আপোনাৰ জীৱনৰ গোপনতম সত্য অথবা অন্তৰৰ কৰুণতম সুৰ, যেনেকৈ মই মোক পালোঁ তলৰ শাৰীকেইটাত—

“গধূলিটো মই অকলে
এছাৰকণিত তিতি কটাম
ক'লৈকো ওলাই নাযাওঁ যদিও নাই
চাকিত কেৰাচিন”

# অলকেশ ঃ অন্তহীন কবিতা

## অসীম কৃষ্ণ বৰুৱা

"গোটেই যৌৱনটো কবিতা বুলি কিবাকিবি লিখাৰ পিছত এতিয়া হঠাতে এই মুহূৰ্তটোত ছঁয়ামুয়াৰ মাজতে এই চমৎকাৰ সত্য প্ৰথমবাৰ অলপ অলপ দেখিছো যেন লাগিছে— যেন প্ৰতিজন কবিৰ এয়া গোপন প্ৰাপ্য... আমি আত্মজীৱনী লিখা নাই, লিখিছোঁ কবিতাহে।..."

কবি অলকেশে তেওঁৰ *যোৱাবেলিৰ বসন্ত* নামৰ কাব্যগ্ৰন্থৰ পাতনিতে এনেদৰে কৈছে। মই এজন কাব্যপ্ৰেমী মানুহ হিচাপে বিগত চল্লিশটামান বছৰ অসমীয়া কবিতাৰ খবৰ মোটামুটিভাৱে ৰাখি আহিছোঁ। দুই-এক কাব্যগ্ৰন্থৰ পাতনিৰ বাহিৰে বাকীবোৰ পাতনি নাথাকে বা থাকিলেও তেনেবোৰ পাতনিত চিত্তাকৰ্ষক কথা পোৱা নাযায়। নীলমণি ফুকনক অলকেশ কলিতাই কাব্যগুৰু হিচাপে গ্ৰহণ কৰাৰ কথা নিজে সমস্ত আন্তৰিকতাৰে প্ৰকাশ কৰিছে। গতিকে অলকেশ কলিতাৰ কাব্যচৰ্চাৰ শিপা গভীৰ হোৱাই অতি স্বাভাৱিক। অলকেশে যিদিনা মোক তেওঁৰ *ভাস্কৰ* কাব্যগ্ৰন্থখন দিছিল, সেইদিনা একে উশাহতে একে বহাতে পঢ়ি পেলাইছিলোঁ মানে মই যেন এজন সহজাত সুৰাপায়ীৰ দৰে ইটোৰ পিছত সিটো কবিতাৰ ৰসপান কৰিছিলোঁ। আকৌ মোৰ নিয়মীয়া কৰ্মস্থলী অসম জাতীয় বিদ্যালয়ৰ শিক্ষক, জিৰণি কোঠা, কেণ্টিন আদিৰ আড্ডাত বহুতক কৈছিলোঁ, পাঁচ মিনিট সময় দিয়কচোন, মই কবিতা মাতো, শুনকচোন। যি শুনিছিল যি এক নিৰন্তৰ বাৰ্তালাপত মগ্ন হৈছে নাইবা হৈছিল সশব্দে নাইবা নীৰৱে।

"মোৰ তেজৰ বিষয়ে মই সদায় সঁচা কথা ক'ম।
তৰোৱালৰ ধাৰ তেলেকাৰ দৰে
বুজিবা মোৰ আচলতে কেনেকুৱা লাগে

…কাৰণ মোৰ ৰক্তবৰ্ণৰ দুই শতাংশ ক'লাৰে
মই চিত্ৰনাট্য লিখিছো আদৰ্শ সন্তাপৰ…"

যি কবিসত্তা চূড়ান্ততম ৰূপত মানুহৰ সৈতে, জন্ম-মৃত্যুৰ সৈতে প্ৰোথিত হৈ থাকে তেনে কবিসত্তাই পাৰাপাৰহীন এক জগতৰ মায়া সন্ধান কৰিব পাৰে, অলকেশৰ কবিতাই কয়—

"চোৰা দুৱাৰ-খিৰিকীবোৰৰ জ্যামিতি হেৰায়
গুহাৰ জীৱবোৰ গধূলি উভতি আহিছে
আঁতৰ হ জ্যামিতি…
এই সন্ধ্যাৰ আলো এটি সপোন
শিলৰ মাজৰ চেঁচা পানীৰ কুণ্ড এটাত
ভগৱতীৰ দৰে কথনা ফুল…"

কবি অলকেশে নিৰ্মাণ কৰি লোৱা এই মতটোৱে গভীৰতাৰ সন্ধান পাইছিল জীৱন, জগতৰ সৈতে আত্মোৎপদ্ধিৰে আৰ্জিত অভিজ্ঞতাৰ উপাদানসমূহে তেওঁক পৰিপক্ক কৰি তুলিছিল। কবিৰ আয়ুস বছৰ-মাহৰ হিচাপেৰে কৰিলে অন্যায় হ'ব। বয়স বহিলেই কবিতা পৈণত হ'ব বুলি কোনো কথা নাই। কবি অলকেশে বয়সৰ সীমাবদ্ধতা অতিক্ৰম কৰিবলৈ সক্ষম হৈছে।

"প্ৰতিটো ঋতুতে মই বৰ্ম খুলি পেলাইছিলোঁ
সেয়াই নিয়ম আছিল।
ঈশ্বৰৰ প্ৰতি থকা অভিমানৰ বাহিৰে
আন একো যুঁজ
মই ভালকৈ যুঁজিব পৰা নাছিলোঁ…"

সত্তাৰ খনন-মননৰ যুদ্ধখনত কবি অলকেশক অহৰ্নিশে মগ্ন হৈ থকা দেখা যায়। আশাত দৃষ্টিত, অগভীৰ দৃষ্টিত সেয়া বিচ্ছিন্নতা নেকি, বিষাদগ্ৰস্ততা নেকি, হতাশগ্ৰস্ততা নেকি? নহয়, মুঠেই নহয়। সেয়ে অলকেশৰ কবিতাই কয়—

"বা ছাটি মোৰ চুলিৰ মাজত সোমাইছে
মোৰ দেশৰ হাৱা পানীৰ মন মেজাজ ভাল
আমাৰ স্নায়ুবোৰ সহজে অৱশ নহয়—"

আকৌ

"এটা ভাল খবৰৰ দৰে ভালকৈ সাজপাৰ পিন্ধি পৰিপাটীকৈ থাকোঁ।

ৰঙা ফুলৰ গামোচাখনে ডিঙিত বুকুত হৃদয়ত ফুল বাছে।
কিন্তু প্ৰতিডাল ৰঙা সূতাত তেজ আৰু চকুপানী লাগি থকাটো সঁচা কথা।
আমাৰ ভাই-ভনীসকলৰ মাজত মৰম থকাটোও সমানেই সঁচা...।
কবি অলকেশৰ যন্ত্ৰণাৰ ভঁৰালটো মেটমৰা। যন্ত্ৰণাত বৈভৱ থাকে এনেকৈ
সাৰি সিকাতি নাই ক'তো উপত্যকাত
হাওলি পৰা গছবোৰ
নিজৰ ছাঁৰ পিনে হালে
খলা-বমা নৰখাকৈ মিলি যোৱা
মানুহে সততে যিটো কৰিছিল
শোক আৰু ভোকত।..."

অলকেশৰ কবিতাৰ সৰ্বত্ৰ আলাপময়তা, কথকতা। যি কথকতাই পাঠকক বিস্ময়-বিমুগ্ধ কৰে অতৰ্কিতে। তেওঁৰ কাব্যভাষা মন-মগজুত ধুমুহা-বজ্ৰপাতৰ সৃষ্টি যিদৰে কৰে, সেইদৰে তাৰ পৰৱৰ্তী নিৰ্জনতাও নিমগ্ন হোৱাৰ সুযোগ দিয়ে। অলকেশৰ ভাস্কৰ কাব্যগ্ৰন্থৰ সম্পৰ্কে বিশিষ্ট কবি এম. কামালুদ্দিন আহমেদে সুগভীৰভাৱে কৈছে এনেদৰে— "কাঠিন্যৰ যি বোধ সাধাৰণতে শিলে আমাৰ মনত জগাই তোলে, তাৰ বিপৰীতে অলকেশে শিলক বিভিন্ন ধৰণে চাইছে, কেতিয়াবা এটি সংবেদনশীল উপাদান হিচাপে, কেতিয়াবা সৃজনশীল বস্তুৰ দৰে।"

"মোৰ প্ৰথম পৰিচয়ত তোমাক কওঁ শুনা শিল
মোৰ চকুপানীত তিতিছা মানে তুমি
শৰতৰ চকুপানীত তিতিছা
ৰামতকৈও আগতে মইহে
অহল্যাক আদৰেৰে স্পৰ্শ কৰিছিলোঁ।
মই প্ৰথমতে তোমাক শিকাব লাগিব শিল
যে মানুহ আৰু মানুহৰ অসাধাৰণ শোকক
তুমি অৱজ্ঞা নকৰিবা
পৃথিৱীৰ আটাইবোৰ খোদিত শিলে
অনুভৱ কৰিব পৰা একমাত্ৰ কথাটো হ'ল
মানুহৰ শোক..."

এই কবিতাই শিলক প্ৰাণ দিছে, এই কবিতাৰ সান্নিধ্যৰ পিছত যিকোনো অৱস্থাৰ মানুহে শিলৰ সৈতে কথা পাতিব পাৰে, সাবটি ল'ব পাৰে শিল। নিজকে শিল বুলি চিনাকি দিব পাৰে, বিষণ্ণতাৰ অন্য নাম অপূৰ্ণতা। সেয়েহে অলকেশে লিখে—

"...সময়ে সেই বৈভৱৰ ওপৰেৰে
পানী ঢালি গুচি যাওঁতে
ভূচিৰ ওপৰত ভূৰভূৰকৈ
ওপজে আৰু এটি আশাৰ দিন কাৰো বাবে
কাৰো বাবে ওপজে নিৰাশা পুনৰ।
যি নহ'ল সিতো পুনৰ কাহানিবা নিশ্চয় হ'ব
অনন্তকাল অপেক্ষাৰত সকলো অপূৰ্ণতা।..."

কবি অলকেশে শূন্যতা, বিষণ্ণতা, কাৰুণ্যৰ গভীৰতাক অন্য স্তৰলৈ লৈ গৈছে।

"নথকাবোৰ বিচাৰোঁতে থকাবোৰ হেৰাই গৈছে, থকাবোৰৰ স'তে বন্ধনত সোমাই থাকোঁতে আমাৰ অনন্ত আমনি ঃ কোনেনো অনুভৱ কৰা নাই?

এটা কল্প বাগৰি গৈছে, ঈশ্বৰ যিমানবোৰ আয়োজন আছিল কিজানি আমি দেখিলো। এটা উৎসৱৰ মাজেৰে আমি পাৰ হৈ আহিলো, মেলাৰ চকৰিত স্ফূৰ্তিৰে বাৰম্বাৰ ঘূৰি ঘূৰি হাতৰ টকা সিকি শেষ। আমি যদি সঁচাই সৎ, আমি আগন্তুকক বুজাই ক'ব পাৰিব লাগিব।..."

**বিঃ দ্ৰঃ** কবি অলকেশ কলিতাৰ সৈতে মোৰ আত্মীয়তা আছে বুলি বিশ্বাস ৰাখোঁ। তেওঁৰ পাৰ্থিৱ জীৱনৰ সমাপ্তি অস্বীকাৰ কৰা নাই। কিন্তু *বগা ফুল আৰু তেজৰ তাপ, নিষ্ফল উৎসৱ, পৰাস্মৃতি, ভাস্কৰ, আৰু এটা বিধুৰ বেলা, যোৱাবেলিৰ বসন্ত..* আছে, কবিতা থকালৈকে থাকিব।

·

# কমাৰশালত শাণ দিয়া
## *আৰু এটা বিধুৰ বেলা*

**বিনীতা গোস্বামী**

জ্ঞান আৰু সত্যৰ সম্ভাৱনাক পুনৰুদ্ধাৰ কৰি কবিতাৰ কমাৰশালত ধাৰ লগোৱাই আছিল প্ৰতিশ্ৰুতিসম্পন্ন কবি অলকেশ কলিতাৰ মুখ্য পৰিচয়।

ৰোমাণ্টিক কবিসকলৰ দৰে অলকেশে কেৱল জীৱন আৰু জগতৰ সুন্দৰ আৰু সুষম দিশটোকে উন্মোচন কৰা নাই। তাৰ বিপৰীতে তেওঁ জীৱনৰ জটিল, কৃত্ৰিম আৰু ক্ষণভংগুৰ দিশটোকো ফুটাই তোলাৰ প্ৰয়াস কৰিছে। নিজ মাটি, নিজ ভাষা আৰু কবিসকলৰ জীৱন সম্পৰ্কে সদাসচেতন কবিয়ে প্ৰায়েই নিজকে খুলিবৰ বাবে কৈছে। নাইবা শব্দৰ প্ৰয়োগ কৰি নিজকে খুলিও ঢাকি ৰখাৰ কৌশলৰ প্ৰয়োগ কৰিবলৈ কৈ লিখিছে—

"প্ৰকাশ
প্ৰকাশ কৰা কবি, অথবা লুকুৱাই থোৱা শব্দফুলৰ মধুৰ সুবাসত
কাৰণ তোমাক সত্যৰ মাজত উপনীত কৰোৱা হৈছেহি"

.......................

সমগ্ৰ কবিতাটোত কবিয়ে কি ক'ব বিচাৰিছে সেয়া যেন তেওঁ প্ৰথম শাৰী বাক্যতে বুজিব পাৰি। যিদৰে নৱকান্তৰ 'তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ' বাক্যই গোটেই কবিতাটোৰ ৰস আঁকুহি লৈছে। আকৌ,

"মই নিৰন্তৰ শব্দ মাটিত মিলাই গৈ আছোঁ।
মাটিত নিহিত অৰণ্যৰ মই ক্ষতি কৰিছিলোঁ

মোৰ খোজত বন মৰি
অহা-যোৱা বাট হৈছিল। অক্ষমণীয়।
শব্দৰ সবাতোকৈ উৎকৃষ্ট শৃংখলেও মোক নিৰাশ কৰিছে”
(মাটিৰ কাম)

কবিগৰাকীয়ে প্ৰায়ে নিজকে বঞ্চিত, অৱহেলিত ৰূপত আৱিষ্কাৰ কৰি বিস্মিত হৈ পৰে—

“এই পৰিত্যক্ত দমকলৰ পৰা নিজে নিজে পানী পৰি থাকে
ওহো নহয়, কোনো তৃষিতৰ হৃদয়তে এই পানীৰ ভুমুক নাই
এয়া মানুহে এৰি যোৱা পানী
এই পানীলৈ কিবা ভয় লাগে।” (পৰিত্যক্ত)
“অথচ মই এয়া অতীতত আছোঁহি বুলি মই নাভাবোঁ
ভৱিষ্যতক এইদৰে ডাঠ জংঘলে আৱৰি ধৰা
তোমালোকে আৰু চাবলৈ অহা নাই, মাথোঁ সেয়াই।”

অহৰহ মৃত্যুচেতনাত হাত ফুৰাই ৰখা আৰু সেই একেই ৰঙত স্বদেহৰ বিলীন বিলাস কবিগৰাকীৰ বহু কবিতাত প্ৰতিফলন ঘটে।

“ঈশ্বৰৰ সাৱধানবাণী মই অৱশ্যেই শুনিছোঁ
তাতে তেওঁ কৈছে
দেহাটো অকণো বাকী নৰখাকৈ মাটিক সঁপি দি আহিবা।”
(গন্ধ-স্পৰ্শ)

কবি অলকেশ কলিতা নৈতিকভাৱে সংবেদনশীল। সপোনৰ দলিচাত তেওঁ খোজ কঢ়া নাই। তাৰ বিপৰীতে যান্ত্ৰিক পৃথিৱীত সামগ্ৰীত পৰিণত হোৱা অনুভূতিক তেওঁ লিখিছে। ৰু ৰু শূন্যতাত হেৰাই গৈছে তেওঁৰ নিস্তৰংগ জীৱন আৰু বিষণ্ণতাত দগ্ধ হৈ পৰা আৰণ্যক জীৱনৰ নিৰ্মোহ ছবি কবি অলকেশ কলিতাৰ কবিতাত ফুটি উঠিছে—

“চোলাৰ ফাঁকত সুমুৱাই লৈ
মই বহুদিন তোমাক ভোগ কৰাইছোঁ মোৰ স্পৰ্শ।
এতিয়া সেই জংঘল ডাঠ হৈ পৰিছে
য'ত আমি প্ৰেম কৰিছিলোঁ, তেতিয়া সেয়া সযত্নপালিত বাগিচা আছিল।
অনাবিল স্পৰ্শৰে আমি

ইতিহাসৰ বহু তৰপ বখলিয়াই পেলাইছিলোঁ।
কিন্তু কিয় ?
ইতিহাসৰ গৰ্ভত প্ৰজ্বলিত প্ৰেম
আকৌ নিজে নিজে ঢাক খাই পৰিল ?" (গন্ধ-স্পৰ্শ)

জীৱন বা জগতৰ সত্য আহৰণ কৰাত ইন্দ্ৰিয়ৰ গুৰুত্ব অধিক। কেতিয়াবা তেওঁ সেই অভিজ্ঞতা আহৰণৰ বাবে ব্যাকুল হৈ পৰে—

"কিন্তু মোক পিয়াহৰ পানী যাচিবা
যি পিয়াহে অনন্তকাল মোক নিৰ্মমভাৱে চোঁচৰাই ফুৰালে—"
(কেইটামান প্ৰেমৰ কবিতা ২)

আৰু কেতিয়াবা সেই ইন্দ্ৰিয়জ অভিজ্ঞতাক অত্যাচাৰ বুলি কৈ ঈশ্বৰৰ ওচৰত শৰণাপন্ন হৈ সেই অভিজ্ঞতাক নাইকিয়া কৰিবলৈ তেওঁ অনুৰোধ জনাইছে—

"নকৈ কোৱা
কেনেকৈ মৃত্যুক বাৰম্বাৰ বৰণ কৰিছা অবিচলিত শ্ৰদ্ধাৰে
নকৈ কোৱা
আত্মাই আৰু একেবোৰ অত্যাচাৰ বাৰম্বাৰ সহিব পৰা নাই।
এতেকতে মই প্ৰাৰ্থনা কৰোঁ
অন্ততঃ ঈশ্বৰৰ হাততো বসন্তৰ চাবুক নাথাকে।" (বসন্ত)

কবিতাৰ বিষয়বস্তু আৰু কবিতাৰ ভাষা বা কবিতাৰ অন্যান্য আংগিক বৈশিষ্ট্যসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ই কেতিয়াও কাব্যিক আদৰ্শৰ ব্যতিক্ৰম নহয়। প্ৰতীক-চিত্ৰকল্পৰ প্ৰয়োগো অলকেশৰ কবিতাত মন কৰিবলগীয়া (খেদ, মালী, অভিজ্ঞ পিয়লা, আধৰুৱা ৰ'দ) অলকেশৰ প্ৰায়বোৰ কবিতাই দীঘলীয়া যদিও অৰ্থৱহ।

# বিহংগম দৃষ্টিৰে *বগা ফুল আৰু তেজৰ তাপ*

**ৰিজু দাস**

"Genuine poetry can communicate before it is understood." – T. S. Eliot

অলকেশ কলিতাৰ *বগা ফুল আৰু তেজৰ তাপ* কাব্যগ্ৰন্থৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান হৈছে সকলো স্তৰৰ পঢ়ুৱৈৰ স'তে সংযোগ ঘটাব পৰা আকৰ্ষণীয় কাব্যভাষা। কবিতাবোৰত জীৱনবোধ আৰু সমাজ সচেতনতা বিদ্যামান। "যিসকল মানুহৰ কাষ চাপিবৰ তোমালোকৰ সাহস নাই/ তেওঁলোকক মোৰ তেজেৰে ফোট লোৱা চোৱা।" কবিয়ে এই পংক্তিৰে সমাজৰ অৱহেলিত মানুহৰ কাষত থিয় দিব বিচাৰিছে। কিন্তু কবিয়ে শ্ল'গান লিখা নাই, লিখিছে কবিতা।

"হেঃ প্ৰাত লালিমা আৰু সন্ধ্যাকাজল কাউৰী/কাৰো কোৰ্হাল মই নুশুনো/মই শুনো মাথোঁ কদমত উঠা ধেৰ সময়ৰ ঘোঁৰা।" অসমীয়া কাব্যজগতত নেৰেটিভ কবিতাই ভিৰ কৰাৰ সময়তে অলকেশৰ এই কষ্টকল্পিত উপমাৰ কৃচ্ছ্ৰসাধনা বিৰল আৰু আশাব্যঞ্জক।

পশ্চাতপৎ কবিতাত কবিতাৰ ব্যতিক্ৰমী আৰু সামগ্ৰিক ব্যংগ মন কৰিবলগীয়া—

"চৰাৰ চাপৰ মেজত মই এখন বাতৰিকাকত
সাঁজ লগাৰ আগে আগে মাজুডেকাৰ হাতত উঠি আহিছিলোঁ
মই সকলোতে জুই লগাই দিব খুজিছোঁ; পাৰোঁ
মই সকলো শান্তি চাৰখাৰ কৰি দিব পাৰোঁ
প্ৰথমে মই জুই লগাই দিছোঁ
নিজে নিজৰ বুকুত"

পঢ়ুৱৈৰ স'তে কবিৰ সম্পৰ্কক কবিয়ে 'পাঠকৰ প্ৰতি' শীৰ্ষক কবিতাত দাঙি ধৰিছে এইদৰে—

"কোৱা মই তোমাৰ চুৰেটাৰ হওঁ
তোমাৰ লেমৰ কেৰাচিন"

অসমত ইমানবোৰ কবিতা লিখা হৈ আছে। কিন্তু অসমত অলকেশ চৰ্চাৰ প্ৰয়োজন আছে কিয় ? কাৰণ কবিতাৰ সাৰ্বজনীন আৱেদনে অলকেশৰ কবিতাক গোলকীয় কবিতাৰ কাষ চপায়। জনতাৰ কবি অলকেশৰ কবিতাত সমাজ পৰিৱৰ্তনৰ উপাদান বিদ্যমান। আহক আমি অলকেশৰ কবিতাৰ তেজৰ তাপক বুজোঁ—

"— আমাক জুইৰ দৰে কান্দি বিদায় জনোৱা দেখিছা ?
— কিন্তু মৃতকৰ প্ৰতি আমাৰ অৰ্ঘ্য দহ দিনৰ পিছত;
— আমি বুজা হওঁ" (হিন্দু)

অলকেশলৈ

# কাব্যাঞ্জলি

কৰবী ডেকা হাজৰিকা

## অলকেশ, তোমালৈ !

তুমি ভৰ বাৰিষাৰ বকুল
নে শৰতৰ শেৰালি ?
দীপাৱলীৰ শিখা
নে গধূলি-পখীৰ কাকলি ?
কোনোবা কৰুণ এক জোনালী ৰাতিত
কবিৰ মেলৰ বাকৰিত
প্ৰথম দেখিছিলোঁ
শান্ত স্থলপদ্মৰ দৰে
তোমাৰ পাহি মেলা মন
আৰু শুনিছিলোঁ
তাৰ চৌপাশে গুণ্‌গুণাই ফুৰা
আশা-নিৰাশাৰ ভ্ৰমৰ গুঞ্জন।
তাৰ পিছত
বহুদিন হ'ল...
কবিতাৰ ফাঁকে ফাঁকে ওচৰ চপাৰ
মই
আৰু বহু কুমলীয়া তুমি।
আজি তুমি কি হ'লা—
বকুলৰ সুৰভি ?
শেৰালিৰ সুবাস ?
এক অন্তহীন সুবাসিত স্মৃতি।
মোৰ মনৰ চেনেহৰ একোণত
তুমি ধূপৰ সুৰভি হৈ বিয়পি পৰিলা।
তোমাক হেৰুওৱা নাই
অবিনাশী নক্ষত্ৰৰ দৰে
তুমি যে পোহৰাই আছা
আমাৰ নীলা বিষাদৰ
প্ৰতিটো ৰাতি।

নীলিম কুমাৰ

## অলকেশ কলিতা য'লৈ গুচি গ'ল

এঙাৰবোৰৰ মাজৰপৰা এইমাত্ৰ উঠি আহিছোঁ,
আহিয়েই প্ৰথম দেখিলোঁ তোমাক।
আহাঁ ভৱিষ্যতৰ বাৰাণ্ডাত বহোঁ, সৌখন বেঞ্চ
চিনাকি হওঁ আহাঁ
চিনাকি হোৱাৰ নিয়ম বা কি ইয়াত, নাজানো একো।
চোলাটোলৈ এনেকৈ চাইছা কিয় ?
ভাল নোপোৱা ক'লা ৰং ? আহিবৰ সময়ত
কাজল মেঘে বৰ মৰমেৰে দিয়া চোলা এইটো,
ঠিক আছে সলাই ল'ম বাৰু।
দৰ্জীৰ দোকান এখনলৈ লৈ যাবা

হয়, তোমাৰপৰা মই নিলগত
বহু বহু বহু নিলগত আছিলোঁ।
এখন আকাশ পাৰ হৈ আহিছোঁ এই তোমালোকৰ
শব্দৰ চহৰ। তোমাৰ লগত
চিনাকি হোৱাৰ নিয়ম কি মই নাজানো।
...তোমাৰ কোনো সঁহাৰি নাই।
বুজিছো মাথোঁ চকুৰে চোৱা-চুইৰে চিনাকি নহয়।
নে তুমিও এইমাত্ৰ উঠি আহিছা এঙাৰবোৰৰপৰা ?
সৌখন বেঞ্চ। কাৰ বা বাৰাণ্ডাত পৰি আছে
তুমি চাগে নবহা।
মই তাতেই বহি থাকোঁ দিয়া
কোনোবাই আহি চিনাকি নোহোৱালৈকে বা
তাৰপৰা মোক উঠাই নিদিয়ালৈকে।

হাওলি যোৱা এটা চেতনাক বৰ্ণাবলৈ
কিয় আহিব লাগে ইমান দূৰ,
যি চেতনাৰ মইতো কোনো নাম দিব নোৱাৰিম।
বৰ্ণাব পাৰিম হয়তো আকাৰে-ইংগিতে।
আই-পিতা, বাই-ভাই,
সেই আকাশখনলৈ তেনেকৈ চাই নাথাকিবা
তোমালোকৰ আকাশৰ তললৈ উভতি যাবলৈ
মোৰ সময় নাই।
বিচলিত হ'বলৈ একো নাই।
ঘটনাবোৰ ঘটি থাকেই।
ঘটনাবোৰক আমি সুবিধা মতে
দুৰ্ঘটনা বুলিবলৈ শিকিছিলোঁ দেখোন।
যিমানে মোক কাষতে বিচাৰিবা সিমানে মই
আঁতৰি যাম। যিমানে মোক আঁতৰি যাবলৈ দিবা
সিমানে মই উভতি আহিম বাৰে বাৰে
এয়ে আমাৰ সম্পৰ্ক হৈ থাকক। বিদায় নহয়।

## লুটফা হানুম ছেলিমা বেগম
**অলকেশলৈ**

কবিতা কেনেকৈ পঢ়োঁ
কেনেকৈ লুটিয়াওঁ পৃষ্ঠা
পানীৰ আঙুলিবোৰৰপৰা
টোপ্-টোপ্‌কৈ পৰিছে
ম্রিয়মাণ শব্দৰ টোপাল
টোপালবোৰ চকুৰ পতালৈ
নামি আহিছে
কোনেও শুব পৰা নাই
কবিতা পঢ়িব পৰা নাই
তুমি কিয় গুচি গ'লা
অলকেশ
কেৱল কবিতাৰ বাবেই
থাকিব লাগিছিল তুমি
আমিওতো ঘূৰি আছোঁ
চাকনৈয়াৰ চাকত
মাটিৰ চৰু-কলহ হৈ
ঠেৰেঙা লগা ঠাল-ঠেঙুলিত
বাজি থাকে বসন্ত বাহাৰ
চলি থাকে চলি থাকে
আঁৰ কাপোৰ নথকা নাট্য মন্দিৰত
আন্ধাৰ-পোহৰৰ কত অভিযোজনা
তুমিতো জানিছিলা এইবোৰ
তথাপি কিয় গুচি গ'লা

আৰু বহুত কবিতা লিখিবলৈ
থাকি গ'ল তোমাৰ।

সৌৰভ শইকীয়া

## বতাহ দূৰলৈ গুচি যায়

(অলকেশৰ নামত)

চিগাৰেট আছে এনফিল্ড বাইকখনো আছে
সেয়াতো, উজানবজাৰ ওচৰতে ব্ৰহ্মপুত্ৰৰ ফেৰীঘাট...
আৰু? বতাহ
বতাহৰ অগণন হৃদয়।

প্ৰতিটো কথাই ভুল হওক শব্দবোৰ ভুল হওক
ছোৱালীবোৰ ভুল হওক, জীৱন যেতিয়া যন্ত্ৰণা
অজস্ৰ হনা-খোঁচা অজস্ৰ হাতবাউলি অপ্ৰতিৰোধ্য...
আঃ অলকেশ!
তাৰ নিলিখা কাহিনীবোৰ সি থৈ গৈছে জলস্ৰোতত
নয়নতৰাৰ নিয়ৰত
জাৰকালি নিশা শেষৰ ফালে যি কুঁৱলী পৰে সেই কুঁৱলীত...

# ৯৬ ॥ অলকেশ

হাৰা হৈ গৈছে অলকেশ। এক মাহৰ আগতে। আজি
বৰ্ষণ কালত গধুৰ মেঘ উৰি আহিলত
চাঁ-চাঁ বৰষুণৰ কণিকাবোৰৰ মাজেৰে সিও উৰি আহিব বিচাৰে
ঘৰটোত সোমাব বিচাৰে
সেয়া চোৰা, পাহাৰখন পাৰ হৈ অলকেশ উৰন্ত ভৰিত আহিল
থিয় হ'ল বতাহত
মা, খুলি দিয়াচোন... মা! ইমান সময় সি মাতি আছে
টিনৰ চালিত ঝুণ্‌জুন। অস্ফুট আচাৰকণিৰ শব্দ
ভেণ্টিলেটৰখন খুলি দিয়া, জেকি গৈছে ৰুমটো
মা...
সেয়া *নিষ্ফল উৎসৱ*খন হাতত লৈ হঠাৎ
সি বৰষুণৰ বেঁকা ৰেখা এডালত বহিল
পাঠ কৰিব নেকি? চছ্‌মা
ডেনিমৰ পেণ্টেই পিন্ধিছে কিন্তু। আচৰিত
অলকেশৰ কোনো কাপোৰ তিতা নাই বৰষুণত,
জোতাযোৰো ঘড়ীটোও
চাঁ চাঁ চাঁ
বতাহ আহিয়ে আছে, আহিয়ে আছে
আহি আছে জোৰে জোৰে কণিকাবোৰৰ মাজেৰে
গেটৰ শলখাডাল কোবায়
নাই। সিক্ত শণখেৰবৰণীয়া বতাহজাক
বতাহ দূৰলৈ গুচি যায়
বতাহ দূৰলৈ গুচি যায়

মণিকুন্তলা ভট্টাচাৰ্য্য

**অলকেশ**

অলকেশ সাৰে থকাৰ কাৰণতে
দিনবোৰ আলোকিত হৈ ৰৈছিল
নে তেওঁ টোপনি যাওঁতেহে জোনাক নামিছিল
খবৰ পোৱা নাছিলোঁ

অলকেশে খোজ কাঢ়োঁতে
পাছতে উৰিছিল নে গাভৰু বতাহ এচাটি
নে তেওঁ নিজানত ৰওঁতেহে কবিতাই
চুলি মেলি কাষতে বহিছিলহি
কোনেও মোক কোৱা নাছিল

কাৰ হাতত ধৰি পঢ়াশালিলৈ গৈছিল
কোনে শিকাইছিল চাইকেল
কোনেনো দিছিল মুখত মৃদুমধুৰ মাত
কোনেনো প্ৰথম কৈছিল কবিতাৰ কথা
অলকেশক সোধা নহ'ল

কোনোদিনে পতা নহ'ল কথা
কেৱল শুনিছিলোঁ বিনয়ী সম্বোধন
সুধিছিলোঁ কেনে আছা অলকেশ
তাৰ পাছতনো কিহত ব্যস্ত তেওঁ
মই খবৰ ৰখা নাছিলোঁ

বহুদিনৰ বিৰতিত এটা ভৰপূৰ সভাগৃহৰ ভিৰ ঠেলি
আহিছিল মাত এষাৰ— "বাইদেউ !"

সেয়া অলকেশ।

অলকেশৰ মই কোনো খবৰ ৰখা নাছিলোঁ
নাজানিছিলোঁ তেওঁৰ কোনো কথা।

এনেতে
হঠাৎ আজি তেওঁ গ'লগৈ
আৰু হাহাকাৰেৰে মই বিচাৰিছোঁ তেওঁৰ খবৰ

কাৰণ অলকেশ কেৱল অলকেশেই নাছিল
আছিল এক প্ৰতিভাৰ নাম
যাৰ বাবে সকলোৱে চকুলো টুকিব

কৌশিক বাস্যাস

## এটা দিন, এটা ৰাতি

(অলকেশ কলিতাৰ প্ৰতি)

এই পৃথিৱীত এটা দিন, এটা ৰাতি।
দুই চকুত দুই সপোনৰ বাখৰ
ওপৰে অসহায়
চিয়াঁহীৰ নদী
তাকেই বেচোঁ বন্ধু
এটা দিন আৰু এটা ৰাতি।
তোমাৰ চকুৰ মণি
মদৰুৱা ভেঁটৰ পাহি
ঘূৰি থাকে, ঘূৰি থাকে তাত
অন্যমনস্ক কিছু
শব্দৰ লানি।
যি বাটে গৈ থাকোঁ—
ৰঙা টিক্‌টিকীয়া,
ভুল কৰোঁ বন্ধু
ধৰ্‌ফৰাওঁ
উজুটি খাওঁ
আৰু এটা দিন
এটা ৰাতি।

ময়ো এটা ঘৰ।
বখলা-বখল পাহাৰৰ গাত
হৰ্‌হৰাই জ্বলি উঠোঁ
জোনাকী পৰুৱাৰ লগত উমলি ফুৰোঁ
এৰা পৰলীয়া তৃপ্তিৰে খাওঁ
ভাৰ দাঙিবলৈ বল গোটাওঁ
হাতত তেজ আৰু তেজ
হত্যা কৰোঁ বন্ধু
নকৈ নিলগাই পাগল কৰোঁ
এটা দিন এটা ৰাতি
চিতা জুইত
ৰ'দ জিকিমিকি সপোন দেখোঁ।

অভিজিৎ তালুকদাৰ

**ৰবীন্দ্ৰনাথ**

(কবিতাৰ সমুদ্ৰ অলকেশ কলিতা দাদাক সুঁৱৰি)

“যদি তোৰ ডাক শুনে কেউ না আসে
তবে একলা চলো ৰে।”
—ৰেডিঅ’ৰ সুৰ এটাহে শুনিছোঁ

লোডশ্বেডিং ইয়াত
লাইটো জ্বলে আৰু নুমায়
পুৰণি সংস্কৰণ *ৰবীন্দ্ৰনাথৰ গল্পৰ*
ছিগি থকা বেটুপাত...
নাই ইয়াত পঢ়িবলৈ কোনো নাই

কবিতাবোৰৰ মাজেৰে ল’ৰাটোৱে
যি কৈছিল গল্প এটা হৈ পৰিল এতিয়া
সি কিদৰে টানি নিছিল নিজৰ মৰাশটো
অ’ তেওঁলোকে হাঁহিছিল

এতিয়া কিদৰে পূজোঁ তোমাক
ৰবীন্দ্ৰনাথ
কেতিয়াবা ভাবিছিলা নে
শান্তিনিকেতনত উফৰি পৰিব
কবিৰ মৰাশ

ইডিটৰৰ বিয়াগোম হৰলিক্সৰ কাপটোৰে
বহু কবিতা চেপেটা কৰি মাৰিলে
তুমি কিদৰে তুলি ল'লাহেঁতেন
মৃত কবিতাৰ শৰীৰটো

এই যে বিদেশী গল্পৰ কথা কৈ কৈ
বহু ক্ৰিটিক অন্ধ হ'ল
তুমি বাৰু কিদৰে পোহৰ কৰিবা

চোৱা এই বিৰল দৃশ্য
সকলো আলোচনীৰ পাতত
কবিতাৰ মৰাশ

আৰু আমি একোজন মৃত কবি।

টম মেদক

## কবি এতিয়া ধ্যানমগ্ন

মই যেতিয়া কবিতা লিখা নাছিলোঁ তেতিয়াই মই কবি আছিলোঁ
বৰ্তমান মই পাঠক কিয়নো মই এতিয়া কবিতা লিখোঁ
ময়ো কবি আৰু পাঠকৰ সদস্য
মোৰ সৃষ্টিত মৌলিকতা একো নাই
যদিও দুৱাৰ-খিৰিকী মাৰি হাত-ভৰি বা মুৰ খুন্দিয়াই অজ্ঞান হৈ বিছনাত
পৰি থাকিব নোৱাৰি
অন্ততঃ মোৰ গৱেষণাৰ বিষয় হ'ব ভিন্ন
অৱশ্যে কি প্ৰয়োজন মই কবিতা লিখাৰ বহু কবি আছে
মই গল্প ভাল পাওঁ কিন্তু কবিতাক বেছি
উপন্যাসত মোৰ ধৈৰ্য্য নাই
কবি অলকেশ কলিতাৰ কবিতা
মোৰ প্ৰিয়
কিন্তু পৰিৱেশ জানো আছে অসমত
কবিতা লিখাৰ
অথবা কবিক যাচি দিয়া নাই এতিয়াও প্ৰাপ্য সন্মান
কবি ধ্যানত আছে
হুলস্থূলীয়া পৰিৱেশ সৃষ্টি নকৰিব
কবি এতিয়া তপস্যাত মগ্ন
আৰু কিমান বছৰ আমি অপেক্ষা কৰিম
যিহেতু সপোন দেখিবলৈ কবিক প্ৰয়োজন।

সংগীতা মেধি

## যোগ অথবা বিয়োগ

(বন্ধু অলকেশৰ পৱিত্ৰ স্মৃতিত )

মাত্ৰ এটা সম্ভাৱনা ! আছে বাবেই ক্ৰমাৎ ভাগি পৰা দেহাটো একেবাৰে
ভাঙি মাটিৰ লগত মিলি যাব পৰা নাই
কঁপি কঁপি বাজি থকা তাঁৰডালে শেষৰটো হূপৰ টানৰপৰা নিজকে
এৰুৱাই অকলশৰীয়া হৈ যোৱা নাই

শুকান মাটিত ফুলা স্বাস্থ্যহীন ফুলবোৰে মৰহিবলৈ লৈও এপলক
মূৰ তুলি চাবলৈ এৰা নাই

বন্ধ কাঁচৰ খিৰিকীৰে অস্থিৰ পোহৰৰ আঁক-বাঁক !
মানে ঘৰখন আন্ধাৰত ডুব যোৱা নাই।
মাত্ৰ এটা সম্ভাৱনা !

চকু টিপিয়ালেই ব্ৰহ্মাণ্ডৰ মায়া
মুদিলে কিনো এই দুনীয়া !

সৃঞ্জনা শৰ্মা

## অলকেশদা - তোমালৈ দুশাৰী

তোমাৰ চিতাৰপৰা তুমি তোমাৰ কবিতাবোৰ শুনিছিলা— জুইৰ মাজেৰে বিদ্ৰোহ কৰি উঠিছিলা তুমি। মোৰ গাত আহি পৰিছিল স্ফুলিংগ। মই অনুভৱ কৰিছিলোঁ তোমাৰ ক্ষোভ। চিতাৰ জুইৰ মাজতো তুমি আছিলা নিঃসংগ।

তুমি যোৱাৰ পাছতো তোমাৰ ফটোৰ হাঁহিটো উজ্জ্বল হৈ আছিল। সেমেকি পৰিছিলোঁ আমি, ম্লান হৈছিল আমাৰ হাঁহি।

তুমি এদিন কৈছিলা মোক, “লিখি থাকিবা, লিখাৰ বাহিৰে অন্য গত্যন্তৰ নাই। লিখি থাকিলেই বাচি থাকিবা।”

মই তোমাক প্ৰশ্নটো সুধিবলৈ বাকি থাকি গ’ল যে লিখি থাকিলেই বাচি থাকিব পাৰি নে?

মই গ্ৰন্থমেলাত আটাইতকৈ বেছি অনুভৱ কৰিম তোমাৰ অনুপস্থিতি। মোক দূৰৰপৰা ‘মিচিকি’ বুলি মাত লগোৱা সেই কৰুণ কম্পিত তোমাৰ কণ্ঠস্বৰ যাৰ আঁৰৰ দুখ মই বুজি পোৱা নাছিলোঁ ইমান দিনে!

কি হ’ব এতিয়া সেই পৃষ্ঠাবোৰৰ যি বৈ আছিল তোমাৰ শব্দেৰে প্ৰাণ পাবলৈ? কি হ’ব এতিয়া সেই নিলিখা কবিতাবোৰৰ যাৰ তুমি জন্মদাতা?

তুমি আমাক এৰি কাৰ ওচৰলৈ গুচি গ’লা কবিতা শুনাবলৈ?

বিভা দেৱী

## আকুলতা

(বিশিষ্ট কবি অলকেশ কলিতাৰ স্মৃতিত)

এই যে সিদ্ধান্তবোৰ
মনৰ স'তে
কেতিয়াবা বিবেকৰ স'তে
অবাঞ্ছিতভাৱে পৰম সত্তাৰ স'তে
নৈৰ ছৈত জ্বলা চাকিৰ
শেষ
পোহৰকণৰ স'তে
হয়তো,
ৰাতিপুৱাক জগাবলৈ তেতিয়া
কোনো উপায় নাথাকে
কথাবোৰ ভাবিবলৈ
এটা ধ্ৰুৱক লাগে
শিলৰ কঠিনতাখিনিক চুই চাবলৈ
হিয়াৰ আকুলতাক বুজি পাবলৈ
ভাগি যোৱা ভগাবাটৰ
আঁত নেহেৰুৱাবলৈ

সুৰ হেৰুওৱা সন্ধিয়া এটাত
কৰ্কট ৰোগীৰ
কেঁকোৱাৰ চেপি অনা হাতোৰাবোৰ
বৈৰাগী মনক
শান্তিজল ছটিয়াই
ভাগৰি পৰা মনবোৰ
সকলো অতীন্দ্ৰিয় সত্তাৰ ৰৈখিক ছবি
কংক্ৰিটৰ পৃথিৱীত
ধুমুহাৰ ৰাতি
বাজলৈ গৈছিল এটি পখী
প্ৰশ্ন হ'ল— এয়া কি
বাঞ্ছিত নে অবাঞ্ছিত গতি

হয়তো,
ধুমুহাজাকৰে বিসংগতি।

খঞ্জনা শৰ্মা

## সাক্ষাৎ

পাহাৰলৈ উঠিব খোজা কেঁকুৰিটোত
আমাৰ সাক্ষাতৰ নিমাওমাও উদ্‌যাপন

এটা নিষ্ফল উৎসৱৰ অন্তত।

ছাঁ দিয়া এজোপা গছ,
আইচক্ৰীম ভানৰ দুটা ভেনিলা বাটি
আৰু নেপথ্যত
ৰ'দ জিলমিল দুপৰৰ নদী

যাৰ ঘাটত বৈ আছিল এখন উদং নাও
প্ৰায়ে থকাৰ দৰে।

ৰে'লৰ খিৰিকীৰে
দ্ৰুতগতিত পাৰ হৈ যোৱা
অলেখ খণ্ডচিত্ৰৰ এখনত
আঁক দিবলৈ সাজু
হৈছিলোঁহে আমি!

হঠাৎ কবি নাৱত উঠিল
চলমান নাৱত কবিয়ে পাতিছে
কবিতাৰ সভা
কবিতাৰ আড্ডা
বতাহ ঠেলি আগুৱাই গৈ আছে
স্বৰচিত কবিতা।

বেলি পৰি আহিছে, কবি!
ঘাটলৈ নাও চপাবলৈ এৰি
তুমিচোন গৈয়েই আছা
ওপঙা কবিতাৰ ব'ঠা বাই বাই!

দূৰণিৰ নিজান পানীত
জ্বলি উঠা এটি চাকিয়ে
পোহৰাই তুলিছে তোমাৰ বাট।

হে কবি!
এতিয়াও ইয়াত
শামুকৰ খোলা এটা পৰি আছে
তোমাৰ ওভতনিৰ অপেক্ষাত

এইখন মহানগৰীৰে
মাজমজিয়াত।

হিমাংশু শৰ্মা

## উৎসুকতা, আকুলতা আৰু বিষাদ

(প্ৰিয় বন্ধু অলকেশ কলিতালৈ উৎসৰ্গিত)

উৎসুকতাই অলক্ষিতভাৱে দৃশ্যপটত প্ৰৱেশ কৰিলে।
হয়তো বতাহে জীৱন হৈ
মোৰ নাসাৰন্ধ্ৰত প্ৰৱেশ কৰাৰ দৰে।
কোনোৱে নেদেখাকৈ মনে মনে,
যেতিয়া সৰু লৰাটোৱে কাষলতিৰ তলত
অকাশখন লৈ দৌৰ মাৰিছিল,
মই সুধিছিলোঁ, "ক'লৈ যোৱা মোৰ বসন্তৰ অকাশখন লৈ"
ল'ৰাটোৱে মোৰফালে চাই মুখখন মেলি দিছিলে,
মুখত তাৰ অগণন ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ গোন্ধ।
সি উত্তৰ দিছিলে, "এতিয়া কোৱা কাৰ আকাশ ?"

আকুলতাই অলক্ষিতভাৱে দৃশ্যপটত প্ৰৱেশ কৰিলে।
হয়তো পাহৰণি আৰু স্মৰণৰ দূৰত্বত উপলব্ধিৰ প্ৰৱেশৰ দৰে।
মই ল'ৰাটোৰ পিছে পিছে গৈ থাকিলোঁ মন্ত্ৰমুগ্ধ হৈ।
ওঠৰখন পৰ্বত,
পঁইত্ৰিশ কুৰি খোজ অতিক্ৰম কৰাৰ পাছত
অৱশেষত গছ এডালৰ তলত বহি
আকাশখন কান্ধৰ মোনাখনত ভৰালে।

মেয়ো আপত্তি নকৰিলোঁ,
মন্ত্ৰমুগ্ধ হৈ তাৰ মুখলৈ চাই থাকিলোঁ।
মই সুধিলোঁ, "কি আছে তোমাৰ মোনাখনত?"
সি ক'লে, "যোৱা বছৰৰ জুয়ে পোৰা নিদাঘৰ দিনকেইটা আছে,
হাড় কঁপোৱা জাৰৰ দিনত উলিয়াই হাত সেকিবলৈ;
মিজোৰামৰ জিকাৰ অন্তিম চিঞৰটো,
তোমালোকৰ হৃদয় জোকাৰিবলৈ;
কিছু ভাল সময়, কিছু বেয়া সময়;
এজন ৰিক্সাৱালাৰ সুহুৰিৰ সুৰ;
আৰু কোনোবা অলকেশৰ মগজুত মামৰে ধৰা ভাবনাৰ
মুৰমুৰিয়াবোৰত হেৰোৱা
দুকুৰি তিনিটা কবিতা।
তোমাক কি লাগে?"
হঠাতে তুষাৰপাত হ'ল মোৰ ডিঙিৰ ভিতৰত।
কি নক'লে কি নুশুনিবা তুমি?
মই ক'ব খুজিলোঁ, তুমি ক'ব নিদিলা।
মই চিঞৰিব খুজিলোঁ, তুমি হাঁহিলা।
মই কান্দিব খুজিলোঁ, তুমি সাবটি ধৰিলা।
মই চকু মুদি দিলোঁ, তুমি গুচি গ'লা।

বিষাদে অস্থিৰভাৱে মোৰ হৃদয়ৰ পিছল কোঠাত প্ৰৱেশ কৰিলে।
হয়তো কবি সমাজত অলকেশৰ মৃত্যুৰ খবৰৰ প্ৰৱেশৰ দৰে।

কল্পনা শৰ্মা

## মান-অভিমান

(অলকেশ কলিতালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি)

বহুদিন আগতে
সৌ তাহানিতে
কণমানি তোমাক
দেখিছিলোঁ সহজতে !
মোৰ ঘৰৰ প্ৰায় সমুখতে
তোমালোক আছিলা ভাৰাঘৰত।
মাজে-সময়ে গৈছিলোঁ
নানা কথা পাতিছিলোঁ
তোমাৰ মা-বাইদেউৰ স'তে।
হাঁহিমুখীয়া লাজকুৰীয়া
ঘৰৰ আটাইৰে আদৰৰ
আছিলা তুমি মা-দেউতাৰাৰ
ধন আঁচলৰ।
পিছলৈ গ'লাগৈ
পিয়লি ফুকন নগৰৰ নিজা বাসগৃহলৈ।
নিৰিবিলি সুন্দৰ পৰিৱেশত
ওখ টিলাৰ ওপৰৰ ঘৰ !

পখীৰ কূজনেৰে জীৱন আনন্দতে
ভৰি উঠে প্ৰাণ-মন!
কেতিয়াবা প্ৰভাত ভ্ৰমণত
ওলাইছিলোঁগৈ আশ্ৰমসদৃশ
তোমালোকৰ ঘৰ।
তাৰ পিছত, ২০০৪ৰ নৱেম্বৰত
ভীষণ দুৰ্ঘটনাত পতিত মই
বহুদিন পৰি ৰ'লোঁ শয্যাশায়ী হৈ!
তেতিয়াৰেপৰা বহুদিন
দেখা নাই তোমাক।
এতিয়া হেনো হ'লাগৈ বহু ডাঙৰ।
শুনিবলৈ পাইছিলোঁ
আজি-কালি লিখা হেনো অনন্য কবিতা!
যিবোৰ আমাৰ দৰে অল্পজ্ঞানীৰ অবোধ্য!
তথাপি জানা মৰমৰ অলকেশ
হৃদয় ভৰি আহে গৌৰৱেৰে!
তুমি যে অসমীয়াৰ উদিত যুৱ-সূৰুয।
এখন-দুখন নহয়, ছখনকৈ
কবিতা সংকলনৰ সৃষ্টিকাৰী!

ৰত্নগৰ্ভা মাতৃও তোমাৰ হয় গৰ্বিতা !
পিকু পিকু বুলি পিছে পিছে ঘূৰি
তোমাক দিছিলে সঁহাৰি !
ভাবিছিলোঁ এদিন লগ ধৰি
শুনিম তোমাৰ অবোধ্য
কবিতাৰ বৰ্ণনা !
কিন্তু... সপোন হৈয়ে ৰ'ল
মোৰ পৰিকল্পনা !
এনেকৈয়ে ফাকি দি
কিয় গুচি গ'লাগৈ তুমি ?
পিতৃ-মাতৃ, ভাই-ভগ্নীক
কৰি গ'লা অকলশৰীয়া !
লগতে আমাকো কন্দুৱালা !
নুবুজিলোঁ একোকে
আছিল কাৰ ওচৰত তোমাৰ
মান-অভিমান !!

# বন্ধু-সুহৃদজনৰ দৃষ্টিত

অলকেশ

# এয়া কি কবিতাৰ বিয়লি বেলা?

## ধীমান বৰ্মণ

"মে অলকেশ হুঁ...", এই পংক্তিটোৰে আৰম্ভ হৈ শেষ হৈছিল এই পংক্তিত.... "আজ মে বাপচ যা ৰাহা হুঁ" ...ৰেল এখন গৈ থকা শব্দৰ স'তে শেষ হৈছিল ডকুমেণ্ট্ৰীখন। কি আছিল তাত; আছিল শিশুসুলভ সৰলতাৰে এজন কবিয়ে তিনিটা ভাষাত লিখা তিনিটা কবিতাৰ সাৱলীল উপস্থাপন। তাৰ পাছত কবি ক'লৈ গ'ল? কবিতাৰ মাজৰপৰা সময়ৰ ৰেলত উঠি কবিতা যাব পাৰে কবিতাৰ মাজলৈ।

পাছে কোন আছিল এই অলকেশ কলিতা? অসমীয়া কবিতালৈ অলকেশৰ অৱদান কি? নিষ্ঠ? স্ব-আৰোপিত দায়িত্ববোধ? নতুন কাব্যভাষা? গোলকীয় চিন্তা-চেতনা? সমাজ সচেতনতা?

তাক এদিন কৈছিলোঁ— তুমি ইমান টেলেণ্টেড। কম্পিটিটিভ পৰীক্ষা নিদিয়া কিয়? উত্তৰত কবিয়ে কৈছিল— কবিতা এক গধুৰ দায়িত্ব। নিজৰ ভাষাৰ প্ৰতি কবি অলকেশ কলিতাৰ ইমানখিনি আছিল উৎসৰ্গিত মনোভাব। অলকেশৰ সমৰ্পণ আছিল কবিতা; কেৱল কবিতাৰ প্ৰতি। আমি প্ৰায়ে কাব্যঋষি নীলমণি ফুকন ছাৰৰ কাষলৈ গৈছিলোঁ। ছাৰৰ স'তে দেশী-বিদেশী সাহিত্যক লৈ অলকেশৰ অবাধ কথোপকথনৰ আমি আছিলোঁ মূক দৰ্শক।

অলকেশ সহযোগিতাৰ পৃথিৱীত বিশ্বাসী কবি আছিল। গুৰুত্বপূৰ্ণ কিছু বিশ্ব কবিতাৰ ইংৰাজী অনুবাদ সি মেইলেৰে আমাৰ সমসাময়িক কবিসকললৈ পঠিয়াইছিল। সি মনে-প্ৰাণে বিচাৰিছিল উত্তৰণ হওক; কবিতাৰ উত্তৰণ।

তাৰ নিজস্ব এখন পৃথিৱী আছিল। সেই পৃথিৱীৰ মাজতো সি সন্ধান কৰিছিল কবিতাৰ উপমা। কবি অলকেশ কলিতাৰ ওপৰত মাজে মাজে প্ৰভাৱী হৈ পৰিছিল সমালোচক অলকেশ কলিতা। কাটি পেলাইছিল নিজৰেই কবিতা।

মানৱ দৰদী আছিল অলকেশ। সকলোকে সকলো বিপদত আগুৰি ধৰিব খোজা অলকেশ। কবি যশ-প্ৰত্যাশী নাছিল। কবিয়ে প্ৰতাখ্যান কৰিছিল কাব্যকানন সাহিত্য বঁটা আৰু অনুৰাগ সাহিত্য বঁটা। কবিয়ে বিছাৰিছিল কবিৰ বাবে বঁটা হওক মানৱতা।

মাজে মাজে জীৱিকাৰ বাবে সি কিবাকিবি কৰিছিল। অস্থিৰ হৈ ফোনত কৈ উঠিছিল— "I am a bloody poet."

কাক অভিমান কৰি কবি গুচি গ'ল। কবিয়ে বিচাৰিছিল নেকি এনে এখন সমাজ য'ত কবিতাৰ ইমানখিনি গুৰুত্ব থাকে যে কবিৰ বাবে কবিতাই হৈ পৰে জীৱিকা।

ক্ষমা কৰিবা কবি; তেনে এখন সমাজ আমি তোমাক দিব নোৱাৰিলোঁ। তোমাৰ এই অনাকাংক্ষিত বিদায়ে আমাৰ মাজত এটি প্ৰশ্ন এৰি থৈ গ'ল— "এয়া কি কবিতাৰ বিয়লি বেলা?"

# আকৌ লগ পাম বন্ধু...

## মৃদুল হালৈ

অলকেশক সঘনে লগ পাই থকা হোৱা নাছিল যদিও অলকেশৰ সৈতে সম্পৰ্ক আছিল দীঘলীয়া দিনৰ। কবিতাই আছিল এই সম্পৰ্কৰ মূল যোগসূত্ৰ। অলকেশৰ মনৰ ভঙা-ছিঙাৰ খবৰ পাইছিলোঁ মাজে মাজে। কিছুমান কথা নিজে কৈছিল, কিছুমান ওলাইছিল আমাৰ উমৈহতীয়া বন্ধুসকলৰ কথা-বতৰাত। তথাপি আপাতঃ শান্ত-সুস্থিৰ যেন লগা মানুহটোৰ ভিতৰখনত কি বা খহনীয়া চলি আছিল সেয়া কোনোৱেই হয়তো সঠিককৈ অনুমান কৰিব পৰা নাছিলোঁ।

কবিতাই সৰ্বহ আগুৰি থকা অলকেশৰ সৈতে কথা-বতৰাৰ সময়ত আমি কবিতাৰ কথাই বেছিকৈ পাতিছিলোঁ। নতুনকৈ পঢ়া কোনো কাব্যতত্ত্ব, সাহিত্যতত্ত্ব সম্পৰ্কে খুব আগ্ৰহেৰে তেওঁ কৈ গৈছিল। আৰু কেতিয়াবা কোনোবাটো নতুন কবিতাৰ কবিতাৰ, নতুন কবিৰ সাৰ্থকতাক লৈ আলোচনা হৈছিল। আৰু কেতিয়াবা হঠাতে এটা ফোন আহিছিল-বন্ধু তোমাৰ অফিচৰ কাষৰ ঠাইখনক বহি আছোঁ। দ্বীপ আৰু ডাক্তৰো আছে। আহিবা নেকি?

আমাৰ অফিচৰ কাষতে এখন ঠাই আছিল, তেওঁলোক মাজে মাজে আহি বহিছিল, কথা পাতিছিল... তললৈ নামি আহি আন্ধাৰ চুক এটাত চিগাৰেট হুপিছিল। মই এবাৰ নে দুবাৰ গৈ বহিছিলোঁ আৰু আনকেইবাৰ কৰ্তব্যৰ বান্ধোনৰ কথা কৈ এৰাই চলিছিলোঁ। কেতিয়াবা ঠাউকতে মাত এষাৰ লগাই আহিছিলোঁগৈ। তাৰ বাহিৰে কবিতাৰ সভা দুই-এখনত, পাণবজাৰৰ কোনোবা প্ৰকাশনৰ কাৰ্য্যালয়ত, বুক ফেয়াৰত আৰু কেতিয়াবা কোনো বৈশিষ্ট্যহীন পথ একোটাৰ এমূৰত লগ পোৱা হৈছিল অলকেশক। এবাৰ নে দুবাৰ একেখন গাড়ীৰে অলপ দূৰৈৰ ক'ৰবালৈ কবিতা পঢ়িবলৈও গৈছিলোঁ।

এই আটাইবোৰ সাক্ষাতৰ স্মৃতি মনৰ মজিয়াত উলিয়াই লৈ মই এতিয়া জুমি চাবলৈ যত্ন কৰিছোঁ এই সময়বোৰৰ কেতিয়াও কিয় তেওঁৰ সেই নিশ্ছিদ্ৰ আন্ধাৰ কোণটোৰ উমান আমি পোৱা নাছিলোঁ? কিয় উমান পোৱা নাছিলোঁ যে কবিতাৰ সুদিনৰ অপেক্ষা কৰি থকা, কবিতাৰ সুদিনৰ স্বপ্ন-প্ৰস্তুতি দেখি থকা অলকেশে মনৰ মাজতে আন এটা প্ৰস্তুতিও চলাই গৈছিল, আন এটা অপেক্ষাও তেওঁৰ মনত ৰৈ আছিল। কিমান দিনৰপৰা বা সেই অপেক্ষা কৰি আছিল... কিমান দিনৰপৰা বা চলিছিল প্ৰস্তুতি। অলকেশে কেনেবাকৈ ধৰি ল'লে নেকি যে এই অপেক্ষাৰ অন্ত নাই, এই প্ৰস্তুতিৰ একো অৰ্থ নাই। এই অনন্ত অপেক্ষা আৰু দীৰ্ঘ প্ৰস্তুতিৰ মাজেৰে জীৱন পাত অৰ্থহীন অপচয়ৰ বাহিৰে আন একো নহয়। আমি একোৰে উমান নাপালোঁ... নহ'লে হয়তো তাকেই বিষয় কৰি আমি তৰ্কৰ গধূলি এটা পাত কৰিব পাৰিলোঁহেঁতেন। অলকেশক জীয়াই ৰাখিব পাৰিলোঁহেঁতেন নে নাই নাজানো হয়তো তেওঁৰ মৃত্যুৰ এই বাট আৰু অলপ দীঘল কৰিব পাৰিলোঁহেঁতেন...

অলকেশৰ প্ৰথম কিতাপখন প্ৰেছ ক্লাবত উন্মোচন হৈছিল। মোৰ দায়িত্ব আছিল কেইগৰাকীমান অতিথিক তালৈ তেওঁলোকৰ গাড়ীখনেৰে লৈ যোৱাটো। মোৰ মনত আছে, মই নিজৰাপাৰৰপৰা সৌৰভদাক গাড়ীত উঠাই লৈ গৈছিলোঁ। বাটত সৌৰভদাই কৈছিল, "অলকেশৰ কিতাপ ওলাব আৰু তুমি মানুহ গোটাই ফুৰিছা... ভাল লাগিছেহে কথাটো।" কথাটোৰ মহত্ত্ব বা গুৰুত্ব কি আছিল মোক বুজিবলৈ বহু সময় লাগিছিল। কবিতাই মানুহক কাষ চপাই নিয়ে বুলিয়েই বুজি আহিছিলোঁ— মানুহৰো, জীৱনৰো। আমিতো অলকেশৰ কাষতে আছিলোঁ (অন্ততঃ থকা যেনেই লাগিছিল। অলকেশে সেই উপস্থিতি অনুভৱ কৰিছিল নে নাই জানো!), জীৱন কিয় তাৰ কাষৰপৰা আঁতৰি ফুৰিছিল সেই কথা সোধাই নহ'ল...। হয়তো আমিও জীৱনৰ পিছে পিছে ঘূৰ্মুটিয়াই ফুৰিছোঁ আৰু প্ৰতি মুহূৰ্ততে বাগি দি আঁতৰি যোৱাৰ চেষ্টা কৰা জীৱনক কাবু কৰিবলৈ চেষ্টা কৰি থাকোঁ কাৰণেই হয়তো সোধাৰ প্ৰয়োজনো অনুভৱ নকৰিলোঁ। আৰু কেতিয়াও সুধিবও নোৱাৰিম...। হয়তো তেওঁৰ মনৰ যুদ্ধক্ষেত্ৰত আমি অস্ত্ৰ ধৰিবও নোৱাৰিলোঁহেঁতেন। এনেকৈয়ে আৰু কতজনে বা নিজৰ মনৰ যুদ্ধক্ষেত্ৰত নিজৰ সৈতে যুঁজি তেজে তুমৰলি হৈ পৰি আছে আৰু আমি একো উমানেই পোৱা নাই!

অলকেশৰ অবাঞ্ছিত মৃত্যুৰ পাছত বহুতেই অলকেশক বেয়া পালোঁ বুলি কৈছে— কৈছে বেয়া কাম কৰিলে। মই বেয়া অলকেশক বেয়া পাব নোৱাৰোঁ।

কেৱল নতজানু হৈ এবাৰ তেওঁৰ নিশ্চল চকু দুটালৈ অপলকে অলপপৰ চাবলৈহে মন গৈছিল... কিজানি কিবা দেখোঁ... কি বা দেখোঁ!

জীৱনৰ ইপাৰে নোৱাৰিলা... যদি সিপাৰত কিবা আছে, কুশলে থাকিবা বন্ধু। হয়তো আকৌ কেতিয়াবা ক'ৰবাত লগ পাম। আৰু আমাৰ চকুত যদি অক্ষত ৰাখিব পাৰোঁ সুদিনৰ স্বপ্ন তোমাকনো তাৰ মাজত কেনেকৈ নেদেখাকৈ থাকিম?

·

# অলকেশ, আপোনাৰ বাবে মই সুখী

## মৈত্ৰেয়ী পাটৰ

কিছুমান মানুহ আমাৰ জীৱনত থাকে। তেওঁলোক ক'ত কেতিয়া কি পৰিস্থিতিত আমাৰ জীৱনত সোমাই পৰিছিল সেয়া আমাৰ স্পষ্টকৈ মনত থাকে। অথচ আমাৰ দৈনন্দিনৰ হিচাপৰ কেন্দ্ৰত তেওঁলোক নাথাকে। তেওঁলোকৰ সৈতে আমাৰ এক-ডেৰ বছৰৰ 'নিয়মিত' ব্যৱধানত কথা হয়। 'লাইফ আপডেট' বা জীৱনৰ শেহতীয়া ঘটনাৰাজিৰ খতিয়ান লৈ সেইখিনি মচি-কাচি সুন্দৰকৈ মনৰ আলমাৰিত তলা মাৰি সাঁচি থৈ দিয়া যায়। এবছৰমানৰ পাছত খতিয়ানখিনিৰ 'ছেল্‌ফ লাইফ' বা আলমাৰিৰ জীৱন শেষ হওঁ হওঁ অৱস্থাত এই জীৱনৰ মানুহবোৰলৈ আমাৰ আকৌ ফোন অথবা ভৰি ঘূৰে। নিৰ্দিষ্ট এটা কক্ষপথত এই 'নিয়মিত' কাৰবাৰটোৰ চকৰি ঘূৰি থাকে। জীয়াই থকাটো দৰাচলতে এটা hoax, এটা ভ্ৰমৰ গুটি, যিটো নৰমনিচে চোবাব লাগিবই— এনেধৰণৰ এক থূলমূল সত্যৰ আভাসেৰে জীৱনটো মোটামুটি সহ্যকৰ বুলি এই মানুহখিনিৰ অশৰীৰী উপস্থিতিয়ে এটা আশ্বাস দি থাকে।

তাৰ মাজতে তৰা খহি পৰাৰ দৰে কোনোবা এজন খহি পৰে। নেদেখোঁ। খবৰ পাওঁ। হঠাতে আমাৰ মনত পৰে— খতিয়ানৰ ছেল্‌ফ লাইফ শেষ হ'বৰ হৈছিল জানো? ততাতৈয়াকৈ আমি হাতত থকা সকলো তাৰিখ-তথ্য চালি-জাৰি চাওঁ। Data কিছুমানে আমালৈ ছেটেলাইট-তৰাৰ দৰে অপলক তিৰ্‌বিৰণিৰে চাই থাকে— 'নিয়মিত' কথা-বতৰাৰ অন্তৰ্গত ভৱিষ্যৎ আঁচনিবোৰ, কবিতাৰ দৰে দৈনন্দিন বা দৈনন্দিনৰ দৰে কবিতাই দিয়া আঘাত-উপশম, তাক স্বীকাৰ কৰি নত হোৱা স্বাভিমান, ফাঁকে ফাঁকে সৰকি অহা আত্মব্যংগ, হাঁহি, বিষাদ, চকুলো, চেষ্টা, আশা, গান— আমি data খুঁচৰোঁ। বাৰম্বাৰ data পঢ়োঁ। কিবা ৰৈ গৈছিল নেকি? কথাৰ মাজে মাজে ক'ৰবাত ছাঁ-পোহৰৰ আঁচ এডাল থাকি গৈছিল নেকি? হঠাৎ আমাৰ

খং উঠে— অসহায়তা, ব্যৰ্থতা, অপৰাধবোধৰ বৰষুণে তিয়াব নোৰৰাকৈ খঙৰ চাদৰখন টানি-টুনি উৰি লওঁ। আৰু ভালেদিন পাছত, কোনো এক শুকান দিনত আমি কান্দো। অত্যন্ত অসহ্যকৰ বুলি জানিও খবৰ হৈ আমাৰ গুৰিলৈ অহা মানুহবোৰৰ শেষ খতিয়ানৰ সৈতে জীয়াই থকাৰ ভ্ৰমৰ গুটিটো আকৌ এবাৰ গিলি পেলাওঁ আৰু তেওঁলোকৰ মুক্তিত সুখী হওঁ।

অলকেশ, আপোনাৰ বাবে মই সুখী।

# প্ৰজ্ঞাৱান বন্ধু অলকেশ কলিতা

## ডঃ অমৃত কুমাৰ উপাধ্যায়

সৌ সিদিনালৈকে বৌদ্ধিক আড্ডাত মচগুল হৈ থকা ঘনিষ্ঠ বন্ধু এগৰাকীৰ স্মৃতিলেখা লিখিবলগীয়া হোৱাত মনটো বেদনাবিধুৰ হৈ পৰিছে। ১৭ বছৰ ধৰি অলকেশৰ লগত আন্তৰিক সম্পৰ্ক আছিল। বিশেষকৈ বিগত পাঁচ-ছয় বছৰে অলকেশৰ লগত বহু বিষয় সন্দৰ্ভত কথা-বতৰা হ'লোঁ। অলকেশে মোক জ্ঞান আৰু প্ৰজ্ঞাৰ নতুন নতুন স্তৰলৈ লৈ গৈছিল। কবি হিচাপে অলকেশৰ সুকীয়া পৰিচয় আছে। এই কথা সকলোৱে জানে। কিন্তু মই তাৰ বৌদ্ধিক স্তৰ তথা প্ৰজ্ঞাক কবিতাতকৈ বেছি সম্ভ্ৰম দৃষ্টিৰে চাওঁ। বিশেষকৈ সাহিত্যতত্ত্ব আৰু দৰ্শনৰ বহু বিষয়ত তাৰ যি গভীৰ আৰু নিৰ্ভৰযোগ্য জ্ঞান সেইখিনি সদায় শ্ৰদ্ধাৰে সুঁৱৰিম। অলকেশৰ তিনিখনকৈ কাব্যগ্ৰন্থ ক্ৰমে *আৰু এটা বিধুৰ বেলা, পৰাস্মৃতি, নিষ্ফল উৎসৱ* প্ৰকাশ কৰি মই গৌৰৱ অনুভৱ কৰিছোঁ। অলকেশ আজি কায়িকভাৱে নাই কিন্তু কবিতাৰ মাজেৰে অসমৰ পঢ়ুৱৈৰ মাজত সি সদায় থাকিব। অলকেশৰ লগত হোৱা বৌদ্ধিক আড্ডাৰ সময়বোৰ মোৰ বুকুৰ নিভৃত কোণত সদায় অনুৰণিত হৈ থাকিব। অলকেশৰ প্ৰজ্ঞা মোৰ জীৱনযাত্ৰাৰ পাথেয় হ'ব।

# আকাশক ছাতিৰ কি দৰকাৰ

## কিশোৰ মনজিৎ বৰা

অলকেশ কলিতাৰ লগত মোৰ সম্পৰ্ক হৈছিল কবিতাৰে। পিছলৈ কবিতা, অলকেশ, ধীমান বৰ্মন আৰু মই বহু সময়ত এটা কেন্দ্ৰত নিৰিষ্ট হৈ পৰিছিলোঁ। সুদীৰ্ঘ সময়জুৰি আমাৰ মাজত আত্মীয়তা আৰু আলোচনাৰ নেপথ্য বিন্দু আছিল কাব্যঋষি নীলমণি ফুকন। আচলতে আমাৰ সমসাময়িক আন বহু তৰুণ কবিৰ দৰেই আমি তিনিজনো নীলমণি ফুকন ছাৰৰ হাতত ধৰি উঠি অহা কবি। স্বৰূপতে একে গুৰুৰ শিষ্য হিচাপে আমাৰ আদৰ-কায়দা আৰু ভাব-আদৰ্শৰ ব্যাপক মিল আছিল।

বন্ধু ধীমানৰ বিয়াত মই শিৱসাগৰৰপৰা পাঠশালালৈ গৈছিলোঁ। তাত বহু কবিৰ লগতে ঘনিষ্ঠকৈ লগ পাইছিলোঁ নীলিমদাক, মানে নীলিম কুমাৰক। লগত অলকেশ। আমাৰ লগৰ বহুকেইজনে (মই পঢ়িছিলোঁ নে মনত পৰা নাই) নীলিমদাৰ ঘৰত তেখেতৰ মাতৃৰ সন্মুখত কবিতা পঢ়িছিল। নীলিমদাৰ ছোৱালীয়েও (খুব সম্ভৱ মিচিকি) এটা কবিতা মাতিছিল। বন্ধু অলকেশ ধীমান বৰ্মনৰ ছাতি ধৰা সখী আছিল। ৰাতি বাছত কইনা আনিবলৈ যাওঁতে আমি কি ৰং-ৰহইচ কৰিছিলোঁ!

মোৰ কেইজনমান মাথোঁ বন্ধু-বান্ধৱৰ ভিতৰত অলকেশ আছিল এনে এজন যি ব্যাকৰণ নলগোৱাকৈ কথা পাতিব পৰাবিধৰ। অকৃত্ৰিমভাৱে আমি কথা পাতিছিলোঁ। অৱশ্যে অলকেশৰ লগত ব্যক্তিগতভাৱে ৫/৬বাৰতকৈ অধিক সাক্ষাৎ হোৱা নাছিল। ফোনত কথা পাতিছিলোঁ। তাকো সেৰেঙাকৈ। মোৰ কবিতাৰ এজন অন্তৰংগ অনুৰাগী আছিল অলকেশ। এবাৰ *গৰীয়সীত* প্ৰকাশিত মোৰ 'চণ্ডীগড়ত চকুপানী' (খুব সম্ভৱ) পঢ়ি কৈছিল— "তোমাৰ চহৰৰ পটভূমিত লিখা কবিতাবোৰ বেছি ধুনীয়া হয়।" এইটো মই লক্ষ্য কৰা নাছিলোঁ। অলকেশে কৈ দিয়াত এটা অনুপ্ৰেৰণা পালোঁ। একবিংশ শতিকাৰ প্ৰথম দশকত আত্মপ্ৰকাশ কৰা আমাৰ সময়ৰ ৮/১০জন প্ৰতিভাশালী

তৰুণ কবিৰ ভিতৰত জাকত-জিলিকা এজন আছিল অলকেশ— অলকেশ কলিতা। প্ৰচুৰ অধ্যয়নশীল আছিল অলকেশ। ভাবুক প্ৰকৃতিৰ। সৰল আৰু নিমাখিত ধৰণৰ। আধুনিকতাৰ লগতে ৰোমাণ্টিক শব্দশৈলীৰ বয়নে সমৃদ্ধ কৰিছিল অনেক কবিতা। অলকেশৰ এটা সুকীয়া standard আছিল। সেই মান বা standard প্ৰতিটো কবিতাতে ধৰি ৰাখিবলৈ সক্ষমো হৈছিল। কিন্তু বহু সময়ত তথাকথিত সমালোচকে অলকেশক আৰু আমাৰ সময়ৰ প্ৰায়কেইগৰাকী মেধা কবিক একাষৰীয়াকৈ থৈছিল। হয়তো এই কবিকুলৰ তীব্ৰ আত্মসন্মানবোধ আৰু 'আত্ম দীপো ভৱ' মনোভাবৰ বাবেই। তৈলমৰ্দন আৰু বঁটা-বাহনৰ বাবে লালায়িত নহৈ এওঁলোকে এখন স্বকীয় ভুৱন নিৰ্মাণ কৰি লৈছিল।

অলকেশ বহল হৃদয়ৰ কবি আছিল। মোৰ *বিস্মৃত উপত্যকা* কিতাপখন আৰু তাৰ *নিষ্ফল উৎসৱ* একেলগেই ওলাইছিল। মোৰ কিতাপখনৰ বাবে শেষৰ ফালে অলকেশে সক্ৰিয়তা দেখুৱাইছিল। লগৰ কবি এজনৰ কিতাপৰ বাবে আনজনে কৰা এনে সহযোগিতা সতকাই চকুত নপৰে।

গুৱাহাটীত বসবাস কৰা কবি হৈও অলকেশৰ প্ৰাণত গাঁৱৰ জীৱনৰ প্ৰতি টান আছিল। আচৰণ আৰু কাব্যভংগীতো গ্ৰামীণ সুষমাই ঠাই পাইছিল। এবাৰ *যাত্ৰা* আলোচনীলৈ মই আৰু চন্দন গোস্বামীয়ে তাৰ এটা সাক্ষাৎকাৰ বিচাৰিছিলোঁ। এই সাক্ষাৎকাৰটো তাৰ স্বকীয় কাব্যভাবনাৰ দলিল আছিল। অৱশ্যে এজন সম্পাদকে দিব নিবিচৰাত নিবন্ধটো আলোচনীখনত প্ৰকাশ নাপালে। দুখটো মোৰ আজিও থাকি গ'ল। মোক মাৰ্জনা কৰিবা বন্ধু!

লোকসভা নিৰ্বাচনৰ দায়িত্বত থাকোঁতে সিদিনা বন্ধু ধীমানৰ এটা পোষ্ট হঠাৎ দেখিলোঁ— কবি অলকেশ আৰু নাই! হতভম্ব হ'লোঁ, কিন্তু এটা আখৰো লিখিব নোৱাৰিলোঁ। ঘটনাটোক লৈ বহুতে বহুত মন্তব্য দিছে। যোগাত্মক অথবা বিয়োগাত্মক। বহুতৰ মতে ই জীৱনৰপৰা কৰা এটি পলায়ন। মই অনেক সময়ত নিজকে প্ৰবোধ দিওঁ, অসীম সাহসী মানুহেহে আত্মহত্যা কৰিব পাৰে।

আকাশক কোনে উপেক্ষা কৰিব পাৰে! জন কীটছ, অমূল্য বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালানো কিমান বছৰ জীয়াই আছিল! পৃথিৱীত 'কবিতা' থকালৈকে অলকেশ কলিতা থাকিব। অলকেশৰ ভিন্নস্বাদৰ কবিতাবোৰৰ মাজতে আমাৰ বাবে তেজ-মঙহৰ অলকেশজন প্ৰাণৱন্ত হৈ থাকিব। শেষত এমিলি ডিকিনচনৰ ভাষাতেই কওঁ—

" Because I could not stop for Death—
He kindly stopped for me—
The Carriage held but just Ourselves— '

# অলকেশক যিদৰে পাইছিলোঁ...

## মনালিছা শৰ্মা

"নমস্কাৰ মনালিছা শৰ্মা, মই অলকেশ কলিতা।"

চিনাকিৰ প্ৰথম মাতষাৰ এনেকৈয়ে দিছিল অলকেশে— আমাৰ গুগল মিটত হোৱা অনলাইন অনুষ্ঠান এটাত। কবি হিচাপে বহু আগৰেপৰাই চিনি পাইছিলোঁ দুয়ো দুয়োকে কিন্তু আমাৰ কথা-বতৰা পতা হোৱা বৰ বেছি পুৰণি দিনৰ কথা নহয়।

ক'ৰোনা কালত আমি কোনেও কাৰো মুখ নেদেখা, লগ নোপোৱা হোৱাৰ বিষণ্ণতাই সকলোকে আৱৰি থকাৰ সময়তে আমাৰ কবি বান্ধৱী মন্দিৰাই কেৱল ৯জন কবি বন্ধু-বান্ধৱী গোটাই এটা Whatsapp group খুলিছিল, য'ৰপৰা গুগল মিটৰ জৰিয়তে আমি প্ৰতি শনিবাৰে লগ হৈছিলো বিভিন্ন বিষয়ে আড্ডা পাতিবলৈ।

আৰম্ভণি তাতেই হৈছিল ।

এদিন আড্ডাৰ বিষয় আছিল 'মানসিক স্বাস্থ্য'।

সেইদিনা অলকেশে নিজে নোকোৱা হ'লে হয়তো মই কোনোদিনে গমেই নাপালোহেঁতেন যে সি 'স্কিজোফ্ৰেনিয়া' ৰোগত যোৱা ১৭ বছৰৰপৰা আক্ৰান্ত। সি এনেকৈ নিজকে সংযত কৰি সামৰি ৰাখিছিল যে তাৰ ব্যৱহাৰত একোৱেই ধৰিব পৰাৰ ক্ষমতা নাই কাৰো।

সেইদিনাৰ আড্ডাত সি কিমান যে মন খুলি কথা কৈছিল ! আমি আটাইকেইজনে মৌন হৈ কেৱল শুনি গৈছিলোঁ আৰু বহু নজনা কথা শিকি গৈছিলোঁ।

উল্লেখযোগ্য যে সেই সময়ত ময়ো ব্যক্তিগত কাৰণ এটাত ভীষণভাৱে হতাশাৰ স্বীকাৰ হৈছিলোঁ। চৰম হতাশাৰ লক্ষণবোৰে মোক আগুৰি ধৰি আছিল, তথাপি মই আকৌ স্বাভাৱিক হ'বলৈ, সুস্থ হ'বলৈ বিচাৰি আছিলোঁ। ঠিক সেই সময়তে অলকেশৰ

সেই কথাবোৰে মোক যেন বাট দেখুৱাইছিল। মই কেৱল কৈছিলোঁ তাক যে মই তোমাক ফোন কৰিম, এইবিষয়ে মোৰ আৰু কিছু জানিবলৈ আছে।

সি হয়তো বুজি পাইছিল কিবা। পিছদিনাখন সি নিজেই ফোন কৰিছিল। হতাশাৰ আৰম্ভণিৰ লক্ষণবোৰ কওঁতে সি মোক বাট দেখুৱাইছিল মই আচলতে কি কৰিব লাগিব।

হয় মানি লওঁ— বহু ডাক্তৰতকৈ অভিজ্ঞতাৰে পুষ্ট ৰোগী এজনে ৰোগটোৰ বিষয়ে বহুত বেছি জানে।

ঠিক তাৰ পাছৰেপৰা আমি প্ৰায়ে কথা পাতিবলৈ ধৰিলোঁ। সেই কথাবোৰো যেন কোনো থেৰাপীৰ দৰেই আছিল।

অলকেশকে প্ৰথম এজন এনেকুৱা মানুহ দেখিছিলোঁ, যিয়ে নিজৰ লগতে হোৱা ৰোগটোৰ বিষয়ে নিজেই ইমান গৱেষণা কৰি পেলাইছিল যে কথা নাপাতিলে কোনেও বুজিব নোৱাৰিলেহেঁতেন। আচৰিত হৈছিলোঁ তাৰ অধ্যৱসায়, মেধা আৰু পৰিপক্কতা দেখি।

তাৰ সৰুকালৰপৰা আটাইবোৰ কথাই মোক কৈছিল। ৰোগটোৰ আৰম্ভণিৰ কথা, তাৰ পাছৰ পৰ্য্যায়ৰ কথা, আনকি কৈ থকাৰ সময়ৰ মানসিক অৱস্থাত হৈ থকা illusion-ৰ কথাও।

তাৰ লগত থকা আটাইতকৈ ভাল লগা স্মৃতি হিচাপে হয়তো মোৰ এটাই কথা থাকিব— সি প্ৰায় সদায়ে কৈছিল, "মনালিছা, মোৰ এনেকুৱা লাগে তুমি যেন মোক বিশ্বাস কৰা। সেয়ে তোমাক কথাবোৰ একো লুক-ঢাক নকৰাকৈ কৈ দিওঁ।"

অতিপাত কৃষ্ণভক্ত আছিল সি। কৃষ্ণক যেন ধাৰণ কৰিছিল। সি তাৰ ভগৱত প্ৰাপ্তি হোৱাটো কামনা কৰি থাকিছিল। ভগৱত প্ৰাপ্তিৰ পাছত হেনো জীয়াই থকাৰো একো কাৰণ নাথাকে, সেয়াও কৈছিল। সদায় এক/ ডেৰ ঘণ্টাকৈ কৃষ্ণৰ ধ্যান কৰিছিল সি।

কবিতাৰ ক্ষেত্ৰতো তাৰ হাত আছিল নিখুঁত আৰু দক্ষ। অপ্ৰিয় যদিও সঁচা কথা, বহু অগ্ৰজ আৰু পৰিচিত কবিৰ তুলনাত অলকেশৰ কবিতা অধিক উচ্চমানৰ আছিল। কিন্তু তাৰ কবিতাই যিমান আচলতে পাব লাগিছিল বহুক্ষেত্ৰত যেন সিমান সামাজিক স্বীকৃতি নাপালে। এয়া কিছুমান মানুহৰ ঈৰ্ষা, হিংসা নে আন কিবা— ঠিক ধৰিব পৰা নাযায়। কিন্তু সি দুই-এজনৰ নাম ধৰকৈ কৈছিল মোক যাৰ বাবে তাৰ কবিতাৰ কেৰিয়াৰত ব্যাঘাত হোৱা বুলি সি ধাৰণা কৰিছিল।

মই তাক আলোচনীবোৰলৈ কবিতা পঠিয়াবলৈ কৈ থাকিছিলোঁ। কেতিয়াবা পঠিয়াইছিল, কিন্তু খুব কম। আলোচনীবোৰে তাৰ কবিতা প্ৰকাশ নকৰে বুলি সি এটা ধাৰণা কৰি লৈছিল।

অথচ তাৰ কাব্য সংকলনবোৰত অমৰ হৈ থাকি গ'ল প্ৰতিটো কবিতাই, যিবোৰৰ হয়তো ভৱিষ্যতে বহু বেছি মূল্যাংকন হ'ব।

অলকেশ কলিতা— মই মোৰ জীৱনত লগ পোৱা আটাইতকৈ ভদ্ৰ, নম্ৰ, অমায়িক, বয়সতকৈ অধিক পৰিপক্কতা আৰু মেধাৰে সমৃদ্ধ ল'ৰাজনৰ কথা কৈ থাকিলে শেষ কৰিব নোৱাৰি। মোৰ জীৱনত বহুত কম সময়ৰ বাবে অহা এজন শ্ৰেষ্ঠ বন্ধু যিয়ে বহু কথাই মোক ওৰেটো জীৱনলৈ শিকাই গ'ল।

বহু কথা পতা হ'ল আৰু বহু কথাই পাতিবলৈ থাকি গ'ল !

নিশ্চয় আকৌ কোনোবাদিনা ক'ৰবাত আমি লগ হ'ম, হিয়া উজাৰি কথা পাতিম, হাঁহিম, কবিতা পাঠ কৰিম আৰু সেই পাঠশালাৰ কবিতাৰ অনুষ্ঠানটোৰপৰা উভতি আহোঁতে শৰাইঘাটৰপৰা দেখা হেঙুলীয়া বেলিটোৰ কিৰণে আমাৰ প্ৰিয় ব্ৰহ্মপুত্ৰৰ পানীত কৰা সোণোৱালী তিৰ্‌বিৰণি চাই গোৱাৰ দৰে আটাইবোৰে পুনৰ সমস্বৰে গাম—

"অস্ত আকাশৰে সপোন ৰহণ সানি
ক্লান্ত লুইতৰে হেঙুলীয়া পানী
বৈয়ে যায় বৈয়ে যায় বৈয়ে যায়..."

# যিজনে দুবছৰমান আগতে আমাক বুজালে, তেওঁ নিজে কালি অবুজন হৈ গুচি গ'ল...

**মামণি দাস**

কবি অলকেশ কলিতাৰ লগত লকডাউনৰ সময়ত এটা হোৱাটছ্এপ গ্ৰুপত আছিলোঁ। ধীমান বৰ্মন, প্ৰাঞ্জল তালুকদাৰ, মৈত্ৰেয়ী পাটৰ আৰু কেইজনমান আমি কবিবন্ধু; য'ত আমাৰ ভাৰ্চুৱেল স্ফূৰ্তিবাজ আড্ডা দিয়াৰ লগতে গঠনমূলক আলোচনাও চলিছিল। এদিন আলোচনাৰ বিষয় ওলাল মানসিক স্বাস্থ্য। কবি অলকেশ কলিতাই কোনবোৰ symptoms হ'লে কি কি বুলি কয় আৰু কি কি কৰিব লাগে সেয়া বহু সময় আমাক বুজালে। তেতিয়ালৈ বহু terms ইমান সূক্ষ্মভাৱে অন্ততঃ আমি জনা নাছিলোঁ। মন্ত্ৰমুগ্ধৰ দৰে তেওঁৰ বিশ্লেষণ আমি ছজনে কেৱল শুনি গৈছিলোঁ। তেওঁ কৈছিল যে তেওঁ নিজেও বহু বছৰ চিকিৎসা লৈ আছে আৰু এতিয়া বহুখিনি আৰামো পাইছে।

মানুহে কয় মানসিক স্বাস্থ্যৰ অৱনতি ঘটিলে অভিজ্ঞজনৰ কাষ চাপিলে ভাল হয়, চিন্তাৰ কাৰণ নাই। কিন্তু যিজন মানুহে দুবছৰমান আগত আমাক বুজালে তেওঁ নিজে কালি অবুজন হৈ গুচি গ'ল। অন্ততঃ এটা কথা বুজিলোঁ যে চিকিৎসাই নিয়ন্ত্ৰণহে কৰিব পাৰে মুক্তি দিব নোৱাৰে। চৰম হতাশাত লেটি খাই থকা মানুহক যদি হতাশাৰ কাৰকসমূহে কামুৰি এৰি দিয়া নাই, সিবোৰে যদি পিশাচৰ দৰে খেদি ফুৰিছে তেন্তে তেওঁ বৰ যাতনাত দিন কটাই থাকে।

কাৰণ নাজানো যিহেতু মতামত দিয়াৰ একো অধিকাৰ নাই। আৰু গুচি যোৱাজনক ফেচবুকলৈ আহি কাপুৰুষ, পলাতক বুলি লিখিবলৈ অহাটোও মোৰ দৃষ্টিত একেবাৰেই অনৈতিক কাম। অকণমান পাৰিলে অনুভূতিশীল হওক। কাষত থাকক। নোৱাৰিলেও অন্ততঃ কাকো আঘাত নিদিব। কালিৰ ঘটনাটোৱে আমাক বহুতকে জোকাৰি গ'ল। সকলো দৈনন্দিন কামেই কৰি আছোঁ অথচ বাৰে বাৰে মগজুলৈ কথাবোৰ আহি আছে।

# বন্ধুৰ সোঁৱৰণত...

## ৰাজীৱ ডেকা

১৯ এপ্রিল, ২০২৪ৰ দিনৰ ১১মান বজাত কলেজীয়া বন্ধু ৰিদীপ বড়াই ফোন কৰি খবৰটো দিছিল যে তুমি আৰু নাই। কিছু সময়ৰ বাবে মোৰ মুখৰ মাত নোহোৱা গৈছিল। একো ক'ব পৰা নাছিলোঁ ৰিদীপক। মই গোটেই মানুহটো কঁপিবলৈ ধৰিছিলোঁ। একেবাৰেই অনাকাংক্ষিত আছিল খবৰটো। বিশ্বাস কৰিবলৈ টান আছিল মোৰ বাবে। অকল মোৰ বাবেই নহয়, বাকীসকলৰো নিশ্চয় একে দশাই হৈছিল।

২০০৫ চনত যেতিয়া মালিগাঁৱৰ ললিত চন্দ্ৰ ভৰালী কলেজত বি এছ-চি পাঠ্যক্ৰমত নামভৰ্তি কৰিছিলোঁ, তোমাক সহপাঠী হিচাপে পাইছিলোঁ। এদিন-দুদিনকৈ সময়বোৰ আগবাঢ়িছিল, আমাৰ মাজৰ বন্ধুত্বও লাহে লাহে গভীৰ হ'ব ধৰিছিল। ক'ব নোৱৰাকৈয়ে তুমি-মই আৰু আমাৰ সতীৰ্থসকল একাত্ম হৈ পৰিছিলোঁ কলেজৰ ইলেকট্ৰনিক্স ডিপাৰ্টমেণ্টৰ শ্ৰেণীকোঠাত। কমলদাৰ হোটেলত, ঔৰ তলত নাইবা বাছষ্টেণ্ডত গঢ়ি উঠিছিল মধুৰ কলেজীয়া আড্ডা। কেতিয়াবা কলেজৰ শেষত কামাখ্যা নাৰ্ছাৰীৰ পাহাৰৰ ওপৰত থকা মোৰ ভাৰাৰুমত আমি বহিছিলোঁ।

প্ৰথম বৰ্ষৰ শেষৰ পিনে আমাৰ পাঠ্যক্ৰম আধাৰিত প্ৰজেক্ট হিচাপে সকলোকে ৫ ভ'ল্টৰ এটা পাৱাৰ ছাপ্লাই ইউনিট বনাবলৈ দিয়া হৈছিল। তুমি আৰু মই এদিন গোটেই দিনটো মোৰ ভাৰাঘৰত বহি আমাৰ দুয়োৰে বাবে দুটা পাৱাৰ ছাপ্লাই ইউনিট বনাই তৈয়াৰ কৰিছিলোঁ। সেইদিনা কাম কৰি থাকোঁতে বাৰে বাৰে আমাৰ সঁজুলি কিছুমান বেয়া হৈছিল আৰু আমি লাখটকীয়ালৈ দৌৰ মাৰিছিলোঁ নতুন সঁজুলি কিনিবলৈ। মোৰ এতিয়াও মনত আছে সেইদিনা আমি লাখটকীয়ালৈ দুবাৰ অহা-যোৱা কৰিব লগা হৈছিল। মনত বহুত আনন্দ লাগিছিল যেতিয়া আবেলিলৈ আমি সফল হৈছিলোঁ। অঁ আৰু এটা কথা, আমাৰ সহপাঠীসকলৰ ভিতৰত আমিয়েই প্ৰথমতে প্ৰজেক্টটো সফলভাৱে বনাবলৈ সক্ষম হৈছিলোঁ।

কলেজত যেতিয়া আমি সকলোৱে প্ৰেক্টিকেল কৰি থাকোঁ, তোমাক প্ৰায়ে আমি এটা দায়িত্ব দিছিলোঁ। তোমাৰ সন্মুখত ৰোধকৰ বাকচটো ৰাখিছিলোঁ আৰু যেতিয়াই আমাক যি মানৰ ৰোধক লাগে তোমাক চিঞৰি কৈছিলোঁ, অলকেশ অমুক ৰোধকটো লাগে, তমুক ৰোধকটো লাগে। তুমিও ফটকৈ শ শ ৰোধকৰ মাজৰপৰা আমাক লগা ৰোধকটো বাছি দিছিলা। আমাৰ সহপাঠীসকলৰ ভিতৰত Color Code চাই ৰোধকৰ মান উলিয়াবলৈ তুমিয়েই ভালদৰে পাৰিছিলা বাবে এই দায়িত্ব সদায় তোমাৰ ওপৰতেই পৰিছিল। পাকচক্ৰত পৰি মই আৰু তুমি ললিত চন্দ্ৰ ভৰালী কলেজত চাৰি বছৰ পঢ়িব লগা হৈছিল। আমাৰ লগৰবোৰ আমাৰপৰা আঁতৰি গৈছিল উচ্চ শিক্ষা ল'বলৈ। সেই বছৰটোত আমি বহুত অকলশৰীয়া হৈ পৰিছিলোঁ। তুমি প্ৰায়ে কলেজৰ শেষত মোৰ ৰুমলৈ আহিছিলা। তোমাৰ বেগত এখন কবিতাৰ বহী লৈ ফুৰিছিলা, তাত থকা কবিতাবোৰ তোমাৰ আছিল। কবিতাৰ ভাষা মোৰ বোধগম্য নাছিল, কিন্তু তুমি মোৰ বিছনাখনত বহি বেগটোৰপৰা কবিতাৰ বহীখন উলিয়াই কৈছিলা, ডেকা আজি তোমাক এটা কবিতা শুনাম। তোমাৰ আগ্ৰহ দেখি ময়ো নীৰৱে তোমাৰ কবিতা শুনিছিলোঁ। এদিন তুমি গুৱাহাটীত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণক লৈ লিখা কবিতা এটা শুনাইছিলা। মই সেইদিনা তোমাৰ শব্দৰ প্ৰয়োগ দেখি তবধ মানিছিলোঁ। তোমাৰ কবিতাবোৰ পুথি আকাৰত প্ৰকাশ হোৱাৰ বহু আগতেই শুনাৰ সৌভাগ্য মোৰ হৈছিল যদিও এটা দুখৰ বিষয়, তোমাৰ এখনো কবিতা পুথি মোৰ লগত নাই, মানে মোৰ কিনা নহ'ল। তুমি ফেচবুকযোগে তোমাৰ কবিতা পুথি প্ৰকাশ পালে জনাইছিলা। কিন্তু কোনোদিনে কিনা নহ'ল। মাফ কৰি দিবা বন্ধু। কামাখ্যা নাৰ্ছাৰীৰ পাহাৰৰ ওপৰত থকা মোৰ ভাৰাৰুমটোৱে আমাৰ বন্ধুত্বৰ বহু কথাৰ সাক্ষ্য আজিও নীৰৱে বহন কৰি আছে। বহু কথা আজি লিখিব খুজিলেও মই লিখিব নোৱাৰোঁ।

স্নাতক প্ৰথম বৰ্ষতে ডিচেম্বৰ মাহত আমি কেইজনমান বন্ধু লগ হৈ চেৰাপুঞ্জীলৈ পিকনিক খাব গৈছিলোঁ। পিকনিকলৈ যোৱাৰ আগদিনা ৰাতি মোৰ ৰুমত এডাল মমৰ পোহৰত তুমি, দীপজ্যোতি ডেকা আৰু ৰাজীৱ তালুকদাৰে ভাত খাইছিলা। ভাত খাই থকা অৱস্থাত মই এখন ফটো লৈছিলোঁ। ফটোখন দীপৰ ওচৰত এতিয়াও আছে। চাপানলা পিকনিকৰ ফটোবোৰ মোৰ কম্পিউটাৰত আজিও সংৰক্ষিত হৈ আছে।

তোমাক গুৱাহাটী বিশ্ববিদ্যালয়তো পালোঁ। কিন্তু আমাৰ ডিপাৰ্টমেণ্ট সলনি হ'ল। তথাপি আৰ্টছ কেণ্টিনৰ সন্মুখত আমি মাজে-সময়ে লগ হৈছিলোঁ। কথা

পাতিছিলোঁ। বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে তুমি ৰয়েল এনফিল্ড ক্লাছিক-৫০০ মটৰচাইকেল এখন লৈ ঘৰৰপৰা অহা-যোৱা কৰিছিলা। ময়ো প্ৰথমবাৰৰ বাবে এনফিল্ড চলোৱাৰ সুযোগ পাইছিলোঁ তোমাৰ বাবেই। বিশ্ববিদ্যালয়ত ফটোগ্ৰাফী প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পাইছিলোঁ। তাতো তোমাৰ অৰিহণা আছিল। ফটোৰ কেপচনবোৰ লিখাত তুমি মোক যথেষ্টখিনি সহায় কৰিছিলা। বিশ্ববিদ্যালয়ৰপৰা ওলোৱাৰ পাছত মই দুবছৰমান গুৱাহাটীতে আছিলোঁ। মাজে-সময়ে আমি লগ হৈছিলোঁ। বিশেষকৈ ৰিদীপ বড়াৰ বড়িগাঁৱৰ ভাৰাঘৰত আমাৰ আড্ডা বহিছিল। চানমাৰি অভাৰব্ৰিজতো কেতিয়াবা কেতিয়াবা আমি লগ হৈছিলোঁ। পাছত কৰ্মৰ খাতিৰত মই মঙলদৈলৈ উভতি আহোঁ যদিও ফোনযোগে আমাৰ যোগাযোগ হৈছিল। মাজতে দুবাৰমান গুৱাহাটীলৈ যাওঁতে লগ পাইছিলোঁ। ফোন কৰিলে আমি প্ৰায় ঘণ্টাজোৰাকৈ কথা পাতিছিলোঁ। কিন্তু এতিয়া যে ফোন কৰাৰ সুযোগকণো হেৰুৱালোঁ।

সুদীৰ্ঘ সময় ধৰি তোমাক বন্ধু হিচাপে পালোঁ, তোমাৰ ওচৰত মই চিৰকৃতজ্ঞ। তোমাৰ দৰে বন্ধু সকলোৰে ভাগ্যত নাথাকে। তোমাক এদিনো খং কৰা নেদেখিলোঁ। তোমাৰ দৰে নম্ৰ হ'বলৈ আমি নোৱাৰিলোঁ। মানসিকভাৱে তুমি যথেষ্ট শক্তিশালী আছিলা। তুমি যুঁজি যুঁজি হাৰ মানিবা বুলি কাহানিও কল্পনা কৰা নাছিলোঁ। বহু কথাই থাকি গ'ল, লিখা নহ'ব কেতিয়াও। স্মৃতিবোৰ সদায় সজীৱ হৈ থাকিব আমাৰ অন্তৰত। তোমাৰ আত্মাই শান্তি লাভ কৰক বন্ধু।

# আৰু এটা বিধুৰ বেলা

## দিগন্ত নিবিড়

ইয়াৰ পাছত আৰু কিবা আছিল! অথবা নাছিল। যদি কিবা থাকিলহেঁতেন তেন্তে অলকেশ আৰু মই বহি হয়তো আণ্টিৰ দোকানত অথবা অনুভৱত বহি একাপ চাহ খালোঁহেঁতেন। জীৱনৰ আটাইবোৰ নিৰ্ধাৰিত সময়ত হয়তো অলকেশে কিজানি গতানুগতিকতকৈ আগতেই জী উঠিছিল আৰু শব্দৰ পাকেৰে আমাৰ এই বে-দৰ্দী দুনিয়াৰ উচ্ছৃংখল মানৱলৈ এৰি দি গৈছে। আজিও আমি দেখি থকা চিগাৰেটৰ ধোঁৱাবোৰ অকল মাৰাত্মক বেমাৰ এটাৰ কাৰক হিচাপেহে দেখি আছোঁ কিন্তু অলকেশে তাক কাহানিবাই দেৱীৰ বেদীত জ্বলাই থোৱা ধূপ-ধূনাৰ ধোঁৱা বুলি মানি লৈছিল আৰু আমাক কাণে কাণে কৈছিল— "মৃত্যুৰ বাদে জীৱনক দিব পৰা উৎকৃষ্ট উপহাৰ আৰু কি আছে দিগন্ত!"

কবিতা এটাৰ বিশালতাতকৈ অধিক বিস্তৃত ৰূপত যেন অলকেশ চৰাই এটা হৈছিল। মগজুৰ শিপা খুঁচৰি উলিয়াই অনা সময়ৰ মাতবোৰক অলকেশে এটা Universal space-ত বহুৱাইছিল আৰু লিখি পেলাইছিল *ভাস্কৰ, যোৱাবেলিৰ বসন্ত*। কবিতাত ছিৰিয়াছনেছ কি বস্তু অলকেশৰপৰাই শিকিছিলোঁ; শিকিছিলোঁ কবিতাই কিয় কবিৰ মতে কথা নকয়। কবিতাত প্ৰেমৰ শক্তি দেখিছিলোঁ; জীৱনৰ অভিমান দেখিছিলোঁ।

*আৰু এটা বিধুৰ বেলা* লিখি আমাক দি গ'ল এখন শূন্য আকাশ। এটা বিষাদ বেলা।

বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা *ভূমিৰ কবিতা* শীৰ্ষক কবিতাৰ আলোচনীত অলকেশ কবিতা আছিল সম্পাদক। লগত মই। অলকেশৰ ভিতৰত এজন অত্যন্ত সূক্ষ্ম আৰু পক্ষপাতহীন সম্পাদক বৰ্তি

আছিল; সেই কথা দেৱ চৌধুৰী ছাৰ আৰু মই বাৰুকৈয়ে বুজিব পাৰিছিলোঁ। ইংৰাজী সাহিত্যৰ দখলত অলকেশ অদ্বিতীয়।

এতিয়া এইবোৰ কৈ থাকিলে ওলায়েই থাকিব। কিন্তু অলকেশ থাকোঁতে; কবিতা লিখি থাকোঁতে, কবি সন্মিলনত অংশগ্ৰহণ কৰোঁতে, বিশিষ্ট সাহিত্যিকসকলৰ সৈতে বাৰ্তালাপ কৰোঁতে অথবা কোনো এটা বঁটা প্ৰদান কৰোঁতে আমি কেতিয়াও কোনেও অলকেশৰ কথা নাভাবিলোঁ। (ইয়াতকৈ আৰু বৃহৎ ভুল আমাৰদ্বাৰা হোৱাৰ শংকা নাই!)

সেয়ে, এতিয়া কোৱাৰ সময় নহয়, প্ৰশংসাৰ সময় নহয়। এতিয়া অলকেশৰ হৈ কিবা এটা কৰাৰ সময়, অলকেশক আমাৰ মাজত ৰখাৰ সময়। কিছুমান জন্ম আৰু মৃত্যুৰ formality বাদ দি নতুন কিবা এটা কৰিব লাগে যাতে অলকেশে আমাক তাৰ নিচেই কাষতে পায়।

অলকেশ কুশলে থাকক। ঈশ্বৰে তাৰ কবিতা শুনি থাকক।

# অলকেশ ঃ এটি ৰাগ

## দ্বিজেন কুমাৰ দাস

তেওঁলৈ এখন চিঠিত লিখিছিলোঁ— কবিতাৰ ক্ষেত্ৰখনত তেওঁৰ দৰে সহযোদ্ধা এজন আমাৰ সময়তে ওপজাতো আমাৰ পৰম সৌভাগ্য। তেওঁৰ বোধ বিষণ্ণতা আৰু আত্মাৱিষ্কাৰৰ পৰিপক্কতা; বিনয়ী আৰু অধ্যয়নপুষ্ট অনুশীলন; কবিতাৰ প্ৰতি থকা অসীম শ্ৰদ্ধা আৰু গভীৰলৈ কৰা অনুভৱৰ যাত্ৰাই আমাক তেওঁৰ বিমুগ্ধ পাঠক কৰি তুলিলে। ফোনৰ সিটো মূৰৰপৰা অহা সৰল; ফঁহিয়াই কোৱা জটিল বিশ্লেষণৰ ৰূপবোৰ আজিও কাণত স্পষ্ট হৈয়ে আছে। তেওঁক লগ পালোঁ মাত্ৰ ছবাৰ বা সাতবাৰ। কথা পাতিলোঁ বেছি। মোৰ দৃষ্টিত আমাৰ সময়ৰ অতি Sesnsative, honest কবিজন আছিল অলকেশ।

বহু কথাৰে তেওঁ ঋণী কৰিলে। *মেঘ-ঘোঁৰা* কিতাপখনৰ বকলাৰ শেষত লিখি দিয়া কামটোৰেও। সান্নিধ্যৰ এই intertexual ৰূপ বিগত সময়খিনিৰ পৰম প্ৰাপ্তি।

গৃহবন্দীৰ সময়ছোৱাত সাহিত্য আৰু আত্মিক আলাপৰ বাবে ন-দহজনমানৰ এটি হোৱাট্ছএপ গ্ৰুপ আছিল। মনত পৰে— যিকোনো বিষয়ৰ আলোচনাত তেওঁ হৈ পৰে মূল বক্তা। Harmonaization-ৰ এক কাৰবাৰ। উপভোগ কৰিছিলোঁ আৰু ন-দিশ বিচাৰি পাইছিলোঁ।

প্ৰায় ডেৰবছৰ আমি পাতি আছিলোঁ অসমৰ এগৰাকী জ্যেষ্ঠ কবিৰ নিৰ্বাচিত কবিতা সংকলনটোৰ কথা। তাৰ মাজতে তেওঁৰ কৰ্ম ব্যস্ততাৰ অন্য এটা ৰূপ— এনে লাগিল তেওঁৰ অনুভৱী মনটোক কিবা এটাই চেপিছে। আৰু মৃত্যুৰ ন দিন আগত এটা ফোনকল— "মই কামটোত যিমান সময় দিব লাগে পৰা নাই। মই নোৱাৰিম। ইমান দিনলৈ কামটো পেলাই থোৱা উচিত নহ'ব।" তেওঁৰ sincerity-ক অতি শ্ৰদ্ধা কৰোঁ বাবে সিদিনা জোৰ কৰিব নোৱাৰিলোঁ। নহ'ল— তেওঁ কি চিন্তাৰে

আগবাঢ়িছিল সেইখিনি সমাপ্তিলৈ অনা নহ'ল। মাত্ৰ এটা সাঁথৰ— সেয়া কি তেওঁৰ অজুহাত আছিল ?

কবিতাৰে তেওঁ জীয়াই থাকিব। কথাখিনিৰ উপযুক্ত আলোচনা হওক— আশা কৰোঁ। আমাৰ বাবে তেওঁ নিজেই বজোৱা তবলাৰ সংগত বাজি উঠা এটি ৰাগ। গভীৰতাক চুই অইনৰ বাবেও মুকলি অনন্তৰ এটি সুষম সুৰ—

"বৰষুণৰ শব্দৰে মোৰ অৰ্থ মই তোমাক দিলোঁ
বিজুলীৰ পোহৰেৰে মই তোমাক দেখুৱালোঁ মোৰ মানসপট"

ভাই অলকেশ ! বিশেষ লিখিব নোৱাৰিলোঁ। কুশলে থাকিবা।

অলকেশ কলিতা

# সান্নিধ্য সোঁৱৰণ

·

# তোমাৰ প্ৰতিটো শব্দত দেখা পাম তোমাৰ মুখ

## ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী

এক

এঘাৰ মে', পুণে। সন্ধিয়া অকস্মাতে এনে ধাৰাসাৰ বৃষ্টি, কিছু সময়ৰ ভিতৰতে ৰাস্তাত এক আঁঠু পানী, স্কুটাৰ-অ'টো-গাড়ীৰ বিশৃংখল পৰিৱেশ, জপং জপংকৈ স্কুটাৰবোৰ ঠেলি ঠেলি অফিচ ছুটীত ঘৰলৈ ওভতা মানুহবোৰ উভতিছে। মই কুঁচি-মুচি পাৰোৱাল ৰোডৰ দোকান এখনৰ বাৰাণ্ডাত আৰু বহুতৰ সৈতে আশ্ৰয় লৈছোঁ। আকাশখন ফালি গৈছে বিজুলীৰ আঘাতত। ইমান কাণতাল মৰা, বুকু কঁপি যোৱা গাজনি বহুদিন শুনা নাছিলোঁ। ক'ৰবাত বজ্ৰ পৰিছে নিশ্চিতভাৱে। সেই সময়তে ম'বাইলটো বাজি উঠিছিল। ট্ৰু কলাৰত ফণী কলিতা। অলকেশৰ পিতৃ। বজ্ৰ পৰা মানুহৰ দৰেই মই থৰ হৈ ৰৈ গৈছিলোঁ। কিয়বা ফোন কৰিছে? কিয়েইবা ক'ম? এনে লাগিল যেন ম'বাইলৰ স্ক্ৰীনত অলকেশৰ মুখ, যি নাই, অথচ আছে। কিছুমান মুখ কেতিয়াও হেৰাই নাযায়। যেনে অলকেশৰ। সৃষ্টিয়ে তেনে লোকৰ মুখ অহৰহ আঁকি থাকে। অতীতৰ আচৰণে ৰেখাবোৰ অধিক অৰ্থবহ আৰু গভীৰ কৰি দিয়ে। যি অলকেশৰ সংস্পৰ্শলৈ আহিছিল, যিয়ে অলকেশৰ কবিতা পঢ়িছে, তেওঁলোকে জানো চিৰকালৰ বাবে অলকেশক কেতিয়াবা বিস্মৃতিৰ গৰ্ভত নিক্ষেপ কৰিব পাৰিব? অসম্ভৱ।

দুই

অলকেশে স্বইচ্ছাৰে বিদায় লোৱাৰ এমাহ হ'বৰ হ'ল। দেউতাকে অলকেশৰ বিষয়ে এক আষাৰ লিখিবলৈ ক'লে। অপ্ৰস্তুত হৈ কি ক'ম ভাবিয়েই নাপালোঁ।

অলকেশবিহীন দিন আৰু ৰাতিবোৰ কিদৰে সহিছে, সেই কথাও সুধিবলৈ সাহস নহ'ল। এতিয়া ভাবিছোঁ কি লিখোঁ? মই বেছ কিছুদিন অসমৰ বাহিৰত। অলকেশৰ কবিতাৰ কিতাপবোৰ ঘৰত, গুৱাহাটীত আছে। ইয়াততো কিছু স্মৃতিৰ বাহিৰে একোৱেই নাই। বিদায়ৰ সময়ত বিভিন্নজনে লিখা কথাবোৰো বিচাৰিলে হয়তো ফেচবুকত অ'ত-ত'ত পোৱা যাব। সেইবোৰো মনলৈ আনিব বিচৰা নাই। মিছামিছি দুখহে দিব। অলকেশৰ কি হৈ আছিল, একো নাজানিছিলোঁ। পাছতহে জানিছিলোঁ স্বাভাৱিক মানুহৰ যিখন পৃথিৱী, সেইখনৰ বাহিৰেও অলকেশৰ আন এখন পৃথিৱী আছিল। আন বহুতৰে থাকে তেনে এখন পৃথিৱী কল্পনাত, কিন্তু অলকেশৰ বাবে সেই পৃথিৱীখন কল্পনাৰ নাছিল। সেই পৃথিৱীখন অলকেশৰ বাবে আমাৰ সকলোৰে থকা বাস্তৱৰ পৃথিৱীখনতকৈও অধিক বাস্তৱ আছিল, হয়তো চৰিত্ৰবোৰৰ তেজ-মঙহ সকলো আছিল উষ্ণ, সতেজ, হয়তো বাস্তৱৰ জগতখনৰ দৰেই তাত দেৱ-দেৱী আছিল, কিন্তু বাস্তৱৰ দেৱতাৰ দৰে সেইবোৰ মৌন অথবা মণ্ময় মূৰ্তি নাছিল, সেইবোৰ আছিল জীৱন্ত, হয়তো কাষতে আহি বহিছিল, মানুহৰ দৰেই কথা পাতিছিল, হাঁহিছিল, কান্দিছিল। আৰু সেইখন জগতৰ কথা বুজাবলৈ গৈ হয়তো এদিন অলকেশ ভাগৰি পৰিছিল, হতাশ হৈছিল, আচৰিত হৈছিল আৰু তেনে এক ক্লান্ত মুহূৰ্ততে হয়তো বাস্তৱৰ জগতখনত সকলোকে এৰি থৈ এক অভিমানী পৰিব্ৰাজকৰ দৰে অকলশৰেই অলকেশে সমান্তৰাল জগতখনৰ সন্ধানত গুচি গৈছিল।

## তিনি

ঔপন্যাসিকসকলতকৈ কবিৰ বন্ধু বেছি। কবিসকলে একেলগে কবি সন্মিলন কৰে, আড্ডা দিয়ে, সুখ-দুখৰ কথা এজনে আনজনৰ সৈতে শ্বেয়াৰ কৰে। বেছিভাগ কবিৰে মনৰ কথা, ঘৰৰ কথা, জীৱনৰ কথা সেয়েহে সম্পূৰ্ণ গোপন হৈ নাথাকে। বন্ধুবৰ্গই জানে। অলকেশৰ সেই সমান্তৰাল জগতখনৰ কথাও হয়তো সমবয়স্ক বন্ধুসকলৰ কোনোবাই কোনোবাই জানিছিল। কবিতা, গল্প, উপন্যাসটো বহুতেই লিখে। জনপ্ৰিয়ও হয়, স্বীকৃতও হয়, বাঃ বাঃ কলৰৱত উজলিও উঠে। সকলোৰে ভবা কথাবোৰ, ক'বলৈ বিচৰা কথাবোৰ, প্ৰচাৰ কৰিব বিচৰা কথাবোৰ কলাত্মক প্ৰকাশভংগীৰে ক'লেই এজন জনপ্ৰিয় লেখক বা কবি হ'ব পাৰি। কিন্তু তথাপি যেন সেই সৃষ্টি প্ৰকৃতাৰ্থত এক শিল্প হৈ উঠিবলৈ তেতিয়াও বাকী থাকে। কিছুমান লেখক অথবা কবি থাকে, যিয়ে এনে এখন জগতৰ কথা কয়, যিখন কোনোৱে দেখাই নাই, তেওঁ এনে এক দৃষ্টিভংগীৰে জগতখন চায়, যি দৃষ্টিভংগীৰে জগতক চাব পাৰি বুলি মানুহে নাজানেই,

তেওঁ এনে কথা কয়, যিবোৰ কথা কোনেও কেতিয়াবা কোৰা দূৰৈৰ কথা, কোনেও তেনে কথা কেতিয়াও ভবাই নাই। তেনে লোকৰপৰাই সৃষ্টি হয় মানুহৰ চিন্তাৰ জগত আলোড়িত কৰিব পৰা, মানুহৰ কল্পনাক ডেউকা পিন্ধাব পৰা, গতানুগতিক চিন্তাৰপৰা মানুহক মুক্ত কৰিব পৰা ব্যতিক্ৰমী লেখক, কবি। বাকীসকলতো They also ran কেটেগৰীৰ। অলকেশ সেইজন ব্যতিক্ৰমী কবি, যি সকলোৰে যোৱা বাটেৰে যাবলৈ অস্বীকাৰ কৰিছিল।

## চাৰি

বন্ধু-বান্ধৱ থাকিলেও অলকেশ কিজানি আছিল অকলশৰীয়া। অকলশৰীয়া এই কাৰণে নহয় যে তেওঁ অকলে আছিল, এই কাৰণেই অকলশৰীয়া যে তেওঁ যি পেছ্যনেৰে নতুন এখন অনাৱিষ্কৃত চিন্তাৰ জগতত মত্ত হৈ আছিল, তাৰ মৰ্ম কথা বুজা নাছিল, তেওঁৰ কবিতা যে মাথোঁ কাৰোবাক কবি হিচাপে উজলাই তোলা কবিতাৰ বিপৰীতে আছিল এক জীৱন-মৰণ সমস্যা, এক ভয়ংকৰ বিপদসংকুল যাত্ৰা, এক ৰক্তাক্ত যুদ্ধক্ষেত্ৰ, সেই কথা কোনোৱে উপলব্ধি কৰিব পৰা নাছিল। সেইবাবেই অলকেশ আছিল অকলশৰীয়া। উপলব্ধি কৰিব নোৱৰাৰ বাবেই কেতিয়াবা হয়তো তেওঁৰ কবিতাই যথোচিত গুৰুত্ব পোৱা নাছিল, কেতিয়াবা হয়তো অৱহেলিত, কেতিয়াবা উপেক্ষিত হৈ ৰৈ গৈছিল বহুতৰ বোধৰ বাহিৰত। প্ৰতিটো মুহূৰ্ততে এক তীব্ৰ সংবেদনশীল অথবা স্পৰ্শকাতৰ জীৱন যাপন কৰাৰ বাবেই হয়তো এনে সঁহাৰিবোৰে আশা ভংগ অথবা নিৰাশাৰ প্ৰলেপ হৈ অলকেশক হেঁচা মাৰি ধৰিছিল। উশাহ-নিশাহ ল'বলৈ কষ্ট হৈছিল আৰু নিজেও নজনাকৈ অলকেশ গৈ আছিল অকলশৰে, সেই ভয়াৰহ ক্ষণটোলৈ। অলকেশেইতো লিখিছিল—

"হৃদয়ৰ সোঁমাজত আমি
আছোঁ অকলশৰে
শোকৰ খুঁটি খাব নজনা ল'ৰা"

## পাঁচ

কেইবছৰমান আগতে অলকেশৰ মাতৃৰ পুথি এখন উন্মোচনৰ দায়িত্ব পালন কৰিছিলোঁ। ঘৰতো সোমাই আহিছিলোঁ। কেইবাখনো কবিতাৰ পুথি উপহাৰ দিছিল নিজৰ। ইমান গভীৰ, ছিৰিয়াছ, যেন প্ৰতিটো শব্দ, প্ৰকাশভংগীয়েই হ'ব লাগিব নিখুঁত। কবিতাত তৰলতা, চলতা হ্যায় জাতীয় কথাৰ কোনো স্থান নাই। প্ৰতিটো শব্দই যেন

উঠি আহিব লাগিব সমুদ্ৰৰ গভীৰতম গৰ্ভৰপৰা। *ভূমিৰ কবিতা* নামৰ আলোচনীখনৰ (৬) মই মুখ্য সম্পাদক আছিলোঁ, অলকেশ আৰু দিগন্ত নিবিড় সম্পাদক। সেই সময়ত অলকেশৰ সৈতে সঘন সম্পৰ্ক। কবিতাৰ বিষয়ে দীঘলীয়া আলোচনা। বিশ্বৰ ক'ত কি কবিতাৰ আন্দোলন, সম্পৰীক্ষা চলিছে সাৱলীলভাৱে কৈ গৈছিল অলকেশে। মই অজ্ঞ, বিমুগ্ধ শ্ৰোতা। মই মনে মনে ভাবিছিলোঁ কবিতা লিখিবলৈ ইমান ছিৰিয়াছনেছ, ইমান অধ্যয়নৰ প্ৰয়োজননে। অলকেশৰ স্তৰৰ কবিতা লিখাৰ বাবে হয়তো প্ৰয়োজন। সেই কাৰণে অলকেশৰ কবিতাৰ ব্যাপ্তি আৰু গভীৰতাত বিস্ময়াভিভূত হ'ব লাগে। এক শান্ত ছিৰিয়াছনেছ দেখিছিলোঁ অলকেশৰ মাজত। এক অত্যন্ত ইতিবাচক দৃষ্টিভংগীও দেখিছিলোঁ। আনজন সম্পাদকৰ কিছু অসুবিধাৰ বাবে *ভূমিৰ কবিতাৰ* অনিশ্চয়তা দেখা দিয়াত অলকেশে বাৰে বাৰে কৈছিল— চিন্তা নকৰিব, সকলো মই যোগাৰ কৰিম। কৰিছিলেও। সৌৰভ শইকীয়াৰ সাক্ষাৎকাৰ, T. S. Eliot-ৰ What is classic-ৰ কিয়দংশৰ অনুবাদকে ধৰি কেইবাটাও মূল্যৱান লেখা প্ৰস্তুত কৰিছিল। কবিতাৰ ক্ষেত্ৰত অলকেশৰ প্ৰতিভা, ছিৰিয়াছনেছ আৰু উত্তৰণৰ আভাস পোৱা যায় *বগা ফুল আৰু তেজৰ তাপ*ৰপৰা *পৰাস্মৃতি*লৈ পৰিৱৰ্তনবোৰ লক্ষ্য কৰিলে। মুখখন পাহৰিব পৰা নাই অলকেশৰ। জীৱনটো ৰাখিবলৈ হ'লে কিজানি আমি অলপ কম ছিৰিয়াছ হোৱা দৰকাৰ, হয়তো মনটো হ'ব লাগিব কচুৰ পাত; যাতে ধাৰাসাৰ বৃষ্টিৰ পানীও ওপৰেৰে মাথোঁ বাগৰি যায়, বিশেষ একো অপকাৰ নকৰাকৈ, চিহ্ন নৰখাকৈ। মই এই মন্ত্ৰকে সোঁৱৰাই থাকোঁ অহৰহ নিজকে। সকলো থাকে কিন্তু জীৱনৰ কোনো এক বিন্দু অথবা মুহূৰ্তত কোনো নাথাকে। সেই মুহূৰ্তত জীৱনটোক ধৰি ৰাখিবলৈ মনটোক কিদৰে শক্তিশালী কৰা যায়, তাৰ নিশ্চিত উপায় কি আছে নাজানো, কিন্তু তাৰ গত্যন্তৰ নাই।

অলকেশ, তোমাৰ প্ৰতিটো শব্দত দেখা পাম তোমাৰ মুখ।

# নিঃসংগতাৰ কোলাহলৰ মাজত

## ডঃ পূৰ্ণ ভট্টাচাৰ্য্য

মৰমৰ অলকেশৰ ইহ সংসাৰৰপৰা বিদায় মোৰ বাবে অতি অসহনীয় শোক সংবাদ। খবৰটো পাইছিলোঁ সিদিনা নিশা ১০.৩০মান বজাত। মোৰ সৰু ল'ৰাই অসম জাতীয় বিদ্যালয়ৰ শিক্ষক অসীম কৃষ্ণ বৰুৱাৰ ডিজিটেল মাধ্যমৰপৰা পোৱা এটা বাৰ্তাৰ জৰিয়তে। সেই ৰাতি পৰিয়ালটোলৈ ফোন কৰি খবৰ ল'ব পৰা এখন হৃদয় পৰমপিতাই মোক দিয়া নাই। নিজে কেনেদৰে দুখৰে মোকাবিলা কৰোঁ সেয়া একেবাৰে নিজস্ব বিষয় কিন্তু আনৰ অতি দুখৰ সময়ত ততালিকে সেই পৰিৱেশৰপৰা উদ্ভূত পৰিয়ালৰ লোকক উপস্থিতিৰে বা খবৰেৰে ওচৰ চপা মোৰ বাবে কাকো দেখুৱাব নোৱৰা অথচ অসহনীয় এক ভয়াৰ্ত মানসিকতাৰ বিষয়। বিশেষভাৱে যিবোৰ দুখ-শোক সংসাৰৰ জীৱনৰ সবাতোকৈ মৰ্মান্তিক বিষয়, সেইবোৰৰ ক্ষেত্ৰত মোৰ মানসিকতাত গোপনে সঞ্চাৰিত হয় এক মানসিক ভয়। এই ভয়ে যিটো কাম কৰা উচিত বুলি মই জ্ঞান-বিশ্বাসত জানো, সেইটো কাম কৰাৰপৰা মোক সদায় আঁতৰত ৰাখে। সেয়া যে মোৰ দুৰ্বলতা, তাকো মই জানো, কিন্তু জানিও নোৱাৰোঁ। হৃদয়ৰ এই একপ্ৰকাৰ নিঃসংগতাবোধ পৰিৱেশক চম্ভালি ল'ব নোৱাৰিম বুলি ভবা এক ভয় যদিও ডঃ ৰাধাকৃষ্ণনৰ এই বাক্যটো মই শিক্ষকতাৰ জীৱনত ছাত্ৰ-ছাত্ৰীক অতি কমেও পাঁচশটা ক্লাছত পঢ়ুৱাইছোঁ— "মানুহৰ সকলোতকৈ গ্লানিজনিত অনুভূতি হৈছে ভয়।" পুৱা দহ বজাত ফোনটো হাতত লৈও সৰু ল'ৰাৰ দৰে আৰু আঁতৰাই আনি, শেষত মনত অদম্য সাহস লৈ ফোনটো কৰিলোঁ— কি ক'ম। জানো, মই অসমীয়া ভাষাৰে ছাত্ৰ— কিন্তু মোৰ ওচৰত একো ভাষা নাই। কি ক'ম কলিতাক? কি স'তে বুজাম সান্ত্বনাৰ বোধিচিত্ত; প্ৰমীলা বাইদেউ, যাক মই নিজৰ বাইদেউৰ সমজ্ঞান কৰোঁ। আৰু বাইদেৱে মোক তথাকথিত বাস্তৱতাৰ দোহাই দি 'ছাৰ' সম্বোধন কৰিলেও মোক সদায় দেখুৱাই অহা ভাতৃসম মমত্ববোধে মোৰ হৃদয় আলোড়িত

কৰি তুলিছে। পিতৃৰ হৃদয়ৰ কৰুণ অথচ গভীৰ সংযমিত মনোভাবৰ যিমান পাৰি চমু কথা পতাৰ ভিতৰি প্ৰয়াস লৈ এই দুখজনক বাৰ্তাটোৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰি ফোনৰ আৰম্ভণি আৰু শেষ। ফোনটোত সামৰি লোৱাৰ পাছতো বাৰে বাৰে অলকেশৰ মুখখন, তাৰ পাতল বৰণীয়া চোলাটো আৰু বাইদেউৰ মুখখনে অস্থিৰ কৰাৰ মানসিক বিব্ৰত অৱস্থা— এই মুহূৰ্তটো...

পৰিয়ালটোৰ লগত মোৰ সম্পৰ্ক সময়ৰ জোখেৰে দীৰ্ঘদিনীয়া আৰু মনৰ জোখেৰে অতিশয় সুবিমল। মোৰ সুন্দৰকৈ মনত পৰে পিতৃ শ্ৰদ্ধেয় কলিতাদেৱৰ লগত মোৰ প্ৰথম দেখা হৈছিল জিলা পুথিভঁৰাল অথবা ৰবীন্দ্ৰ ভৱনত। জ্যোৎস্না তেতিয়া সৰু; এটা সাহিত্যৰ অনুষ্ঠানলৈ পিতৃয়ে লৈ আহিছিল ঃ মনত আছে, মোৰ লগত আছিল সদ্যপ্ৰয়াত প্ৰতিষ্ঠিত কবি অমৃত বসুমতাৰী। পৰৱৰ্তী সময়ত পৰিয়ালটো গুৱাহাটীলৈ অহাত প্ৰথমতে ভাৰাঘৰত, পৰৱৰ্তী সময়ত স্থায়ী ঘৰলৈ সঘন আহ-যাহ হৈছিল। তেতিয়া মই আছিলোঁ শালবাৰীত (নুনমাটি)। জ্যোতিনগৰ সাহিত্য সভাৰ অন্যতম কাণ্ডাৰী কলিতা প্ৰমুখ্যে আন কেইবাজনৰ লগত পাৰস্পৰিক বুজাবুজিৰে দুয়োখন শাখা সাহিত্য সভা (নুনমাটি সাহিত্য সভা)ৰ সাহিত্যৰ শ্ৰীবৃদ্ধিত সহায় কৰিছিলোঁ। পৰৱৰ্তী সময়ত জ্যোৎস্নাৰ কাব্যকৰ্মৰময়ো আছিল পৰম শুভাকাংক্ষী ঃ মাতৃ প্ৰমীলা বাইদেউৰ গল্পৰ সহৃদয় পাঠক। এনেকৈ সময় আগবাঢ়িছিল। ডাঙৰ ল'ৰা বিকাশ আমাৰ মহাবিদ্যালয়ৰ (গুৱাহাটী কমাৰ্চ কলেজ) একালৰ ছাত্ৰ আছিল। অলকেশক মই সৰুৰেপৰাই পাইছিলোঁ; পাইছিলোঁ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত। মোৰ সৰু ল'ৰা তেওঁতকৈ কেইবছৰমান কনিষ্ঠ আছিল; তলৰ শ্ৰেণীত এইখন শিক্ষানুষ্ঠানতে পঢ়িছিল। মই মুকলিকৈ ক'ব পাৰোঁ তেতিয়াৰপৰা অলকেশৰ সহজ, বিনম্ৰ, কোমল কথা আৰু আচৰণত মই মুগ্ধ হৈছিলোঁ। এতিয়াও মোৰ মনত অলকেশে জাতীয় বিদ্যালয়ৰ স্কুলীয়া পোছাকযোৰ পিন্ধি থকা ছবিয়ে শিলৰ ৰেখাৰ দৰে ভুমুকি মাৰে। তাতে আকৌ অলকেশ আছিল সেই সময়ৰ বৰ চোকা ছাত্ৰ। গোটেই জাতীয় বিদ্যালয় পৰিয়ালৰ নয়নৰ মণিসদৃশ আছিল। অলকেশক লৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰো আছিল সুগভীৰ ভৱিষ্যতৰ আশা। তেতিয়াৰপৰাই ঘৰুৱা সাহিত্যৰ পৰিৱেশ আৰু স্বকীয় নান্দনিক মেধাৰ অযুত সম্ভাৱনাৰে আমাৰ হৃদয়ত অলকেশ জিলিকি উঠিছিল।

সময় বাগৰিল। স্কুলীয়া দিনৰ অলকেশ ডাঙৰ হ'ল। বিদ্যায়তনিক অৰ্হতাৰ লগতে অলকেশে সাহিত্য জগতখনত বিচৰণ কৰা আৰম্ভ কৰিলে। এগৰাকী বুদ্ধিদীপ্ত ছাত্ৰই কবিতাৰ জগতখনত বিচৰণ কৰাৰ ফলো যে সুকীয়া ধৰণৰ হ'ব পাৰে সেই কথা এই দিশৰ লগত জড়িত সকলোৰে সদায় অনুভৱ কৰে বুলি মই বিশ্বাস।

## মোৰ দৃষ্টিত অলকেশৰ কবিতা

সাম্প্ৰতিক কালৰ সম্ভাৱনাময় কবিসকলৰ কবিতা সততে মই পঢ়িবলৈ যত্ন কৰোঁ। তেওঁলোকৰ কবিতা আগৰ কবিসকলৰ লগত বহুক্ষেত্ৰতে অলপ বেলেগ। এই ৰূপান্তৰ ক'ত কেনেদৰে আৰু কিয় হৈছে সেই কথাটোও মনতে প্ৰশ্ন কৰি কেতিয়াবা নিজস্ব প্ৰশ্নৰ উত্তৰৰ ভাবনা মগজুত থিতাপি লগাওঁ। সাম্প্ৰতিক কালৰ অলকেশৰ সমসাময়িক বহুকেইগৰাকী কবিৰ মনন আৰু প্ৰকাশ নীতিৰ নতুনত্ব আছিল। কবিতাৰ ক্ষেত্ৰত সাধনাৰ মূল্য বহুত গুৰুত্বপূৰ্ণ। চিন্তনৰ সুগভীৰতা, জীৱনবোধৰ সূক্ষ্ম পৰ্য্যবেক্ষণ, মানুহৰ ধ্যান-ধাৰণাৰ অন্তৰ্দৰ্শন উপলব্ধি আৰু এক আধুনিক মনৰ ভাবগভীৰ আকুলতাত প্ৰচ্ছন্ন হৈ আছে অলকেশৰ কবিতাৰ হৃদয়ৰ মৰ্ম। অলকেশৰ কবিতাই এনে এক চিন্তাদৰ্শন বিষয়ৰ গভীৰতাৰ মাজেৰে সাৰ্থকভাৱে প্ৰকাশ পাইছিল (বিশেষ অৰ্থতহে অতীতৰ ক্ৰিয়া প্ৰয়োগ) সেই চিন্তনৰ সত্য উপলব্ধি নকৰিলে অলকেশৰ কবিতাৰ মাজত সোমাব নোৱাৰি। ৰোমাণ্টিক যুগত কবিসকলৰ মাজত কল্পনাৰ গভীৰতা আৰু আৱেগৰ স্বচ্ছন্দতা আছিল; কিন্তু তাৰ মাজতো এনে কেইগৰাকীমান কবিৰ সুকীয়া দৰ্শনৰ গভীৰতা অনুভৱ হয়, সেই কথা কবিতা ক্ষেত্ৰৰ পাঠকসকলে নিশ্চয়কৈ জানে। সাম্প্ৰতিক কবিতাতো অলকেশৰ কবিতাৰ (ইচ্ছাকৃতভাৱে কলিতা উপাধি প্ৰয়োগ কৰিবৰ মন যোৱা নাই) এনে এক কিছু আলসুৱা অথচ গভীৰ দৰ্শনৰ মাজত আত্মনিয়োগ মই পাঠক হিচাপে সদায় অনুভৱ কৰোঁ। তেওঁৰ কবিতাত বিষয়বস্তু আৰু দৰ্শন বৰ সুন্দৰভাৱে সংপৃক্ত হৈ থাকে। এনে ধৰণৰ কবিতা মই য'তেই পাওঁ তাতেই পঢ়িছোঁ। মই পুনৰ কওঁ— তেওঁৰ কবিতাৰাজিয়ে এক সুকীয়া অন্তৰ্লীন জীৱনধাৰণৰ সুগভীৰতাৰ মাজত প্ৰৱেশ কৰিছিল আৰু আত্মিক দৃষ্টিৰে তেওঁ তাক হৃদয়ত প্ৰোথিত কৰি অতি কলাসন্মতভাৱে প্ৰকাশৰ যত্ন কৰিছিল। এই সোঁৱৰণী লেখাত কবিতাৰ পংক্তিৰ উদ্ধৃতি দি লিখনৰ সত্যক আনফালে নিয়াৰ ইচ্ছা নাই। চিন্তনৰ ভুল হ'লে ক্ষমা প্ৰাৰ্থনীয়।

## কবি অলকেশৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক

এই উপ-শিৰোনামটো ইচ্ছাকৃত আৰু মোৰ মানসিক চিন্তন উদ্ভূত। পৰিয়ালটোৰ লগত থকা মোৰ মধুৰ সম্পৰ্ক আগতে উনুকিয়াইছোঁ। জ্যোৎস্না অসমত থকা কালত তেওঁৰ *সৰলৰেখাৰ দৰে* জীৱনকালত মোৰ সম্পৰ্কও আন বহুততকৈ বেলেগ আছিল।

প্ৰায় প্ৰতিটো কবিতা মোৰ পঢ়াৰ সৌভাগ্য হৈছিল। অলপ পলমকৈ আহিল অলকেশ। *গৰীয়সী, প্ৰকাশ, প্ৰান্তিক* প্ৰমুখ্যে বৌদ্ধিক আলোচনীত তেওঁৰ কবিতা পঢ়া মোৰ নৈতিক দায়িত্বৰ ভিতৰত আছিল। তাত কোনো নতুনত্ব মই প্ৰোথিতও কৰিব নোৱাৰোঁ।

কিন্তু? অলকেশৰ লগত কাব্য সমাজ জীৱন (অভিধাটো নিজে সৃষ্টি কৰি লোৱা) মোৰ সম্পৰ্ক বহুতে নাজানে বুলি বোধ হয়। নাৰেংগী আঞ্চলিক সাহিত্য সভাই মূল বাৰ্ষিক অধিৱেশনত কবি পৰেশমল্ল বৰুৱা সোঁৱৰণী অৰণ্যত দুপৰীয়া নামৰ এক কাব্যানুষ্ঠান অনুষ্ঠিত কৰি আহিছে। কিছু অতীতত আমি এই অনুষ্ঠান বৃহত্তৰ নাৰেংগীৰ প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত কৰিছিলোঁ যদিও পৰৱৰ্তী সময়ত বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰি আহিছোঁ। আমি সাহিত্য সভাৰ লগত জড়িত এজন হিচাপে মোৰ একান্ত ইচ্ছা সাম্প্ৰতিক কবিসকলৰ কবিতাৰ লগত শ্ৰোতা-পাঠকক পৰিচয় কৰি দিয়া। এটা সময়ত কাব্যানুষ্ঠান উদ্বোধন কৰিবলৈ কবি নৰকান্ত বৰুৱাও আহিল। পৰৱৰ্তী সময়ত হৰেকৃষ্ণ ডেকা, আনিছ-উজ-জামান, উদয় শৰ্মা, অৰ্চনা পূজাৰী প্ৰমুখ্যে বিশিষ্ট কবিসকলকো উদ্বোধক হিচাপে নিমন্ত্ৰণ কৰিছিলোঁ। যা হওক পৰৱৰ্তী কালত সাম্প্ৰতিক কবিসকলক লৈ পতা বিগত সন্মিলনসমূহত মোক প্ৰাণভৰি (নিষ্ঠা, একাগ্ৰতা আদি শব্দ ব্যৱহাৰ কৰিব খোজা নাই) সহায়ৰ হাত আগবঢ়াইছিল মৰমৰ অলকেশে। কম কথা, কাম বেছি। এইটো অলকেশৰ জীৱন সম্পৰ্কত মোৰ অনুভৱ। সাম্প্ৰতিক কবিসকলক প্ৰথমতে অলকেশে যোগাযোগ কৰে আৰু পাছত মোক কবিসকলৰ ফোন নম্বৰ দি দিয়ে। কথা আৰু কামত নিভাঁজ সৰলতা দেখিলে মোৰ প্ৰাণ হৃদয়তাত প্ৰগাঢ় হৈ উঠে। আন কাৰো কথা মোৰ শুনিবৰ ইচ্ছা নাযায়। অন্তৰ খুলি দেখুওৱা সহজ নহয়। এই কথা সকলোৱে জানে। মোৰ হিয়াত এই ধাৰাৰ পাতালী গংগাৰ দৰে অলকেশ চিৰন্তন হৈ থাকিব।

## ভনিতা

অলকেশৰ মৃত্যু এক হৃদয়বিদাৰক ঘটনা। সেয়া হৈ গ'ল। কবি অমূল্য বৰুৱা অতি কম সময়তে কলিকতাৰ সাম্প্ৰদায়িক সংঘৰ্ষত নিহত হৈছিল। মই যি বুজিছোঁ, অলকেশো হেৰাই গৈছে এক দীঘলীয়া মানসিক সংঘৰ্ষত। এতিয়া আমি অলকেশ মানুহজনক দীঘলীয়া কালৰ বাবে জীয়াই ৰাখিব হয়তো নোৱাৰিবও পাৰোঁ। কিন্তু কবি অলকেশক সাহিত্যৰ সাৰ্বজনীন জীৱন বীক্ষাত জীয়াই ৰাখিব পাৰোঁ। কবি অলকেশক সাহিত্যৰ জীৱন দীক্ষাত জীয়াই ৰাখিব লাগিব। ভোগবাদী সমাজ ব্যৱস্থাই

আমাৰ চিন্তনক কোন বাটে লৈ যায়, তাৰ প্ৰশ্নও মোৰ মনৰ মাজত উপস্থাপিত নোহোৱাকৈ নাথাকে।

তাৰ মাজতো কাব্য ভাবনা সাহিত্যৰ ক্ষেত্ৰত ৰোপিত কৰি অলকেশৰ কবি সত্তাক জীয়াই ৰখাৰ দায়িত্ব আমি সকলোৱে গ্ৰহণ কৰাৰ যত্ন কৰিব লাগিব। অলকেশৰ কবিতা সমগ্ৰ, অলকেশৰ নিৰ্বাচিত কবিতা ইত্যাদি ভাবনাবোৰ মোৰ মনৰ মাজলৈ আহি আছে— পিতৃ শ্ৰদ্ধেয় কলিতাক মৌখিকভাৱেও মোৰ মনৰ কথা জনাই থৈছোঁ। সময় আগবাঢ়িলে আমিও পৰম কৃতাৰ্থ হ'ম।

# তবলাবাদক অলকেশ

## পৱন বৰদলৈ

২০২৩ চনৰ ২৮ জানুৱাৰীৰ গধূলি ৮.১৫ বজাত প্ৰথমবাৰৰ বাবে অলকেশ কলিতা নামৰ মৰম লগা, অমায়িক আৰু মৃদুভাষী ল'ৰাজনক লগ পাওঁ। ইয়াৰ আগতে অৱশ্যে ফোনযোগে আমাৰ বাৰ্তালাপ হৈছিল। সেই মতে তেওঁ নিৰ্ধাৰিত সময়ত তবলা শিকাৰ মানসেৰে আমাৰ বাসগৃহলৈ আহিছিল। মই তেওঁৰ নামটো সুধিছিলোঁ। নামটো কোৱাৰ লগে লগেই সাময়িকভাৱে মোৰ মনটো ভাল লাগি গৈছিল। কাৰণ আমাৰ ডাঙৰ ল'ৰাজনৰ (বৰ্তমান নতুন দিল্লীত থাকে) নামো অলকেশ। বয়সো প্ৰায় একেই। অৱশ্যে ইয়াত অস্বাভাৱিকতা একো নাই। নিজৰ পৰিয়ালৰেই হওক বা কোনোবা আপোনজনৰেই হওক, কোনো সদস্যৰ লগত কাৰোবাৰ নাম একে হ'লে অলপ সময়ৰ বাবে হ'লেও মনটো ভাল লাগে। অলকেশকো প্ৰথম দিনৰেপৰাই ভাল লাগিছিল, বিশেষকৈ পৰিপক্ক আৰু উচ্চমানৰ চিন্তাৰে পুষ্ট কথাবোৰ শুনি। প্ৰথম দিনাই এজন ছাত্ৰৰ বিষয়ে কিছু কথা জানিবলৈ আমি সদায়েই আগ্ৰহী। যথা— পৰিয়ালত কোন কোন সদস্য আছে, ঘৰত গান-বাজনাৰ পৰিৱেশ কেনেকুৱা বা তেওঁ ছাত্ৰ নে চাকৰিয়াল, যদি ছাত্ৰ কোন ক্লাছত পঢ়ে, যদি চাকৰিয়াল— কি চাকৰি কৰে, সেইদৰে পিতৃ-মাতৃৰ বিষয়ে, ইত্যাদি। এনেবোৰ কথাৰ আভাস পালে আমাৰ শিকোৱাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হয়।

ক্ৰমান্বয়ে ছাত্ৰজনৰ লগত এক আত্মীয়তাই গঢ় লৈ উঠাটো আমাৰ শিক্ষা প্ৰদানৰ নিয়মৰ ভিতৰতেই পৰে। আনকি সুখ-দুখৰ খবৰ লোৱা বা আন সমস্যাসমূহৰ সমভাগী হোৱাটোও আমাৰ এক অবিচ্ছেদ্য অংগ। কাৰণ, এক সু-সম্পৰ্ক অবিহনে এনে শিক্ষাৰ দান বা গ্ৰহণ সম্ভৱ নহয় বুলি আমাৰ বিশ্বাস। ক্ৰমান্বয়ে ছাত্ৰজন আমাৰ পৰিয়ালৰ এজন সদস্যৰ দৰে হৈ পৰিলেহে এনে শিক্ষাই প্ৰাণ পাই উঠে। অলকেশৰ

ক্ষেত্ৰতো এই নিয়মৰ ব্যতিক্ৰম নাছিল। লাহে লাহে উপলব্ধি কৰিছিলোঁ, তেওঁ যেন বিশ্বাস বা ভৰসা কৰিব পৰা মানুহ এজন পাইছে।

ক্লাছ আৰম্ভ হোৱাৰ আগৰ পাঁচ-দহ মিনিটমান ইজনে-সিজনৰ খা-খবৰ লোৱাটো আমাৰ শিক্ষা পদ্ধতিৰ এক বিশেষ অংগ। ইয়াৰ ফলত ছাত্ৰজনে সামান্য জিৰণি পোৱাৰ লগতে পৰস্পৰে পৰস্পৰক ভালকৈ জনাৰ সুবিধা পোৱা যায়। এনেদৰে কিছুদিন যোৱাৰ পাছত, অতি কম সময়ৰ ভিতৰতেই অলকেশে তেওঁৰ প্ৰায় প্ৰতিটো কথাই আমাৰ লগত আলোচনা কৰিবলৈ অলপো দ্বিধাবোধ নকৰিছিল। ঘৰৰ পৰিৱেশৰপৰা আৰম্ভ কৰি চাকৰি বা অসুখ-বিসুখলৈকে সকলো কথাই পাতিছিল। আমাৰ সীমিত জ্ঞানেৰে এই সমস্যাসমূহৰপৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি, সেই বিষয়েও বহু কথা আলোচনা কৰিছিলোঁ। আনহাতেদি, তবলাৰ শিক্ষা চলি আছিল। অত্যন্ত আগ্ৰহেৰে তেওঁ এই বিদ্যা আয়ত্ত কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল আৰু এদিন সুধিছিল কেনেকৈ এই বিদ্যাক আংশিকভাৱে হ'লেও জীৱিকাৰ পথ হিচাপে ল'ব পাৰি। হয়তো সেই কাৰণেই কেতিয়াবা ভালকৈ অভ্যাস কৰিব নোৱাৰিলে দুখ প্ৰকাশ কৰিছিল। আমিও বিভিন্ন কথাৰে তেওঁক বুজাবলৈ চেষ্টা কৰিছিলোঁ। ইমান ব্যস্ততাৰ মাজতো তেওঁ অতি অলপ সময়ৰ ভিতৰতে এই বিষয়ত বেছ কিছুদূৰ আগুৱাব পাৰিছিল বুলি আমাৰ ধাৰণা। মাজতে এখন সাংস্কৃতিক অনুষ্ঠানত তবলা সংগতৰ বাবে তেওঁক আমন্ত্ৰণ জনোৱা কথাষাৰে তবলা বজোৱাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাটোকে সূচায়। তেওঁ ইতিমধ্যে তবলাৰ এটা পৰীক্ষাত উত্তীৰ্ণ হৈছিল। এই সংক্ৰান্তত ইয়াৰ পাছৰ পৰীক্ষাসমূহ কেনেকৈ দিব পৰা যায়, সেই বিষয়েও আলোচনা কৰিছিল। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবছৰে অনুষ্ঠিত কৰা শাস্ত্ৰীয় সংগীতৰ এক বিশেষ অনুষ্ঠানত তেওঁ অংশগ্ৰহণ কৰিবলৈ বেছ আগ্ৰহ প্ৰকাশ কৰিছিল। এনেদৰেই দিন বাগৰিছিল আৰু মাত্ৰ এবছৰমানৰ ভিতৰতেই তেওঁ আমাৰ অন্তৰত এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছিল।

আমি জনাত অলকেশ সৰুৰেপৰাই অত্যন্ত মেধাৱী আছিল। পঢ়া-শুনাৰ ক্ষেত্ৰত তেওঁ আগশাৰীৰ ছাত্ৰ আছিল। সৰুৰেপৰাই অলকেশৰ অসমীয়া গীতি-সাহিত্যৰ প্ৰতি আছিল দুৰ্বাৰ আকৰ্ষণ। বহুতেই হয়তো জানে বা নাজানে, তেওঁ আছিল অসমৰ নতুন প্ৰজন্মৰ এজন আগশাৰীৰ কবি। ছখনকৈ কবিতাৰ পুথি প্ৰণয়ন কৰা কথাষাৰে নিশ্চয় এই কথাকেই প্ৰমাণ কৰে। এই কোমল বয়সতেই ছখনকৈ কবিতাৰ পুথি— আমাৰ বাবে ই এক আচৰিত কথা। অৱশ্যে এই পুথিকেইখনৰ শেষৰখনৰ সকলো কাম সম্পূৰ্ণ হোৱাৰ পাছতো ছপাশালত দিয়া নহ'ল। প্ৰচাৰবিমুখ অলকেশৰ এই

অৱদান অসমীয়া গীতি-সাহিত্যৰ এক উল্লেখনীয় দিশ। তেওঁ আছিল অসমৰ বাবে গৌৰৱ কঢ়িয়াই অনা এজন নীৰৱ সাধক।

কিন্তু হঠাতে যোৱা ১৯ এপ্ৰিল, শুকুৰবাৰে সেই কালান্তক খবৰটো পাই কিছু সময়ৰ বাবে নিৰ্বাক আৰু জঠৰ হৈ পৰাৰ বাহিৰে আন একো কথাই ভাবিব পৰা নাছিলোঁ। ই কেনেকৈ সম্ভৱ হ'ব পাৰে? এতিয়াও কেতিয়াবা তেওঁৰ সহজ-সৰল মুখমণ্ডলৰ ছবিখন চকুৰ আগত ভাহি অহা দেখা পাওঁ। অলকেশৰ অন্তৰত আমাৰ প্ৰতি কিমান যে মৰম আৰু শ্ৰদ্ধা আছিল, সেই কথা হয়তো ব'হাগ বিহুলৈ বুলি মৰমৰ চিনস্বৰূপে আনি থোৱা সেই বিহুৱানখনেই প্ৰমাণ কৰে। যিদিনা পিতৃ-মাতৃয়ে তেওঁলোকৰ বাসগৃহত, আমালৈ বুলি আনি থোৱা বিহুৱানখন আমাৰ হাতত অৰ্পণ কৰিছিল, আমাৰ মনটো গধুৰ হৈ পৰিছিল। এনে পৰিস্থিতিৰ সন্মুখীন হোৱাটো আমাৰ বাবে কঠিন হৈ পৰিছিল। ভাবিছিলোঁ, ভাল দিনত এদিন অলকেশৰ ঘৰলৈ যাব লাগিব। কিন্তু এনেদৰে তেওঁৰ খবৰ ল'বলৈ যোৱাটো আমাৰ বাবে কেৱল কষ্টকৰেই নাছিল, ই এক বুজাব নোৱৰা আৰু অসহনীয় বেদনা আছিল। ১৩ এপ্ৰিল শনিবাৰে আবেলি ৩.৪০ বজাত তেওঁ মোলৈ পঠিওৱা শেষ টেলিফোনিক মেছেজটো আছিল এনেধৰণৰ— “ছাৰ প্ৰথমে বিহুৰ নমস্কাৰ আৰু সেৱা জনাইছোঁ। ছাৰ আজি ক্লাছটো নকৰোঁ নেকি, আপুনি লাষ্ট ক্লাছত কৈছিলে, আপুনি ৰেষ্ট ল'ব বুলি। সেইবাবে ক্লাছটো ৰুটিনত ৰখা নাই আৰু ছাৰ, মোৰ বাইদেউ আহিছে মুম্বাইৰপৰা। তেওঁকো টাইম দিব লাগিব।” কি আৰু কওঁ— দুখেৰে অন্তৰ ভৰি পৰিছে। তোমাৰ কথাবোৰ সদায়েই মনত থাকিব, অলকেশ। তোমাক বহুত মিছ কৰিছোঁ। তোমাৰ ক্লাছৰ সময় হ'লেই তোমালৈ বৰকৈ মনত পৰে। তুমি য'তেই আছা ত'তেই শান্তিত থাকা, তাকেই কামনা কৰিলোঁ।

# অলকেশ ঃ কিছু ভাবনা

## তৰুণ বৰ্মন

বাংগালোৰত তিনি মাহ ধৰি শ্ৰীমতীৰ জটিল চিকিৎসাৰ বাবে ব্যস্ত হৈ আছোঁ। এনে এক জটিল সন্ধিক্ষণত এটি শোকবাৰ্তাই মৰ্মাহত কৰি তোলে। প্ৰতিভাসম্পন্ন যুৱ কবি অলকেশ কলিতা চিৰকালৰ বাবে এই ধৰা এৰি বৈকুণ্ঠগামী হয়। অলকেশৰ কথা ক'বলৈ যাওঁতে মই তেওঁৰ পিতৃ তথা মোৰ একান্ত শুভাকাংক্ষী বন্ধু, আমাৰ কাৰ্য্যালয়ৰ সহকৰ্মী ফণী কলিতাৰ লগতে ঘৰখনৰ কথা ক'ব লাগিব। তেখেতৰ পিতৃৰ সৈতে প্ৰথম পৰিচয় হয় ভাৰতীয় খাদ্য নিগমৰ যোৰহাট জিলা কাৰ্য্যালয়ত। সেই সময়ত মই *সেউজী সেউজী* কাব্যালোচনীখন যোৰহাটৰপৰাও প্ৰকাশ কৰি আছিলোঁ। এই কাব্যালোচনীখনে দুবছৰ পাছত সোণালী জয়ন্তী বৰ্ষত ভৰি দিব। অসমীয়া আলোচনী জগতত *সেউজী সেউজী* আছিল ব্যতিক্ৰমধৰ্মী। কিতাপৰ দোকানত বিক্ৰীৰ ব্যৱস্থা নকৰি শুভাকাংক্ষী প্ৰচাৰক, সভ্য আৰু নবীন কবিসকলৰদ্বাৰা বিক্ৰী তথা প্ৰচাৰ-প্ৰসাৰ কৰা হৈছিল। শুভাকাংক্ষী প্ৰচাৰকৰ ভিতৰত অন্যতম আছিল অলকেশৰ পিতৃ ফণী কলিতা। চাকৰি জীৱনৰ শেষ কালছোৱাত আমি পুনৰ মিলিত হওঁ গুৱাহাটী জিলা কাৰ্য্যালয়ত। আমি দুয়োজনে সাহিত্য-সংস্কৃতিৰ উপৰি বিভিন্ন কথাৰ মহলা মাৰো। নানকাৰ ভয়ৰাত অনুষ্ঠিত *সেউজী সেউজী*ৰ ৰূপালী জয়ন্তীত এখেতে নিমন্ত্ৰিত অতিথি হিচাপে (মুকলি অধিৱেশনত) মামণি ৰয়ছম গোস্বামী, অনুৰাধা শৰ্মা পূজাৰী আদি বিশিষ্ট ব্যক্তিৰ সৈতে একেলগে আসন গ্ৰহণ কৰিছিল। কলিতাৰ সহায়-সহযোগিতাৰ কথা কৃতজ্ঞতাৰে সুঁৰৰি থাকিম। তেখেতৰ কন্যা জ্যোৎস্না কলিতাও আছিল আমাৰ আলোচনীৰ অন্যতম নিয়মীয়া কবি। জ্যোৎস্না এতিয়া মুম্বাই কলাজগতৰ এগৰাকী ব্যস্ত কলা-কুশলী। অলকেশৰ মাতৃ প্ৰমীলা কলিতা আন এগৰাকী বিশিষ্ট সাহিত্যিক। এখেতসকলৰ ঘৰখন বৈষ্ণৱ ধৰ্মৰ পৰিৱেশেৰে আবৃত। সত্ৰাধিকাৰ

প্ৰয়াত নাৰায়ণ গোস্বামীৰ এখেত একান্ত শিষ্য আছিল। কলিতাৰ চেষ্টাতে আমি সেই সত্ৰত কেইদিনমান থাকি সত্ৰাধিকাৰ গোস্বামী প্ৰভু ঈশ্বৰৰ আতিথ্য লাভ কৰি সন্তোষিত হৈছিলোঁ। এনে এখন ঘৰৰ পৰিৱেশত জীৱন অতিবাহিত কৰা কলিতাৰ পুত্ৰ সন্তান অলকেশো হৈ পৰিল শান্ত, শিষ্ট স্বভাৱৰ বুদ্ধিদীপ্ত ব্যক্তি। কিন্তু দুৰ্ভাগ্যবশতঃ 'স্কিজোফ্ৰেনিয়া' নামৰ মানসিক ৰোগত আক্ৰান্ত হয় অলকেশ। তথাপি জীৱন যুদ্ধত হাৰ মনা নাছিল অলকেশে। বৰঞ্চ আন বহুতকৈ তেওঁ দক্ষতাৰে কৰ্ম সমাপন কৰি গৈছিল। প্ৰায় সোতৰ (১৭) বছৰ ধৰি এই ৰোগত আক্ৰান্ত হৈও মাছ কম্যুনিকেচন (Mass Communication)ত প্ৰথম বিভাগত ডিগ্ৰী লাভ কৰাৰ উপৰি দৰ্শন শাস্ত্ৰত এম এ পঢ়িবলৈ লৈছিল। গুৱাহাটী, দিল্লী, মুম্বাইতো আৰম্ভ কৰিছিল ব্যৱসায়। আটাইতকৈ ডাঙৰ কথা তেওঁ ছখন কবিতা পুথি প্ৰকাশ কৰাৰ লগতে অসমৰ বিভিন্ন আলোচনী-কাকতত কবিতা প্ৰকাশ পাইছিল। মই ১৯৭৬ চনৰপৰাই কাব্যজগতৰ লগত ওতপ্ৰোতভাৱে জড়িত। বৰ্তমানৰ প্ৰতিষ্ঠিত প্ৰায়বোৰ কবিৰে কবিতা *সেউজী সেউজীত* প্ৰকাশ পাইছিল। এতিয়াৰ যুৱচামৰ কবিতাও পঢ়ি চাওঁ— প্ৰকাশ কৰোঁ। কিন্তু অলকেশৰ কবিতা আছিল ব্যতিক্ৰমধৰ্মী। দৰ্শনো আছিল অনন্য। কিন্তু অলকেশৰ কাব্যগ্ৰন্থ হওক বা প্ৰকাশিত কবিতাই হওক তাৰ কোনো সঠিক ৰূপায়ণ কৰা নহ'ল। পিতৃ কলিতাই কথা প্ৰসংগত এবাৰ মোক কৈছিল— বৰ্মন আপুনিতো জানেই মোৰ ল'ৰা অলকেশৰ কথা। সি মানসিকভাৱে এতিয়াও অসুস্থ হৈ আছে। কিন্তু তাৰ মনোবল যথেষ্ট। দুখ লাগে সি যিধৰণে সমাদৰ পাব লাগিছিল তেনেধৰণে পোৱা নাই। সাহিত্য জগতখনত চলি থকা স্বজন-প্ৰীতি, লবী আৰু তৈলমৰ্দনৰ কথা প্ৰায়ে আলোচনা হৈ থাকে। অলকেশ আছিল ইয়াৰ বাহিৰত। সেয়ে বোধকৰোঁ তেওঁ প্ৰাপ্যৰপৰা বঞ্চিত। তেওঁৰ বঁটা-পুৰস্কাৰ আদি পোৱাৰ যোগ্যতা আছিল যদিও তাৰপৰাও বঞ্চিত। আমি আমাৰ অনুষ্ঠানবোৰত অলকেশক নিমন্ত্ৰণ কৰোঁ। ২০২২ চনত নানকাৰ ভয়ৰাত দূৰদৰ্শন কেন্দ্ৰৰ জৰিয়তে সম্প্ৰচাৰিত *সেউজী সেউজী*ৰ কাব্যানুষ্ঠানত অলকেশকো নিমন্ত্ৰণ জনোৱা হৈছিল। অন্যান্য কবিসকলৰ লগতে তেওঁৰ কবিতাও সম্প্ৰচাৰিত হৈছিল। আগন্তুক সোণালী জয়ন্তী বৰ্ষত তেওঁক এটি বিশেষ সন্মান দিয়াৰ কথা বিবেচনা কৰা হৈছিল। কিন্তু নিয়তিয়ে নামানিলে। তথাপি আমি মৰণোত্তৰ হিচাপে পৰৱৰ্তী সময়ত ঘোষণা কৰিম।

অলকেশৰ মৃত্যুৰ পাছত বহুতো গুণ-গৰিমা গোৱা হ'ল। তাৰ লগতে মৃত্যুৰ কাৰণটো বহুতে ভুলভাৱে প্ৰচাৰ কৰিলে। প্ৰকৃততে ১৭ বছৰ ধৰি স্কিজোফ্ৰেনিয়া ৰোগত ভুগিহে তেওঁ মৃত্যুক আঁকোৱালি লৈছিল। কিন্তু মৃত্যুৰ কাৰণ ভুল বাতৰি

প্ৰকাশ কৰি পৰিয়ালবৰ্গৰ মনত আঘাত দিয়াৰ লগতে মৃতকৰ আত্মাকো অশান্তি দিছে। অলকেশে এটা কবিতাত এইদৰে লিখিছিল— "মই মৰি গ'লেতো ঢেৰ গেন্ধাই ফুলৰ বাগিচাত শুবলৈ পাম।" আন এটি কবিতাত মৃত্যু সম্পৰ্কত এনেদৰে উনুকিয়াইছিল—

"আমাক তই বন্দী কৰি থোৱা নাই
আমি তোক প্ৰদক্ষিণ কৰি আছোঁ
কিনো শুঙি থাকা
আমাৰ ভেঁকুৰা জীৱন
আকৌ
মই জানো যে উচুপি উচুপি
এনেকৈয়ে চাকিৰ তেল পোৰে শিখাত
কাইলৈ ৰাতি পুৱালেই
মানুহে মোৰ ছাঁ পৰা মুখখন দেখিব।
পুনৰ
তোমালোকৰ সলনি মোক মৰিবলৈ দিয়া
যি মোৰ সলনি তোমালোক জীলা।"

এনেবোৰ ভাবৰ বিপৰীতেও অলকেশে দাৰ্শনিক ভাবপূৰ্ণ কিছুমান কথা ব্যক্ত কৰিছিল। তেওঁ কৈছিল— মোৰ মতে এই যে সময়ৰ সৈতে মানৱ সভ্যতা আগবাঢ়ি গৈ থাকে বুলি এটা ধাৰণা আছে সেইটো সম্পূৰ্ণ ভ্ৰান্ত, মানুহ সলনি হয় এইটো আংশিক সত্য আৰু উন্নতি-প্ৰগতি এইবোৰ Power Discourse কবিতা সম্পৰ্কত তেওঁ নিজৰ মত এইদৰে ব্যক্ত কৰিছিল— কবিৰ সন্মুখত প্ৰত্যাহ্বান কি— জ্ঞান আৰু সত্যৰ সম্ভাৱনাক পুনৰুদ্ধাৰ কৰা। কবিতা চিৰকাল জ্ঞানৰ কৰ্মশালা আছিল আৰু হৈ থাকিব। তেওঁ দোহাৰিছে এইদৰে— কবি আৰু কবিতা কেৱল মানৱ জাতিৰ বিশাল বৌদ্ধিক ঐতিহ্যৰ ওচৰত দায়বদ্ধ। পৰম্পৰাই বহন কৰা গতিশীল সামাজিক চুক্তিৰ বাহিৰত, কবিতাৰ কোনো Concrete reality নাই।

এনে চিন্তাধাৰাৰ মাজৰে তেওঁ লিখি গৈছিল অজস্ৰ কবিতা। সৃষ্টি হৈছিল *ভাস্কৰ, বগাফুল আৰু বেলিৰ তাপ, নিষ্ফল উৎসৱ, পৰাস্মৃতি, যোৱাবেলিৰ বসন্ত, আৰু এটা বিধুৰ বেলা* নামৰ ছয়খন কাব্যগ্ৰন্থ। এই ছয়খন কাব্যগ্ৰন্থ বা কবিতাসমূহৰ বিষয়ে যিধৰণে মূল্যায়ন হ'ব লাগিছিল তেনেদৰে হোৱা নাই। অলকেশেও কৈছিল— কবিতা পঢ়াৰ লগে লগে এটা কথা চৰ্চালৈ অহাটো দৰকাৰ যে কবিতাৰপৰা কি কি Expect

কৰিব পাৰিব পাৰি। এইটো কথা নাজানিলে কবিতাৰ ৰুচিবোধ কেতিয়াও গঢ় ল'ব নোৱাৰে। আমি আশা ৰাখিছোঁ পলমকৈ হ'লেও অলকেশৰ কবিতাসমূহৰ বিষয়ত উচিত পৰ্য্যালোচনা হওক। বিশিষ্ট সমালোচক, কবিসকল আগবাঢ়ি আহক। আমাৰ দৰে ব্যক্তি সমাজখন অনুপযুক্ত বুলি অলকেশে ভবাৰ দৰে যাতে আৰু অইনকো ভাবিবলৈ অৱকাশ নিদিয়ে, তাৰেই কামনা কৰিলোঁ। পাছৰ সময়ছোৱাত তেওঁ আধ্যাত্মিকতাত মনোনিৱেশ কৰিছিল। ঘৰখনত ভাগৱত, কীৰ্তন আদি ধৰ্মশাস্ত্ৰৰ চৰ্চা হৈ থাকে। অলকেশেও ভাগৱত অধ্যয়ন কৰে। 'মোক মুক্তি নহয় ভক্তিহে লাগে'— এনে ভাবনাৰে তেওঁ ভক্তিৰসত বুৰ যায়।

আমি খুব কম বয়সতে এগৰাকী অতি মেধাৱী, কৰ্মোদীপ্ত, শিশুৰ দৰে সহজ-সৰল, প্ৰতিভাসম্পন্ন যুৱ কবিক হেৰুৱাই যেন অমূল্য সম্পদহে হেৰুৱালোঁ। অসমীয়া কাব্যজগতৰ সম্ভাৱনীয় এক উজ্জ্বল নক্ষত্ৰ হঠাৎ নাইকিয়া হৈ গ'ল। অলকেশৰ বিদেহ আত্মাই চিৰশান্তি লভক, তাৰে কামনাৰে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

# বিভিন্ন সম্পৰীক্ষাৰে নিজস্ব এক শৈলীৰে আগবাঢ়িছিল অলকেশ

**মুনীন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য**

আনদিনাখনৰ দৰে সেই দিনাও গতানুগতিকভাৱে দিনটো আৰম্ভ হৈছিল। ফোন এটা আহিল হঠাৎ। প্ৰশ্ন এটা লৈ।

ৰাজ কুমাৰ মজিন্দাৰ। ভাতৃসম শিল্পী মোৰ, শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ দৃশ্যকলা বিভাগৰ জ্যেষ্ঠ অধ্যাপক।

"মুনীনদা কথাটো সঁচানে?"

মই সুধিলোঁ, "কি কথা?"

"সেই যে আপুনি মোক চিনাকি কৰাই দিছিল ভণ্টিৰ দোকানত, প্ৰায়ে আপোনাৰ স'তে বহি থকা কবিজন, অলকেশ কলিতা— আজি ৰাতিপুৱাই দেখোঁ ফেচবুক খুলিয়েই বেয়া খবৰ এটা পালোঁ। কাৰোবাক সোধকচোন।"

লগে লগে মই ঘৰৰ কাষতে থকা কবি কুশল দত্তক ফোন কৰিলোঁ। কুশল ফোনত ব্যস্ত থকাত মই আন এজন কবি জোনমণি দাসক সুধিলোঁ কথাটো।

জোনমণিয়েও খুব আৱেগেৰে জনালে।

হয়— অত্যধিক শ্লিপিং টেবলেট সেৱন কৰাত যোৱা নিশা চানমাৰিৰ পিয়লি ফুকন নগৰৰ নিজ বাসগৃহত অলকেশৰ অকাল মৃত্যু ঘটে।

মই লগে লগে ৰাজকুমাৰক সি সোধা প্ৰশ্নটোৰ সত্যতা নিশ্চিত কৰিলোঁ।

অলকেশৰ স'তে মোৰ প্ৰথম পৰিচয় ঘটিছিল চৈধ্য-পোন্ধৰ বছৰমান আগেয়ে। পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীয়ে আয়োজন কৰা এখন কবি সন্মিলনত।

আমি গুৱাহাটীৰপৰা একেখন গাড়ীতে গৈছিলোঁ। লগত আছিল অনুভৱ তুলসী, নীলিম কুমাৰ, কুশল দত্ত আৰু দুই-এজন। প্ৰত্যেকে নিজ নিজ কবিতা পাঠৰ অন্তত অলকেশ মোৰ কাষত আহি নিজেই পৰিচিত হৈছিল আৰু শিক্ষা বিভাগৰ প্ৰবক্তা বুলি জানিবলৈ পাই সেই দিনাৰপৰা ছাৰ বুলিয়েই সম্বোধন কৰিছিল। মোৰ যিমানদূৰ মনত পৰে সেই দিনাখন পাঠ কৰা মোৰ কবিতাটো সম্বন্ধে তেওঁৰ মতামত যেতিয়া জানিব বিচাৰিছিলোঁ— খুব সুন্দৰকৈ কথা এষাৰ কৈছিল। "ভাল কবিতা, কিন্তু বৰ বেছি দীঘলীয়া। পাৰিলে অলপ চুটি কৰি ল'ব।" ভাল লাগিছিল কথাষাৰ শুনি। আহোঁতেও আমি একেলগে উভতিছিলোঁ আৰু ছবি সম্পৰ্কে ইটো-সিটো দুই-এটা কথা মোৰ লগত বিনিময় কৰাৰ লগতে নিজৰ আগ্ৰহৰ কথাও ব্যক্ত কৰিছিল।

পৰৱৰ্তী পৰ্য্যায়ত আমি চানমাৰিৰ নৱগিৰি পথত মোৰ এপাৰ্টমেণ্টটোৰ ঠিক সন্মুখতে থকা ভণ্টিৰ দোকানখনত প্ৰায়ে বহিছিলোঁ আৰু কত ধৰণৰ যে আলোচনা কৰা হোৱা নাছিল...। কথা পাতি থাকোঁতে অৱশ্যে মই কেতিয়াবা লক্ষ্য কৰিছিলোঁ তেওঁ যেন কিবা এটা সমস্যাত ভুগি আছে, কিন্তু বহুদিনলৈ জনা নাছিলোঁ যে তেওঁ স্কিজোফ্ৰেনিয়া ৰোগত আক্ৰান্ত। অত্যধিক চিগাৰেট সেৱন কৰিছিল যদিও কোনোদিনেই মোৰ সন্মুখত কৰা নাছিল আৰু "এক মিনিট ৰ'বচোন ছাৰ" বুলি দোকানখনৰ পাছফালে কিছু সময় থিয় হৈ কৰ্মটো কৰি মিচিকিয়া হাঁহিটোৰে আহি আকৌ মোৰ কাষতে বহিছিল। অত্যন্ত মেধাৱী আৰু কলাত্মক বিভিন্ন দিশত থকা তেওঁৰ অভিজ্ঞতাই ধীৰে ধীৰে মোক যথেষ্ট আপ্লুত কৰিছিল আৰু পুত্ৰসম এই ছাত্ৰজনক বৰোদা কিম্বা শান্তিনিকেতনৰপৰা কলা ইতিহাস সম্বন্ধীয় দুবছৰীয়া পাঠ গ্ৰহণ কৰি আহিবলৈ পৰামৰ্শ দিছিলোঁ। এইক্ষেত্ৰত বহলাই কথা পাতিবৰ বাবে সেই সময়ত নতুনকৈ এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ অসমলৈ উভতি অহা শ্ৰীমান ফণীন্দ্ৰ তালুকদাৰৰ লগতো চিনাকি কৰাই দিছিলোঁ। আৰম্ভণিতে বৰ আগ্ৰহেৰে মোৰ প্ৰস্তাৱটো গ্ৰহণ কৰিছিল আৰু নিজকে প্ৰস্তুত কৰি তুলিছিল। অসমত যিহেতু কলা সমালোচনাৰ ক্ষেত্ৰত মানুহৰ বৰ অভাৱ, সেয়েহে অলকেশে যাম বুলি লোৱা সিদ্ধান্তটোৱে এক আশাৰ বাৰ্তাও কঢ়িয়াই আনিছিল। কিন্তু হঠাতে এদিন পুৱা মোৰ ওচৰলৈ আহি বৰ দুখেৰে জনালে, "ছাৰ যোৱা নহ'ব দিয়ক, কাৰণ আজি কেইবছৰমান ধৰি মই এটা বেমাৰত ভুগি আছোঁ, সেয়ে দূৰলৈ গ'লে অলপ অসুবিধা হ'ব। দেখা যাওক ইয়াতে থাকি কি কৰিব পাৰি।" কথাষাৰ শুনি মোৰ নিজৰো বৰ বেয়া লাগিছিল, তথাপি মই তেওঁৰ সমস্যাটো অনুভৱ কৰিব পাৰিছিলোঁ। তাৰ পাছতে জোনমণিৰ স'তে দুয়োজনে 'পাঞ্চজন্য' নামৰ কিতাপ প্ৰকাশক গোষ্ঠীটোৰ স'তে এক আত্মিক

সম্বন্ধ গঢ়ি তুলিছিল। কিন্তু তাতো তেওঁ বৰ বেছিদিন কটাব নোৱাৰিলে আৰু নিজাববীয়াকৈ কিবাকিবি ব্যৱসায়িক কৰ্মত সোমাই পৰে। আচলতে তেওঁৰ ভিতৰত থকা কাব্যিক প্ৰতিভা কিম্বা সত্তাটোৱে সমাজ জীৱনৰ কৃত্ৰিম প্ৰক্ৰিয়াবোৰৰ স'তে ক'ৰবাত যেন এক দ্বন্দ্বৰ সৃষ্টি কৰে আৰু ক'তোৱে একেলেথাৰিয়ে লাগি থাকিব নোৱাৰে, চঞ্চল হৈ উঠে। মোৰ যিমানদূৰ মনত আছে মাজতে আকৌ এবাৰ শিক্ষক হোৱাৰ সিদ্ধান্ত এটাও লৈছিল। এইক্ষেত্ৰত এম ই মাদ্ৰাছা টেট পৰীক্ষাত উত্তীৰ্ণ হৈ মোক ফণীন্দ্ৰ আৰু চিত্ৰশিল্পী জ্যোতিৰ্ময় ভূঞাক গৰম চিঙৰা খুউওৱাৰ আনন্দৰ ছবিখন কেতিয়াও পাহৰিব নোৱাৰিম। দেখিছিলোঁ এই আনন্দই তাৰ মুখাৱয়ৱত গভীৰ এক আত্মবিশ্বাস আৰু সন্তুষ্টিৰ বহিঃপ্ৰকাশ ঘটাইছিল। কিন্তু বহুদিনলৈ নিযুক্তি প্ৰক্ৰিয়াই আৰম্ভ নহ'ল আৰু ক'ৰ'নাৰ পৰিৱেশে সেইবোৰ হয়তো সিমানতে স্থগিত ৰাখিছিল। ধীৰে ধীৰে ভণ্টিৰ দোকানলৈও তাৰ আহ-যাহ কমি আহিল, ময়ো চাকৰিৰপৰা অৱসৰ লৈ অন্যান্য ব্যস্ততাত সোমাই পৰিছিলোঁ।

কিন্তু হঠাতে লোৱা এনেধৰণৰ অপঘাতী সিদ্ধান্তই তেওঁক ভাল পোৱা প্ৰতিজন ব্যক্তিক আজিৰ এই মুহূৰ্তত যথেষ্ট আঘাত দিছে। কিয়নো অতি কম সময়ৰ ভিতৰত কাব্য সাহিত্যৰ ক্ষেত্ৰখনত বিভিন্ন সম্পৰীক্ষাৰে নিজস্ব এক শৈলীৰে আগবাঢ়িছিল অলকেশ। তদুপৰি অলকেশৰ কবিতাসমূহত শব্দচয়ন, ৰচনা-বিন্যাস, চিত্ৰধৰ্মিতা আৰু আত্মশ্লেষাত্মক যিবোৰ অনুৰণন কিম্বা অনুশীলনী— সেইবোৰ আছিল অতি উচ্চমানৰ। যি কি নহওক ইমান কম বয়সতে দীঘলীয়া এক অসুস্থতাক কঢ়িয়াই লৈ হ'লেও নিজৰ লগত পঢ়ুৱৈ সমাজৰ বাবে যিকেইখন কাব্যগ্ৰন্থ কিম্বা ৰচনা সম্ভাৰ থৈ গ'ল, সেইখিনিৰ মাজেৰে তেওঁ সদায় অমৰ হৈ থাকিব। অৱশেষত নেদেখাজনৰ ওচৰত আমাৰ প্ৰাৰ্থনা— অলকেশ তুমি য'লৈ এনেদৰে গুচি যোৱাৰ এক তাৎক্ষণিক সিদ্ধান্ত ল'লা, তাতে চিৰকাল শান্তিত থাকা।

# ছাত্ৰ-ঘোষক অলকেশ আৰু মই

## অনুৰূপা চৌধুৰী

ঃ অলকেশ।

অলকেশেই পাৰিব। তাৰ আগ্ৰহ আছে।

ঃ অ' ত্ৰিদিৱদা। দেখাতো ওখ-পাখ, মৰম লগা। শুৱাব। তাৰ উচ্চাৰণশৈলীও ভাল। কবিতা সুন্দৰকৈ পঢ়ে। ঠিকেই ত্ৰিদিবদা; ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠান। ছাত্ৰ-ছাত্ৰীয়েই আঁত ধৰক।

ত্ৰিদিৱদা, মানে অসম জাতীয় বিদ্যালয়ৰ প্ৰাৰম্ভিক কালৰ জ্যেষ্ঠ শিক্ষক (প্ৰয়াত) ত্ৰিদিব ভট্টাচাৰ্য্য। অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক, সহঃশৈক্ষিক দিশৰ এটি লাইখুঁটা। সন্মানীয় ত্ৰিদিৱ ভট্টাচাৰ্য্যৰ পৰিকল্পনাত ময়ো হয়ভৰ দিছিলোঁ।

সেয়া সম্ভৱতঃ ১৯৯৬ চনৰ কথা। বৰ্তমানৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়খন চানমাৰিৰ ৰাজগড় ৰোডৰ কুমুদ চন্দ্ৰ শৰ্মাৰ ভাৰাঘৰত চলি আছিল। মই তেতিয়া সেইখন বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰী। বিদ্যালয়ৰ 'গীত-মাতৰ গধূলি' নামৰ বছৰেকীয়া অনুষ্ঠানটো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সমন্বিতে সকলো অভিভাৱকৰ বাবে অতি আগ্ৰহৰ অনুষ্ঠান। সকলোৱে আন্তৰিকতাৰে যোগ দিয়ে আৰু নিষ্ঠাসহকাৰে নিজৰ নিজৰ দায়িত্ব পালন কৰে। 'গীত-মাতৰ গধূলি' অনুষ্ঠানত যাতে সকলো শিক্ষাৰ্থীয়ে কিবা নহয় কিবা প্ৰকাৰে অংশ ল'ব পাৰে; অনুষ্ঠান পৰিৱেশন কৰিব পাৰে; তাৰ বাবে ত্ৰিদিৱ ভট্টাচাৰ্য্যৰ নেতৃত্বত আমি সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে ন ন পৰিকল্পনা প্ৰস্তুত কৰিছিলোঁ।

এটা অনুষ্ঠানৰ বিভিন্ন কাৰ্য্যসূচীৰ সফলতা নিৰ্ভৰ কৰে— অনুষ্ঠান আঁত ধৰা বা পৰিচালনা কৰা ঘোষক-ঘোষিকাৰ ওপৰত। সাংস্কৃতিক কাৰ্যসূচীসমূহ আগবঢ়াই নিবলৈ শিক্ষক-শিক্ষয়িত্ৰীৰ মাজৰে এজনে আঁত ধৰাৰ কথা। যিহেতু ১৯৯৬ চনত

বিদ্যালয়খন তেনেই শৈশৱ অৱস্থাত। একেবাৰে উচ্চ শ্ৰেণীটোৱেই আছিল সপ্তম শ্ৰেণী। স্বাভাৱিকতে শিক্ষাৰ্থীসকল সৰু হৈয়েই আছে। কিন্তু মই সদায় শিক্ষাৰ্থীক সৰ্বতোপ্ৰকাৰে আগবঢ়াই দিয়াৰ পথত। সেয়ে প্ৰস্তাৱটো ময়েই আগবঢ়ালোঁ— অনুষ্ঠানটো শিক্ষাৰ্থীয়েই আঁত ধৰক। কোনোৱে আপত্তি দৰ্শালে— ৰবীন্দ্ৰ ভৱনত পতা ইমান বৃহৎ অনুষ্ঠানৰ বহুতো ভিন্ ভিন্ কাৰ্য্যসূচীক সামৰি বিশাল মঞ্চত ভুল নোহোৱাকৈ বা নাৰ্ভাছ নোহোৱাকৈ এই ষষ্ঠ-সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে ঘোষণা কৰিব পাৰিব জানো? ঘোষণা বা আঁত ধৰা কামটো হ'ল অনুষ্ঠান এটা সঠিকৰূপে সময়সাপেক্ষে প্ৰত্যুৎপন্নমতিতাৰে চলাই নিয়া কৌশলো। সময় বুজি, পৰিস্থিতি বুজি, কথাবোৰ সলনি কৰি কৌশলেৰে কাৰ্য্যসূচী আগবঢ়াই নিব লাগিব।

কিন্তু জাতীয় বিদ্যালয়ৰ কিছু শিক্ষাৰ্থীৰ ওপৰত আমাৰ বিশ্বাস আছিল। অলকেশৰ ওপৰতো।

কোনে কৰিব— এই লৈ কথা পাতি থাকোঁতে ত্ৰিদিৱদাই অলকেশ আৰু ছায়াশ্ৰীক বাছি উলিয়ালে। পৰিকল্পনা হৈ গ'ল— পুৰুষ আৰু নাৰী কণ্ঠৰ যুটীয়া সমন্বয়েৰে আঁত ধৰা কামটো হওক। খুব ভাল লাগিব। সকলোৰে সন্মতিমৰ্মে পুৰুষ কণ্ঠত পঞ্চম শ্ৰেণীৰ অলকেশ কলিতা আৰু নাৰী কণ্ঠত ষষ্ঠ শ্ৰেণীৰ ছায়াশ্ৰী পাঠক।

কথামতেই কাম। মই কাৰ্য্যসূচীবোৰ সামৰি স্ক্ৰিপ্ট লিখি দিলোঁ। ত্ৰিদিৱদাই চাই আৰু চিকুণাই দিলে। বিদ্যালয়ৰ চৌহদতে অলকেশ আৰু ছায়াশ্ৰীৰ আখৰা হ'ল। এবাৰ বুজাই দিওঁতেই দুয়ো সকলো আয়ত্ত কৰি ল'লে। প্ৰতিভাসম্পন্ন ল'ৰা অলকেশ। সেয়ে কোনো অসুবিধা নহ'ল আখৰাত। ছায়াশ্ৰীও পাকৈত আছিল।

ৰবীন্দ্ৰ ভৱনত ১৯৯৬ চনত অনুষ্ঠিত 'গীত-মাতৰ গধূলি' অনুষ্ঠানটোৰ বিশাল প্ৰেক্ষাগৃহভৰ্তি দৰ্শকৰ সন্মুখৰ বিশাল মঞ্চৰ আঁৰ কাপোৰৰ বাহিৰত মঞ্চৰ দুয়ো পিনে থিয় হৈ অলকেশ আৰু ছায়াশ্ৰীয়ে খুব সুন্দৰকৈ অনুষ্ঠানটো আঁত ধৰি গ'ল— "সমৱেত পৰম শ্ৰদ্ধাৰ সুধীবৃন্দ...", "সন্মানীয় প্ৰিয় দৰ্শক...", "সন্মানীয় অসম জাতীয় বিদ্যালয়ৰ প্ৰিয়ভাজনসকল" আৰু বিনিময়ত উপস্থিত শ্ৰোতা-দৰ্শকৰ হাতচাপৰি।

বিদ্যালয়ৰ ইউনিফৰ্ম নীলা ছাৰ্ট, ছাই বৰণৰ হাফ পেণ্ট, বগী দীঘল মোজা, ক'লা জোতা পৰিধানেৰে সপ্ৰতিভ বদনেৰে অলকেশৰ উজ্জ্বল চকুযুৰি আজিও মোৰ মনত সতেজ হৈ আছে। হাতত স্ক্ৰিপ্টখন আছিল যদিও স্ক্ৰিপ্ট নোচোৱাকৈয়ে অকণো

খোকোজা নলগাকৈ সুন্দৰ কথনশৈলীৰে অলকেশে, লগতে ছায়াশ্ৰীয়েও সম্পূৰ্ণ অনুষ্ঠানটো পৰিচালনা কৰিলে। অলকেশৰ সেই কথনশৈলীয়ে পৰৱৰ্তী সময়ত অসমীয়া অপূৰ্ব শব্দসম্ভাৰেৰে কাব্যৰ ৰূপ ল'লে। পৰৱৰ্তীকালত অলকেশৰ কাব্য প্ৰতিভা অধিক প্ৰকট হ'ল।

মই যিহেতু অসম জাতীয় বিদ্যালয়ত সৰহ দিন নাথাকিলোঁ— সেয়ে ছাত্ৰৰূপে অলকেশক সম্ভৱতঃ দুবছৰমানহে পালোঁ। কিন্তু কি তাৰ মোহিনী শক্তি যে সেই কম সময়তে সি আমাৰ হৃদয়ত শুভ স্থান ল'লে। মাজত কিছু বছৰৰ বিৰতি। ময়ো অন্য কৰ্মস্থানলৈ গ'লোঁ। এদিন হঠাতে দুপৰীয়া পৰত ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰ সমীপৰ ৰে'ললাইন পাৰ হ'বলৈ লওঁতে সন্মুখৰপৰা ল'ৰা এজনে মাত লগালে আৰু "বাইদেউ ভালনে?" বুলি কৈ সেই ৰাস্তাৰ দাঁতিতে ল'ৰাজনে মোৰ ভৰি চুই সেৰা জনালে। যদিও মুখৰ চেহেৰা কিছু সলনি হৈছে (যৌৱনৰ প্ৰভাৱ); তথাপি ওখ-পাখ আৰু মৰম লগা ল'ৰাজনৰ সপ্ৰতিভ চকুযুৰি আৰু মাতষাৰ চিনিবলৈ মোৰ এখন্তেকো পলম নহ'ল।

ঃ আৰে, অলকেশ। ভালে আছা? তুমি ইয়াত যে?

ঃ বাইদেউ, মই এইখন ললিত চন্দ্ৰ ভৰালী কলেজত ডিগ্ৰী কৰি আছোঁ। আপোনালোক ইয়াতে থাকে বুলি জানো। লগহে পোৱা নাছিলোঁ।

ঃ তাকেই, আহিবাচোন আমাৰ ঘৰলৈ। ছাৰকো লগ পাবা।

শুভ বাৰ্তা আদান-প্ৰদান কৰি দুয়ো দুফালে আঁতৰি গ'লোঁ। আজিৰ যুগতো যে তাহানিতে এৰি অহা ছাত্ৰ এজনে বাটত লগ পায়ো শ্ৰদ্ধা জনাইছে, ভৰি চুই সেৱা জনাইছে— মনটো উপচি পৰিল।

সেয়াই অলকেশ। ইমান অমায়িক। নম্ৰভাষী। বিনম্ৰ। আজিৰ প্ৰজন্মৰ বাবে এজন আদৰ্শ ছাত্ৰ।

অলকেশক আৰু এদিন লগ পালোঁ— কবি নীলমণি ফুকন ছাৰৰ ঘৰত। ইতিমধ্যে অলকেশে অসমীয়া কাব্যজগতত নিজৰ অনন্য প্ৰতিভাৰে এখন সুকীয়া স্থান দখল কৰিছে। কবিতাবোৰ লিখি ফুকন ছাৰক দেখুৱাবলৈ আহে। ছাৰৰপৰা পৰামৰ্শ লয়। ঘঁহি-পিহি পুনৰ চিকুণ-নিপোটল ৰূপ দিয়ে কবিতাবোৰক। অলকেশ যোৱাৰ পাছত নীলমণি ফুকন ছাৰে তেওঁৰ স্বভাৱসিদ্ধ ভংগিমাৰে মূৰটো কিছু সময় লৰাই লৰাই কৈছিল— "কিছু আছে দেই এই ল'ৰাজনৰ। ভাল কবিতা লিখিবলৈ লৈছে। এৰি নিদিলে এদিন বহুত আগবাঢ়ি ওলাই আহিব।" নতুনক সততে উৎসাহিত কৰা ফুকন ছাৰৰ আস্থা আৰু বিশ্বাস আছিল অলকেশৰ ওপৰত।

আজি মোৰ অনুভৱ— ছাৰ ইহ সংসাৰৰপৰা আগতেই গুচি গ'ল। নহ'লে যে আজি তেওঁ খুব মৰ্মান্তিক বেদনা পালেহেঁতেন।

কেতিয়াবা বাস্তৱো সপোন যেন লাগে।
সপোনতহে যেন সি হেৰাই গ'ল
বাস্তৱতো আছেই
শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধা নিবেদনত
বিনম্ৰ ব্যৱহাৰত
শব্দ-শিল্পৰ মাজত
কাব্য-চেতনাৰ প্ৰৱহমান নৈখনত...

# আকৌ লগ পাম অলকেশ

## প্ৰণৱ কুমাৰ বৰ্মন

১

আমাৰ সময়ৰ আটাইতকৈ বুদ্ধিদীপ্ত কবি জ্যোৎস্নাৰ স'তে আমাৰ বন্ধুত্বসুলভ সম্পৰ্ক আছিল কটন বা বিশ্ববিদ্যালয়ৰ দিনবোৰত— যিগৰাকী কবিক নৱকান্ত বৰুৱা ছাৰেও স্বীকৃতি দি গৈছিল— তেতিয়া অলকেশ নামৰ এগৰাকী কবিৰ জন্ম হ'ব বুলি আমাৰ কোনো ধাৰণাই নাছিল। হয়তো সি তেতিয়া তেনেই সৰু আছিল।

সেই সময় আছিল নতুন শতিকা এটাৰ প্ৰাৰম্ভৰ— য'ত আত্মাবোৰ হেৰাবলৈ আৰম্ভ কৰিছিল— শৰীৰৰ গহনাবোৰ অধিক জিলিকি উঠিছিল। পৰ্বান্তৰৰ নামত সাহিত্য-সংস্কৃতিয়ে বাট হেৰুৱাই উকমুকাই আছিল— আমাৰ শব্দ সাধনাই ভোগবাদী বাট এটা লৈ বেছ ৰমৰমীয়া পৰিৱেশৰ সৃষ্টি কৰিছিল। আমি অধিকেই থাউনি হেৰুৱাই পেলাইছিলোঁ— কেইজনমানেহে খেৰকূটা সাবটি আচল ৰাস্তাত ৰৈ গৈছিল। নতুন বিশ্ব অৰ্থনীতিৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছিল সৃষ্টিত।

অলকেশ তেতিয়া কাব্য সাহিত্যৰ এটা বীজ মাত্ৰ আছিল। গজালি মেলিবলৈ বাকী। হয়তো নৱকান্ত-নীলমণি-অজিৎ বৰুৱাৰ কাব্য ছায়াত ৰৈ ৰৈ মনৰ অনুশীলনীত ব্যস্ত আছিল— কবিতা কি? কবি কোন? জীৱন-জগতৰ অৰ্থ কি? এই গভীৰ আত্মমগ্নতাই মৃত্যু চেতনা আৰু মৃত্যু লালসাকো হয়তো উদ্বেলিত কৰিছিল— তেতিয়াই! এই আত্মমগ্নতাই হয়তো জীৱনৰ স'তে অহৰহ এখন যুদ্ধত ব্যস্ত ৰাখিছিল তাক! হয়তো নিজৰ স'তে যুঁজি যুঁজি কেতিয়াবা ভাগৰি পৰিছিল— আনে নজনাকৈ! তেনেকৈ এখন দীৰ্ঘকালৰ আত্মযুদ্ধৰ মাজেৰে কবি অলকেশৰ হয়তো গজালিয়ে ঠন ধৰিছিল!

২

জীৱন-জগতৰ অপাৰ ৰহস্য কবি-দাৰ্শনিক-বিজ্ঞানীৰ বাবে লোভনীয় বিষয়। তাত বিচৰণ কৰি সেই ৰহস্য উদ্‌ঘাটনৰ বাবে বহুতেই নিজকে এৰি দিয়ে পাৰ্থিৱ সকলো লোভ-মোহৰপৰা। নিজে নিজেই বিচ্ছিন্ন হৈ পৰে গতানুগতিক দৃশ্যমান জগতৰপৰা। সেই পৰম সন্ধান, একান্ত সন্ধানৰ অৰ্থ সাধাৰণজনৰ বাবে অৰ্থহীন— কিন্তু যিয়ে এবাৰ পৰমাৰ্থ বিচাৰি গৈ সৃষ্টিত নিমজ্জিত হৈছে— ব্ৰহ্মাণ্ডৰ তৰাৰ দৰে জিলিকি উঠিছে। অলকেশৰ সেই যাত্ৰা আধৰুৱা— কাৰণ মানসিকভাৱে সেই যাত্ৰা ক্লান্তিকৰ— আনে বুজিব নোৱৰা— আনৰপৰা সঁহাৰি পাব পৰাবিধৰ নহয়। সেই যাত্ৰাৰ বাবে ধৈৰ্য্য, সহিষ্ণুতা, গভীৰ জীৱনবোধ, ব্যৰ্থতাৰ আনন্দ-উপভোগৰ শক্তি— অলকেশে চাগৈ লাহে লাহে হেৰুৱাই পেলাইছিল— বাহ্যিক জগতৰ ৰং-ৰহইচভৰা তীব্ৰ নিগনি দৌৰত নিমজ্জিতসকলক দেখি দেখি। এদিন যি যাত্ৰা আছিল আটাইতকৈ অৰ্থৱহ— সেই যাত্ৰাই হৈ পৰিছিল অৰ্থহীন!

৩

পুণ্ডৰীকাক্ষ ভৰালীক পাহৰি গ'ল নেকি? অৱনী চক্ৰৱৰ্তীক? হেমাংগ কুমাৰ দত্তক? পৃথিৱীৰ ধামখুমীয়াৰপৰা আঁতৰি তেওঁলোকেও জানো ছহিদত্ব বৰণ কৰা নাই? কিয় জীৱনৰ প্ৰতি বিতৃষ্ণা অনুভৱ কৰিছিল এইসকলে? মণিভদ্ৰ গোহাঁয়ে? হেৰুৱাবলৈতো একোৱেই নাছিল তেওঁলোকৰ— পাবলৈ অনেক আছিল। তেনেহ'লে পৰম ৰহস্যময় জগতৰ সন্ধান-আৱিষ্কাৰ অবিহনে তেওঁলোক কিয় গুচি গ'ল? সেই যাত্ৰাৰ বাবে পৰ্য্যাপ্ত অনুশীলন-মানসিক শক্তি তেওঁলোকে অৰ্জন কৰা নাছিল নেকি? যাৰ বাবে মাজবাটতে তেওঁলোক ভাগৰুৱা হৈ পৰিছিল। যিয়ে সাহিত্যকো আঘাত কৰি গ'ল।

৪

অলকেশৰ আত্মপ্ৰকাশৰ সময়তেই আচলতে অসমীয়া কাব্য জগতৰ প্ৰকৃত ৰূপান্তৰ পৰ্ব এটাৰ সূচনা হৈছিল। কেইবাজনো কবিয়ে ন ন বিষয়-আংগিকেৰে অসমীয়া কাব্য জগতত নৱ বসন্তৰ আগজাননী দিছিল। মানুহ আৰু সৃষ্টি 'পণ্য' ধাৰণাৰ বিপৰীতে তেওঁলোকে সৃষ্টিক 'উপভোক্তাবাদ' ধাৰণাৰ সামান্য হ'লেও তীব্ৰ প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিছিল। ইও এক দ্বন্দ্বকাতৰ বিষয়েই আছিল। কিয়নো এনে প্ৰতিৰোধৰ বিৰুদ্ধে পুঁজিবাদৰ নব্য চেতনাৰ প্ৰত্যাক্ৰমণ বৰ ধাৰাল আছিল— অথচ তেওঁলোকে পুঁজিবাদী

চেতনাৰ বিৰুদ্ধে যুঁজিবলৈ মানসিকভাৱে সাজু নাছিল। আত্মমগ্ন চেতনাৰ দেৱাল ভাঙিবলৈও তেওঁলোক সাজু নাছিল। সেই প্ৰত্যাক্ৰমণৰপৰা বাচিবলৈ তেওঁলোক জনগণৰ স'তে চামিল হোৱা ধাৰণাৰ সমৰ্থক নাছিল। যাৰ ফলত লেটাৰ ভিতৰত সোমাই পৰিবলগীয়া হৈছিল। এই দ্বন্দ্বই সূচনা কৰিছিল মানসিক ব্যাধিবোৰৰ— যাৰপৰা পৰিত্ৰাণৰ উপায় নাছিল।

৫

যোৱা দুটা দশকৰ শ্ৰেষ্ঠ কবিসকল— যিয়ে নৱ বসন্তৰ পতাকা জোকাৰিছিল— অলকেশ আছিল শ্ৰেষ্ঠসকলৰ অন্যতম। এক নতুন কাব্য ভাষা অলকেশে কম বয়সতে আয়ত্ত কৰিছিল। অসমীয়া কবিতাত পূৰ্বে নথকা বিষয় কিছুমানো আৱিষ্কাৰ কৰিছিল। তীব্ৰ সংবেদনশীলতাই বহু নতুনত্বকে আৱিষ্কাৰ কৰিবলৈ অলকেশক প্ৰৰোচিত কৰিছিল। আৱেগিক হৈও ৰোমাণ্টিকতাক আধুনিকতাৰে নতুন অৰ্থত ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছিল। কিন্তু তেওঁৰ বিদায়ৰ লগে লগে আৰু অনেক শ্ৰেষ্ঠ সৃষ্টি অনাৱিষ্কৃত হৈ ৰৈ গ'ল— যি এক ভাষাৰ বাবে, বেদনাদায়ক দিশ আৰু কবিৰ বাবে অক্ষমণীয়।

৬

অলকেশ কলিতাই মানুহৰপৰা উত্তৰিত হৈ এক সত্তালৈ ৰূপান্তৰিত হৈছিল। সত্তাৰ বিশালতাৰ বাবে মানুহৰ ক্ষুদ্ৰতা তেওঁৰ বাবে ব্যংগ হৈ পৰিছিল! মানুহ সত্তালৈ ৰূপান্তৰিত হ'লে তাৰ চিন্তা-চৰ্চাও সাধাৰণ মানুহতকৈ উৰ্দ্ধত হৈ পৰে। সি তেতিয়া কাৰো পুত্ৰ-পিতৃ-ভাতৃ-স্বামী-প্ৰেমিকতে সীমাবদ্ধ হৈ নাথাকে। সামান্য অৱহেলা, ব্যৰ্থতাতে সেই সত্তাই নিজকে বিনাশ কৰিব পাৰে! বুদ্ধত্বপ্ৰাপ্তি অথবা বিনাশেই সত্তাৰ পথ! সেই অৰ্থত অলকেশ কলিতাৰ আত্মবিনাশ এক সত্তাৰহে বিনাশ। থাকি যোৱা হ'লে বুদ্ধত্বপ্ৰাপ্তিৰে জগত জিলিকালেহেঁতেন। মৰমৰ ভাইজনৰ অকাল বিয়োগত ব্যক্তিগত স্মৃতিচাৰণ কৰিবলৈ বিচৰা নাই। প্ৰতিভাশালী মানুহৰ জীৱন আৰু মৃত্যু নিজৰ হাতৰ মুঠিতে থাকে। কেৱল দুখ লাগে আড্ডাবোৰত তাৰ আৰু সান্নিধ্য নাপাম। *সেউজী সেউজীৰ* বাকৰিত আকৌ লগ নাপাম ধোঁৱাৰে ধূমায়িত হৈ নুঠিব পুনৰ আকাশ। তেওঁৰ অধ্যয়নপুষ্ট জটিল যেন লগা জীৱন আৰু সাহিত্যৰ তত্ত্ববোৰ বুজিবলৈ আৰু এখন্তেক থমকি ৰ'ব নালাগিব! মিছাকৈয়ে আশা কৰোঁ— আকৌ লগ পাম অলকেশ!

# অলকেশ আমাৰ বাবে কেতিয়াও অতীত হ'ব নোৱাৰে

## মণিকা দেৱী

কথাখিনি লিখিবলৈ লৈ হাত কঁপিছে, দুচকু ভৰি উঠিছে পানীৰে। অলকেশক জানিছিলোঁ সৰুৰেপৰাই। অলকেশৰ বায়েক জ্যোৎস্না মোৰ বান্ধৱী। তেওঁৰ লগত প্ৰায়ে গৈছিলোঁ তেওঁলোকৰ ঘৰলৈ। জ্যোৎস্নাৰ মাক-দেউতাকে মোক নিজৰ ছোৱালীৰ দৰেই মৰম কৰে। এখন সংস্কৃতিপূৰ্ণ ঘৰ। তেতিয়াই জ্যোৎস্নাৰ কবিতা ওলাইছিল *গৰীয়সীত*। তেওঁ মোকো লিখিবলৈ উৎসাহ দিছিল। অলকেশ তেতিয়া সৰু। মাকে চুলিখিনি খোপা বান্ধি থৈ দিয়ে। সাইলাখ কৃষ্ণ যেন! সেই অলকেশ ডাঙৰ হ'ল, কবিতা লিখিবলৈ ল'লে। কিমান যে ভাল লগা কথা। অলকেশৰ কবিতা 'পেপিৰাছ'ৰ দৰে সম্ভ্ৰান্ত প্ৰকাশন গোষ্ঠীয়ে প্ৰকাশ কৰি উলিয়াওঁতে ফোন কৰি শুভেচ্ছা জনাইছিলোঁ। বাটে-ঘাটে সভাই-সমিতিয়ে মাজে মাজে লগ পাওঁ। আমাৰ ঘৰলৈও আহিছিল অলকেশ। প্ৰথম আহিছিল মোৰ স্বামী, চিত্ৰ-ভাস্কৰ্য্য শিল্পী মনোজ চক্ৰৱৰ্তীৰ শিল্প কৰ্ম চাবলৈ। মনোজৰ শিল্প কৰ্মক লৈ এটি দীঘলীয়া প্ৰবন্ধ লিখিছিল অলকেশে, *প্ৰকাশ* নামৰ আলোচনীত। ছবি সম্পৰ্কে, ভাস্কৰ্য্য সম্পৰ্কেও তেওঁৰ কিমান যে গভীৰ জ্ঞান। অলকেশৰ কবিতাবোৰতো তেওঁৰ জ্ঞান আৰু অধ্যয়নৰ ব্যাপ্তি লক্ষ্য কৰা যায়। অথচ তাকে লৈ অহংকাৰ কৰা কোনোদিন নেদেখিলোঁ। ইমান বিনয়ী, ইমান নম্ৰ, ইমান অমায়িক ল'ৰাজন! অলকেশৰ মাক শ্ৰদ্ধাৰ প্ৰমীলা কলিতা খুৰীৰ গল্প কিতাপখন ওলোৱাৰ সময়তো অলকেশ আমাৰ ঘৰলৈ আহিছিল। আমাৰ ঘৰলৈ আহিলেই আমাৰ ল'ৰা-ছোৱালী দুটাৰ সৈতে মিলি পৰে সি। চকলেট ননাকৈ কোনোদিন নাহে। ডেকা-বুঢ়া সকলোৰে লগত সমানে মিলি যাব পাৰে অলকেশ। সেইটোও কম ডাঙৰ গুণনে?

সকলো বিষয়তে তাৰ সমান আগ্ৰহ। এদিন তবলা এযোৰ কিনি আনি মোক ক'লেহি— "বা, গুৰু এগৰাকীৰ সন্ধান দিয়ক। তবলা শিকিম।" অসমৰ গৌৰৱ, অসমৰ একমাত্ৰ 'পণ্ডিত' উপাধি প্ৰাপক স্বনামধন্য শিল্পী, শ্ৰদ্ধাৰ পৱন বৰদলৈ ছাৰৰ লগত পৰিচয় কৰাই দিছিলোঁ অলকেশক। তাৰ পাছত ছাৰৰ সৈতে অলকেশৰ বন্ধুত্ব গঢ়ি উঠিছিল। ছাৰক লগ কৰাই দিয়াৰ বাবে আমাক যে কিমান কৃতজ্ঞতা জনাইছিল সি! হয়, ছাৰক লগ পোৱাটো আমাৰ বাবেও সৌভাগ্যৰ কথা।

বহু কথা মনত পৰিছে। কথাবোৰ অতীত কালত লিখিব লগা হোৱাৰ বাবে বৰ কষ্ট পাইছোঁ। অলকেশৰ দৰে ভাই এজন পাই আমি ধন্য হৈছোঁ। বায়েক-ভিনদেৱেক বুলি আমাক কিমান যে শ্ৰদ্ধা কৰিছিল সি! অলকেশ আমাৰ বাবে কেতিয়াও অতীত হ'ব নোৱাৰে। সদায় মনৰ মাজত থাকিব অলকেশ, অলকেশৰ কবিতাবোৰ। মাজতে অসম জাতীয় বিদ্যালয়ে বাৰ্ষিক আলোচনী *বাখৰ*ত প্ৰাক্তন কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ এখন তালিকা প্ৰকাশ কৰিছিল। তাত অলকেশৰ নাম আৰু কৰ্মৰাজিৰ কথা সুন্দৰকৈ প্ৰকাশ কৰা হৈছিল। মই অভিনন্দন জনাওঁতে তেওঁ কৈছিল, "এনেকৈ নিজৰ নামটো দেখি বৰ ভাল লাগিছে বা।"

এই ভাল লগাবোৰে, ভাল কামবোৰে, কবিতাসমূহে অলকেশক সদায় জীয়াই ৰাখিব।

সৰুতে দেখা তাৰ সেই খোপাবন্ধা চুলিৰ সাইলাখ কৃষ্ণ হেন ৰূপটো মনৰ মাজত ৰৈ গ'ল সদায়। কেতিয়াবা তাক ক'লে সি কয়, "বা, আপুনি সদায় মোক সৰু বুলিয়েই ভাবে। মই পিছে বহুত ডাঙৰ হৈ গ'লোঁ।"

ইমান ডাঙৰ হৈ গ'লনে ল'ৰাটো, এনেদৰে অকলে হঠাতে গুচি যাবলৈ!

অলকেশ, তুমি য'তেই আছা কুশলে থাকা সদায়। তুমি তোমাৰ গুণমুগ্ধসকলৰ হৃদয়ত চিৰদিন সজীৱ হৈ ৰ'বা। তোমালৈ যাচিলোঁ গভীৰ শ্ৰদ্ধাঞ্জলি।

# এজন মননশীল-সংবেদনশীল কবি

**প্ৰতীম বৰুৱা**

“মই জানো যে উচুপি উচুপি
এনেকৈয়ে চাকিৰ তেল পোৰে শিখাত।
কাইলৈ ৰাতি পুৱালেই
মানুহে মোৰ ছাঁ পৰা মুখখন দেখিব।”

— অলকেশ কলিতা

নিৰ্বাচনী কৰ্তব্যৰ ব্যস্ততাৰ মাজতো শুকুৰবাৰে পুৱা দুখবৰটো পোৱাৰপৰাই অস্থিৰ হৈ আছোঁ। কিনো কওঁ ! কিনো লিখো !! এজন মননশীল, সংবেদনশীল কবি, আনতকৈ পৃথক আৰু বৈশিষ্ট্যপূৰ্ণ যাৰ কবিতা, প্ৰবল অনুভূতিপ্ৰৱণ, সুপৰিচিত, ছিৰিয়াছ— আমাৰ মাজৰপৰা হেৰাই গৈছে! ১০ নৱেম্বৰ ২০২৩ সন্ধিয়া শেষ কথা। টেলিফোনত। ভবাটো নাছিলোঁ সেই কথাই শেষ কথা হ'ব। কত কথা পাতিছিলোঁ! কবি-কবিতাৰ। সাহিত্যৰ। জীৱনৰ! পৰ্বতসম হতাশাৰ মাজতো সূৰ্য্য উদয়ৰ কথাওতো পাতিছিলোঁ! কিয় এনে হ'ল !!

মোৰ তৃতীয় কবিতাৰ সংকলনটো আৰু তেওঁৰ *যোৱাবেলিৰ বসন্ত* গুৱাহাটী প্ৰেছ ক্লাবত একেলগে উন্মোচন কৰিছিলোঁ। ২০১৬ত। কত স্মৃতি!

তেওঁৰ বহু কবিতা, কবিতাৰ শাৰী মাজে মাজে আওৰাইছিলোঁ। নিজৰ মাজতে। ক'ৰবাত এই শাৰীবোৰৰ সৈতে কিবা এটা নৈকট্য অনুভৱ কৰিছিলোঁ।

“আন্ধাৰৰপৰাও
কিবা এটা পোহৰ ওলায়
পুৰি নোহোৱা হয়
চকুৰ ঢাকনি”

তেওঁৰ 'জুৰি', 'আৰামী চকীত মধ্যবিত্ত', 'ঘৰ' আদি কবিতা মোৰ বৰ প্ৰিয় আছিল। কেইবাবাৰো কৈছিলোঁ তেওঁক এই কথা।

আৰু যে 'মৃত্যু' শীৰ্ষক কবিতাত তেওঁ লিখিছিল—

"আমাক তই বন্দী কৰি থোৱা নাই
আমি তোক প্ৰদক্ষিণ কৰিছোঁ

কিনো শুঙি থাক
আমাৰ ভেঁকুৰা জীৱন"

উফ্...

অলকেশৰ কবিতাত 'মৃত্যু' আৰু 'হতাশা'ৰ ৰেশ প্ৰায়ে দেখিছিলোঁ। ক'ৰবাত ভাবনাৰ মিলো বিচাৰি পাইছিলোঁ। এবাৰ নীলমণি ফুকন ছাৰে কথাৰ মাজতে কৈছিল— "হতাশা নাথাকিলে তুমি কিহৰ কবি হ'লাহে?"

অলকেশ হাড়ে-হিমজুৰে কবি আছিল।

জীৱন আৰু মৃত্যু যে এটা আনটোৰ পৰিপূৰক!

জুৱান ৰেমনে যে কৈছিল— "I think so much about death because I know that when I am dead, I am going to live more than I did when alive."

সচৰাচৰ সেয়াইতো হয়!

'As a living friend'-ৰ দৰেই 'মৃত্যু'-তো থাকেই আমাৰ সকলোৰে লগত! অহৰহ ! অবিৰাম !!

এই জীৱন আৰু মৃত্যুৰ লগতে অলকেশো থাকিব আমাৰ লগত। স্মৃতিত। ভাৱনাত। কবিতাবোৰত। নীৰৱতাত। অনুপস্থিতিত !!

অলকেশক বিদায় বুলি নকওঁ।

# অলকেশৰ বিষয়ে

## অপৰ্ণা দেৱী

“মই আনকি খাটিখোৱা মানুহো নহয়
যে মোৰ বিষয়ে কিবা কথা
গুৰুত্বপূৰ্ণ হ'ব পাৰে।
কিন্তু খাৰৈটোৰ তলিত সৰৱে ময়েই
বাৰে বাৰে মনত পৰোঁ।”

(অস্তিত্ব)

অসম জাতীয় বিদ্যালয়ৰ একালৰ ছাত্ৰ অলকেশ কলিতাক আমি কবি হিচাপে লগ পোৱা নাছিলোঁ। লগ পাইছিলোঁ সুন্দৰ কণ্ঠস্বৰৰ অধিকাৰী এজন ছাত্ৰ হিচাপে। বিদ্যালয় সপ্তাহৰপৰা আদি কৰি, বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত কবিতা আবৃত্তি কৰি সেই সময়ত সকলোৰেপৰা প্ৰশংসা লাভ কৰিছিল। সময়ে সময়ে অলকেশে বিভিন্ন বিষয়ক বক্তৃতাও দিছিল। সাধাৰণভাৱে কথা-বতৰা পাতিলে কেতিয়াবা মাতটো অলপ লাগি ধৰে যদিও আবৃত্তি কৰি থকাৰ সময়ত বা বক্তৃতা প্ৰদান কৰি থকাৰ সময়ত আকৌ আচৰিত ধৰণে কেতিয়াও লাগি ধৰা নাছিল।

বিদ্যালয়ৰ শ্ৰেণীকোঠাত অলকেশক আমি প্ৰত্যক্ষভাৱে লগ পাইছিলোঁ। শ্ৰেণীকোঠাত মনোযোগী, তৎপৰ, কিছু ভাবুক অলকেশক আমি হাইস্কুল শিক্ষান্ত পৰীক্ষাত আমাৰ বিদ্যালয়ৰপৰা প্ৰথম দহোটাৰ ভিতৰত স্থান লাভ কৰিব বুলি আশা কৰিছিলোঁ। তেওঁৰ বন্ধু দীপজ্যোতিও সেই তালিকাত আছিল। কিন্তু সেই বছৰ আকৌ আচৰিত ধৰণে আমাৰ বিদ্যালয়ৰপৰা এগৰাকীয়েও স্থান লাভৰ তালিকাত অন্তৰ্ভুক্ত নহ'ল। শিক্ষক হিচাপে আমাৰ মনটো বেয়া লাগিছিল। কিন্তু আমি তেওঁলোকক লৈ

হতাশ হোৱা নাছিলোঁ। তেওঁলোকে ভৱিষ্যতে যে একঠা খাব পাৰিব, সেয়া আমি পূৰ্বানুমান কৰিছিলোঁ। পৰৱৰ্তী সময়ত অলকেশে স্বৰচিত কবিতাৰ পুথি হাতত লৈ আমাক শিক্ষকসকলক উপহাৰ দিবলৈ বিদ্যালয়লৈ আহিছিল। তেওঁ হাতত তুলি দিয়া কবিতাপুথিকেইখন লৈ বৰ আনন্দিত হৈছিলোঁ। আমাৰ বাবে, শিক্ষক হিচাপে ই এক অনন্য প্ৰাপ্তি। অসম জাতীয় বিদ্যালয়ৰ শিক্ষা পদ্ধতিৰ এক অন্যতম উদ্দেশ্য আছিল— শিক্ষাৰ্থী (ছাত্ৰ-ছাত্ৰীসকলৰ)সকলৰ মনত সৃষ্টিশীলতাৰ বীজ ৰোপণ কৰা। বিদ্যালয়ৰ সেই ধাৰণাৰ অলকেশ এক উদাহৰণ বা দৃষ্টান্ত হৈ থাকিল।

এগৰাকী শিক্ষকৰ আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় গঢ়ি তোলাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। অলকেশহঁতৰ দৰে ছাত্ৰই সেই বিশ্বাস আৰু প্ৰত্যয়ৰ জন্ম দিয়াত এশ শতাংশই সফল হৈছিল। আজিও আমি সেই কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰোঁ।

অলকেশে আমাক দি যোৱা কবিতা পুথিকেইখনৰ প্ৰত্যেকটো কবিতাই পঢ়ি অঁটোৱা নাই। পৃষ্ঠাবোৰ লুটিয়াই গৈ থাকোঁতে কিছুমান কবিতা পঢ়িবলৈ বাধ্য হৈ গৈছিলোঁ। 'অস্তিত্ব' শীৰ্ষক কবিতাটো পঢ়ি কিছু সময় তভক মাৰি ৰ'লোঁ। অলকেশ, তোমাক সুধিবলৈ এতিয়া উপায় নাই যদিও সুধিবৰ মন গৈছে যে তুমি জীৱনৰ অৰ্থ বাৰু বেছিকৈ বুজিলা নেকি? নে জীৱনৰ অৰ্থ বুজাত তোমাৰ ভুল হ'ল?

যিয়েই নহওক— তুমি য'তেই নাথাকা কিয়, শান্তিত থাকা। তুমি যে এগৰাকী অতি জনপ্ৰিয় কবি আছিলা— সেই কথাৰ উমান তুমি নোহোৱা হোৱাৰ পাছতহে বেছি প্ৰতীয়মাণ হ'ল। তোমাৰ সৰলতা, তোমাৰ নম্ৰ বিনয়ী স্বভাৱ আমাৰ লগতে বিদ্যালয়ৰ শিক্ষাৰ্থী (ছাত্ৰ-ছাত্ৰী)সকলৰ বাবে পাথেয় হৈ ৰওক।

·

# কবি অলকেশৰ সোঁৱৰণত

## গজেন্দ্ৰ নাথ ডেকা

সময়ে হাতবাউলি মাতিলে আমি অহা ঠাইলৈ পুনৰ ঘূৰি যাবই লাগিব। ই চিৰন্তন সত্য। অলকেশো (পিকু) ইয়াৰ ব্যতিক্ৰম নহয়। এক জটিল মানসিক ৰোগত কেইবাবছৰো ভুগি অৱশেষত যোৱা ১৯ মে', ২০২৪ত আমাক সকলোকে কন্দুৱাই পিকুৱে আমাৰ মাজৰপৰা ৩৯ বছৰ বয়সত বিদায় মাগিলে।

অলকেশৰ ঘৰখনৰ লগত মোৰ সৰুকালিৰপৰাই অহা-যোৱা আছিল, কিয়নো পিকুৰ দেউতাক ফণীদা আৰু মোৰ জন্মস্থান একেখন গাঁৱতে। পিকু সৰুৰেপৰা এজন অতি মেধাৱী ছাত্ৰ আছিল আৰু অসম জাতীয় বিদ্যালয়, গুৱাহাটীৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰায় ৭৯ শতাংশ নম্বৰসহ উত্তীৰ্ণ হৈ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত নামভৰ্তি কৰাইছিল। সমান্তৰালভাৱে তেওঁ আই আই টিৰ বাবে ক'চিং কৰিছিল, কিন্তু বহুতৰ দৰেই এই আশা সফল নহ'ল আৰু শেষত তেওঁ বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল। প্ৰথমাৱস্থাত তেওঁ চৰকাৰী চাকৰিৰ বাবে চেষ্টা কৰিছিল যদিও পিছৰ ফালে তেওঁ সাহিত্যচৰ্চাত মনোনিৱেশ কৰিলে। বিভিন্ন আলোচনীত লিখাৰ উপৰি এখন-দুখনকৈ তেওঁ মুঠ ছয়খন কাব্যগ্ৰন্থ লিখি প্ৰকাশ কৰিলে আৰু অসমীয়া কাব্য সাহিত্যত এজন প্ৰতিষ্ঠিত কবি হিচাপে পৰিচিত হ'ল। এইখিনিতে উল্লেখ নকৰি নোৱাৰোঁ যে মই নিজেও অলকেশৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ। এদিনাখন মোৰ চাকৰিৰ প্ৰায় শেষৰফালে (২০১৯ চন) মোৰ এখন কবিতা সংকলন প্ৰকাশ কৰি চাকৰি জীৱনৰ বিদায় বেলাত মোৰ সহকৰ্মী তথা বন্ধু-বান্ধৱীসকলক উপহাৰ দিবলৈ হাবিয়াস থকা কথাটো ফণীদাৰ আগত প্ৰকাশ কৰিছিলোঁ। লগে লগে ফণীদাই মোক সাহস দি কৈছিল, "তুমি আগবাঢ়া, চিন্তা নকৰিবা, আমি আছোঁ নহয়।" এইবুলি অলকেশক পঢ়া কোঠাৰপৰা মাতি আনি মোৰ মনৰ কথাখিনি ক'লে। লগে লগে পিকু আহি মোৰ

ওচৰত বহি ল'লে আৰু তেওঁৰ কথাত মই অফুৰন্ত সাহস পালোঁ। তেওঁ মোৰ আটাইকেইটা কবিতা চকু ফুৰাই দি ভুল-ভ্ৰান্তিবোৰ আঙুলিয়াই দিলে। মোৰ কাব্যগ্ৰন্থখনৰ (*বালিচন্দা*) বেটুপাতৰ শেষ পৃষ্ঠাৰ কথাখিনি অলকেশে লিখিছিল। কাব্যগ্ৰন্থখনৰ উন্মোচক ঠিক কৰাকে ধৰি উন্মোচনলৈকে তেওঁ মোক সহযোগ কৰিছিল। তেওঁৰ সহযোগ অবিহনে ২০২০ চনৰ ১৬ জানুৱাৰীত অৰ্থাৎ মোৰ অৱসৰৰ শেষ মাহটোতে গ্ৰন্থখন প্ৰকাশ কৰা সম্ভৱ নহ'লহেঁতেন।

অলকেশৰ কবিতাসমূহ হৃদয়ংগম কৰা মোৰ দৰে এজন সাধাৰণ ব্যক্তিৰ বাবে সম্ভৱ নহয়। তেওঁৰ কবিতাসমূহ অতি উচ্চমানৰ আৰু গভীৰ চিন্তাধাৰাৰ।

জীয়াই থকা দিনকেইটা অলকেশে লিখিবলৈ জীয়াই আছিল, জীয়াই থাকিবলৈ লিখা নাছিল। কাৰণ কোনো মাননি বা কিতাপ বিক্ৰী কৰি উপাৰ্জিত ধনৰ ওপৰত তেওঁৰ কোনো লালসা নাছিল। সেয়ে তেওঁ মাজে মাজে অন্য কামত নিজকে নিয়োগ কৰিছিল।

অলকেশৰ মানসিক স্বাস্থ্য সুস্থ নাছিল। প্ৰায় ৫ বছৰ আগতে তেওঁৰ দেউতাক ফণীদাই পিকুৰ মানসিক ৰোগটোৰ বিষয়ে মোক কৈছিল আৰু চিকিৎসা কৰি থকা বুলি জনাইছিল। মাজে-সময়ে ফণীদাই ঘৰুৱা কথা আলোচনা হ'লেই পিকুৰ ৰোগটোৰ বিষয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছিল। অৱশেষত এই জটিল মানসিক ৰোগটোৱে মৰমৰ পিকুক আমাৰ মাজৰপৰা লৈ গ'ল চিৰদিনলৈ।

পিকুৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক, লগতে শোকাকুল পৰিয়ালটোক ধৈৰ্য্য আৰু সাহস দিয়ক— এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

ওম শান্তিঃ ওম শান্তিঃ ওম শান্তিঃ

# ব্যতিক্ৰমী অলকেশ

## সঞ্জয় কলিতা

বয়সত প্ৰায় সমনীয়া যদিও যিহেতু মোৰ চুলিখনি নাই সেইবাবেই মোক অলকেশেই সঞ্জয়দা বুলিয়ে মাতিছিল। অলকেশৰ লগত মোৰ চিনাকি হৈছিল ২০১৪ চনত। আমি পিয়লি ফুকন নগৰত ব্যৱসায় আৰম্ভণি কৰিছিলোঁ ২০১২ চনত, দুই-এক পেজ অসমীয়া ডি টি পি, জেৰক্স ইত্যাদিৰে, তাৰ লগতে উন্নয়ন সমিতি, মহিলা সমিতি, বিহু কমিটীৰ বাৰ্ষিক মুখপত্ৰ *প্ৰেৰণা*, পিয়লি ফুকন নগৰ সাহিত্য চক্ৰ, এই সকলো অনুষ্ঠানৰ কাম-কাজবোৰ সকলোৰে লগত চিনাকি হৈ কৰিবলৈ আৰম্ভ কৰিলোঁ। যিহেতু অলকেশৰ ঘৰখন সাহিত্যৰ লগত জড়িত, তেওঁৰ দেউতাক শ্ৰদ্ধাৰ ফণী কলিতাদেৰ, মাতৃ প্ৰমীলা কলিতা সাহিত্যৰ অনুৰাগী লিখা-মেলাৰ মাধ্যমেৰেই তেখেতসকল লগত চা-চিনাকি হৈছিলোঁ। আৰু তেতিয়াৰপৰাই তেখেতসকলৰ যিকোনো অসমীয়া ডি টি পি থাকিলেই মোকেই কৰিবলৈ দিছিল। আৰু সেই ২০১৪ চনতেই অলকেশৰ দেউতাক ফণী কলিতা খুৰাই মোৰ লগত চিনাকি কৰাই দিছিল আৰু কৈছিল আমাৰ ইও কিতাপ-পত্ৰ লিখি থাকে আৰু ওচৰত হ'লে তোৰো সুবিধা হ'ব কামবোৰ কৰাত।

তেওঁৰ লগত মই চাৰিখন কিতাপৰ কাম কৰিছিলোঁ। এখন কিতাপ তেওঁৰ মাতৃ প্ৰমীলা কলিতাৰ। এই কিতাপখনৰ গোটেইখিনি কাম কৰিছিলোঁ। বাকী অলকেশৰ তিনিখন কিতাপ কেৱল ডি টি পিহে কৰিছিলোঁ, কিয়নো তেওঁৰ গ্ৰন্থকেইখন যিহেতু প্ৰকাশক গোষ্ঠীয়ে প্ৰকাশ কৰে। সেইবাবেই মই কেৱল ডি টি পি কৰি পেন ড্ৰাইভত প্ৰস্তুত কৰি দিছিলোঁ। মই ডি টি পি কৰা দুখন কিতাপ প্ৰকাশ হৈছিল; আনহাতে, তৃতীয়খন কিতাপ ডি টি পিৰ কৰা হৈছিল যদিও সম্পূৰ্ণ নহ'ল। যোৱা বছৰৰ ডিচেম্বৰ মাহৰ ২০ তাৰিখে মোক ফোন কৰি সুধিছিল, "সঞ্জয়দা মই এখন কবিতা পুথি

কৰিম, আপুনি কামখিনি কৰিব পাৰিবনে?" (সাধাৰণতে তেওঁৰ কামত তেওঁ কাষত থাকিহে ডি টি পি কৰে) আৰু কেতিয়াৰপৰা কৰিব পাৰিম সুধি "এইবাৰ ছাইজটো অলপ আনকমন কৰিম দিয়ক, অলপ দীঘলীয়া টাইপ" বুলি জনালে মোক। মই ক'লোঁ, পৰহিৰপৰাই কৰিব পাৰিম দিয়া। আৰু সেই মতেই ডিচেম্বৰ মাহৰ ২২ তাৰিখৰপৰাই তৃতীয়খন কিতাপৰ কাম হাতত লৈছিলোঁ, য'ত প্ৰায় ১০ৰপৰা ১৫ দিনৰ ভিতৰত ৫০টা কবিতা লেন্‌ছ কেৰত টাইপ কৰা হৈ গৈছে। যিহেতু দিনৰ ভাগত আৰু সন্ধিয়াৰ ভাগত বেলেগ বেলেগ গ্ৰাহক থাকে সেইবাবে অলকেশে ডি টি পিৰ কাম থাকিলে নিশা ৮.৩০ বজাৰপৰা ১০ বজালৈকেহে মোৰ লগত বহিছিল। এইক্ষেত্ৰত অলকেশ অলপ ব্যতিক্ৰমী আছিল, কিয়নো তেওঁ প্ৰতিটো কামতে খুব সচেতন আছিল আৰু তেওঁৰ কামৰ সেই দিনকেইটাত তেওঁ মোক সদায় ফোন কৰি আগতীয়াকৈ সুধি লয়— "সঞ্জয়দা আজি যামনে? আপুনি ফ্ৰী আছেনে?" বা "সঞ্জয়দা, আজি নাযাওঁ দিয়ক, আপুনি বেলেগ কাম কৰক।" আহিব নোৱৰাৰ দিনা পুৱাই বজামানতে কৈ দিব, "আজি নাযাওঁ, মোৰ অলপ বেলেগ কাম আছে।" তেওঁৰ লগত কাম কৰি সঁচাকৈয়ে মই বৰ ভাল পাইছিলোঁ। কাৰণ তেওঁৰ ব্যৱহাৰ আৰু সময়ৰ প্ৰতি থকা সচেতনাৰ বাবে মই যিটো সময় তেওঁক কওঁ সেই সময়তেই আহি উপস্থিত হয়, অলপো অগা-পিছা নহয়। তেওঁৰ ভদ্ৰ, নম্ৰ, মৰমিয়াল স্বভাৱটোও মই কেতিয়াও নাপাহৰিম।

অলকেশে এজন ভাল কবি আছিল। তেওঁৰ কবিতাবোৰত সঁচাকৈয়ে গভীৰ তত্ত্ব নিহিত হৈ থাকে। তেওঁৰ কবিতাবোৰ সোনকালেই বুজি নাপাওঁ, গভীৰভাৱে পঢ়িলেহে কবিতাৰ অৰ্থ বুজি পাওঁ। মই ভাবোঁ তেওঁৰ কবিতাবোৰ পাশ্চাত্যাৰ কবিতাৰ লগত কিবা যেন মিল আছে। মই জনাত তেওঁ ছখন কবিতা পুথি লিখি উলিয়াইছিল। আৰু প্ৰতিখন কবিতা পুথিয়ে জনপ্ৰিয়তা অৰ্জন কৰিছিল। আৰু যিখন কবিতা পুথি ইতিমধ্যে অসমাপ্ত হৈ ৰ'ল, সঁচাকৈয়ে বৰ ভাল লগা কবিতা। প্ৰতিটো কবিতা অন্তৰ্স্পৰ্শী। মোৰ অনুৰোধ তেখেতৰ মাক-দেউতাকলৈ যাতে পলমকৈ হ'লেও এই কবিতা পুথিখন প্ৰকাশ কৰে । অলকেশে কিতাপখন জীৱিত অৱস্থাত প্ৰকাশ পালে যিমানখিনি আনন্দ পালেহেঁতেন তেওঁৰ মৃত্যুৰ পাছত প্ৰকাশ পালেও তেওঁৰ আত্মাই পৰম সন্তুষ্টি লাভ কৰিব বুলি মই আশা কৰোঁ। নহ'লে তেওঁৰ সপোন এটা আধৰুৱা হৈ ৰ'ব।

দুখৰ বিষয় এই যে যোৱা এপ্ৰিল মাহৰ ১৯ তাৰিখে মনে বিশ্বাস কৰিব নোৱৰা এটা খবৰ পাওঁ— অলকেশ কলিতা ঢুকাল। মই কথাটো শুনি বৰ মৰ্মাহত হ'লোঁ

কিয়নো মৃত্যুৰ আগদিনাখন ১৮ তাৰিখে সন্ধিয়া আমাৰ প্ৰেছলৈ আহি তেওঁৰ মাতৃ প্ৰমীলা কলিতাই লিখি থকা অনু গল্পৰ ডি টি পিৰ কামখিনি হৈছেনে মোক সুধিছিল আৰু হৈছে যদি প্ৰিণ্ট একপি উলিয়াই থৈ দিবলৈ কৈ মই ৰাতিপুৱা আহি ল'ম বুলি কৈ গৈছিল। তদুপৰি তেওঁ আগতে লৈ থোৰা ৰিচাৰ্জৰ পইচা দি গৈ গৈছিল আৰু কৈছিল, ‘‘সঞ্জয়দা মোৰ কিতাখনৰ প্ৰুফ চোৱা হৈছেই ৰ'বঙ্গ আৰু ৫টামান বাকী আছে, মই এইকেইদিন অলপ মোৰ দাদাৰ ব্যৱসায়ৰ লগত ব্যস্ত হৈ আছোঁ বাবে ভালকৈ টাইম দিব পৰা নাই। সম্পূৰ্ণ হ'লে মই আপোনাৰ লগত বহি ভুলবোৰ ঠিক কৰিম দিয়ক, ময়ো হ'ব হ'ব, যেতিয়া চোৱা শেষ হয় তেতিয়াই আহিবা বুলি কৈ থৈছিলোঁ। এইখিনিয়ে আছিল শেষ কথা।

সন্ধিয়া লগ পোৱা ল'ৰাজনৰ পিছদিনা মৃত্যুৰ বাতৰিয়ে মোক ব্যথিত কৰিছে। মৃত্যুৰ দিনা মই বিশেষ কাৰণবশতঃ তেওঁৰ শেষ সময়খিনিত উপস্থিত থাকিব নোৱাৰিলোঁ। তাৰবাবে পৰিয়ালৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। শেষত কলকেশৰ আত্মাই চিৰশান্তি লাভ কৰক। এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

ওম শান্তি ঃ ওম শান্তি ঃ ওম শান্তি

# অলেকেশ কলিতালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি

**ৰুমী বৰুৱা আগৰৱালা**

পিতৃ ফণী কলিতা আৰু মাতৃ প্ৰমীলা কলিতাৰ দ্বিতীয় পুত্ৰ, একাধাৰে প্ৰখ্যাত কবি, সাহিত্যিক আৰু সাংবাদিক প্ৰয়াত অলকেশ কলিতা অসমীয়া কাব্য জগতৰ এজন প্ৰতিশ্ৰুতিসম্পন্ন নবীন কবি আছিল। তেওঁৰ অনুভৱৰ সকলো লেখাই সাহিত্যপ্ৰেমীৰ মাজত চৰ্চা লাভ কৰিছিল। তেওঁৰ এখন উল্লেখযোগ্য গ্ৰন্থ *আৰু এটা বিধুৰ বেলা*। তদুপৰি *যোৱা বেলিৰ বসন্ত, নিষ্ফল উৎসৱ, পৰাস্মৃতি* ইত্যাদিকে ধৰি তেওঁৰ উল্লেখনীয় কাব্য সংকলন।

গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা গণসংযোগ আৰু সাংবাদিকতা বিভাগৰপৰা স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। বিভিন্ন সময়ত ৰাজ্যৰ বহু কাকত আৰু আলোচনীতো যুৱ কবিগৰাকীৰ কবিতাই স্থান লাভ কৰি এগৰাকী সম্ভাৱনাপূৰ্ণ কবিলৈ পৰিণত হৈছিল। অলকেশে কবিতাবোৰত অকল নিজৰ কথাকে ব্যক্ত কৰা নাছিল, তেওঁৰ কবিতাৰ শব্দবোৰত বহুতৰে জীৱনৰ খণ্ড খণ্ড অনুভৱ নিহিত হৈ আছিল। অসমীয়া কাব্যিক ক্ষেত্ৰখনক বিভিন্ন বলিষ্ঠ সৃষ্টিৰে সমৃদ্ধ কৰা সম্ভৱনাময় যুৱ কবি আছিল অলকেশ কলিতা।

কবি অলকেশ কলিতাই যোৱা ১৯ এপ্ৰিল ২০২৪, শুকুৰবাৰে স্কিজোফ্ৰেনিয়া ৰোগত ভুগি মাত্ৰ ৩৯ বছৰ বয়সতে আমাক সকলোকে কন্দুৱাই এই পৃথিবীৰপৰা বিদায় লয়। এই দুৰ্ভাগ্যজনক খবৰটোৱে সকলোকে শোকত ম্ৰিয়মাণ কৰি তোলে।

শেষত, অলকেশৰ অতনু আত্মাৰ সদ্‌গতি আৰু চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। লগতে শোকাকুল পৰিয়ালটিৰ সকলোকে এই অভাৱনীয় দুখৰ বোজা সহিবলৈ সাহস দিবলৈ নেদেখাজনৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰিলোঁ।

# অলকেশ কলিতা
# সফলতা আৰু সান্নিধ্যৰ ৰূপৰেখা

**পৰমেশ্বৰ শৰ্মা**

চিন্তাৰ ব্যাপকতাক কলমৰ তীক্ষ্ণ ধাৰেৰে অংকন কৰি নিজস্ব কথাবোৰ আংগিকেৰে সজাই বৌদ্ধিক সমাজৰ মাজলৈ তীব্ৰ বেগে গতি কৰা অলকেশ কলিতাৰ সৈতে আমাৰ এক আত্মিক সম্পৰ্ক আছিল। আধুনিক অসমীয়া কাব্য সাহিত্যৰ সুবিশাল পথাৰত খোপনি পুতি নিগাজি আসন দখল কৰিবলৈ প্ৰয়োজনীয় কষ্টসাধ্য যাত্ৰাক গভীৰ চিন্তন, মন্থন, অধ্যয়ন তথা প্ৰতীক আৰু চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগ আৰু শব্দচয়নৰ উপযুক্ত কৌশলৰ জৰিয়তে সহজসাধ্য কৰি তোলা তৰুণ কবি অলকেশ কলিতা আমাৰ অনুজ। মন আৰু মগজুত কাব্যাকাশৰ শব্দ অলংকাৰেৰে গিজ্‌গিজাই থকা অলকেশ কলিতাৰ কলমত মাত্ৰ ৩৯ বছৰীয়া চুটি জীৱনকালতে প্ৰাণ পাই উঠিছিল ছয়খনকৈ সাৰ্থক কাব্যগ্ৰন্থ। কাব্যগ্ৰন্থকেইখনৰ নামবোৰ ক্ৰমে ঃ *নিষ্ফল উৎসৱ, পৰাস্মৃতি, যোৱাবেলিৰ বসন্ত, আৰু এটা বিধুৰ বেলা, ভাস্কৰ, বগা ফুল আৰু তেজৰ তাপ*। এখন কোমল হৃদয়ত কবিতাৰ উৎসৱে এনেদৰে আলোড়ন তুলিব পাৰিছিল যে প্ৰতিখন গ্ৰন্থতে অলকেশ কলিতাৰ মৌলিক চিন্তাৰ পৰিপক্কতা স্পষ্ট ৰূপত ফুটি উঠিছিল। তেওঁৰ বুদ্ধিদীপ্ত চেতনা কাব্যগ্ৰন্থকেইখনৰ মাজেৰে প্ৰৱাহিত হৈছিল। তেওঁৰ বৌদ্ধিক চিন্তাৰ প্ৰখৰতাৰ বিস্তৃতি কবিতাসমূহত প্ৰতিফলিত হোৱা দেখা যায়। তেওঁৰ কাব্য প্ৰতিভাৰ ঔচিত্যবোধৰ মূল্যায়ন আমি কৰিব নোৱাৰোঁ।

শৈশৱৰ এছোৱা সোণালী সময় বৌদ্ধিক চিন্তাৰ পাঠশালা যোৰহাট চহৰত কটাই সাহিত্য আৰু সমাজ সংগঠক পিতৃ ফণী কলিতাৰ ছত্ৰছায়াত অলকেশে নিজস্ব প্ৰতিভাৰ স্ফুৰণেৰে সৃষ্টিশীল সাহিত্যত মনোনিৱেশ কৰে। অত্যন্ত ভাবুক, মৃদু আৰু

স্বল্পভাষী অলকেশ কলিতা অধ্যয়নৰ ক্ষেত্ৰখনতো অত্যন্ত মেধাৱী আছিল। তেওঁৰ সহপাঠীসকলৰ মুখত আমি তেওঁৰ মেধা শক্তিৰ বৰ্ণনা শুনিবলৈ পাইছিলোঁ। কুৰি শতিকাৰ প্ৰায় শেষৰ দশকত ইচ্ছাদঘৰীয়াৰ নিজৰ পিতৃভূমিলৈ সপৰিয়ালে আহি পঢ়া-শুনাৰ লগতে সাহিত্যৰ জগতখনতো তেওঁ নিজকে সজাই তোলে।

সংগঠক পিতৃ ফণী কলিতাই বড়িগোগ অঞ্চলত নকৈ স্থাপন কৰা সাহিত্যৰ ভেটিত বড়িগোগ সাহিত্য সভাই পুনৰ্জীৱন লাভ কৰে আৰু আমিও তাত কিঞ্চিৎ হ'লেও খোজ দিবলৈ সুযোগ লাভ কৰোঁ। বড়িগোগৰ ভূমিত সাহিত্যৰ গৃহ শুৱনি কৰি ফণী কলিতাই বড়িগোগ সাহিত্য সভাৰ মুখপাত্ৰ *বড়িকন্যা*ৰ জন্ম দিয়ে। অঞ্চলটোত এক সাহিত্যৰ আন্দোলন, সাহিত্যৰ জাগৰণ আৰম্ভ হয়। বিভিন্ন মঞ্চত শিশু অলকেশে স্বকীয় প্ৰতিভা বিস্তাৰ কৰে। নীৰৱে সাহিত্যৰ ঘোঁৰাত আৰোহণ কৰি অলকেশে পৰৱৰ্তী সময়ত গুৱাহাটীত স্থায়ীভাৱে থাকিবলৈ লয় আৰু দুৰন্ত গতিত আগবাঢ়ে। আমি প্ৰত্যক্ষ কৰিছিলোঁ যে সাহিত্যৰ প্ৰতি স্নেহ, শ্ৰদ্ধা আৰু আগ্ৰহ থকা ঘৰখনৰ প্ৰতিগৰাকী সদস্যই সাহিত্যৰ বৰ্ণিল জগতখনত প্ৰৱেশ কৰিছিল। অলকেশ কলিতাৰ মাতৃ প্ৰমিলা কলিতাই যদি গল্পৰ গুঞ্জন তুলি পাঠকক আপ্লুত কৰে, জ্যেষ্ঠা ভগ্নী জ্যোৎস্না কলিতাই উচ্চমানৰ কবিতাৰে পাঠকৰ হৃদয় স্পৰ্শ কৰে।

আবৃত্তিৰ শৈলী, লিখন প্ৰণালীৰ সুস্বাদু ব্যঞ্জনেৰে জ্যোৎস্না কলিতা আৰু কনিষ্ঠ ভাতৃ অলকেশ কলিতাই অতি কম বয়সতে বড়িগোগ অঞ্চলবাসী সাহিত্যপ্ৰেমীৰ লগতে অসমৰ বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰে। জ্যেষ্ঠা ভগ্নী জ্যোৎস্না কলিতাৰ লগতে অনুজ অলকেশে ইখনৰ পাছত সিখন কাব্যগ্ৰন্থ প্ৰকাশ কৰি স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। মৌলিক চিন্তাৰ সমলেৰে ভৰপূৰ কোমল বয়সীয়া অলকেশৰ কলমত প্ৰাণ পাই উঠে কবিতা আৰু প্ৰকাশিত হয় কাব্যগ্ৰন্থ।

উল্লেখযোগ্য যে সাহিত্যৰ প্ৰতি থকা গভীৰ অনুৰাগ আৰু দুৰ্বলতাৰ বাবে ২০২০ চনত আমি প্ৰকাশ কৰিছিলোঁ দ্বিতীয়টো কাব্য সংকলন *হৃদয়ৰ সেউজীয়া প্ৰতিশ্ৰুতি*। গুণীজনৰপৰা কবিতাৰ গতি আৰু প্ৰকৃতি সম্পৰ্কে কিছু অনুধাৱন কৰাৰ হেঁপাহত অলকেশ কলিতাক উন্মোচক হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল। স্বভাৱসুলভ সৰলতা আৰু বিনম্ৰ উৎসাহেৰে উক্ত উন্মোচনী অনুষ্ঠানত উপস্থিত থাকি তেওঁ আমাক আ !াদিত কৰিছিল।

কনিষ্ঠ ভাতৃস্বৰূপ অলকেশ কলিতাৰ অবৰ্তমানত তেওঁৰ স্মৃতিচাৰণ কৰিব লগা হোৱা পৰিৱেশে ব্যথিত কৰিছে। নদীয়ে সুঁতি সলোৱাৰ দৰে সময়েও বাগৰ

সলাব পাৰে, কিন্তু একো একোগৰাকী ব্যক্তিৰ অস্তিত্বই হৃদয়ত যি টোকৰ মাৰে, তাৰ অনুৰণন চিৰদিন থাকি যায়। আধুনিক অসমীয়া কবিতাক বাছকবনীয়া পোছাক পিন্ধাই নিজকে এজন কাৰিকৰ হিচাপে চিনাকি দিয়া অলকেশ কলিতা আমাৰ অঞ্চলৰ গৌৰৱ। তেওঁৰ কবিতাৰ পোহৰে আমাক আলোকিত কৰে।

স্বাধীনতাৰ পূৰ্বে *জয়ন্তী*ৰ যুটীয়া সম্পাদক, প্ৰগতিবাদী চিন্তাৰ ধাৰক আৰু বাহক চক্ৰেশ্বৰ ভট্টাচাৰ্যই বড়িগোগ অঞ্চলৰ সাহিত্যৰ আকাশত ভোটাতৰাৰ দৰে জিলিকি উঠি আমাক ধন্য কৰি থৈছে। অসমীয়া সাহিত্য জগতত ভট্টাচাৰ্য্যৰ নাম চিৰদিন সোণালী আখৰেৰে লিখা থাকিব। ভট্টাচাৰ্য্যৰ দৰে অক্ষয় কীৰ্তি আজিলৈ কোনেও কঢ়িয়াবলৈ সক্ষম হোৱা নাই। অৱশ্যে তেওঁৰ পদাংক অনুসৰণ কৰি বহুজনে বাট বুলিবলৈ চেষ্টা কৰা দেখা যায়।

নিজস্ব সুকীয়া ধাৰাৰে সাম্প্ৰতিক কালৰ আধুনিক অসমীয়া কাব্য সাহিত্যৰ এজন কাৰিকৰ হিচাপে অলকেশ কলিতাই যে দৃষ্টি আকৰ্ষণ কৰিছিল সেয়া সন্দেহাতীত। চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰে জন্ম গাঁওখনত ওপজা সন্তান অলকেশ কলিতাই সাহিত্য ৰথত উঠি ক'লৈ যাত্ৰা কৰিলেহেঁতেন— সেই কথা অনুমান কৰা কঠিন। মহাকালৰ আহ্বানত তেওঁ অকালতে মহাশূন্যৰ বাসিন্দা হ'ল। কিন্তু তেওঁ ৰাখি থৈ গ'ল সুকীয়া পৰিচয়, অৱদানৰূপে দি গ'ল গভীৰ অনুভৱৰ ফচল। অলকেশ কলিতাৰ কবিতাৰ প্ৰাণত অনুভূত হৈ থাকিল আধ্যাত্মিক চিন্তাৰ ব্যাপকতা। তেওঁৰ চিন্তাৰ প্ৰৱাহ বেগী। তেওঁৰ ধাৰণা সুদৃঢ়। ঈশ্বৰৰ সৈতে বিলীন হোৱাৰ প্ৰবল ইচ্ছাৰে তেওঁ চাগে বিভোৰ আছিল নিজৰ মাজত। তেওঁ কবিতা যেনেদৰে বুজি পাইছিল ঈশ্বৰকো চাগে চিনি পাইছিল। তেওঁক জুখিব নোৱাৰোঁ। তেওঁৰ চেতনাৰ গভীৰতা বুজিবলৈ আমি বৌদ্ধিকভাৱে দৈন্য।

কবিতাক সাৱলীল গতি দিয়াৰ দৰে তেওঁৰ আত্মাও গতি কৰক ঈশ্বৰৰ দেশলৈ। অলকেশ কলিতাৰ স্থান হওক সুখৰ সৰগ। ওঁম শান্তি।

# আপোন ভতিজাসদৃশ অলকেশৰ স্মৃতিত

## ৰামকৃষ্ণ চক্ৰৱৰ্তী

বিশ্বৰ জীৱৰ জীৱন পৰিক্ৰমা ভিন্ ভিন্। কাৰো লগত কাৰো নিমিলে। মানৱ জীৱনো তাৰপৰা পৃথক নহয়। প্ৰতিজনৰে আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ, ৰুচি-অভিৰুচি বেলেগ বেলেগ। কাৰোবাৰ লগত কিছু কিছু মিলিব পাৰে কিন্তু সম্পূৰ্ণ একে নহয়। আন জীৱৰ দৰে মানুহো জন্মিয়ে আছে সময়ত এই ধৰাৰপৰা বিদায় ল'বলগীয়া হৈছে। ইয়াৰ ভিতৰত কিছুমান ব্যক্তিৰ জীৱন পৰিক্ৰমা গতানুগতিক আৰু তাৰ ব্যতিৰেকে এচামে নিজস্ব কৰ্মৰে নিজৰ লগতে সমাজত একোখন সুন্দৰ আসন দখল কৰিবলৈ সক্ষমতা লাভ কৰিছে। তাৰ ভিতৰত কোনে কি বিষয়ত শ্ৰেষ্ঠতা লাভ কৰিছে, তাতকৈ সমাজলৈ আগবঢ়োৱা অৱদানহে সকলোৰে গ্ৰহণযোগ্য। সাহিত্য, সংস্কৃতি, কলা, বিজ্ঞান, ৰাজনীতি, সংগীত, নৃত্য, অভিনয়, সমাজসেৱা আদি অনেক দিশত সমাজে বিচৰা সমাজৰ দেশৰ হিতসাধন হোৱা কৰ্মৰদ্বাৰা দি অহা অৰিহণাহে সকলোৰে আদৰণীয়, গ্ৰহণযোগ্য। তাৰদ্বাৰা সমাজে তেওঁক চিৰদিন স্মৰণ কৰি থাকে। লগতে কৰ্ম অনুযায়ী পৰৱৰ্তী সময়ত সেইগৰাকী ব্যক্তিৰ স্মৃতিচাৰণ সভা বা আন নানা ধৰণে অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাধ্যমেৰেও উঠি অহা প্ৰজন্মক তেওঁৰ কৰ্মৰাজি অৱগত কৰোৱাই সেই সুকৰ্মক উদ্বুদ্ধ কৰাৰ চেষ্টা কৰা দেখা গৈছে।

অলকেশ কলিতা আমাৰ আপোন ভতিজাসদৃশ। এগৰাকী অতি সম্ভাৱনাপূৰ্ণ যুৱ কবি। আপোন বুলি এই কাৰণেই ক'বলৈ বাধ্য হৈছোঁ যে অলকেশে অসম জাতীয় বিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত পিতৃ ফণী কলিতা, প্ৰয়াত নাৰায়ণ চন্দ্ৰ শৰ্মা, আমি আৰু অন্যান্যসকলে মিলি সাহিত্য-সংস্কৃতি আদি বিভিন্ন দিশৰ বিষয়ে দীঘলীয়া আলোচনাত মিলিত হৈছিলোঁ। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ বিদ্যায়তনিক দিশেও ঠাই পাইছিল। এনেকৈয়ে আমি এখন ঘৰৰ মজিয়াত থকাৰ দৰে আত্মিকতাৰে

সম্পৰ্ক গঢ় লৈ উঠিছিল। তেতিয়ালৈ মোৰ সন্তান অসম জাতীয় বিদ্যালয়ত পঢ়াৰ সৌভাগ্য হোৱা নাছিল। নাৰায়ণ চন্দ্ৰ শৰ্মাৰ ছোৱালী পঢ়িছিল। তেতিয়াই বিদ্যালয়খনৰ আভ্যন্তৰীণ বহু বিষয়ৰ সম্ভেদ পাইছিলোঁ। নাৰায়ণ চন্দ্ৰ শৰ্মাৰ ছোৱালী এগৰাকী ভাল আবৃত্তিৰ আছিল। ফণী কলিতাৰ ল'ৰা অলকেশো এগৰাকী অতি মেধাসম্পন্ন ছাত্ৰ বুলি বিদ্যালয়ত এটি নাম আছিল। তাৰ আভাস আমি পাইছিলোঁ জ্যোতিনগৰ সাহিত্য সভাৰ সাহিত্য বৈঠকসমূহত। অলকেশ কেতিয়াবা পিতৃৰ লগত বা মাতৃ প্ৰমীলা কলিতাৰ লগত সাহিত্য বৈঠকত কবিতা আবৃত্তি কেতিয়াবা স্বৰচিত কবিতা পাঠ কৰি উপস্থিতসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে সেই সময়ছোৱাত জ্যোতিনগৰ সাহিত্য সভাৰ মূল উদ্দেশ্য আছিল নৱপ্ৰজন্মক উদ্বুদ্ধ কৰোৱা আৰু বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীখিনিক কেনেকৈ সভাৰ মজিয়ালৈ আনিব পাৰি। তেতিয়া জ্যোতিনগৰ সাহিত্য সভাৰ প্ৰতিমাহে একোখনকৈ সাহিত্য বৈঠক আৰু কেতিয়াবা দুখনকৈও সাহিত্য বৈঠক অনুষ্ঠিত হৈছিল। এই বৈঠকসমূহত সাহিত্যানুৰাগীৰ উপস্থিতি যথেষ্ট আছিল লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অতিকৈ চকুত লগা ধৰণৰ আছিল। সভাৰ এই উদ্যোগৰ বাবে জ্যোতিনগৰ অঞ্চলৰ ভালেকেইগৰাকী ছাত্ৰ-ছাত্ৰী বৰ্তমান ভাল লেখক, গায়ক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। এই উদ্দেশ্যৰ ফল কিছু পৰিমাণে হ'লেও অলকেশৰ গাতো পৰিছিল আৰু সেই অংকুৰটো পৰৱৰ্তী সময়ত পৰিয়ালে যোগোৱা সাৰ-পানী পাই এজোপা বৃহৎ বৃক্ষলৈ ৰূপান্তৰিত হ'ব পাৰিছিল। অলকেশ ছাত্ৰ অৱস্থাৰপৰাই এগৰাকী মেধাৱী ছাত্ৰ আছিল বুলি ন দি ক'ব পাৰোঁ। কাৰণ তেতিয়া অসম জাতীয় বিদ্যালয়ৰ যি উদ্দেশ্য আৰু লক্ষ্য লৈ গঠিত হৈছিল, তাত মানৱ সম্পদ গঢ়াৰ পণ আছিল। সেয়েহে বিদ্যালয়ত বিভিন্ন দিশত পোৱা উদগনিৰ বাবে অলকেশেও উদ্বুদ্ধ হোৱা বুলি ভবাৰ থল আছে। বিদ্যালয়ত পোৱা সামান্য উৎসাহ, পথ তাকে সাৰোগত কৰি নিজস্ব বুদ্ধিমত্তাৰে পৰৱৰ্তী সময়ত এগৰাকী অতি সম্ভাৱনাপূৰ্ণ কবিৰূপে কবি সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। জ্যোতিনগৰ সাহিত্য সভাৰ বছৰেকীয়া মুখপত্ৰ *জ্যোতি* পত্ৰিকাতো অলকেশৰ লেখাই শোভা বঢ়াইছিল। অলকেশৰ বুদ্ধিদীপ্ত বচন আৰু মননশীল যি পাৰদৰ্শিতা, তাৰ বাবে অসমীয়া কাব্য সমাজে লাভ কৰিবলৈ সক্ষম হৈছে ছয়খনকৈ উচ্চমানবিশিষ্ট কাব্যগ্ৰন্থ। এই কাব্যগ্ৰন্থৰ বুকুতে অলকেশে এখন সুকীয়া আসন লৈছিল বহুদিন জীয়াই থকাৰ। অলকেশৰ কাব্যগ্ৰন্থৰপৰা কাব্যিক গুণ আয়ত্ত কৰিবলৈ ভিতৰলৈ আমাৰ দৰে পাঠকে যোৱাটো বৰ কঠিন কাম। একোগৰাকী লেখকৰ একোটা নিজস্ব চিন্তা-ধাৰণা আৰু দৃষ্টিভংগীৰে

আগুৱাই গৈ থাকে। তাতে কবিতাৰ কথাটো আকৌ একেবাৰে সুকীয়া। কবিৰ দৃষ্টিভংগীৰ লগত একাত্ম হৈ লেখাৰ অতি ভিতৰলৈ যোৱাটো সেই ধৰণৰ পণ্ডিত বা কাব্য সমালোচকসকলৰ বাবেহে সম্ভৱ। আমি যিখিনি কবিতা ইতিমধ্যে পঢ়াৰ সুবিধা হৈছিল তাৰপৰা অলকেশৰ চিন্তাৰ গভীৰতা আৰু লেখাৰ ধাৰাৰ যৎসামান্য অনুধাৱন কৰিব পাৰিছিলোঁ। অলকেশৰ আজি অবৰ্তমানত তেওঁৰ সৃষ্টিৰাজিৰে অসমীয়া সমাজত জীয়াই থাকক তাকে কামনা কৰিলোঁ।

এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে অলকেশৰ পৰিয়ালটো সাহিত্য-সংস্কৃতিৰ লগত আৰম্ভণিৰপৰাই জড়িত। পিতৃ ফণী কলিতা জ্যোতিনগৰ সাহিত্য সভা, অসম সাহিত্য সভা আৰু আন সামাজিক অনুষ্ঠানৰ লগত বিশেষভাৱে একাত্ম। মাতৃ প্ৰমীলা কলিতা এগৰাকী প্ৰতিষ্ঠিত কথাশিল্পী। প্ৰমীলা কলিতাৰ গল্পই পাঠক সমাজত এখন সুন্দৰ আসন লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমানলৈ তেখেতৰ দুখনকৈ গ্ৰন্থৰ প্ৰকাশে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি বাইদেউ জ্যোৎস্না কলিতাই সৌ তাহানিতে অতি উচ্চমানৰ কাব্যগ্ৰন্থ ছপা কৰি স্বনামধন্য সাহিত্যিক নৱকান্ত বৰুৱাৰ হাতেৰে উন্মোচন কৰা উন্মোচনী সভাত আমি উপস্থিত থকাৰ সৌভাগ্য হৈছিল। ককাইদেউ বিকাশো সাহিত্য-সংস্কৃতিৰ পথাৰতে অতি আন্তৰিকতাৰে আৰু নিবিড়ভাৱে লাগি থকা দেখি আছোঁ। অলকেশৰ বৌৱেক বনজিতা এগৰাকী সুলেখিকা আৰু বৰ্তমান অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ কৰ্মৰত। এই হেন পৰিয়ালৰ এগৰাকী কনিষ্ঠ সদস্য অলকেশ। তেওঁ ইয়াৰপৰা ব্যতিক্ৰম হয় কেনেকৈ?

সময় বৰ নিষ্ঠুৰ। সময়ে সকলোকে নিজ নিজ ঠাইলৈ চপাই নিয়ে। কাকো ৰেহাই নিদিয়ে। অলকেশৰ আকস্মিক অবৰ্তমান বাৰুকৈয়ে অনুভৱ কৰিছোঁ। হৃদয়ত নেদেখা এটা বেদনাই বাৰুকৈয়ে পীড়া কৰিছে।

১৯৮৫ চনৰ চাৰি ছেপ্টেম্বৰত পিতৃৰ কৰ্মসূত্ৰে যোৰহাটত জন্মগ্ৰহণ কৰা অলকেশৰ জীৱন পৰিক্ৰমা ইমান কম সময়তে নিৰ্বাপিত হ'ব বুলি ভবাৰ থল নাছিল। *গীতাত* কৈছে, সকলো ভগৱানৰ হাততে, আমি মাথোঁ ভাৰৱীয়া। যাৰ যিমান সময় তাৰপৰা এখোজো আগুৱাই যাব নোৱাৰে। অলকেশ সদায় জীয়াই থাকিব তেওঁৰ সৃষ্টিশীলতাৰ মাজত, কাব্যপ্ৰেমী কবিসকলৰ মাজত আৰু ইতিমধ্যে অসমীয়া সাহিত্য ক্ষেত্ৰত তেওঁ দি যোৱা অৰিহণাৰ বাবে। তেওঁৰ কাব্যগ্ৰন্থসমূহে তেওঁক স্মৰণ কৰাৰ বাবে পথ মুকলি ৰাখিছে। তেওঁৰ চিন পৃথিৱীৰপৰা মচ খাই গ'লহেঁতেন যদিহে সচৰাচৰ জীৱন পৰিক্ৰমাশীল ব্যক্তি হ'লহেঁতেন। কাব্যপ্ৰেমী আৰু কাব্যচৰ্চাকাৰীসকলে সদায় তেওঁক বিচাৰি ফুৰিব তেওঁৰ কাব্যগ্ৰন্থৰ প্ৰতিটো পৃষ্ঠাৰ প্ৰতিটো শব্দৰ মাজত। তাৰপৰাই

অলকেশৰ লগত সহাৱস্থান কৰি বুকুৰ ভিতৰত, হৃদয়ৰ গভীৰৰপৰা গভীৰতালৈ যাবলৈ চেষ্টা কৰিব। ইয়ে তেওঁৰ এচাম সহৃদয়শীল কবি-সাহিত্যিক-সমালোচকৰ মাজত জীয়াই থাকিব। শেষত কবিৰ কাব্যগ্ৰন্থ ভাস্কৰ্ৰ কবিতাৰ শাৰীৰে সামৰণি মাৰিব বিচাৰিছোঁ—

"মায়াৱী দৃষ্টিৰে মই আঁভজা শিলটোৰ বাবে ভাস্কৰ।
চালোঁ চিন্তিলোঁ, একোতে নপৰে, কেনে দুৰ্ভগীয়া শিল।
মানুহৰ নিখুঁত ঈশ্বৰ শিলৰ আৰু অমানুহ শিলৰ।
আৰু কেতিয়াবা নিজেই শিল হৈ
বিভিন্ন সাগৰত ডুব যাওঁ।
কিন্তু আঁভজা শিল
তোমাক কোনেও চকুপানীৰে নোওৱা নাই? (ভাস্কৰ-১)

মোৰ চকুপানীত তিতিছা মানে তুমি
শৰতৰ চকুপানীত তিতিছা

মই প্ৰথমতে তোমাক শিকাব লাগিব শিল
যে মানুহ আৰু মানুহৰ অসাধাৰণ শোকক
তুমি অৱজ্ঞা নকৰিবা (ভাস্কৰ-২)

শিলৰ চকুপানীৰে জীৱনৰ চকুপানী কিদৰে মচ খুৱাওঁ তাৰে ভাবত বিভোৰ জীৱন। চকুপানী মচি জীৱন আগুৱাই নিয়াৰ সাহস ভগৱানে দিয়ক।

অলকেশৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনালোঁ, লগতে পৰিয়ালৰ সদস্যসকললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ। পিতৃ ফণী কলিতা, মাতৃ প্ৰমীলা কলিতাকো পুত্ৰশোকৰ বেদনা সহিবলৈ ভগৱানে শকতি দিয়ক— তাকে একান্ত কামনা কৰিলোঁ। পৰিয়াললৈ লগতে আহ্বান জনালোঁ অলকেশৰ অপ্ৰকাশিত সৃষ্টিৰাজিখিনি প্ৰকাশ কৰি তেওঁৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰা হওক।

# হীৰাৰ দৰে উজ্জ্বল অলকেশলৈ

## চন্দ্ৰপ্ৰভা তালুকদাৰ

১৯৮৫ চনৰ ছেপ্টেম্বৰ মাহৰ ৪ তাৰিখে ফণী কলিতা আৰু সুলেখিকা প্ৰমীলা কলিতাৰ ঔৰস তথা গৰ্ভত অলকেশ (পিকু) কলিতাৰ জন্ম হয়। জানিব পৰা মতে তেওঁ সৰুৰেপৰাই মেধাৱী আছিল। প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ উচ্চ শিক্ষা অৰ্জন কৰি এজন নিষ্ঠাৱান কবি হিচাবে পৰিগণিত হয়। তেওঁ লিখা বহুতো কবিতা পুথি ইতিমধ্যে প্ৰকাশ পাই ওলাইছে। সাহিত্যৰ দিশত আছিল সুদক্ষ। হীৰাৰ দৰে উজ্জ্বল আছিল তেওঁৰ প্ৰতিভা। তেওঁ এজন তবলাবাদকো আছিল।

পিয়লি ফুকন নগৰত সাহিত্যচৰ্চা কৰাৰপৰাই তেওঁলোকৰ ঘৰখনৰ লগত মোৰ এটা মধুৰ সম্পৰ্ক আছিল। অলকেশে মোক বাইদেউ বুলি মাতিছিল আৰু মই মৰমতে 'বাবা' বুলিয়েই মাতিছিলোঁ। মই গ'লেই বাবা (পিকু)ই তেওঁ থকা ৰুমটোৰপৰা ওলাই আহি মৃদু মৃদু শব্দৰে "বাইদেউ ভালনে আপোনাৰ" বুলি মাতষাৰ লগাবই লগাব। তাৰ পাছত নিজৰ কৰ্তব্যত ব্ৰতী থকাৰ হেতু পুনৰ নিজৰ ৰুমলৈ গৈ লেখা-মেলাত ব্যস্ত থাকে। পিয়লি ফুকন নগৰৰ বহুতো অনুষ্ঠানত প্ৰত্যক্ষ তথা পৰোক্ষভাৱে হ'লেও তেওঁ জড়িত আছিল। বিশেষকৈ পিয়লি ফুকন নগৰ সাহিত্য চক্ৰ, বিহু উদ্‌যাপন সমিতিৰ স্মৰণিকা শিতানত তেওঁৰ বিশেষ অৱদান আছিল। প্ৰয়াত কবি ৰমেন ডেকাই সাহিত্যৰ ক্ষেত্ৰত বহুতো নজনা কথা অলকেশৰপৰা শিকিব পাৰিছিল। সাহিত্যত চহকী সেই ঘৰখনৰ লগত প্ৰথমে ৰমেন ডেকাক ময়েই চা-চিনাকি কৰি দিছিলোঁ। পাছলৈ সেই ঘৰখনৰ তেওঁ এজন সদস্যৰ নিচিনা হৈ পৰিছিল। এনেকি ৰমেন ডেকাৰ প্ৰকাশিত কবিতা পুথিখনতো অলকেশ (পিকু)ৰ বিশেষ শ্ৰম জড়িত হৈ থাকে। তেওঁৰ সান্নিধ্যতেই কবিতা পুথিখনে পূৰ্ণাংগ ৰূপ পোৱা বুলি ক'লেও ভুল কোৱা নহ'ব। তদুপৰি বিহু কমিটীৰ আলোচনী তথা সাহিত্যৰ ক্ষেত্ৰত বিশেষ অৰিহণা আছিল

তেওঁৰ। মই সম্পাদনা কৰা বহুকেইখন আলোচনীতো তেওঁ লিখা কবিতা প্ৰকাশ পাইছে। যোৱাবেলি ২০২৩ৰ নৱেম্বৰ মাহৰ ৫ তাৰিখে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ স্মৃতি উপলক্ষে সদৌ অসম অনুসূচিত জনজাতিয়ে পতা সভাত *বহ্নিমান* নামে এখন আলোচনীত মই আৰু বন্ধুবৰ ওম প্ৰকাশ দাসে সম্পাদনাৰ দায়িত্ব লৈ মাথোঁ আঠ-ন দিনৰ ভিতৰতে পূৰ্ণাংগ ৰূপ দিবলৈ সক্ষম হওঁ। তেতিয়াও বাবা (পিকু)ই মোক কৈছিল, "বাঃ বাইদেউ, আপোনাক মানিছোঁ, এসপ্তাহত আপুনি এখন আলোচনী প্ৰকাশ কৰি ৰাইজৰ মাজত উলিয়াই দিলে। আপোনাক অশেষ ধন্যবাদ।" হয়তো এইযাৰেই আছিল বাবাৰ মোৰ লগত সাহিত্য সম্পৰ্কে পতা শেষ কথা। অৱশ্যে এই *বহ্নিমান* খনতো তেওঁৰ সুন্দৰ কবিতা এটি প্ৰকাশ পাইছে। পিছে, যিয়ে নহওক যোৱা ১৯ এপ্ৰিলৰ পুৱা দহ বজাত দুখজনক খবৰটো গোটেই পিয়লি ফুকন নগৰত বিয়পি পৰিল— অলকেশ (পিকু)ৰ নিথৰ দেহটো হেনো বিছনাত পৰি আছে। হঠাতে শুনি অবাক হৈ দৌৰি গ'লোঁ তেওঁক এবাৰ চোৱাৰ হেঁপাহত।

গৈ দেখিলো সঁচাকৈ নিজৰ শোৱা কোঠাত নীৰৱে মৃত্যুক আঁকোৱালি লৈ বৈকুণ্ঠ ধামলৈ গতি কৰিছে। শোকসন্তপ্ত পৰিয়াল সমন্বিতে দাদা-বাইদেউক সান্ত্বনা দিয়াৰ বাহিৰে আমাৰ হাতত একোৱেই নাছিল। কৈ শেষ কৰিব নোৱৰা বাবা পিকুৰ গুণ-গৰিমাৰে পৰিপূৰ্ণ বিদেহ আত্মাটোৱে চিৰশান্তি লাভ কৰক। য'তেই আছে শান্তিত থাকক। ওঁম শান্তি, ওঁম শান্তি, ওঁম শান্তি।

·

# तुम्हारा प्रिय पंछी अब डाल पर नहीं है, हे काव्या!

**डॉ. देवेंद्र कुमार देवेश**

कोलकाता से दिल्ली आ जाने के पश्चात् जब मैं यहां घर और कार्यालय में व्यवस्थित होने की प्रक्रिया में था, तो 19 अप्रैल 2024 को फेसबुक से प्राप्त एक दुखद खबर ने मेरे हृदय को बेध दिया। यह खबर थी असमिया के ऊर्जावान कवि अलकेश कलिता के अवसान की। इस दुनिया में अनंत यात्रा पर तो एक दिन सबको ही प्रस्थान करना है तथा वह यात्रा प्राय: प्रकृति तय करती है। लेकिन अलकेश की नियति में अपनी यात्रा स्वयं चुनने का अधिकार लिखा था, यह किसे मालूम था। साहित्यकार प्राय: दुनिया के दुख-दर्द को आत्मसात कर उसे अपनी रचनाओं के माध्यम से इस तरह अभिव्यक्त करते हैं कि उनके पाठक अवसाद से बाहर आकर नई उर्जा और स्फूर्ति के साथ जीवन-यात्रा में संलग्न होते हैं। अलकेश ने भी अपनी रचनाओं के माध्यम से यही किया था, लेकिन वह स्वयं के दुख-दर्द को ही आत्मसात करने में असफल रहेगा और अवसादग्रस्त होकर सांसारिक जीवन-यात्रा का अंत कर काल-यात्रा के अनंत पथ पर निकल पड़ेगा, अनायास, उस दुनिया के लिए जहाँ से लौटकर कोई आता नहीं, यह बात हृदय को विदीर्ण करनेवाली थी।

अलकेश से मेरा परिचय जुलाई 2020 में हुआ था, जब साहित्य अकादेमी के एक ऑनलाइन कार्यक्रम के लिए उनके नाम का सुझाव मुझे प्राप्त हुआ। कोरोनाकालीन परिस्थितियों में अकादेमी द्वारा केवल ऑनलाइन कार्यक्रम आयोजित किए जा रहे थे। इसी दौरान हमने एक बहुभाषी कविता-पाठ कार्यक्रम की योजना

हमने बनाई थी। उस समय हम लाइव कार्यक्रम के अभ्यस्त नहीं हुए थे और इसलिए जूम प्लेटफॉर्म पर पहले कार्यक्रम की रिकॉर्डिंग कर लेते थे, फिर उस रिकॉर्डिंग को संपादित करके अकादेमी के यूट्यूब चैनल पर अपलोड किया जाता था।

कार्यक्रम के लिए अलकेश कलिता का नाम असमिया के प्रख्यात कथाकार और साहित्य अकादेमी में असमिया भाषा परामर्श मंडल के तत्कालीन संयोजक डॉ. ध्रुवज्योति बोरा ने सुझाया था। इस कार्यक्रम में हिंदी कवि असलम हसन, ओड़िया कवयित्री गायत्रीबाला पंडा तथा बांग्ला कवि श्रीजातो ने भी अपनी सहभागिता की थी। कार्यक्रम को अकादेमी के यूट्यूब चैनल पर 15 जुलाई 2020 को अपलोड किया गया था, जिसे साहित्य-प्रेमियों द्वारा आज भी देखा जाता है। अलकेश ने इस कार्यक्रम में पहली कविता के रूप में 'अस्तित्व' शीर्षक असमिया कविता का पाठ किया था, जो दुनिया में कवि की उपस्थिति और उसकी इयत्ता को लेकर लिखी गई थी। दूसरी कविता विश्वयात्रा पर निकले यात्री की मन:स्थिति और अपने घर की स्मृतियों से जुड़ी उसकी संवेदनाओं पर आधारित थी। तीसरी कविता उनके सद्य:प्रकाशित कविता-संग्रह 'निष्फल उत्सव' की सोलहवीं कविता थी। अलकेश की कविताओं को सबने काफी पसंद किया था।

दूसरी बार अलकेश की कविताओं से मेरा सामना 2021 में हुआ, जब प्रतिष्ठित असमिया कवि अनुभव तुलसी द्वारा चयनित होकर उनकी दो कविताएँ मेरे पास आईं। चर्चित असमिया लेखिका और अनुवादिका रूमी लस्कर बोरा के साथ मिलकर मैंने जब हिंदी में 1960 के बाद जन्मे असमिया कवियों की कविताओं के हिंदी अनुवाद का एक संकलन संपादित करने की योजना बनाई तो यह तय किया कि 35 कवियों की कविताओं का चयन अनुभव तुलसी करेंगे, जिनका हिंदी अनुवाद रूमी लस्कर बोरा द्वारा किया जाएगा। अनुवादों के संपादन का दायित्व मैंने लिया। इस संग्रह के लिए अनुभव तुलसी ने अलकेश कलिता की दो कविताओं का चयन किया था। ये कविताएँ उनके कविता-संग्रह 'निष्फल उत्सव' की कविता संख्या 13 और 37 थीं। यह पुस्तक 2022 में 'अद्यतन असमिया कविता संचयन' के नाम से विजया बुक्स, दिल्ली द्वारा प्रकाशित की गई है।

दूसरी बार अलकेश की कविताओं की एक वीडियो रिकॉर्डिंग मैंने मँगाई जयपुर लिटरेचर फेस्टिवल 2022 के लिए। फेस्टिवल में साहित्य अकादेमी द्वारा भी सहयोग किया गया था। इस क्रम में अनेक भाषाओं के कवियों की वीडियो

रिकॉर्डिंग मँगाकर अकादेमी ने फेस्टिवल के लिए भेजा था। फेस्टिवल की कर्ताधर्ता नमिता गोखले द्वारा एक आरंभिक टिप्पणी के साथ अलकेश कलिता के काव्य पाठ की वीडियो रिकॉर्डिंग को जयपुर लिटरेचर फेस्टिवल के यूट्यूब चैनल पर 29 अप्रैल 2022 को अपलोड किया गया है। इस रिकॉर्डिंग को फेस्टिवल के दौरान जयपुर में दिखाया गया था। इस वीडियो में अलकेश ने अपनी कविता 'अस्तित्व' का पाठ अंग्रेजी अनुवाद के साथ किया था।

अलकेश अपनी कविताओं में सामाजिक जीवन में बढ़ती जा रही नकारात्मकता को लेकर बहुत चिंतित थे और इसलिए हम देख सकते हैं कि 'निष्फल उत्सव' की कविता-संख्या 37 की प्रारंभिक पंक्तियां ही इस प्रकार हैं-

तुम्हारा प्रिय पंछी अब डाल पर नहीं है, हे काव्या!
वह अंतिम बार पंख फड़फड़ाकर अंधेरा बिखेर गया अंतिम पथ से।

काव्या का पंछी अलकेश अब सच में ही डाल से उड़ गया है। जीवन और समाज में व्याप्त अंधेरों को वह आजीवन लक्षित करता रहा, अपनी कविताओं के माध्यम से उसे बिखेरता रहा, कि कुछ तो कम हो अंधेरा, जीवन की कलुषता, लेकिन उसका सपना साकार न हुआ। उन्हीं अंधेरों ने उसे निगल लिया, अंधेरों को वह आत्मसात न कर सका। जिन अंधेरों को लक्षित कर अंतिम पथ से बिखेर गया है अलकेश, उन अंधेरों को दूर करने के लिए हम एकजुट हो, प्राणपण से प्रयास कर सकें तो यही उसके प्रति हम सबकी सच्ची श्रद्धांजलि होगी।

# The Punches and the Pauses : Upon Losing a Poet and Brother

**Kaustabh Kashyap**

When grief cloaks you with its overwhelming veil of despair and pain, words fail to come together and make sense. It becomes a suffocating feeling that lodges at your throat like a tortuous fishbone refusing to leave. It becomes that uninvited guest who overstays. An invisible yet persistent nail that constantly pricks you.

It is only when grief starts to feel like a familiar baggage that words are able to impose a structure upon it. Contain it, exorcize it, heal it. But never lose it. It still stays.

We might be tempted to talk in cliches regarding the untenability of words in the face of grief, especially when it comes from the loss of a loved one. Words aren't enough, they are fickle and they cannot express the powerful feelings coursing through our veins. And yet we are desperately in need of them. For it is in the hands of words to mend or rend a heart. Words can be an elixir to cure those aching places within our souls and help guide us through the dark alleys of oblivion. Who knows that better than a poet?

I have been struggling to pen this piece not only because of my inability to bring my emotions and words together but also because I must do justice to the memory of a person who was steadfast in his

devotion to the craft of composing poetry. How do you begin to sketch out someone who has left you with a fountain of poetic wisdom, only to never return back and sit beside you to chat endlessly about something as distant as East European poetry or someone as familiar as Navakanta Barua?

On the day I was nervously waiting for his call, I had little idea that Alakesh da would end up having a profound impact on me. So much so that I would be fighting the lump in my throat to write this piece and would be finding it difficult to understand where to begin. If he were here, he would have perhaps given me his signature harrumph, smile a little and say, "You should read my poems and start there."

This could seem to suggest that he thought highly of himself. But that is not the case. The other implication could be that his poems are autobiographical in nature. While this might be true to a greater degree, I cannot claim to know him entirely. No one can know anyone fully. Dear reader, one of the reasons I have chosen to write about him is not to falsely eulogize him or to turn his tragic death into a puzzle to be solved.

Rather, it is an attempt to find a way to cope, give grief a structure, attempt to flesh out some thoughts on the empathetic poet who shall continue to breathe through his poems. For isn't good poetry a postponement of death?

It is impossible to talk about Alakesh Da without talking about poetry and the human condition in general. He was not only honing himself to be a master craftsman but was someone deeply troubled by the state of affairs of the broken world we inhabit. Sarcasm was alien to him. And whenever he spoke, despite the glow of warmth on his face, his heart seemed to be adrift in a river of sadness.

Alakesh Da and I came into each other's lives at a time when we both needed each other. I was eagerly awaiting new translation projects coming my way and he was looking for a translator. When a mutual friend helped us connect and I came to know about his collection of poems titled Bhaskar, I was both exhilarated and tensed. What made me feel buoyant was the gravity and brevity the poetry

collection carried. It was not just another book filled with trite metaphors and overused imagery. There was something strikingly original about his pieces, a desire to speak in a universal tongue and kindle a civilizational angst in the hearts of his readers. The suffocating weight of pain was also present which rose up when the poems were closely read. But what made my shoulders tense was my worry whether such intricate verses would retain their depth in the English language.

Conversing with him for the first time over a phone call revealed that he was a wise and gentle soul. He knew that some of his poems could not bear to be translated. I have come across only a handful of people who are so self-aware as him. For my trial period, he gave me relatively simpler pieces to translate and guided me throughout the process.

"Look for those pauses and punch lines," he would instruct me, "they are the touchstones of my poems."

I must confess here, and this is not just to say for the sake of saying, that Alakesh da and I bonded like brothers from get-go. Within a very short period of time we started sharing literally everything that was going on in our lives. From discussing obscure and melancholic poets to capitalism, heartbreaks to repartees, there was barely a topic we left untouched. It wasn't that we texted each other every other day. But whenever we called each other, the phone call would last for at least an hour. I believe I tickled his jovial bone beneath his serious façade and he helped me improve my creative skills.

Our favourite hangout was Odin, a shabby but cosy bar at Silpukhuri where we used to meet over beer and pork dry fry. Alakesh Da would bring with him lesser-known poetry anthologies and I would become his partner-in-crime and rant about the Anglo-Saxon influence on contemporary poetry.

"You see Kaustabh," he would philosophize gulping down his drink, "we have to stop looking to the Americans and the British for inspiration. Read Celan, Popa and Pessoa. They are the true heroes."

As much as Alakesh da perused and studied Assamese poetry and criticism, making invaluable contributions to our cultural repertoire

with his creative oeuvre, he was acutely aware of the global scenario. He strongly despised poets who used their work solely for the sake of profit or used poetry to build a brand name for themselves. He disliked poets who wrote the same poems over and over again in different ways just to stay in the business of writing. Poetry was a holy space for him, a skill through which he sought transcendence. He could not find the idea of simply writing for money or peer-pressure palatable. He had the critical capacity to cull out the best poets from every nook and corner of the world, absorb their ideas and bring out an original voice in his writings. He had a penchant for Struga Poetry Evenings, an international poetry festival held annually in Struga, North Macedonia and valued the winners of its most prestigious award, the Golden Wreath, above the Nobel.

Alakesh da gave me a new lens to look at literature for which I shall remain forever indebted to him. I believe one of the reasons which brought us together must have been our difficult health conditions which we eventually shared with each other. Because the trust factor was so strong between us, there was little fear or trepidation in the face of sharing things we did not usually disclose with others.

Alakesh da's protracted struggles with his mental health condition and my visual impairment did not act as barriers in knowing one another. In fact, they provided the fuel to be more empathetic and kinder towards each other. Often when it comes to health issues, especially biopsychosocial conditions, we treat them as taboos in our society or jump to conclusions without bothering to actually be sensitized about them. We exaggerate and sensationalize facts or try to form our own theories without any basis in reality. This is what outraged me when the news of Alakesh da's death became public and facebook posts became a hotbed of public speculation. Where were these people when he needed them the most?

But of course, Alakesh da's goodness did not go unnoticed which was clearly seen in the large gathering of his genuine well-wishers who were there beside him to bid him farewell.

All I now have are a string of memories that play in my head like a broken record. Our days of laughter; our disagreements over feminism;

Kaushik, Alakesh Da and I lost in the banter of a Sunday evening over our cherished poet Nilim Kumar; his insistence on dropping me home every time we met in the evenings because I do not see well in the dark; his funny face at the milk tea served at Barista because it was so awful; our serious discussions on Foucault and Derrida…

I would like to think wherever he is now, he is still preoccupied with the flight of poetry like an Apollonian figure from a Greek epic. His legacy will live on through the written word.

Let me wrap up with a WhatsApp text he had sent me while he was basking in his creative glory in Mumbai:

It was stormy for first two days due to cyclone gulab. Now it's pleasant. My sister has a marine location flat, and it's too beautiful. All the windows open to the sea. I wrote two poems inspired by the sea in first two days.

# Remembering Alakesh

## Aishwarya Singh Thakur

Entering a new workplace and meeting the team is always a little daunting, because these are people you will have to work alongside for an uncertain amount of time. Some colleagues can make simple work extremely challenging but on the flipside, good colleagues can turn mundane work into something interesting. To cut a long story short, my journey with Halcyon media may have started as a professional, but a few members and their continuous appreciation for my work made me feel the support and warmth of a family. Alakesh Ji was at the forefront of making that possible. Halcyon being a company founded by his elder sister, Jyotshna; I initially assumed Alakesh might be at a position of privilege in the company, but there was never even an iota of pride or arrogance in him for being the founder's brother. This, to me, spoke a lot about his integrity and character.

I can still hear his voice ringing in my ear as we'd start off our day with a gentle greeting, and with his sweet voice he'd say "Good morning, Aishwarya Ji" to which I'd respond with "Good morning, Alakesh Ji". That would be our little morning ritual for what little time I had the honour of working alongside him. The respect he always had for everyone, no matter who they were, truly set him apart for me. He was a brilliant man, but for the people who actually got to know him, those who had the patience to see through the innocent exterior of the gentleman that was Alakesh, he was especially

memorable. I truly believe that he was made for a greater purpose & maybe that's what he had to leave us to accomplish. I will always remember him by his excellence and his infectious smile. His last words to me, although formally said, mean a lot to me for the mere fact that he actually meant it with all his being. He said, "We are very sure you'll thrive in whatever you chose to do. You were inspiring during the time we worked together." It's ironic because his work was one of the factors that made me try to be better at what I do. He noticed the little things that would generally be overlooked by others, because that's the kind of man he was. Someone who took the time to understand and go beyond the superficial nature of a workplace to strike up meaningful conversations. His honesty and sheer commitment to being better, will inspire me for years to come, not only professionally but in my personal life, as well.

Some people don't stick around for too long but end their time on earth with a massively positive impact on everyone around them. His work spoke for itself and the bonds he cultivated are the proof of how beautifully he left a print on everyone's heart. I'm sure he's smiling down on us with nothing but love in his heart and peace in his soul. In our memory, he shall stay immortal.

.

# In Memory of Alakesh

## Divya Rana

I came to know Alakesh through Jyotshna. Jo, as I fondly call her, is not just a dear friend but a confidante too. How and when she became one, I can't recall. Sometimes thick friendships happen out of the blue and ours too took a natural course. Even though we don't speak with each other for months, but whenever we do, we jut pick up from where we had left last. Owner of Halcyon Media, Jyotshna came as a saviour when the first wave of covid hit. It was around the same time in 2020. She offered me a position in her company (we had never worked together before that). That's when I worked with Alakesh briefly and on hybrid mode.

We used to write copies and create social media creatives for various brands as a part of their marketing strategy, which mostly happened via calls and zoom meetings. Even through that hazed memory, which was strictly professional, I clearly remember Alakesh as a gentle soul with an extremely humble demeanour. He was attentive towards his tasks and so respectful of his peers. Who would have guessed, behind that soft voice, was pain that he was battling alone?

Time lapsed. Life happened and we all moved to with our respective businesses. Four years thence, when I heard of his passing away through Jyotsna's post on Facebook (which I rarely checked these days) I had to read the post twice to believe that Alakesh chose another world for himself. It shook me to the core and couldn't stop

thinking about Jyotshna who loved her brother so dearly. Who am I to talk of pain, for, what his family is going through at the moment is beyond anyone's comprehension. For, only they can feel the void his absence has created. For, what has left behind is plain memories. And I shall pray, that those memories never fade.

May you find eternal peace, Alakesh. I hope the other side is free of pain and all other kinds of not-so-good mortal emotions. Hope you are in your kind of place.

.

# In Fond Memories

## Navya Singh Charak

It rarely happens that you come across someone for a rather brief period of time, and they make such a lasting impact on your memory. Alakesh was one such person.

Incredibly talented, his intelligent words were made all the more poignant with his thoughtful, gentle and kind presence. He had a genuine respect for everyone, often times, I observed how his curious and encouraging nature would help others feel confident and reassured in their own work.

Through my passing conversations with him at work, I learned how he always sought the good within us all, how bravely he led with curiosity, and how humble he remained despite his beautiful gift of weaving words with feelings. These lessons although picked up from fleeting moments, are enough to last a lifetime.

In fond memory, always.

Divya Rana

# Remembering Alakesh Kalita : A Tribute to a Remarkable Colleague

## Prasham Pahade

In the tapestry of our lives, certain threads stand out with vibrant hues, weaving unforgettable patterns of inspiration and admiration. For those of us at the Halcyon Vistar Group, Alakesh Kalita was one such thread. A content writer by profession, Alakesh left an indelible mark on our hearts with his intellect, humility, and relentless passion for learning.

Alakesh was a maestro with words, crafting content that resonated deeply with readers. His proficiency in writing was not just confined to his professional role at Halcyon Vistar. He was also a celebrated poet and novelist in the Assamese language. His literary works were a testament to his creative genius and profound understanding of human emotions. Alakesh's ability to convey complex ideas with simplicity and elegance was truly remarkable, making him an invaluable asset to our team.

One of the most striking aspects of Alakesh's character was his insatiable curiosity and willingness to embrace new challenges. When he joined our team, Alakesh was accustomed to the traditional pen-and-paper method of writing. However, he never shied away from exploring the digital realm. Despite initially claiming to be not tech-

savvy, Alakesh mastered various digital platforms and tools with ease. His journey from handwritten drafts to using sophisticated SAAS tools and even AI-driven applications was nothing short of inspiring.

In every conversation, Alakesh exuded respect and humility. He had a unique way of making everyone feel valued and heard. His interactions were always marked by a deep sense of respect for others, which endeared him to all his colleagues. Alakesh's humility was evident in his constant readiness to learn from anyone and everyone, regardless of their position or expertise.

For me, and undoubtedly for many others, Alakesh was a beacon of inspiration. His intelligence, coupled with his dedication to learning, was truly awe-inspiring. He demonstrated that it is never too late to acquire new skills or adapt to changing times. Alakesh's journey is a powerful reminder that with determination and a willingness to learn, one can overcome any obstacle.

Alakesh's untimely departure has left a void in our hearts, but his legacy lives on. He has left behind a rich legacy of words that continue to inspire and touch lives. His contributions to our team and to the field of content writing are invaluable. More importantly, the lessons we have learned from his life—of humility, respect, and the joy of learning—will remain with us forever.

In the corridors of Halcyon Vistar, Alakesh's absence is deeply felt. Yet, his spirit continues to inspire us. As we turn the pages of this memorial book, let us remember Alakesh Kalita not just as a great colleague, but as a remarkable human being whose life was a beautiful symphony of words, respect, and endless learning.

Rest in peace, Alakesh. Your memory will always be a guiding light for us.

# Tribute to Alakesh : My Colleague and Friend

## Riya Bezbora

Alakesh was a compassionate man, kind and always willing to help. A devoted Vishnu bhakt, his poems often touched on themes of death and the life beyond it. Perhaps he was always curious, wondering if the beyond was where he would finally find peace.

I first spoke with Alakesh when Jo asked me to induct him into our team. Given my background in psychology, Jo trusted me with him, and it meant a great deal to me. Our initial conversation lasted a good 45 minutes. It felt like talking to a child on his first day of school, needing constant reassurance that everything would be alright, that he would catch up in no time.

The first account he worked on was Kentrix, a business intelligence brand I had given up on because graphs and numbers were just not my cup of tea. But Alakesh, with his great intellect, mastered it in no time. He became so proficient with the brand, that dare I say he knew it better than the client. That's how intelligent he was. However, technology was a different story for him.

Working remotely, Zoom calls were inevitable, and they were his nemesis. He preferred his pen and paper, but even this obstacle he overcame. It did take countless tutorial lessons and a lot of patience

from both my and his end, but we made it happen. That was Alakesh; once he set his mind to something, he excelled at it.

Despite knowing about his condition, I never sensed he was in pain through our conversations. Mental health issues are like that; one can fight an internal battle without anyone knowing. Perhaps he sought a world where he wouldn't have to fight anymore and decided to explore it. I can only hope he found what he was searching for.

When the team learned of Alakesh's departure, it was something none of us could process. Deep down somewhere, I realised this is him ending his pain.

But what amazed me was how thoughtfully he paved the path for his final journey. Jo had gone home to be with her family, feeling an intense need to be with them and Alakesh one last time, unknowingly. After Bihu, he took the step to move on, giving his family the joy of celebrating with him one last time. Maybe that was his way of giving everyone closure. He even completed all his work deliverables before he left making sure his departure causes trouble to no one.

While we mourn the loss of Alakesh, we also celebrate his life and the indelible mark he left on all of us. His legacy lives on in the memories we share, the lessons he taught us, and the love he gave so freely.

We miss you, Alakesh. May you have found the world you were searching for, a world that this life could not provide.

Rest in peace, dear friend!

# Alakesh, Hope you Continue Telling Stories

## Shampee Chandra

Dear Alakesh,

Although we never met in person, we shared many conversations about a project we worked on years ago, "Lakshya-Ek Living Planet".

I can't say I knew you personally. But I knew you well enough to know that you were a kind soul. You and I spoke about nature, trees, birds, and animals- our conversations and your voice I will never forget. You were a man of few words, but those words were always kind.

In a world often too loud and fast-paced, you embodied the calm that many seek. Little did I know of the storm brewing inside you. As someone who struggled with mental health myself, I recognize your courage to live all these years. Poor mental health can erode one's dignity, yet in the months we worked together, you exemplified dignity in every way. We spoke in Assamese because it felt home, at times gossiping and at times having an intense discussion. I remember you would always ask for my permission before suggesting anything for the project. Your incredible visual sense, your gentle narratives and your command over words made you a beautiful storyteller.

What took you from us was not a lack of willingness to live, but the exhaustion of constantly summoning that willingness. Now that you're no longer with us, I sense your relief. Your struggles have ended.  While we all want to thrive, at times we only manage to survive which is excruciatingly painful. And I can only imagine how you must have dealt with it for so long.

We will miss you, but we take comfort in knowing that wherever you are, you are free and hopefully happy. That whatever time you had with us, you taught us to be kind even if you were going through immense pain. In whichever world you are in Alakesh, hope you continue telling stories.

Thank you for the time you spent with us. Thank you.

.

# Homage to Alakesh Ji

## Kirti Nimase

It is with great sadness that I share this message in memory of our dear Alaksesh Ji.

Alaksesh Ji was a very calm and gentle person. He had a way of bringing peace to any situation, and his presence was always comforting. I will always remember how he treated me with such respect and kindness. Being the youngest in my family, no one talks to me that way, but Alaksesh Ji always spoke to me very politely and made me feel valued and respected, something I deeply appreciated.

His respectful nature was something special. In a world where respect can sometimes be rare, Alaksesh Ji stood out. He treated everyone with kindness and dignity, and his polite manner was a true reflection of his good heart.

As we mourn his loss, let us also remember the wonderful person he was. Let us celebrate his calmness, his kindness, and the respect he showed to everyone. Alaksesh Ji may no longer be with us, but his memory will live on in our hearts.

May his soul rest in peace.

# In memory of Alakesh : Colleague and Brother

## Rahul Chaurasiya

I started working for Halcyon Media, a company owned by Alakesh's sister, Jyotsana Kalita, over three years ago. All my colleagues call me from my initials. I have been known as RC for so long that at times I've forgotten my real name. I never paid much attention to being called by my initials but when Alakesh ji joined in Halcyon, he started calling me Rahul Ji, in his sweetest, most pleasing voice. I never realized till then that I actually missed being called by my own name. It was like knowing myself all over again. Hearing my real name brings me great joy and energy. Such a small gesture by Alakesh ji led to a bigger revelation.

Alakesh ji might have joined Halcyon as a copywriter but he was so much more than just a copywriter; he was a master of words. His research and passion brought each task to life, leaving a lasting impact on our work and hearts. Alakesh ji's quick mind, persistent determination, and tremendous creativity transformed basic concepts into exciting narratives. That was inspirational to me.

More than his professional skills, Alakesh was a valued friend who was always willing to offer kind words and assistance. His legacy of intelligence and kindness will continue to inspire us. Rest in peace, Alakesh; you will be deeply missed and remembered, always.

# Kindred Spirit to Marginalised Voices

## Paramanshu Mukherjee

Memories and associations are strange human constructs. While one can profess to not knowing someone intimately, a short and intense convergence of ideas and routine changes perceptions.

Alakesh and my paths crossed in the 2010s for a short year. Jyotshna, he and I had decided to work together on a 26-episode environmental series for an Indian television channel. Each episode was to have multiple stories shot across India and I, the producer, was adamant to include at least one environmental feature from the north-east in every episode. Alakesh and Jyotshna, excited to work on something meaningful (hard in television those days and today) readily agreed. Jyotshna was my good friend for close to a decade then, she believed in me and consequentially so did he.

I found it hard to comprehend such implicit faith in someone he did not know.

Three thousand kilometres physically separated Bombay and the north-east, infinite more was the distance between these two realities. Alakesh was wise to never forget that. Even though the philosopher in him refused to understand the continued lack of understanding, the poet in him empathised. I would like to think that he set aside the failings of television storytelling dictated by deadlines, logistics, budgets and style, and embrace a shared higher purpose

instead - human narratives in between increasing socio-economic-political-environmental stresses.

Alakesh believed more than we did. And nothing could stand in his path.

All impossibilities that he negotiated, bridges that he built against all odds, were in an attempt to make sure the voices of people were heard.

He did it for himself and them both.

And now, forever after, he remains a kindred spirit to those voices.

# পৰিয়াল-পৰিজনৰ দৃষ্টিত

অলকেশ

# প্ৰজ্ঞাৰ সাধক সৰু পুত্ৰ পিকুলৈ স্নেহাঞ্জলি

## প্ৰমীলা কলিতা (মাতৃ)

এখন মাথোঁ দুৱাৰ। ইপাৰে জীৱন, সিপাৰে মৃত্যু। মমতাভৰা এষাৰি কথা— "মা, মই শুবলৈ যাওঁ, তোমালোকো শোৱা।" পাকঘৰৰ কাম সামৰি আজৰি হৈ থিয় হৈছিলোঁহে, আন দিনাৰ দৰে দহ মিনিট ড্ৰয়িং ৰুমত তিনিও একেলগে বহি আলাপ-আলোচনা কৰিবলৈ নাপালোঁ। ৰাতি হৈছিল, সেয়ে সি (পিকু) শুবলৈ যাওঁ বুলি জীৱন আৰু মৃত্যুৰ সীমাত থকা দুৱাৰখন খুলি সোমাই গ'ল, এটা দুৰন্ত জীৱন, যৌৱনৰ অনিৰুদ্ধ যাত্ৰাক স্তব্ধ কৰিবলৈ। তিনিখন দুৱাৰে পিতৃ-মাতৃ আৰু সন্তানক ৰাতিটোৰ বাবে বিচ্ছিন্ন কৰি ৰাখিলে।

পুৱা শুই উঠি নিজ কৰ্ম কৰি গোসাঁই ঘৰৰপৰা ওলাইহে তাৰ ৰুমত নামঘৰত জ্বলাই অনা ধূপ দিবলৈ প্ৰথমে সোমাওঁ, সি বিচাৰে সদায়। মূৰ শিতানৰ টেবুলত থকা ধূপদানিত ধূপ গুজি তাক জগাবলৈ মাতিলোঁ— "পিকু, পিকু উঠ। ৮.৩০ বাজিল।" কাতি হৈ চিৰনিদ্ৰাত থকা পিকুৱে নামাতিলে। আন দিনাৰ দৰে নুসুধিলে, "কেইটা বাজিছে মা, আৰু অলপ শো দিয়া।" জোৰ কৰি তাক উঠাই নিদিওঁ। সি যে স্কিজোফ্ৰেনিয়াৰ দৰব খাই শোৱে। তাৰ টোপনিটো পূৰা হোৱা প্ৰয়োজন। নহ'লে দিনটোলৈ গা বেয়া লাগি থাকে।

সোঁফালে মুখ কৰি কাতি হৈ শুই থকা ল'ৰাটোক সন্মুখলৈ গৈ গাত ধৰি মাতিলোঁ। সাপৰ দৰে চেঁচা প্ৰাণহীন শৰীৰটোৰপৰা কোনো সঁহাৰি নাপালোঁ। চিৰদিনলৈ হেৰাই গ'ল ল'ৰাটোৰ মুখৰ মাত, শৰীৰটো এৰি চাগৈ মাজৰাতিয়ে অতনু হৈ গ'ল।

'পিকু'— দুটা বৰ্ণৰ এটা সৰু শব্দ। এই দৰদী শব্দৰ ধ্বনি হেৰাই গ'ল চিৰদিনলৈ। ঘৰখনৰপৰা, দেউতাক, মাক, দাদাক, বৌয়েক আৰু অতি মৰমৰ বায়েকৰপৰা। ঘৰতে বহি অনলাইন কাম কৰা ল'ৰাটো পুৱা শুই উঠাৰপৰা ৰাতি শুবলৈ যোৱালৈ দেউতাক

আৰু মাকৰ মুখৰ “পিকু, পিকু” শব্দ ধ্বনিৰে ঘৰখনৰ ইমূৰৰপৰা সিমূৰলৈ মুখৰ হৈ থকা শব্দটি ল'ৰটোৰ লগতে গুচি গ'ল। তনুহীন হৈ ৰ'ল মাথোন এই পিকু শব্দ। আমাৰ সকলোৰে মাজত।

মই তাৰ মাতৃ। ৩৮ বছৰ ৭ মাহৰ তাৰ এই জীৱনৰ সকলো সময়ৰে সহযোগী। বুকুত শিল ৰাখি এই লেখা লিখিবলগীয়া হৈছে। অকণমান নিলিখিলে জানোচা তাৰ আত্মাই অভিমান কৰে। সি গুচি যোৱাৰ পাছৰ দিনবোৰ যে ইমান দুৰ্বিষহ হৈ পৰিছে। বুকুখন ভাগি-ছিগি চূৰ্ণাকৃত হ'ব খোজে। প্ৰতিটো মুহূৰ্তত তাৰ যেন খোজৰ শব্দ শুনো, কাষতে থকাৰ অনুভৱ কৰোঁ। খোলা চকুৰে নেদেখা তাৰ জীৱন্ত চেহেৰা, মনৰ চকুৰে প্ৰতি পলে দেখি আছোঁ। বিনা অনুমতিত একোকে নকৰা ল'ৰাটোৱে চিগাৰেট কিনিবলৈ তলৰ দোকানলৈ যাওঁতেও অনুমতি লৈ যায়— “মা, মই তলৰপৰা আহোঁ।” আজিৰ সময়তো সমাজত আছেনে এনেকুৱা এটা প্ৰাপ্তবয়স্ক ল'ৰা যি ইমান বাধ্য !

মোৰ সৰু ল'ৰা পিকু মোৰ বাবে কি আছিল মই কৈ শেষ কৰিব নোৱাৰোঁ। সি মোৰ বাবে আছিল এখন মুখ অভিধান আৰু আছিল ব্যাকৰণ। যেতিয়াৰপৰা লেখা-মেলা কৰিছোঁ সকলো ক্ষেত্ৰতে সি পথ প্ৰদৰ্শক। আধ্যাত্মিক জ্ঞানৰ পোহৰ দেখুওৱা দেৱাহুতিৰ ‘কপিল’স্বৰূপ। দেউতাকৰ ভাগৱত পাঠৰ সি কৰে ব্যাখ্যা। ইমান নিস্বঃ আমি— কি হেৰুৱালোঁ আমি হতভগীয়া পিতৃ-মাতৃয়ে ! সকলো সময়তে, সকলো প্ৰয়োজনতে পিকুৰ অভাৱে আমাক তিল্ তিল্কৈ দহিছে। কবি অলকেশ জীয়াই থাকিব কাব্য জগতত। অমৰ হৈ থাকিব তাৰ কবিতাৰ মাজত, কবিসকলৰ বাবে, অসমীয়া ভাষা-সাহিত্যৰ বাবে, প্ৰজন্মৰ পাছত প্ৰজন্মলৈ। কিন্তু আমি মাক-দেউতাকে, আমাৰ পৰিয়ালটোৱে অকালতে হেৰুৱাই পেলোৱা ল'ৰাটোক ক'ত বিচাৰি পাম ? এই শূন্যতাক কিহেৰে পূৰণ কৰিম ?

শ্বাস-প্ৰশ্বাসসহিত জন্ম লোৱা সুশ্ৰী ল'ৰাটোৰ নাছিল নামটো। আমি নাম দিলোঁ, ধুনু, পিকু, অলকেশ। অকল নামটো এৰি উশাহ-নিশাহ সামৰি অলকেশ এতিয়া গুচি গ'ল বৈকুণ্ঠধামলৈ। পাইছে নে সি কবিতাৰ মাজেৰে ভগৱানৰ ওচৰত বিচৰা সাযুজ্য; সামীপ্য ? পাইছেনে সি তাৰ বাঞ্ছিত গোলোকধাম ? সকলোখিনি সি য'ত আছে তাতেই পাওক; এয়াই মোৰো তাৰ ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা।

সি এইখিনি বয়সলৈ কৰি থৈ যোৱা কৰ্মৰাজিৰ মাজত তাৰ নামটো অমৰ হৈ ৰওক। মৃত্যুৰ পাছতো ক্ষণজন্মাসকলক নামে সকলো সীমাৰ পৰিধি চেৰাই অসীমলৈ ব্যাপ্তি দিয়ে। জীৱন-মৃত্যুৰ চক্ৰত যদি আকৌ পৃথিৱীত জন্ম লওঁ, মই পুনৰবাৰ অলকেশৰ মাতৃ হ'বলৈ বিচাৰিম। তাৰ প্ৰতিটো নতুন কবিতাৰ প্ৰথম পাঠক তাৰ

মাক-দেউতাক। পুৱাৰ জলপানৰ টেবুলত সি অতি উৎসাহেৰে কয়— "এটা নতুন কবিতা লিখিছোঁ মা, দে'তা, পঢ়ি শুনাওঁ? একো নমতা দেখিলে আকৌ কয়— "শুনিবানে দে'তা?" কবিতা, বিশেষকৈ তাৰ কবিতা বুজি নোপোৱা মই কওঁ— "পঢ়চোন, কি লিখিলি।" দুবাৰমান পঢ়ি বুজি নোপোৱা মাকক সি সোধে— "বুজি পাইছানে? ইয়াৰ বিশেষ লাইন কোনটো, কোৱাচোন।" মোক বুজাই দিয়ে। দেউতাকে কয়— "কবিতা নুবুজাবি, যিয়ে যেনেকৈ বুজে তেনেকৈ বুজিবলৈ এৰি দিব লাগে।" এতিয়া জলপানৰ টেবুলত তাৰ কবিতা শুনিবলৈ নাপাওঁ। তাৰ নির্দিষ্ট চকীখন, নির্দিষ্ট ঠাইত তাৰ শূন্য উপস্থিতিতে তাৰ এষাৰিও মাত-কথা নুশুনাকৈ আমি দিন নিয়াইছোঁ, সময়ৰ খাদ্য সময়ত গ্রহণ কৰিছোঁ। এয়াই হয়তো সংসাৰৰ নিয়ম। যি অৱধাৰিতভাৱে চিৰন্তন নীতিত চলি আছে আৰু চলি থাকিব। আমাৰ কনিষ্ঠ পুত্র 'পিকু' আমাৰ অনুভৱত, আমাৰ উশাহ-নিশাহৰ দৰে আমাৰ লগত জীয়াই থাকিব আমৃত্যু। জ্ঞান-বোধ হোৱাৰেপৰা কবিতাৰ সাধনা কৰা, কবিতাকে জীৱন বুলি বাছি লোৱা অলকেশৰ কবিসত্তা, কবিপ্রাণক কাব্যপ্রেমীসকলে অমৰ কৰি ৰাখক; দুখুনী মাতৃৰ এয়াই কাতৰ প্রার্থনা। কোনোদিনে আৰু উভতি নহাৰ বাটেৰে গুচি যোৱা মোৰ আদৰৰ সৰু পুত্ৰ পিকুলৈ— একাঁজলি স্নেহসিক্ত অশ্রু-অঞ্জলি যাচি তাৰ পুণ্য আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

ওঁম অসতোমাসদ্ গময়ঃ
তমসোমা জ্যোতির্গময়ঃ
মৃত্যুমা অমৃতং গময়ঃ
ওঁম শান্তি শান্তি শান্তিঃ।

# আলো মঞি কি কহবো দুখ...

## **ফণী কলিতা** (পিতৃ)

প্ৰত্যেক মানুহে সপোন দেখে। কিন্তু সপোন পূৰণ কৰিবলৈ পৰিৱেশ আৰু আৰ্থিক স্বচ্ছলতাৰ প্ৰয়োজন। নিম্ন মধ্যবিত্ত পৰিয়ালত জন্ম লৈ আৰ্থিক সমস্যাত জুৰুলা মোৰ মা-পিতাৰ সংসাৰখনত আমাৰ সপোনবোৰে পোখা মেলিবৰ পৰিৱেশ পোৱা নাছিল। মোৰ পিতাৰো সপোন আছিল— তেওঁৰ সংসাৰলৈ অহা আটাইকেইটা ল'ৰা-ছোৱালী সুশিক্ষাৰে শিক্ষিত হৈ উঠি স্বাৱলম্বী হওক। নানা সংঘাতৰ মাজেৰে কঠোৰ শাৰীৰিক-মানসিক পৰিশ্ৰমৰ অন্তত আমাৰ ভাই-ভনী আটাইকেইজন স্নাতক অথবা ততোধিক শিক্ষা আহৰণ কৰিবলৈ সক্ষম হৈছিলোঁ। মোক লৈ পিতাৰ এটা সুকীয়া সপোন আছিল। সমাজপ্ৰিয় পিতাই মোক আধ্যাত্মিক শিক্ষাৰে অনুপ্ৰাণিত কৰি আমাৰ সমাজত বহুলভাৱে প্ৰচাৰিত কামৰূপীয়া নাগাৰা নামৰ পাঠকত শৰণ দিয়াইছিল। সৰু বয়সৰপৰা স্নাতক ডিগ্ৰী লোৱালৈ মই নাগাৰা নামৰ পাঠক হৈ থকাৰ উপৰি ৰঙিয়া কলেজত নাটক, বাদ্যযন্ত্ৰ (তবলা) আৰু গীত আদি পৰিৱেশন কৰি সাংস্কৃতিক দিশতো কিছু হেঁপাহ পূৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ যদিও জীৱন-জীৱিকাৰ তাড়নাত কোনো এটা দিশতে পূৰ্ণ সফলতা লাভ কৰিব নোৱাৰিলোঁ।

১৯৭৪ চনত ৰাতিৰ কলেজত পঢ়ি, দিনত ভাৰতীয় খাদ্য নিগমত চতুৰ্থ শ্ৰেণীৰ চাকৰি কৰি নলবাৰী কলেজৰপৰা স্নাতক ডিগ্ৰী লাভ কৰোঁ। স্নাতক ডিগ্ৰী লোৱাৰ পাছত পুনৰ ইণ্টাৰভিউ দি ভাৰতীয় খাদ্য নিগমত তৃতীয় বৰ্গৰ চাকৰিত সোমাওঁ।

১৯৭৮ চনত সংসাৰ ধৰ্মত সোমোৱাৰ পাছত তিনিটা ল'ৰা-ছোৱালীৰ জন্ম হয়। জ্যোৎস্না প্ৰথম, দ্বিতীয় বিকাশ আৰু কনিষ্ঠ অলকেশ। মোৰ সপোনে বাগৰ সলালে। মোৰ আধৰুৱা সপোনবোৰ ল'ৰা-ছোৱালীৰ জৰিয়তে পূৰণ হোৱাটো আশা কৰিলোঁ। ইহঁতক অসমীয়া মাধ্যমত শিক্ষা লোৱাই সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুৰাগী

কৰি তুলিবলৈ প্ৰেৰণা যোগালোঁ। তাৰ বাবে যি কৰিব লাগে, যিমান কষ্ট কৰিব লাগে চৰকাৰী চাকৰিৰ ফাঁকে ফাঁকে সিহঁতক সহায় কৰিলোঁ। অসম সাহিত্য সভাৰ শাখা সভাবোৰৰ যোগেৰে সংগঠনৰ কাম আৰু কিছু কিছু সম্পাদনাৰ (মুখপত্ৰ) কামো কৰিছিলোঁ। শেহতীয়াকৈ অসম সাহিত্য সভাত কাৰ্য্যনিৰ্বাহক সদস্য হিচাপে শ্ৰদ্ধাৰ প্ৰয়াত হোমেন বৰগোহাঞি ছাৰ আৰু প্ৰয়াত বীৰেন দত্ত ছাৰৰ সভাপতিত্বত দুয়োগৰাকীৰে কাৰ্য্যকালত *অসমীয়া বিশ্বকোষ*ৰ প্ৰণয়নৰ মহাযজ্ঞত ক্ষুদ্ৰ সহযোগীৰ অংশীদাৰ হোৱাৰো সৌভাগ্য হৈছিল।

সৰুৰেপৰা সাহিত্য-সংস্কৃতিৰ পৰিৱেশ পোৱা বাবে হয়তো জ্যোৎস্নাই কবি হিচাপে আত্মপ্ৰকাশ কৰে। শিল্প কলাৰ প্ৰতিও আগ্ৰহী হৈ উঠে। বায়েকক দেখি-শুনি ভায়েক বিকাশ আৰু অলকেশো অনুপ্ৰাণিত হয়। সমানে পঢ়া-শুনাতো আগবাঢ়ি যায়।

অলকেশ সৰুৰেপৰা অত্যন্ত মেধাৱী আছিল বাবে তাৰ প্ৰতি আমি বিশেষ যত্ন লৈছিলোঁ। ভালৰো ভাল অসমীয়া মাধ্যমৰ অসম জাতীয় বিদ্যালয়ত অলকেশক নামভৰ্তি কৰাইছিলোঁ। অথচ চৰকাৰী বিদ্যালয় কটন কলেজিয়েটত ছীট পোৱাৰ পাছতো আমি ব্যক্তিগত (প্ৰাইভেট) বিদ্যালয়তে পঢ়ুৱালোঁ। সেইবাবেই হয়তো তাৰ সাহিত্য-সংস্কৃতিৰ সুদৃঢ় ভেটিটো নিৰ্মাণ হৈ উঠিছিল। পঢ়া-শুনাত ব্যাঘাত হ'ব বুলি লগ সমনীয়াৰ লগত খেলা-ধূলা বা আড্ডাত সময় নষ্ট কৰিবলৈ দিয়া নাছিলোঁ। এজন ছাত্ৰৰ প্ৰয়োজনীয় দিশবোৰত অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক কৰ্তৃপক্ষই সকলো প্ৰকাৰে সহযোগ কৰি প্ৰকৃতাৰ্থত এজন ভাল ছাত্ৰ হিচাপে গঢ় দিবলৈ চেষ্টা কৰিছিল।

তিনিওটা ল'ৰা-ছোৱালীয়ে মোৰ সপোন পূৰ কৰিবলৈ সক্ষম হোৱা বুলি ক'ব পাৰোঁ। চৰকাৰী চাকৰিৰ তিক্ততাই মোক বাৰুকৈয়ে শিকাইছিল বাবে মই ল'ৰা-ছোৱালীক চাকৰি নকৰি আত্মনিৰ্ভৰশীল হ'বলৈ শিক্ষা দিছিলোঁ। ডাঙৰ ল'ৰা বিকাশ চাৰ্টাড একাউণ্টটেণ্ট (ইণ্টাৰ) যদিও সি ফুড প্ৰডাকচন ফেক্টৰীৰ মালিক আৰু ছোৱালী, দুটাকৈ এডভাৰটাইজিং এজেন্সীৰ মালিক (মুম্বাইস্থিত)। সৰু ল'ৰা অলকেশেও তাৰ নিজা কৰ্মদক্ষতা আৰু প্ৰতিভাৰ স্বাক্ষৰ ৰাখি নিজাকৈ বহু ব্যৱসায় আৰু মাছ কমিউনিকেচন লাইনত সফল কৰ্মৰ চানেকি ৰাখি থৈ গৈছে।

লুকাই-চুৰকৈ ক্লাছ ছেভেন মানৰপৰা কবিতা লিখিছিল যদিও সেইবিলাক সি অকবিতা বুলি ভাবি প্ৰকাশ নকৰি আমাৰপৰা লুকুৱাই থৈছিল। সৰুৰেপৰা অত্যন্ত ভাবুক, প্ৰকৃতিপ্ৰেমী ল'ৰাটো শৈক্ষিক ক্ষেত্ৰত আগুৱাই যোৱাৰ লগে লগে আধ্যাত্মিক চিন্তা-চেতনাই তাৰ ব্যক্তিত্বক প্ৰোজ্জ্বল কৰি তুলিছিল। আগবাঢ়ি থকা সৰু পুত্ৰক স্নাতক দ্বিতীয় বৰ্ষৰ ফাইনেল পৰীক্ষাৰ সময়ত স্কিজোফ্ৰেনিয়াৰ দৰে জটিল মানসিক

ৰোগে আক্ৰমণ কৰে। এয়া ২০০৭ চনৰ কথা। তেতিয়াৰেপৰা এই অকাল মৃত্যুক সাবটি লোৱাৰ সময়লৈ দৰবৰ সহায়ত তাৰ দেহা-মন কেতিয়াবা ভাল, কেতিয়াবা বেয়া আছিল। এনেদৰে মানসিক অস্থিৰতাৰ মাজেৰে এইখিনি বয়সলৈ জীৱনটোক আগুৱাই নিয়াৰ লগতে তাৰ সৃষ্টিশীলতাক কাব্য ৰূপত লিপিবদ্ধ কৰি থৈ গ'ল। অকল কাব্য সাহিত্যই নহয়, বাতৰি কাকত আৰু *প্ৰকাশ, গৰীয়সী*ৰ দৰে আগশাৰীৰ আলোচনীত প্ৰবন্ধ আৰু সমালোচনা সাহিত্যও প্ৰকাশ কৰি থৈ গ'ল। সেইবোৰ কিছু আমাৰ হাতত সংৰক্ষিত হৈ আছে যদিও দুই-চাৰিটা সি হেৰুৱাইছে। ক'ত দি পাহৰিলে নাজানো। সমালোচনা সাহিত্যৰ প্ৰতি আকৰ্ষিত হৈ উঠোঁতে ময়েই মানা কৰিছিলোঁ। অসমীয়া ভাষা-সাহিত্য বা কাব্য জগতৰ উত্তৰ পুৰুষে কি হেৰুৱাইছে মই নাজানো, মই ইয়াকে জানো যে প্ৰচুৰ সম্ভাৱনাৰ উৎস মোৰ কাণ সমনীয়া পুত্ৰক চিৰদিনলৈ হেৰুৱালোঁ। মাণিকৰ গাত শামুকৰ ঘুণ নথকাৰ দৰে অলকেশ আমাৰ বাবে উজ্জ্বল মুকুতা আছিল। গুৰু ভাইৰ দৰে সি মোৰ আধ্যাত্মিক পথৰ সহচৰ আছিল। প্ৰতিটো পুৱা আৰু সন্ধিয়া নামঘৰৰ প্ৰাৰ্থনাৰ সময়ত, কীৰ্তন-ঘোষা পাঠৰ সময়ত ওচৰতে সোঁহাতে বহি একান্ত মনে শুনি থকা মোৰ কিবা ভুল হ'লে শুধৰাই দিয়া মোৰ গুৰুভাইসদৃশ সংগী ভকত এজন হেৰুৱালোঁ। কেতিয়ানো সি ইমান শাস্ত্ৰজ্ঞানী হ'ল আমি গমেই নাপালোঁ। ভাগৱত পাঠৰ ব্যাখ্যা দাঙি ধৰা মোৰেই কনিষ্ঠ পুত্ৰৰ মুখলৈ তধা লাগি চাই ৰওঁ। ধৰ্মৰ প্ৰতি নিষ্ঠা, একাগ্ৰতা অলকেশৰ সৰুৰেপৰা আছিল।

মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ (গুৰু) প্ৰভু ঈশ্বৰ প্ৰয়াত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ ওচৰত পৰিবাৰৰ সৈতে শৰণ ল'বলৈ যাওঁতে সিও আমাৰ লগতে সত্ৰলৈ গৈছিল। তাৰ বৈষ্ণৱ ধৰ্মৰ লগতে গুৰু ভকতৰ প্ৰতি গভীৰ শ্ৰদ্ধা দেখি গোসাঁই-ভকতসকলো মুগ্ধ হৈছিল। সকলোৰে মৰম, শুভকাংক্ষা আৰু আশীৰ্বাদপুষ্ট হৈও কিয় সি নিয়তিৰ ওচৰত হাৰ মানিবলগীয়া হ'ল সেয়া একমাত্ৰ ঈশ্বৰেহে জানে। জীৱনস্পৃহা আৰু পীড়াদায়ক যন্ত্ৰণাৰ লগত যুঁজি যুঁজি স্বইচ্ছাই মৃত্যুৰ কোলাত শুই পৰা মোৰ কনিষ্ঠ পুত্ৰৰ জড় দেহ দেখিবলগীয়া হোৱাত মোৰ/আমাৰ মানসিক স্তৰত কি ধুমুহা চলিছিল, যি এতিয়াও চলি আছে— তাক ভাষাৰে বুজাব নোৱাৰোঁ। ভগৱান শ্ৰীকৃষ্ণৰ মহাপ্ৰয়াণৰ সময়ত ভক্ত বান্ধৱ উদ্ধৱৰ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰয়াণৰ সময়ত তেৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ (সম্ভৱ) শোকবিহ্বল মানসিক অৱস্থাক প্ৰতিফলিত কৰি মহাপুৰুষ মাধৱ গুৰুজনাই শোকবিহ্বল হৃদয়ক সান্ত্বনা দিয়াৰ প্ৰয়াসেৰে হৃদয়স্পৰ্শী বৰগীত এভাগি ৰচনা কৰি বিলাপ কৰিছিল—
"আলো মঞি কি কহবো দুখ। পৰাণ নিগৰে নাদেখিয়া চান্দ-মুখ।"

.

# How to Buy a Beautiful Bouquet for my Little Brother

## **Jyotshna Kalita** (Sister)

I will look at you objectively one day, brother.
Till then, my words are inefficient. And corrupt with sorrow.
Till then let there be silence, grief, fear, love, void and despair.
I will look at life objectively one day, brother
Till then, please be my shelter!

1

There was a body on a pyre. Still not lit. No fire yet. A healthy tall body. Covered in a pure thick white sheet.

The entire scene was in space. There was no ground, no sky, nothing solid. I have a hazy memory of deep grey space. People walked over nothingness. Like a Dali painting without a defined backdrop. Everyone wore white. There were dozens of people. Smaller in figure. My mother, I saw, in an emphasized appearance. She wore white too. Like how women wore white chadar-mekhela in villages, her chadar over her head.

It was a procession.  I did not know anyone. Everyone was silent. My mother and I were together. We discussed something about being brave.

Shortly after, I woke up. It was a vivid dream. One of those dreams where I see colors, feel smells, deep intense emotions. One

of those dreams that I remember and recall. One of those dreams where my head hurts for hours after I wake up.

I just dreamt of my father's death.

I went about my daily chores with the wound from a nightmare. A tinge of fear and a lot of heaviness. By afternoon I felt better…

2

My Hiranandani home is surrounded by lovely parks. There is a jogger's park with a circumference of about 700 meters. I usually take the rear entrance, a narrow alley with fragrant blooming Sohn Champa bushes adorning both sides. As usual, I started walking and talking. My favourite thing to do while I go on walks is to call two people. My little brother Piku - always the first call. And my university friend Mona. In case I don't find these two people then I will call other friends or family members. I called Piku.

"Piku ki khabar? How are you doing? How are you feeling? Have you gone out for a walk? Why not? How many cigarettes are you smoking? Why? Did you not tell me you will cut down? Ok then switch to the rolling ones. It will reduce your smoking automatically…"

"Baa I am not doing very well. Met my doctor. He has increased anti-depressants. But they increase my anxiety. I feel low in the evenings. I am also not feeling like writing. But it is good that I have found an alternate circle with my colleagues at the company."

"Anti-depressants will inevitably increase anxiety, it happens. Maybe you will get used to it after some time. You need to get out of the house Piku. Please enrol yourself in the gym. Now you have enough money. Please spend a little of it on your health. Just go out. For my sake. Don't stay at home in the evenings. And when the anxiety rises shift your focus. Go out barefoot and feel the soil, feel the texture of the leaves, helps you get out of your head… At least it helps me..."

"Baa, tumi baru ebar majote ahi jabo pariba niki? Tumi ahile pratibarei mur monor poribesh tu alop bhal hoi, bujisane ki koisu?"

"Sis, would you consider coming over for a few days? You know na the condition of my mind usually becomes a little better after you come each time…"

"Let me see Piku, it's mid-year and I have so much going on. I have already made two trips. How am I going to find time for another trip so soon... I am not sure. Poisa patiru kotha ase, I need a few more months to make up for last year's business losses…"

After about 45 mins of walk and talk with Piku, I hung up. I finished my walk. His voice made a little elbow space and settled somewhere between the conscious and the subconscious in my head. I just did not know that yet…

3

It was a regular zoom call during a regular office day, one that me and my colleague were having, a discussion about replacing an executive. Piku joined a few minutes earlier and overheard our conversation. "I am feeling sad for him" - he stated. "It's okay Piku, it is not working out for us. We have to let him go."

"But I am feeling like I am responsible for it. Because I am doing his work."

"Why are you thinking like that Piku! It is my company so by default it is also your company and you will probably have to run the company for me someday. So maybe you gradually will learn how one has to make tough decisions."

"Ok, understood." - Piku was back to his composed self.

"Alakesh I must say you are such a patient person." My colleague said.

"Are you saying that because he listens to me so obediently?" I asked him with a tinge of humour.

"Generally - he is so patient with everyone and you treat him like a child."

"That is because he is a piece of my heart - 'dil ka tukda' hai yeh mera." I am ever so proud of him, I thought to myself.

Alkesh quipped, " Rahul ji fir bhi I am the only person in the whole family she ever listens to." I could hear the same pride in his voice for me.

And we continued discussing other things…

4

"Baa will you consider if I could gradually move towards doing my own thing maybe in a month or so?"

" Yes, you can.

But you are not allowed to quit. You have to continue to work with me too. You are irreplaceable in the company. What is it you have in mind?"

"There is something else I want to do. I keep seeing these videos where people offer workshops. I want to do that for poetry."

"That's a very good idea Piku. You have the whole company at your disposal."

"But will people really subscribe to it? I do not have any such high academic qualifications or big-big awards in my name."

"Arre so what, if you create something - there will be someone buying (or applying) for it. It is the age of democratization of content. You do not need anyone's certificate."

"O hoi niki. Is it really so?"

"Yes Piku, you just start jotting down pointers for how you want to structure the lessons or the workshop. We will do the rest. Right RC?"

"Haan maam, aur kya. Hum toh hai hi. We will make it happen."

20 minutes later Piku tells our mother - "I shared my idea of poetry tuitions with Baa and she supports it. I am so happy."

By evening he again went to our mother and said - "But maa, I am not really a big shot, who will subscribe to my lessons…"

And I would not know about this second conversation with our mother until he leaves us all…

5

I felt a looming sense of darkness as I lay on the sofa in my Mumbai apartment. A strange pull, a deep sadness, an urge to come

home to Guwahati as soon as possible. I am not known for homesickness. But I felt a strong, unexplainable urge to reach home... I booked my flight for the 11th of April and texted Piku…

'Piku I booked my flight for the 11th. I am coming home.'

'Hoi niki. Yay - happy Bihu (and a dancing emoji)

That whole day Piku remained excited. Mother asked, 'What happened, why are you so happy today?'

'Baa is coming for Bihu, I am very happy.'

6

'Baa I will come to pick you up. Don't book a cab.'

I thought to myself, what happened to this guy! No one ever comes to pick me up from the airport. Why is he coming today…

'Achha ok. You will create a family record today.'

7

I dreamt again. Piku's room - had a large library. An overwhelming number of books... I asked Piku - " do you have anything by Rilke? I am feeling like reading poetry again. Maybe it is time I get back to it gradually…"

"Maybe. But who reads Rilke! I will suggest you some other poets. Till then you can probably enjoy your Rilke."

As I woke up in the morning I told myself - remember to share this dream with Piku. He will be very happy.

Well, I forgot! Piku never got to know that I wanted to read poetry again - after decades.

8

"Baa, do you know it is a huge fallacy that we think politicians entice the masses? It is actually the masses who manipulate or entice politics. It is the masses who eventually end up creating the blueprint, the framework, which politicians will follow, in order to remain in existence."

"Mostly like what we do in mass communication," I laughed and tried to lighten the conversation topic. Piku was in another of his serious discourse mode!

"I have written a series of articles on this topic for this magazine (the name of which I cannot recall now). But they did not publish it. Such a waste!"

"So what Piku! Publish it now. Democratization of content. You can create your own blog page and publish it. I will show you how to do it. This is an interesting theory. Please retrieve it."

Piku remained silent! It seems like he already knew he wouldn't get around to retrieving that set of articles. He did not subscribe to my enthusiasm at that moment.

9

It was one of our favourite times - afternoon tea at the dining room when we would have milk tea and Ma-Deuta would have black tea and we would exchange banters.

"This time you must start investing in some SIPs. Don't spend all your money Piku," I suggested.

"Why, should I not contribute to the family fund?"  Piku looked at me suspiciously.

"No of course you can, but first you must secure your own future. Start small investments."

Seemed like he agreed. (But now I recall that he actually did not. It would have been a false promise to his sister, Piku does not lie..)

"See Piku how much you have progressed just in 5 months. We will buy a car. You have to learn to drive. Cars are safer than bikes."

Seemed like he agreed. But he did not. Piku does not make false promises.

"See Piku - how well you are doing. Aren't you proud of yourself?"

This time he responded with words - "But I also have another world in my head, you see."

10

Piku bought me a denim shirt. I loved it. Still, I asked - "why did you buy me such an expensive gift?" "It is okay Baa, you keep buying for me, I am buying once only for you.."

The shirt was a size small. "It is ok," I said, "You can go and exchange it tomorrow. "No I will go now" - Piku did not want to wait till 'tomorrow'. "What is the rush?" I asked him. "Or do you want me to wear it on the Bihu day?"

Piku stepped out to go to the store anyway. My heart sank for no reason. I panicked for no reason. It was dark. For some unexplainable corner of my subconscious a thought crept into my head and made me shiver with fear - how shall I ever forgive myself if something happens to him while he is going to exchange a shirt for me? It was a random, irrational thought. But I panicked nevertheless. I sat on my bed and kept chanting till he came back.

He got me an even more beautiful piece this time. And how much he loved to see me happy with his gift. He was so so happy!

11

It was our little ritual.

Every night after dinner I will sit in his room. We would vent, chat and share his cigarette. "I am feeling very low Piku, I don't know why!" I told him in one such session. "I am feeling heartbroken to think about Aqua Browny (my two cats in Mumbai). I don't know why I am feeling this low. Maybe I should not extend my trip, what do you say?"

He did not say a word!

Not that I noticed his stoic response at that moment. I would not realize how calm, indifferent and withdrawn he already was from these pain and pleasures of us mortal beings.

"Baa, do you know how much joy I feel when I meet him in my meditation? I get Bimal Ananda" Piku drifted to another mind space. He was referring to his beloved Krishna!

"I can imagine, but I wish I could have that too. Probably it feels like nirvana, mukti.. no?

"Yes, and those are the only moments when my pain stops!"

We became silent for a while…

12

16th of April - post dinner we were sitting in the hall trying to teach Alexa to find a certain music piece he wanted to practice his tabla. With little success. "I can buy it." He said. "Why don't you then?" I asked. Just procrastination - he concluded.

We went out to the front yard. I liked to walk after dinner sometimes, with him. Just a few steps. I was tripping on Billie Eilish songs. I was enthusiastically telling him about a documentary I had just watched. And how Billie Eilish suffered from so many ailments, mental and physical. And how she wrote dark poetry and songs, and how she was criticized for it. And how she responded by saying - "It is only because I write my dark thoughts I am able to overcome those" I insisted Piku must watch the film.

"But Baa have you listened to my song" - he asked quietly.

And he sang four lines to me. "It is very nice. Have you done something about it? Will you record it?"…. Piku was silent. He did not say a word. Nodded, or shook his head- I could not tell. Piku never makes false promises…

These were four beautifully poignant lines. His face, voice and his eyes when he sang those lines to me - are forever etched on my heart. And I will treasure the ethereal beauty and sadness of that moment, under the moonlit sky - until my own last breath.

I did not know yet that would be the last time we would ever share a song!

13

7 Days, Piku and I ate every meal together. Every cup of tea together. I had plans of stepping out to meet people on the occasion of Bihu, but I did not move from the house. For some reason, I wanted to spend every moment at home. With family. And that is what I did.

17th of April I was leaving for Mumbai. We both were busy working. I sat with him in the morning on his bed and worked together. I felt like we were children again. I felt like he was that little kid again and I was helping him with his homework. I felt an overwhelming sense of love and protection, usually so rare when siblings grow up.

It was time for me to head to the airport. We decided Piku did not need to go to drop me since it was a working day.

I was rushing. "Come here Piku, let's click a selfie.." I shouted. I just realised we did not click any pics together this time! Not even at our last house party together in our brother Bikash's dining room. And I clicked three pics of Piku, Ma, Deuta and me.

The car was waiting. I rushed to sit in. We do not have the practice of hugging each other while meeting or leaving. Piku rushed to give me a side hug. He patted me on my back. And said - bhalkoi jaba! "Be good Baa" For a fraction of a second a thought crossed my mind - wah - Piku is hugging me and all. Maybe because this trip was so feel-good for us…

14

Our plane just landed. I switched on my phone and instantly Piku's caller ID flashed on my phone. As always.

"Baa, you reached?"

"I just landed Piku. It will take me time to reach. Let me get out and we will speak once I am in the car."

"Ok"

He hung up.

15

I was halfway home. Piku's name flashed on my screen again.

"Ba have you reached?"

"No Piku, I live in Thane. It takes time."

"Have you eaten?"

"I ate that flight sandwich. It was so bad, I am burping"

"Oho - why did you eat that, what will happen now? You could eat outside the airport."

"It is okay Piku, don't worry. I don't care about these small inconveniences."

"Alright then. Baa this time though we did not go out - it was very nice na?'

"O akou! Yes Piku, I did not want to go out. The whole purpose

was to spend time with you all. It was indeed a very nice trip."

And then we briefly discussed something about work.

"So you are okay na?" Piku asked again.

"Yes, I am okay. Don't worry." I reassured him as I thought to myself - what is wrong with this guy, he never concerned himself so much with whether I reached my Mumbai house safely or not! He is being extra nice, I thought!

16

18th of April.

We had a brief zoom call - and a very formal interaction regarding work.

There was nothing significant about that day. I was dealing with a disaster at work. Loss of an account and how I am going to deal with the P&L loss.

I had to go for a root canal surgery that evening. Piku never called that night. And I took a painkiller and slept early!

17

19th of April.

As usual, I woke up and thought to myself - dear God, let this be a better day than yesterday.

10 minutes later when I switched on my phone there were multiple missed calls from Bonjita and Bikash.

I called back.

"Baa.

O Xonti, ki hol… ki hol ko..(I could hear Maa and Deuta howling in the background)

Baa. Piku aru nai."

I don't recall much from that moment onwards. I insisted and tried to convince Bonjita that they should take him to the hospital because we brought him back from death once before. I am not sure what I was thinking. My friend put me on a flight. I reached Guwahati and on my way back home the only thing I could think of was how to buy a beautiful bouquet for my little brother who was leaving…

.

# Stardust Reverie : A Spiritual Memoir

## **Bonjita Borkotoky** (Sister-in-law)

*"He who has gone, so we but cherish his memory, abides with us, more potent, nay, more present than the living man."*

— Antoine de Saint Éxupéry

In the quiet corners of my life, where the mundane gives way to the mystical, I found a kindred spirit in Piku. We used to whisper names in the winds, and both of us were a subtle shimmer of the twilight present in each other's lives. He lived in a world that spun on the axis of his own unique reality, a realm coloured by the vivid hues of schizophrenia. Yet, in that world, he crafted poems as delicate as gossamer and as profound as the night sky. Meanwhile, I roamed landscapes of fantastical love and self-annihilation, and nameless afflictions swirling in my soul.

We met not on the tangible earth but in a space where souls connect without the need for words. In this ethereal expanse, our delusions were not burdens but bridges, spanning the chasm between our minds and merging our dreams into a single tapestry. Here, judgment was an alien concept, replaced by a deep, abiding validation of each other's truths. I never sought to drag him from his sky into my soil, instead, I learned to soar with him among the stars.

Our shared delusions were intricate and vivid, a labyrinthine world we both understood implicitly. In this realm, we navigated the

complexities of the real world with the grace of starlight. Our imaginary haven, filled with shimmering visions and celestial harmonies, became our refuge. It was here we crafted stories and poems, where we could lay down the heavy armour required in the waking world and find solace in the gentle embrace of our illusions.

I would often reflect that reality is but one thread in the tapestry of existence. Our world, our delusions, they are the other threads, weaving a fuller, more vibrant picture. And as I spoke, the constellations of my mind were mirrored in his eyes, illuminating the vast expanse of our vision. And we both believed. In our shared visions, we found the strength to face the harshness of reality. Our sanctuary of dreams was a balm, healing wounds inflicted by the indifference of the world outside.

In the twilight of our encounters, we wove our delusions together, creating a sanctuary where our spirits danced freely. We always equated the stars and death together. We had both been influenced by the 'same and different poets' around the world. We found common ground in death. "Death," I had told him once, as we gazed into the abyss of the night, "is but a return to the stars. We are born of stardust, and to stardust we shall return. In the silent expanse of the universe, we will find all of us again." His belief in this cosmic cycle gave me solace, I gathered the strength to paint death not as an end but as a celestial reunion.

We had very few conversations in our whole of 11 years of staying in our shared family home. We were both afraid to be blamed about fanning each other's delusions. Even then we talked, about the heavy darkness of the night while it was a scorching afternoon, or the dried up forgotten desert when there was rain accompanied by a storm. It was as if we were compensating our realities with images from other worlds. Our shared delusions were not prisons but portals. Through them, we explored dimensions where the boundaries of sanity blurred, and the soul's true essence shone through. We both had individual limbos where we were safe, happy, and somewhat complete and not in the pain of having a black-hole of longing in our hearts, and a silent screaming mind. In this limbo of our own creation, we existed

happily, our spirits intertwined like vines reaching for the light.We both shared the same love for Krishna, he wanted to surrender on to him, while I called upon Krishna to be mine. We both loved, our love was vastly different, yet, we loved the same. Piku would be upset if he did not have time to converse with Krishna, be with Krishna, and talk to Krishna. I saw reflections of my own cosmic yearnings in his longing for Krishna. Krishna came to us both, while he walked away with Krishna holding his hands, I stayed back holding Krishna's hand.

Piku now has ventured beyond the veil, into the unknown realms of the afterlife, and I am left to navigate the real world alone. The sanctuary we built still lingers in my mind, a fading echo of our shared dreamscape. I carry the burden of reality once more, a weight that presses heavy on my spirit. Each day, I traverse this world, seeking traces of our celestial refuge in the mundane and the ordinary.

As I continue my journey, I hold onto the fragments of our delusions, like stars scattered across the night sky, guiding me through the darkness.Though I walk alone now, my heart is filled with the hope that one day, in the vast expanse of stardust, our souls will converge once more. Until then, I look to the heavens, whispering my poems into the wind, knowing he hears them in the language of the stars. For in that boundless cosmos, our spirits will always be connected, dancing eternally in the limbo of our shared dreams. And when my time comes to return to the stardust, I know he will be there, waiting, eagerly, to chase me around and recite to me all the poems he had written upon the stars. He used to do that when he was here in the living plane, making me listen to his poems, which I would understand only when he simplified them for me, sometime I would run around with my fingers in my ears, yet, he would persist. I usually gave up and heard every word, and imagined them in my mind's eyes, funnily enough they would be entirely too different to his visions, and we would accept both.

For me, you are still sleeping. The only difference is, this time you are at his feet, where you always wanted to be.

.

# অলকেশৰ স্মৃতিত একলম

## কনকলতা কলিতা (পেহী)

মানুহ জন্ম ল'লে মৃত্যু অনিবাৰ্য্য। এইটো স্বতঃসিদ্ধ বুলি জানিও কিছুমান মৃত্যু কেতিয়াও সহজভাৱে ল'ব নোৱাৰি। এনেকুৱা অভাৱনীয় অবাঞ্ছিত মৃত্যুক সাবটি লোৱা আমাৰ সকলোৰে অতি মৰমৰ অলকেশৰ (পিকু, ধুনু) মৃত্যুৰ খবৰে মোৰ লগতে পৰিয়ালবৰ্গ আৰু সহস্ৰাধিক লোকৰ অন্তৰ ব্যথিত কৰিছে। পুৱা প্ৰায় ৯.৩০ বজাত খবৰ পালোঁ পিকু আৰু আমাৰ মাজত নাই। খবৰ পায়ে হতবাক হৈ পৰিলোঁ। অন্তৰত কঁপনি উঠিছে। কোনোমতে মনে মানি ল'ব পৰা নাই। নিয়তিৰ নিয়ম সঁচাই বৰ নিষ্ঠুৰ।

১৯৮৫ চনৰ ৪ ছেপ্টেম্বৰ— ভাদ মাহৰ ১৭ তাৰিখ মাধৱদেৱৰ তিথিৰ দিনা যোৰহাটত অলকেশৰ জন্ম হৈছিল। মাত্ৰ ৩৮ বছৰ ৭ মাহ বয়সত মাক-দেউতাক, বাইদেউ, দাদা, বৌ তথা পৰিয়ালবৰ্গ, আত্মীয়-স্বজন বন্ধু-বান্ধৱী সকলোকে কন্দুৱাই শীতল শয়নত চিৰশান্তি ল'লে সি।

জন্মস্থান যদিও যোৰহাট, প্ৰকৃততে দেউতাক-মাক নিজ ইচ্ছাদঘৰীয়া গাঁৰৰ মূল বাসিন্দা। চাকৰিৰ কৰ্তব্য হেতুকে ১৫ বছৰ যোৰহাটত থাকিবলগীয়া হৈছিল। তেওঁৰ মাক প্ৰমীলা কলিতা, দেউতাক ফণী কলিতাৰ তিনিটা সন্তান ক্ৰমে বায়েক জ্যোৎস্না, দাদাক বিকাশজ্যোতি আৰু অলকেশ আছিল নুমলীয়া। আটাইকেইজনে যোৰহাট চাৰি নং ৱাৰ্ডত প্ৰাথমিক শিক্ষা আহৰণ কৰি পাছত গাঁৱত থাকিবলৈ লয়। আকৌ কিছু বছৰৰ পাছত গুৱাহাটীৰ বামুণীমৈদামৰ পিয়লি ফুকন নগৰত স্থায়ী বাসিন্দা হিচাপে থাকিবলৈ লয়।

যেতিয়া যোৰহাট ৪ নং ৱাৰ্ড প্ৰাথমিক বিদ্যালয়ত প্ৰথম-দ্বিতীয় শ্ৰেণীত পিকু পঢ়ি আছিল। তেতিয়া মই দাদা-বৌৰ লগত থাকিবলৈ যাওঁ। তিনি-চাৰি মাহ থাকি আকৌ গাঁৱলৈ আহোঁ। মই কেতিয়াবা সিহঁতক স্কুলত থ'বলৈ বা আনিবলৈ যাওঁ।

ছুটীত আনিবলৈ গ'লে মোক দেখি পিকু দৌৰি আহে আৰু গাত সাবটি ধৰি “গুদু পেহী... অঁ, আহিছা” বুলি মিচিকীয়া হাঁহি মাৰে। সঁচাই সেই মৰমৰ মৃদু সুৰৰ গুদু পেহী শব্দই আজি মোক আমনি কৰি দুখ দি আছে। সি সৰুৰেপৰা বহুত মৰমিয়াল। বহুত মৰম কৰিছিলোঁ আৰু আমাকো বহুত মৰম দিছিল। ব্যক্তিত্ব, আচাৰ-ব্যৱহাৰ ধীৰ-গম্ভীৰ, গুণী-জ্ঞানী, শান্ত-শিষ্ট আটাইবোৰ গুণৰ অধিকাৰী আছিল। এনে এজন ল'ৰাক হেৰুৱাব লগাত শোকত মৰ্মাহত হৈ পৰিছোঁ।

সৰুৰেপৰা সাধুকথা শুনি, কবিতা পঢ়ি, কবিতা আবৃত্তি কৰি বহুত ভাল পাইছিল। বাতৰিকাকত আৰু অনাতাঁৰ কেন্দ্ৰতো কবিতা প্ৰকাশ পাইছিল। গাঁৱত থাকোঁতে গৰমৰ দিনত মোৰ ‘মা’ অৰ্থাৎ আবুয়েক (আইতা) আৰু মই চোতালত ঢাৰিত শুই থাকিলে পিকু পঢ়াৰপৰা উঠি আহি দুয়োৰে মাজত দীঘল দি আইতাকক কৈছিল— “ও আবু, এতিয়া তুমি মোক সাধু শুনাব লাগিব।” গাঁৱত আইতাকবিলাকক ‘আবু’ বুলি মাতিছিল। ইহঁতেও মোৰ মাক আবু বুলিয়ে মাতিছিল। আবুয়েকে নানা ধৰণৰ ফুচুৰি কথাৰে সাধু আৰম্ভ কৰে। পিকুৱে বহুত ৰস পাই আবুয়েকক মৰমৰ সুৰেৰে কথাবোৰ সুধি সুধি ব্যতিব্যস্ত কৰে আৰু খিল্‌খিলাই হাঁহিবলৈ ধৰে। অতীতৰ সেই ছবিবোৰ সোঁৱৰণ কৰি অন্তৰ দহি মৰিছে। কি হ'ল বাৰু ইমান সুন্দৰ ল'ৰাটোৰ?

অলকেশৰ (পিকু) অন্তৰ তেনেই কোমল আছিল। তাৰ উমান পোৱা যায় যে তেনেই দুখীয়া সাধাৰণ মানুহক বৰ মৰম-শ্ৰদ্ধা সহকাৰে সামৰ্থ্য অনুযায়ী সহায় কৰিছিল। দুখীয়া-দৰিদ্ৰক দান কৰি খুবেই ভাল পাইছিল। মাক-দেউতাক আৰু বাইদেৱেকৰ অনুপ্ৰেৰণাৰে সাহিত্য জগতৰফালে আগুৱাই যোৱাৰ সুযোগ পাইছিল। অতি তীক্ষ্ণ-চোকা মেধাসম্পন্ন পিকুৱে জীৱনৰ শৈশৱৰ সীমনা পাৰ কৰি পাছৰফালে সৰহ সময় কবিতা লিখাত ব্ৰতী থাকিছিল। সৰুৰেপৰা সুন্দৰৰ আৰাধনাৰে কাব্যচৰ্চাৰ পাতনি মেলিছিল আৰু সুন্দৰ সুন্দৰ কবিতাৰ সৃষ্টিৰে বিদায় ল'লে এই সুন্দৰ জগতৰপৰা। কবিতাৰ মাজেৰে লব্ধপ্ৰতিষ্ঠ কবি হ'বলৈ বহু ইচ্ছা, আশা, আকাংক্ষা বুকুত বান্ধি চিৰদিনৰ বাবে আমাৰপৰা বিদায় ল'লে। কেইবাখনো সুন্দৰ কবিতা পুথি প্ৰকাশ কৰি স্মৃতিৰ পাতত জিলিকি থাকিল পিকু।

শেষত ভগৱানৰ শ্ৰীচৰণত শত-সহস্ৰ প্ৰণাম যাচি বিদেহ আত্মাৰ পৰম শান্তিৰ বাবে প্ৰাৰ্থনা কৰিছোঁ। পিকু— তুমি য'তেই নাথাকা কিয় শান্তিত থাকা। তাৰে কামনাৰে...

ওম শান্তি, ওম শান্তি, ওম শান্তি

# অলকেশৰ স্মৃতিত একলম

## গোলাপী ডেকা (পেহী)

ইচ্ছাদঘৰীয়া কামৰূপ জিলাৰ ৰঙিয়া চাৰ্কোলৰ অন্তৰ্গত প্ৰাকৃতিকভাৱে সমৃদ্ধ ৰৌমাৰী বিলৰ নিকটৱৰ্তী এখন গাঁও। এই গাঁৱতেই আমাৰ পিতৃ স্বৰ্গীয় ভেন্দৰুৰাম কলিতা আৰু তেওঁৰ সহধৰ্মিণী তথা আমাৰ মাতৃ প্ৰয়াত চেনেহী প্ৰিয়া কলিতা স্থায়ী বাসিন্দা আছিল। পিতৃ-মাতৃৰ সৈতে ল'ৰা-ছোৱালীক লৈ এঘাৰজনীয়া এটা পৰিয়াল। শিক্ষাৰ প্ৰতি ধাউতি থকা প্ৰয়াত ভেন্দৰুৰাম কলিতাই ইচ্ছাদঘৰীয়া গাঁৱৰপৰা খোজকাঢ়ি কমলপুৰ এম ভি (মজলীয়া)ত শিক্ষা শেষ কৰি ৰে'ল বিভাগত সৰু চাকৰি এটা কৰি পৰিয়ালটো যেনে-তেনে চলাই আছিল। পিতৃৰ ইচ্ছা আছিল— আটাইকেইগৰাকী সন্তানকে সুশিক্ষিত কৰি সমাজত ভাল নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰাৰ। চাকৰিৰ ব্যস্ততাৰ বাবে সপ্তাহৰ মূৰতহে ঘৰলৈ পিতৃ আহিব পাৰিছিল। কিন্তু 'ক'ৰ কাণ চিনি নোপোৱা মাতৃয়ে অকলে আটাইকেইটা সন্তানক সকলোফালৰপৰা দৃষ্টি ৰাখি প্ৰধানতঃ সন্তানৰ শিক্ষা-দীক্ষাত জোৰ দিছিল। তাৰ বাবে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। সময় বাগৰাৰ লগে লগে ঘৰখনৰ খৰচৰ মাত্ৰাও বাঢ়ি আহিছিল। ডাঙৰ ল'ৰাই হাইস্কুলৰ ডেওনা পাৰ হৈ ৰঙিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰি ঘৰুৱা টিউচন গোটাই নিজৰ খৰচ উলিয়াই পঢ়িছিল।

দ্বিতীয় ল'ৰা ফণী কলিতাই হাইস্কুলৰ নৱম শ্ৰেণীত পঢ়ি থকা অৱস্থাৰপৰাই ওচৰ-চুবুৰীয়াৰ ল'ৰা-ছোৱালীক পঢ়ুৱাই নিজৰ পঢ়াৰ যাৱতীয় খৰচ উলিয়াই লৈছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ৰঙিয়া মহাবিদ্যালয়ৰ নাইট ছিফ্‌টত নামভৰ্তি কৰি দিনৰ ভাগত কৰ্মস্থলীলৈ গৈছিল আৰু ৰাতি মহাবিদ্যালয়ৰ শ্ৰেণীকক্ষলৈ গৈছিল। ফণী কলিতাই কৰ্মজীৱনৰ লগতে শিক্ষাৰ মান বৰ্তাই ৰাখি পঢ়া-শুনা কৰি বহুত কষ্টৰ মাজেৰে স্নাতক ডিগ্ৰী লৈ ভাৰতীয় খাদ্য নিগমৰ চাকৰিত মকৰল হয়। নিজেই নিজৰ

ভৰিত থিয় হৈ ঘৰখনত থকা সৰু ভাই আৰু চাৰিজনী ভনীক স্নাতক ডিগ্ৰীলৈ পঢ়াৰ খৰচ বহন কৰিছিল।

ফণী কলিতা এজন সামাজিক, ধৰ্মপৰায়ণ, সংস্কৃতিৱান আৰু সাহিত্য চৰ্চাৰ লগত জড়িত থকা লোক। পঢ়ি থকা অৱস্থাৰপৰা নাটকত অভিনয় কৰা, নাগাৰা নামৰ পাঠক, বাদ্যযন্ত্ৰ বজোৱা, বাঁহী বজোৱা, আনকি যোৰহাটত চাকৰি কৰি থকা অৱস্থাত ভাওনা প্ৰদৰ্শন কৰাও মোৰ মনত আছে।

১৯৭৮ চনত শ্ৰীমান ভদ্ৰেশ্বৰ মালীৰ কন্যা শ্ৰীমতী প্ৰমীলা ডেকাৰ লগত বিবাহপাশত আবদ্ধ হয়। এওঁলোকৰ সাংসাৰিক জীৱনলৈ আহিল তিনিগৰাকী সুযোগ্য সন্তান। ইয়াৰে ডাঙৰগৰাকী ছোৱালী জ্যোৎস্না (মুনু) সৰুৰেপৰা মেধাসম্পন্ন। এওঁ দিল্লীৰপৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ বৰ্তমান মুম্বাই চহৰত দুই কোম্পানীৰ স্বত্বাধিকাৰী হৈ আছে। এওঁৰ কবিতা, সাহিত্য, চিত্ৰশিল্প আদিত ভাল দখল থকা দেখা যায়। ল'ৰা দুজনৰ ডাঙৰ ল'ৰা বিকাশ কলিতা বাণিজ্যিক বিভাগত ডিগ্ৰী লৈ নিজাকৈ কোম্পানী খুলি বৰ্তমান আত্মনিয়োজিত হৈ আছে।

সৰু ল'ৰা অলকেশ (পিকু) কলিতা পৰিয়ালৰ সকলোৰে অতি মৰম আৰু আদৰৰ ল'ৰা। এওঁৰ মাৰ্জিত ব্যৱহাৰ, ভদ্ৰ আচৰণত সকলোৱে মুগ্ধ হয়। পঢ়া-শুনাতো খুবেই ভাল। গুৱাহাটীৰ ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়ৰপৰা বিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰী লয়। ইয়াৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা মাছ কমিউনিকেচনত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। পঢ়ি থকা অৱস্থাৰেপৰা সাহিত্যানুৰাগী অলকেশৰ কবিতা প্ৰথমে বাতৰিকাকত, আলোচনী আদিত প্ৰকাশ পায়। পিছত নিজাকৈ কবিতা পুথি উলিওৱাৰ কাৰণে প্ৰয়াস কৰে। সৰুৰেপৰা কিতাপ পঢ়ি ভাল পোৱা অলকেশে ঘৰতে লাইব্ৰেৰীসদৃশ কিতাপৰ ভঁৰাল এটি গঢ়ি লৈ সেইবোৰ অধ্যয়নত ৰত থাকে। অধ্যয়নপিপাসু অলকেশৰ প্ৰতিটো কবিতাতে আধ্যাত্মিক চেতনা আৰু মৌলিক চিন্তা প্ৰৱহমান হোৱা দেখা যায়। এওঁৰ কবিতাৰ কাব্যিক ভাষাৰ লালিত্য সহজতে বুজি পোৱা বিধৰ নহয় বুলি মই ভাবোঁ। সেয়েহে তেওঁৰ কবিতাবোৰ গভীৰভাৱে হৃদয়ংগম কৰি লোৱাৰ প্ৰয়োজন আছে। বৰ্তমানলৈ অলকেশে ছয়খন কবিতা পুথি প্ৰকাশ কৰি সাহিত্য জগতলৈ অৱদান আগবঢ়াইছে। পঢ়ুৱৈ সমাজে অৰ্থাৎ কবি-সাহিত্যিকসকলে সেই কিতাপ পঢ়ি তেওঁক এগৰাকী নৱপ্ৰজন্মৰ উদীয়মান ভাবমূৰ্তিৰ প্ৰতিষ্ঠিত কবি হিচাপে স্বীকৃতি প্ৰদান কৰিছে। উদীয়মান কবি অলকেশৰ এতিয়াও ছপা হ'বলগীয়া কিছুসংখ্যক লেখা হাতত আছে। ইয়াতে উল্লেখ্য যে অলকেশৰ মাতৃ প্ৰমীলা কলিতা এগৰাকী সুগৃহিণী হৈও বৰ্তমান এগৰাকী সমাজসেৱিকাৰ লগতে এগৰাকী গল্প

লেখিকাও। আলোচনী আদিত এওঁৰ গল্প প্ৰকাশ হোৱাৰ উপৰি গল্প সংকলন *অসুখ* আৰু *বাকচত মলঙা সপোন* প্ৰকাশ কৰি উলিয়াইছে। মুঠতে ক'বই লাগিব যে পৰিয়ালৰ প্ৰতিজন সদস্যৰ গাত সাহিত্য-সংস্কৃতিৰ মাদকতাৰ গোন্ধ সিঁচৰতি হৈ আছে।

নিয়তিক ৰুধিব পৰা শক্তি মনুষ্যৰ হাতত নাই। ১৯ এপ্ৰিল, ২০২৪— মোৰ সৰু ভনীজনীয়ে ফোন কৰিলে। মই ফোনটো ধৰিলোঁ। তাই কান্দি আছে। মুখেৰে একো ক'ব পৰা নাই। মই সুধিলোঁ— "কিয় কান্দিছ? নকৰ কিয়?" তাই থোকাথুকি মাতেৰে ক'লে— "পিকু আৰু নাই।" মোৰ মূৰৰ ওপৰত সৰগ ভাগি পৰিল। ফোনতে চিঞৰি কান্দিলোঁ। হে ভগৱান, এনে অসহনীয় বাৰ্তা! হে প্ৰভু তুমি কি কৰিলা? এই দুঃখবৰে বুকুখন হেঁচুকি ধৰিছিল।

মৃত্যু শাশ্বত, মৃত্যু চিৰন্তন সত্য, মৃত্যু অনিবাৰ্য্য। জন্মিলে মৃত্যু অৱধাৰিত বুলি আমি সকলোৱে জানো। কিন্তু সময়ৰ আগতেই যেতিয়া কোনো লোকক এই পৃথিৱীৰপৰা নিয়তিয়ে হঠাৎ লৈ যায়, তেতিয়া কেনে অসহনীয় দুখ হ'ব পাৰে ভুক্তভোগীসকলেহে অনুধাৱন কৰিব পাৰে। আমাৰো এই দশায়ে হ'ল। অলকেশৰ অপূৰ্ণ জীৱনৰ নাতি-দীৰ্ঘ আয়ুসে পৰিয়ালটিক ভাবিব নোৱৰাকৈ ব্যথিত কৰি তুলিলে। বহুতো মৰ্মাহত হৈছোঁ। এই অভাৱনীয় দুখ যাতে আৰু কাকো নিদিয়ে তাৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।

পিকু, তুমি য'তেই গৈ থাকা তাতে যেন ভালে ভালে থাকা। তোমাৰ স্বৰ্গত বাস হওক, আশীৰ্বাদ কৰিছোঁ মই। তোমাৰ স্মৃতিবোৰ আমাৰ সকলোৰে মানসপটত যুগমীয়া হৈ থাকিব। পুনৰ অশ্ৰুসিক্ত নয়নেৰে তোমাক সোঁৱৰণ কৰি মোৰ কাপ সামৰিছোঁ।

# স্মৃতিভৰা অশ্রু অঞ্জলি অলকেশলৈ

## **নীলিমা কলিতা** (পেহী)

সেইদিনা আছিল ৬ ব'হাগ, শুক্লা একাদশী তিথি, ১৯ এপ্রিল ২০২৪ শুকুৰবাৰ। মই পুৱাৰ আহাৰ ৰান্ধি আছিলোঁ। ফোনটো বাৰে বাৰে ৰিং হৈ থকাত হাতখন ধুই ফোনটো উঠালোঁ। ফোনৰ সিটো মূৰৰপৰা পদুমী বৌৱে যিটো খবৰ দিলে সেয়া মোৰ বাবে একেবাৰে অপ্রত্যাশিত, অবিশ্বাস্য। মৰমৰ ভতিজা পিকু এই দুনিয়া এৰি গ'লগৈ বুলি ক'লত মোৰ শ্বাসৰুদ্ধ অৱস্থা হ'ল। দৰ্জাখন বন্ধ কৰি মজিয়াতে বহি পৰিলোঁ। ডাঙৰ ল'ৰা ঘৰতে আছিল। কিছু সময় পাছত নিজকে চম্ভালি দাদাৰ ঘৰলৈ যাবলৈ ওলালোঁ ল'ৰাৰ লগত। স্বামীক এই দুঃসংবাদ নজনোৱাকৈ দাদাৰ ঘৰলৈ বুলি ওলাই গ'লোঁ। স্বামী অসুখীয়া হেতুকে কিবা এটা অজুহাত লৈ ঘৰৰপৰা ওলাই গ'লোঁ। ভাৱাক্রান্ত মনেৰে ভগৱানৰ ওচৰত ইয়াকে প্রার্থনা কৰিলোঁ যে এই দুঃসংবাদ মিছা হওক। কিন্তু তাত গৈ মানুহৰ জুম দেখি মোৰ গা শিয়ৰি উঠিল। মানুহৰ ভিৰ ঠেলি পিকুৰ ৰুমলৈ সোমাই গৈ দেখিলোঁ পিকু নিজৰ বিছনাখনতে ধুনীয়াকৈ শুই আছে। ওচৰতে জন্মদাত্রী মাতৃয়ে হিয়াঢাকুৰি কান্দি আছে। তাৰ দেউতাকে ইনাই-বিনাই "পিতি ঐ", "পিতি ঐ" বুলি কান্দি আছে। পিকুৰ বিছনাৰ ওচৰত গৈ তাৰ বাউসীত ধৰি "পিকু পিকু" বুলি মাতিলোঁ, তাৰ কোনো সঁহাৰি নাই। পৃথিৱীৰ মায়া-মোহ ত্যাগ কৰি মৃত্যুৰ শীতল কোলাত শান্তিৰে শুই পৰিছে। এক প্রশান্তিভৰা চিৰনিদ্রা। ঘৰখনত এক শোকাকুল পৰিৱেশ, কোনেও কাকো সান্ত্বনা দিবলৈ ভাষা বিচাৰি পোৱা নাই। হিয়াৰ আমঠু কনিষ্ঠ পুত্র, ভাই, ভতিজা পিকু যে আমি নজনা-নুশুনা অজান দেশলৈ গুচি গ'লগৈ !

পিকু মানে মই অলকেশৰ কথা কৈছোঁ। তাক আমি মৰমতে পিকু বুলি মাতোঁ। দেখিবলৈ ধুনীয়া আছিল বাবে তাক আমি মৰমতে 'ধুনু' বুলিও মাতিছিলোঁ। সেইদিনা

ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱ আৰু বংশ পৰিয়ালৰ মানুহেৰে ঘৰখন ভৰি পৰিছিল। দিনটো এক বুজাব নোৱৰা শোকাকুল পৰিৱেশৰ মাজত আমি অপেক্ষা কৰি আছিলোঁ তাৰ মৰমৰ 'বা' জ্যোৎস্না আহি পোৱালৈ। ব'হাগ বিহুলৈ আহি মাত্ৰ দুদিন আগতে পৰিয়ালটোৰ লগত বিহু উদ্‌যাপন কৰি তাই মুম্বাইৰ ফ্লেটলৈ উভতি গৈছিলহে! দুদিন পাছত এনে এটা দুঃসংবাদ পাই তাই যে কিমান শোকবিহ্বল হ'ব, কিমান অস্থিৰ হ'ব তাক আমি ভালদৰে অনুমান কৰিছিলোঁ। আবেলি প্ৰায় চাৰে পাঁচ বজাত আমাৰ অপেক্ষাৰ অন্ত পেলাই পিকুৰ মৰমৰ বা জ্যোৎস্না আহি পাইছিল। জ্যোৎস্না আহি পোৱাৰ লগে লগে এক বৰ্ণনাতীত শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছিল। কাৰণ পিকুৰ প্ৰাণহীন দেহটো তেতিয়া শেষ যাত্ৰাৰ বাবে 'স্বৰ্গাৰোহণ' নামৰ বাহনখনত উঠোৱা হৈছিল। জ্যোৎস্নাই গাড়ীখনতে পিকুৰ নিষ্প্ৰাণ দেহাটো সাবটি মূৰত হাত বোলাই তাক বহু প্ৰশ্ন কৰি আছিল। তাইৰ প্ৰশ্নবোৰ উত্তৰবিহীন হৈ শূন্যতে বিলীন হৈ গৈছিল। শেষত জ্যোৎস্নাই কি কৰোঁ কি নকৰোঁকৈ স্বৰ্গৰথখনতে বহি পৰিল। কাষত তাইৰ ডাঙৰ ভাই বিকাশ আৰু বন্‌জিতাই (ভাইবোৱাৰী) তাইক সান্ত্বনা দিবলৈ যত্ন কৰি আছিল। মই তাইক স্বৰ্গৰথখনত বহি পৰা দেখি চাই থাকিব নোৱাৰিলোঁ। ময়ো গাড়ীখনত উঠি তাইৰ কাষতে বহিলোঁ। আমাৰ লগত পিকুৰ দুজন সৰু ভায়েও পিকুৰ শেষ যাত্ৰাৰ সংগ দিছিল। এনেদৰে আমি মৰমৰ পিকুৰ অন্তিম যাত্ৰাৰ বাবে আগুৱাই গৈছিলোঁ। পথছোৱাত আমাৰ কাৰো মুখত মাত-বোল নাছিল। আমাৰ কাষতে পিকু শান্তিৰে-নীৰৱে শুই আছিল। এয়া এক মৰ্মান্তিক অভিজ্ঞতা।

দাদা-বৌৰ কনিষ্ঠ পুত্ৰ পিকু (অলকেশ) সৰুৰেপৰাই শান্ত, নিৰ্জু আৰু অতি মৰমিয়াল আছিল। কৰ্মসূত্ৰে দাদা যোৰহাটত বাৰ বছৰ কাল আছিল। পিকুৰ জন্ম তাতেই হৈছিল। বছৰত দুই-তিনিবাৰ দাদাহঁত সপৰিয়ালে গাঁৱৰ ঘৰলৈ আহিছিল। মাঘ বিহুৰ আগদিনা দাদা-বৌহঁত গাঁৱৰ ঘৰলৈ প্ৰায়ে আহিছিল। আমি লৰালৰিকৈ ঘৰৰ যাৱতীয় কাম-কাজ শেষ কৰি অধীৰ আগ্ৰহেৰে বাই-ভনীকেইজনীয়ে বাটলৈ ওলাই চাই থাকিছিলোঁ। দূৰৰপৰা দেখিলে আমি ভনীকেইজনীয়ে পিকুক একোলা ল'বলৈ দৌৰি গৈছিলোঁ। কিন্তু পিকুৱে মাজু খুৰাকে ঠেলা গাড়ীখনত উঠাই অনা বেডিং-পত্ৰৰ ওপৰত বহি আহিবলৈহে ভাল পাইছিল। ঘৰ আহি পায়ে বোকাখাতৰপৰা অনা পেৰাৰ টোপোলাটো পিকুৱে তাৰ আবুয়েকৰ হাতত নিজে দিবলৈ জেদ ধৰিছিল। ল'ৰা-ছোৱালীকেইটাৰ লগত কটোৱা সেই মধুৰ সময়ৰ স্মৃতি আজিও পাহৰিব পৰা নাই। চূড়াকৰণ কৰিবলৈ ৰাখি থোৱা পিকুৰ মূৰৰ চুলিখিনি ওপৰত খোপা এটা বান্ধি দি তাক আবেলি কোলাত লৈ গাঁৱৰ ইমূৰ-সিমূৰ ফুৰাইছিলোঁ। ঘাঁহ খুৱাবলৈ দামুৰীৰ

পিছে পিছে ফুৰা, চোতালত ধানৰ মৰণা মৰা আদি বহু পিকুৰ শৈশৱৰ স্মৃতিয়ে আজি মোৰ মন ভাৰাক্ৰান্ত কৰিছে।

সৰুৰেপৰা পিকু পঢ়া-শুনাত অতি চোকা আছিল। গুৱাহাটীৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰপৰা সুখ্যাতিৰে মেট্ৰিক পাছ কৰিছিল। নিজৰ প্ৰতিভা আৰু অমায়িক স্বভাৱৰ বাবে পিকুৱে অসম জাতীয় বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ মনত এক সুকীয়া আসন পাইছিল। ললিত ভৰালী কলেজৰপৰা ইলেক্ট্ৰনিক্সত বি এছ্-চি কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা মাছ কমিউনিকেচনত প্ৰথম শ্ৰেণী লৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। উচ্চ শিক্ষা লাভ কৰিও এটা চৰকাৰী চাকৰিৰ বাবে চেষ্টা কৰা নাছিল। কিয়নো বি এছ্-চি দ্বিতীয় বৰ্ষৰ ফাইনেল পৰীক্ষাৰ সময়তে অলকেশক স্কিজ'ফ্ৰেনিয়া নামৰ ৰোগবিধে আক্ৰমণ কৰিছিল। অলপো সময় নষ্ট নকৰি পৰিয়ালটোৱে গুৱাহাটীৰ এজন প্ৰসিদ্ধ বিভাগীয় ডাক্তৰক দেখুৱাই চিকিৎসাৰ ব্যৱস্থা কৰিছিল। পিছলৈ গুৱাহাটীৰ চিকিৎসাত সন্তুষ্ট নাথাকি জ্যেষ্ঠ ভগ্নীয়ে অলকেশক মুম্বাইৰ আগশাৰীৰ চিকিৎসক এগৰাকীৰ ওচৰতো চিকিৎসা কৰোৱাইছিল। ইউ এছ্ এত থকা এগৰাকী থেৰাপিষ্টৰদ্বাৰা থেৰাপী দিয়াইছিল। দাদা-বৌ সকলো সময়তে তাৰ কাষত সাহস আৰু সহযোগী হৈ থিয় দি আছিল। তাৰ বৌৱেক বন্‌জিতাই সময় পালে সন্ধিয়া সময়ত তাৰ লগত কথা-বতৰা পাতি তাৰ মন সতেজ কৰিবলৈ যত্ন কৰিছিল। পৰিয়ালৰ প্ৰত্যেকৰেপৰা পিকুৱে যত্ন আৰু মৰম পাইছিল। স্কিজোফ্ৰেনিয়াৰ দৰবৰোৰে তাৰ স্মৃতিশক্তি আৰু আত্মবিশ্বাস লাহে লাহে দুৰ্বল কৰি আনিছিল। ডাক্তৰসকলে পিকুৰ মগজুৰ আই কিউ লেভেল অতি উচ্চস্তৰৰ বুলি কৈছিল।

অলকেশক লৈ দেখা মাক-দেউতাক আৰু দাদাক-বায়েকৰ আশা সপোন স্কিজোফ্ৰেনিয়াৰ দৰে দুৰাৰোগ্য ব্যাধিৰ গ্ৰাসত পৰি তিল্‌তিল্‌কৈ ধ্বংস হৈছিল। নানা কষ্ট আৰু হতাশাৰ মাজতো আক্ৰান্ত অলকেশে জীৱনটোৰ লগত যুদ্ধ কৰি এটা উচ্চ সীমাত উপনীত হ'বলৈ সক্ষম হৈছিল। এজন চোকা বুদ্ধিৰ উঠি অহা যুৱকৰ সোতৰ বছৰ ধৰি অহৰ্নিশে চিকিৎসা চলাই নিয়াটো কিমান কষ্টকৰ সেয়া ভুক্তভোগীয়েহে জানে। তাৰ পিতৃ-মাতৃয়ে স্কিজোফ্ৰেনিয়াৰ কথা গোপনে ৰাখিছিল। কাৰণ সি কাৰোবাৰ পুতৌৰ পাত্ৰ হওক আৰু হীনমন্যতাত ভোগক এইটো পৰিয়ালে বিচৰা নাছিল। বৃহৎ যৌথ পৰিয়ালটোৰ সৰু পেহা-পেহীয়েক হিচাপে মই সকলো জানিছিলোঁ। আমাৰ ওচৰতে দাদা-বৌৱে কান্দি-কাটি সান্ত্বনা লভিবলৈ চেষ্টা কৰিছিল। স্কিজোফ্ৰেনিয়াত ভুগি থাকিও পিকুৱে তাৰ এই চুটি জীৱনত বহুতো কৰ্ম কৰি থৈ গ'ল। চৰকাৰী চাকৰিৰ বাবে অনিচ্ছুক পিকুৱে শেহতীয়াকৈ ককায়েক, বায়েকৰ ব্যৱসায়ত সহযোগ

কৰিছিল আৰু নিজেও বিভিন্ন ব্যৱসায় আৰু তাৰ সাংবাদিকতাৰ লাইনত কিছুমান সফল কামৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। আমি জানো, স্কিজোফ্ৰেনিয়াৰ দৰে মাৰাত্মক ব্যাধিয়ে পীড়া নকৰা হ'লে পিকু আজি দেশৰ এটা সম্পদ হ'লহেঁতেন। সি সেৱন কৰা দৰববোৰৰ পাৰ্শ্বক্ৰিয়াই ক্ৰমান্বয়ে তাক অলস আৰু হতাশগ্ৰস্ত কৰি তুলিছিল। এইবোৰ কথা আচলতে অন্য মানুহে বুজি নাপায়। পৰিয়ালৰ প্ৰতিমুহূৰ্তৰ সজাগতা, পিকুৰ প্ৰতি যত্ন, আদৰ-সাদৰে তাক তাৰ এই চুটি জীৱনটোক উদ্‌যাপন কৰি সময় বালিত খোজ ৰাখিবলৈ সাহস আৰু প্ৰেৰণা যোগাইছিল। ছখনকৈ কাব্যগ্ৰন্থ আৰু প্ৰকাশিত-অপ্ৰকাশিত বহুতো কাব্য সাহিত্যৰ লগতে প্ৰবন্ধ, সমালোচনা সাহিত্য আদিৰে অসমীয়া ভাষা-সাহিত্যলৈ অলকেশে অমূল্য অৱদান দি থৈ গৈছে।

মানুহৰ জীৱনত ঘাত-প্ৰতিঘাত থাকেই। ময়ো জীৱনত বহুতো প্ৰত্যাহ্বান পাইছোঁ। মাত্ৰ ২২ বছৰ বয়সত মোক মোৰ মাৰপৰা, পৰিয়ালৰপৰা বিচ্ছিন্ন কৰা হৈছিল। একমাত্ৰ ফণীদা আৰু বৌৱে মোক আঁকোৱালি লৈছিল। দাদা-বৌৰ সহানুভূতিৰ লগতে জ্যোৎস্না, বিকাশ আৰু অলকেশৰ 'পেহী' শব্দটোৱে মোক আৰু মই ক'ৰপৰা আহিছোঁ সেই কথা মনত পেলাই দিছিল। তাৰবাবে মই পৰিয়ালটোৰ ওচৰত চিৰকৃতজ্ঞ। মোৰ জীৱনত মৰম-চেনেহৰপৰা বহুত বঞ্চিত হৈছোঁ। সততে পেহী বুলি খবৰ লোৱা, মোৰ ল'ৰাহঁতৰ জন্মদিনত নামাতিলেও সময়ত উপস্থিত হোৱা মৰমিয়াল হৃদয়ৰ পিকুক হেৰুৱাই মোৰ লগতে আমাৰ পৰিয়ালটো অত্যন্ত ব্যথিত হৈছোঁ। আমি এজন সহৃদয়ৱান শুভচিন্তকক হেৰুৱালোঁ।

পিকু, অতিকৈ মৰমিয়াল আৰু নিৰ্জু স্বভাৱৰ আছিল। সি আনৰ দুখ-কষ্ট সহিব নোৱাৰিছিল। এই গুণটো সি দাদাৰপৰাই পাইছিল। দাদা বিশাল মনৰ অধিকাৰী। আনক সহায়-সহযোগিতা কৰি মনত বৰ শান্তি পায়।

দাদা-বৌৰ পৰিয়ালটো সাহিত্য-সংস্কৃতিৰ লগত জড়িত। সৰুৰেপৰা ল'ৰা-ছোৱালীকেইটাক দাদাই সাহিত্য অধ্যয়নৰ পৰিৱেশ এটা গঢ়ি দিছিল। গ্ৰন্থমেলাত অভাৱৰ মাজতো ল'ৰা-ছোৱালীক মনৰ পছন্দ মতে কিতাপ কিনি দিছিল। সেয়ে পৰিয়ালটোৰ সকলোৰে লগতে অলকেশ অধ্যয়নপিপাসু হৈ উঠিছিল।

সময় বৰ নিষ্ঠুৰ। অলকেশৰ দৰে উজ্জ্বল ৰত্ন হেৰুৱাই তাৰ পিতৃ-মাতৃ আজি শোকত ভাগি পৰিছে। অসমীয়া সমাজে এটি উদীয়মান প্ৰতিভাক অকালতে হেৰুৱালে। মাথোঁ এৰি থৈ গ'ল তাৰ সৃষ্টিৰাজি আমাৰ মাজত জীৱন্ত স্মৃতি হিচাপে। তাৰ কবিতাবোৰ কেৱল কিতাপৰ পৃষ্ঠাত নহয় মানুহৰ মনে-প্ৰাণে জীৱন্ত হৈ থাকিব।

মানুহ মৰণশীল, এই সত্যটোক মানি ল'বলৈ কেতিয়াবা বৰ কষ্ট হয়। পিকুৰ অকাল মৃত্যু পৰিয়ালটোৰ লগতে মোৰ বাবেও অতি বেদনাদায়ক হৈ পৰিছে। শেষত ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ— যাতে পিকুৱে বিচাৰি যোৱা শান্তিৰ ঠাইখন তাক দিয়ে আৰু তাৰ আত্মাই চিৰশান্তি লাভ কৰে।

দাদা-বৌ, জ্যোৎস্না, বিকাশ আৰু বন্‌জিতালৈ মোৰ পৰিয়ালটোৱে গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ আৰু মৰমৰ পিকুলৈ যাচিছোঁ অশ্ৰু অঞ্জলি।

অলকেশ কলিতা

# সৃষ্টি সুষমা

# অলকেশ কলিতাৰ পাতনি সংগ্ৰহ

## ভাস্কৰ (২০১২)

**লেখকৰ একাষাৰ**

মোৰ প্ৰথমখন কাব্যপুথি 'ভাস্কৰ' পাঠকৰ হাতত তুলি দিবলৈ ওলাই উৎসাহ আৰু ভয়-শংকাৰে সানমিহলি কিছুমান ঢৌৰ খুন্দা-খুন্দলিত পৰিছো। 'ভাস্কৰ' মোৰ এক কৌতুহলী প্ৰচেষ্টাহে, সচেতনতা নহয় কিজানি। অথচ কাক জানিবৰ কৌতূহল, কি জানিবৰ কৌতূহল নিজেই যেন নাজানো। জানোচা কবিতাকে বুজি উঠো, অথবা নিজক, হয়তোবা মানুহৰ সৃজনশীলতাৰ ৰহস্যক। কিমানখিনি সচেতন হ'লে চৌৰিশটা অংশ থকা এটা দীঘল কবিতাৰ বাবে নিজকে প্ৰস্তুত বুলি ভাবিব পাৰি সেইখিনি জ্ঞানো মোৰ নাছিল। অসংযত এটা সপোনৰ দৰে দৃশ্যৰ পাছত দৃশ্য কবিতাটো মোৰ অৱচেতনলৈ আহিছিল আৰু মোক দাবী কৰি লৈছিল। কবিতাই সদায় মোক এনেকৈয়ে আকৃষ্ট কৰি আহিছে। আচলতে কোননো বেছি অসংযত, কবিতা নে মই, সিও মোৰ কৌতূহল। কবিতাৰ মাজেৰে হয়তো মানুহে নিজেই নিজকে মমতা যাচে, সিও হ'ব পাৰে। মোৰ প্ৰচেষ্টা অত্যন্ত অনুশীলনৰ পৰ্যায়ৰ আৰু মোৰ মূৰৰ ওপৰত এতিয়া মোৰ নিজৰ হাত দুখনেই নাই। কিয়নো অনুশীলনীৰ ঠাই আচলতে টোকাবহীহে আৰু 'ভাস্কৰ' ওলাওক বুলি মোৰ উৎসাহখিনিৰ কোনো যুক্তিযুক্ততা মই দেখুৱাব নোৱাৰিম। তথাপি কবিতা পাঠকৰ সম্পত্তি আৰু পাঠকৰ হৈ নিৰ্ণয় লোৱাৰ অধিকাৰ মোৰ নাই।

এইখন পুথিৰেই মহিমামণ্ডিত অসমীয়া কবিতাৰ বাকৰিত খোজ থ'ব খুজিছো, সবাৰে আশীৰ্বাদৰ প্ৰাৰ্থী হৈ ৰ'লোঁ। নৰৰূপী নাৰায়ণ পাঠকৰ ওচৰত নতমস্তক হৈ কৃপা ভিক্ষা মাগিলো।

# বগা ফুল আৰু তেজৰ তাপ (২০১৪)

## পাৰ্শ্বকথা

কোনো কোনো বক্তব্যৰ নিজা কাব্যগুণ থাকে কবিতাৰ আকাৰত যৎকিঞ্চিত লিখিছোঁ এইবুলি ভাবিয়েই লিখিছোঁ। এইবোৰ কথাই হুনা-খোচা কৰি থাকিবলৈকে যে চেতন-অৱচেতন সমৰ্পিত হ'ল, কবিতা লিখাৰ নামত ততোধিক কিবা সম্ভৱ হয় নে নহয় নাজানো। অনুভূতি, মমতা, হৃদ্যতা, মানৱতাবোধ, প্ৰেম, বিদ্ৰোহ আদিয়ে গঢ়িব পাৰে, ভাঙিব পাৰে, মানুহকো, ভাষাকো। এইবোৰেই নিজগুণে সমৃদ্ধ কাব্যবস্তু— তাৰ বাবে সত্তাৰ সমৰ্পণত কৃতিত্ব আছে নে নাই নাজানো, কৰ্তৃত্ব হ'লে একেবাৰে নাই। তেনেহ'লে কবিয়ে সজ্ঞানে বা কি কৰে? ভাষাৰ সাধনা নে জীৱন জগতৰ অনুধাৱন?

অসমীয়া ভাষাটো লিখিবলৈ যিখিনি ন্যূনতম ভাষাজ্ঞান দৰকাৰ সেইখিনি প্ৰায় আঠ বছৰমান কাল কবিতাৰ নামত খুদ্ধাচড়কৈ কিবাকিবি লিখি আহৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। প্ৰকাশ কৰিবলৈ চেষ্টা কৰা নাছিলোঁ আৰু আজিও সেই অনুশীলনখিনি কবিতাৰ শাৰীত নথওঁ। সেই প্ৰচেষ্টাৰ অন্ত হ'বলৈ দিয়া নাই; যি এতিয়াও ন্যূনতমখিনিৰেই সাধনা। সেয়ে বৰ বেছি পত্ৰে-পুষ্পে জাতিষ্কাৰ কাব্যভাষা এটি মোৰ নহ'বগৈ বুলিয়েই নিজৰে অনুমান হয়। এতিয়ালৈ ভাষাৰ প্ৰকাশিকা শক্তিহে মোৰ ধ্যেয়, সংগীত সাধনৰ কথা মনলৈ অহা নাই। তথাপি পাঠকৰ অভ্যাসৰ প্ৰতি লক্ষ্য ৰাখি কবিতাৰ সমকালীন একধৰণৰ ৰূপ আয়ত্ত কৰা দৰকাৰ। বৰেণ্য কবিসকলেও নিশ্চয় পাঠকৰ ওচৰত 'ৰূপ'ৰ এই দায়বদ্ধতাক স্বীকাৰ কৰিছে। কিন্তু এই কথাটো পোনতেই মোৰ বিড়ম্বনা যেন লাগে। কবিতা বুজিবলৈ যত্ন কৰাৰ সময়ত বেলেগ ধৰণে আৰু লিখিবলৈ যত্ন কৰাৰ সময়ত বেলেগ ধৰণে কবিতাৰ এই বিড়ম্বনাময় উপায়হীনতাই মোক ভাৰাক্ৰান্ত কৰিছে। গতিকে এসময়ত মোৰ মাৰ্গদৰ্শনৰ প্ৰয়োজন হ'ল। সহায়ৰ বাবে বৰ্ষীয়ান কবি পৰম শ্ৰদ্ধাস্পদ নীলমণি ফুকন ছাৰৰ কাষ চাপিলোঁ। কিন্তু সেয়া আছিল সংযোগৰ নিমিত্ত মাত্ৰ, ফুকন ছাৰে পাৰ-কুল ভাঙি তাতোকৈ বহু বেছি ঐশ্চৰ্য সম্পদৰ নৱ দিগন্ত মোৰ সমুখত উন্মোচিত কৰিলে আৰু মোৰ চকু মেল খোৱা যেন লাগিল। তেখেতে মোক সংকীৰ্ণতাৰ পৰা মুক্ত কৰিলে। ছাৰক বৰ আমনি কৰিছিলোঁ, ছাৰে অকপটে সহায় কৰিলে, আজিও কৰে, ফুকন ছাৰ এক ৰহস্যময় বিৰল অনুপ্ৰেৰণাৰ উৎস। মই তেখেতৰ আশিস ধন্য।

বক্তব্যৰ লোকচান নোহোৱাকৈ 'ৰূপ'ৰ স'তে সাঙোৰ খাই থাকিবলৈ কঠোৰ শ্ৰম কৰিছোঁ; পাৰিছোঁ বা নাই? তথাপি এই শ্ৰম পাঠকৰ প্ৰতি উৎসৰ্গিত, শ্ৰমৰ পৰিণতি পাঠকৰ প্ৰতি উৎসৰ্গিত, পাঠকৰ অনভ্যস্ত কোনো বাটলৈ যদি মোৰ কক্ষচ্যুতি ঘটিছে তেন্তে সেয়াও পাঠকৰ ওচৰত সবিনয় নিবেদন। এনে বিমোৰত কাব্যভাষা এক দ্বন্দ্বাত্মক পৰিণতি বুলি দায় সাৰিব পাৰিলেই ভাল।

## যোৱাবেলিৰ বসন্ত (২০১৬)

**কবিৰ একাষাৰ**

ঘটনাবশত ঃ মোৰ জীৱনটোৱেও এজন কথকৰ জন্ম দিলে নেকি? হয়তো আন বহুতৰে দৰেই, নাইবা কিজানি আন কাৰো দৰে নহয়।

গোটেই যৌৱনটো কবিতা বুলি কিবাকিবি লিখাৰ পাছত এতিয়া হঠাতে এই মুহূৰ্তটোত ছয়াময়াৰ মাজতে এই চমৎকাৰ সত্য প্ৰথমবাৰ অলপ অলপ দেখিছোঁ যেন লাগিছে— যেন প্ৰতিজন কবিৰে এয়া এক গোপন প্ৰাপ্য অথবা হয়তো সকলোৰে বাবে এক মুকলি গণতন্ত্ৰ, যেন মোৰ হৃদপিণ্ডটোৰ ধপনিবোৰতো কাঁইটীয়া ধৰণৰ এইটো আচলতে সকলোৰে বাবে এটা ঘড়ীহে, যেন মোৰ প্ৰেম, মোৰ তাড়না, আনকি মোৰ তেজকেইটোপাও কেৱল মোৰ নাছিল, যেন মোৰ চব কথাই মনত আছে ফটফটীয়াকৈ জন্মদিনবোৰ, জানাজাবোৰ, ইলেকশ্যন, পৰাগ কুমাৰ দাস, ৰোহণ, উমা আৰু স্কিজ'ফ্ৰেনিয়া, আপোনাৰ মূৰত গধুৰ ধাৰৰ বোজা, ভণ্টীৰ দোকান, অখিল গগৈ ইত্যাদি, যেন মোৰ ডায়েৰীত আপুনিয়ে ৰঙা চিঞৰহীৰে কিবা এটা কথা লিখি থৈ গৈছিল এদিন, যেন এক কুখ্যাত ৰাজনৈতিক হত্যাকাণ্ডৰ পাছত বহুত কিবাকিবি কথাৰ উঁহ বিচাৰি এমখা পুলিচে এয়া পিতপিতাই খুঁচৰিছেহি মোৰ কোঠাৰ ব্যক্তিগত গোপন আপোন যেন এক নষ্টালজিয়া- ঘটনাবশতঃ মোৰ জীৱনটোৱেও জন্ম দিলে এজন কথকৰ! উস, কি চমৎকাৰ প্ৰাপ্তি হ'লহেঁতেন সেয়া!

আমি আত্মজীৱনী লিখা নাই, লিখিছোঁ কবিতাহে। কিন্তু জীৱনৰ বিগত এছোৱাৰ দেশ-কাল আৰু বাস্তৱৰ স'তে তেতিয়া লিখা 'দুই-চাইটা' কবিতা সমাৰোপণ (contrast) কৰি নিজৰ মাজতে চকামকাকৈ যিজন 'কথক'ক আৱিষ্কাৰ কৰিছোঁ সেইজনে আটাইতকৈ সঁচা কথাবোৰ কৈ থাকোঁতে প্ৰায়ে দেখিছোঁ তেওঁক নিজৰে তেজকেইটোপাৰ উত্তাপত উমাল হৈ থকা।

# নিষ্ফল উৎসৱ (২০১৯)

**কবিৰ একাষাৰ**

মই উৎসৱৰ পিছৰ দিনটোৰ কথা ভাবিছোঁ। সেই দিৱসটিত উপস্থিত হৈছোঁহি। আৰু ভৱিষ্যতৰ সকলো উৎসৱ সমূলঞ্চে অতীত হৈ পৰিছে।

মই পৰিণতিৰ পিছৰ দিনটোৰ কথা ভাবিছোঁ। আৰু সমুখত মোৰ সেই পৰিণতি সলাব নোৱাৰা বিধিৰ অৱলীলা হৈ শিলীভূত হৈছে। সেই শিলটো লৈ মই কি কৰিম? লৰাব-চৰাব নোৱাৰোঁ!

সেই অপেক্ষাৰ সময়বোৰ উকলি গ'ল, সেই পৰিণতি আমি ভোগ কৰি শেষ কৰিলোঁ। আমি এতিয়ানো কি কৰিম? নিষ্ফল উৎসৱৰ পিছৰ দিনটোত?

আমি চকৰিটো আকৌ ঘূৰাই দিম। ঋতুবোৰ পুনৰ ফুলিব, ধৰ্মচক্ৰই পুনৰ নিজকেই মাথোঁ নিজকেই দাবী কৰিব, একেবোৰ ফুল, একেবোৰ দিন-ৰাতি, সুখো সেই একেই, দুখো সেই একেই, যেতিয়ালৈ নিয়ন্তা ঈশ্বৰে আমাৰ ওচৰত টিউচন নিবিচাৰে।

তেতিয়া আমি আমাৰ অভিজ্ঞতাবোৰ ঈশ্বৰক জী চাবলৈ দিম। তেতিয়া তেওঁ কি ক'ব আমি শুনা নাই, দেখা নাই, ভাবিব পৰা নাই ইত্যাদি।

কিন্তু আমি এই বৃহৎ শূন্যটোক Electrify কৰি দিব পাৰোঁ। এটা বৈদ্যুতিক বৰ্তনীৰ দৰে 'এক' এটা পাব পাৰোঁ। তাতেই মানুহ হোৱাৰ গৌৰৱ। 'এক' আৰু 'শূন্য'ৰে কি নহয়? 'এক'ৰ অৰ্থ 'আছে' (Presence) শূন্যৰ অৰ্থ 'নাই' (absense)। 'নিষ্ফল উৎসৱ'ত সেয়েহে কেতিয়াবা কিবা এটা আছে, কেতিয়াবা কিবা এটা নাই।

নথকাবোৰ বিচাৰোঁতে থকাবোৰ হেৰাই গৈছে, থকাবোৰৰ স'তে বন্ধনত সোমাই থাকোঁতে আমাৰ অনন্ত আমনি। এই অনন্ত আমনি ঃ কোনেনো অনুভৱ কৰা নাই?

এটা কল্প বাগৰি গৈছে, ঈশ্বৰৰ যিমানবোৰ আয়োজন আছিল কিজানি আমি দেখিলোঁ। এটা উৎসৱৰ মাজেৰে আমি পাৰ হৈ আহিলোঁ, মেলাৰ চকৰিত স্ফূৰ্তিৰে বাৰম্বাৰ ঘূৰি ঘূৰি হাতৰ টকা সিকি শেষ।

আমি যদি সঁচাই সৎ, আমি আমাৰ আগন্তুকক বুজাই ক'ব পাৰিব লাগিব এই নিষ্ফল উৎসৱৰ বিস্তৰ সময় অপব্যয়। তাৰ বাহিৰে নেকি 'নিষ্ফল উৎসৱ' সঁচাকৈয়ে আন কিবা?

# পৰাস্মৃতি (২০২১)

**কবিৰ একাষাৰ**

কেইদিনমান আগলৈকে সোঁৱৰণি কি বুজাই নাছিলোঁ, এনে লাগিছিল সকলো যাত্ৰা কেৱল সমুখলৈ, এনে লাগিছিল মই চিৰকাল নিজৰ লগতেই নিৰন্তৰ যাত্ৰা কৰি থাকিম। কিন্তু এদিন এই দ্বিতীয় মইজন অতীতৰ কোনোবা জংচনত জাননী নিদিয়াকৈ ৰৈ গ'ল আৰু মই উভতি চালোঁ। এয়া ত্ৰিছৰ ডেওনা পাৰ হোৱাৰ প্ৰাপ্তি কিম্বা পেংলায়। কাৰণ থাৰ্টিজ ক্লাবৰ পানশালাত জীৱনৰ হাঁহিয়াত যেন টুপটুপীয়া ৰস্। এক সম্পূৰ্ণ বয়সৰ ভাৰ বিভিন্ন অচিলাত ময়ো হাঁহি হাঁহি পাতল কৰিবলগীয়াত পৰিলোঁ। প্ৰথমবাৰৰ বাবে বিদায়ী যৌৱনে শিহৰাই তুলিলে, ভাই এয়া চোৱা ক'ৰ পৰা ক'ত পালাহি। তেতিয়াৰে পৰা মই স্মৃতিয়ে মূৰত ধৰা সোঁৱৰণিৰসিক। সোঁৱৰণিৰ শিহৰণ মোৰ ৰোমে ৰোমে নতুন। কিবা অকাৰণতে মোক চব কথাত মস্কৰা, তুচ্ছ-তাচ্ছিল্য কৰি থাকে, উপায় নাপাই হাঁহোঁ, এক যেন ভদ্ৰ ৰেগিং।

ৰচনাৰ ক্ৰম অনুযায়ী এইখন মোৰ চতুৰ্থ কবিতা সংকলন, কিন্তু প্ৰকাশৰ ক্ৰম অনুযায়ী গ্ৰন্থখন পঞ্চমখন সংকলন হ'ল। যাহক বিশেষ ভাবিবলগীয়া নোহোৱাকৈ এই সংকলনৰ নাম ৰাখিছোঁ 'পৰাস্মৃতি'। সোঁৱৰণি যেতিয়া এক মেণ্টেল ফেকাল্টীলৈ পৰিৱৰ্তিত হয়, তেনে এক মনোৱস্থাৰ প্ৰতিনিধিত্ব কৰিছে 'পৰাস্মৃতি' নামটোৱে। কেতিয়াবা ক'ৰবাত গম নোপোৱাকৈ শৰীৰৰ কোনো অংগত খুন্দা-খুন্দলি খাই তিনি চাৰি দিনমান পাছত যেতিয়া সেই ঠাইত ৰিম্ ৰিম্ বিষ এটা আৱিষ্কাৰ হয়, সেই বিশেষ বিষটো মোৰ কিবা উপভোগ্য যেন লাগে, মাজে মাজে এনেই হেচুকি-বিদাৰি মজা লওঁ। সোঁৱৰণ-কাতৰতাৰ মাজতে তেনে এক মজা মই লৈছোঁ এই সংকলনৰ প্ৰায়ভাগ কবিতা লিখোঁতে। মই কেৱল নিজৰ কথাবোৰ ক'বলৈকে এইবোৰ লিখা নাই চাগে। অৱশ্যে ই ইতিহাস লিখনো নিশ্চয়কৈ নহয়, আড্ডাবাজিহে। কিম্‌ধিকমিতি।

## আৰু এটা বিধুৰ বেলা (২০২২)

**লেখকৰ কথা**

প্ৰতিমুহূৰ্ততে প্ৰমাণিত হয়, কবিতা কিয় লিখা হয়, আৰু প্ৰতিমুহূৰ্ততে নাকচ হয় তাৰ যুক্তিযুক্ততা সমূলঞ্চে। বিভিন্ন ভাও-ভংগিমাৰে যোৱা লগোৱা অলপ কাঠ, এখন চকী, বিভিন্ন ভাও-ভংগিমাৰে বতাহত নাচি থকা অলপ কাঠ, এজোপা গছ। এখন চকীৰ এটা কাহিনী আছে, এজোপা গছৰ এটা কাহিনী আছে, চব জুয়ে পুৰি ছাই কৰি পেলায়, কাহিনীৰ বাহিৰে। কাহিনীৰ ভাতী ভাষা, তাতেই সকলো হয়, তাত সকলো কৰিব পাৰি। এই যে তাত সকলো কৰিব পাৰি, এই যে ভাষাই ভাঙে, গঢ়ে, জীয়ন দিয়ে, জুই লগাই দিয়ে তাৰ মানেটো কি? কোনোৱে জানেনে? ভাষাৰ প্ৰতিভাৰ অতিক্ৰমণ সম্ভৱপৰ নে? ভাষা পাখি নে খোলা? পিছে মইতো নাজানিলোঁ!

এটা কথা জানো যে ভাষাৰ নিজা দায়বদ্ধতা নাই, সেয়া কেৱল মানুহেই বাহিৰৰ পৰা ভাষাত আৰোপ কৰি লয়। এই কথাটোতেই সাহিত্যৰ মূলভাৰ আৱিষ্কাৰ কৰিছোঁ, দায়বদ্ধতা, তাক যে মূল্যলৈ ৰূপান্তৰিত কৰা হৈছে, সি নিৰন্তৰ প্ৰমাণ কৰি গৈ থাকে যে কবিতাৰ বোধ মূল্যবোধ। কবিতাৰ সৃষ্টি মূল্যৰ সৃষ্টি।

কথাখিনি মোৰ বোধেৰে Deductive মুঠেই হোৱা নাই। আবেগিক হৈছে, Rhetorical হৈছে। অযুগুত। লাভ-লোকচানৰ পৃথিৱীখনত কিছু মূৰ্খামি, বুৰ্বকামী কৰিবলৈ মন যায়; অযুক্তিকৰ আজগুবি কথা-কাণ্ড কৰিবলৈ মন যায়, যাক defamiliarisation বুলিব পাৰি। মই আৰু জীৱনটোত যিমানেই কবিতা নিলিখোঁ কিয়, কবিতা লিখাৰ যুক্তি অথবা যুক্তিহীনতা কোনোটোকেই পুৰণি কৰি পেলাব নোৱাৰোঁ। মোৰ ষষ্ঠ কাব্য সংকলন 'আৰু এটা বিধুৰ বেলা' ৰাইজলৈ আগবঢ়াই দিছোঁ, প্ৰতিটো কথাই ভুল হওক, প্ৰতিটো কথাই ভ্ৰান্তি হওক।

কিমধিকমিতি!

.

**Ten Selected Poems**
**by Alakesh Kalita**

Translated from Assamese by
**Kaustabh Kashyap**

## To the Readers

Ask me to metamorphose into your sweater
The kerosene lighting up your lamp
Tell me to while away my time like a Sunday supplement
causing Page 3
giggles
To disappear like monotonous Sundays.
Ask me to do nothing at all
Except to observe, to pay heed, to comprehend.
Otherwise caution me
Not to wound the words so that
Blood doesn't sputter out and coat the conversations.
Say that the night tugs your companion shadow
Towards its own state of darkness,
That you don't really approve of.
All through the day it seems like I am melding mud and
cow dung for mud walls,
Whereas your walls are made of concrete.
When my voice is honey-sweet, weaving meanings like a
lump of jaggery
To suckle on your precious kernel,
Does it seem akin to pushing inside your bosom with stealthy
intents?
The price of my tears can never outweigh
The worth of your laughter.
Say it, say it for the last time
What is all this tortuous drill between us!

(From the anthology *Boga Phool Aru Tejor Taap*)

# Earthy

The season of rain trickles down the soles of my feet
Without seeping inside the pores of my skin.
It is busy in gauging arboreal lives
An expert at zoology.
As if
I have engaged in some pointless blunder in the year.
Only during sunny days when the humpbacked caterpillars come out
Lodge blotches, the sensation of touch is awakened
In my colossal love for nature
I am filled with reverence, when I scratch.
I shall prefer to perish
When the earth's womb turns ravenous.
Along with the falling leaves withering away.
When she becomes dusty winds in my quest
Or when the memorial stone is drenched in dewdrops
When the sky is clear, cloudless.
Sliding over the skies of men
On the sky over stones
Hangs a liberated moon
And the halo of the sky
Sneaks through the skin.

(From the anthology *Boga Phool Aru Tejor Taap*)

# God

Like the lone baton of fire kept ablaze upon the sky
By a cotton-silk tree, love shall always hold its ground.
If somehow one day the world went extinct
My heart underneath my chest would go on throbbing
in poisonous beats.
Upon the shrivelled shell of a dead spider in a desert
I shall shower meaningless rainfall.
My throat is too parched to be quenched for good.
After eons and eons of the passage of time
When the earth sprang up with green pastures again
Even then I was the spring of knowledge/ wisdom
The compassion of unchanging love.
Upon first chancing upon a handful of water
I pondered about the sense of thirst.
I fancied the creation of a pair of lips
Foremost for the yearning of intimacy

In that much simplicity
Love existed for eternity.

(From the anthology *Boga Phool Aru Tejor Taap*)

# 29

Knowledge perished under such brute force.
It was already too late,
For that life carved out of the freedom of words
Was burdened by countless deaths.
Leaving knowledge back where it came from
I tried to flee away from the earth, dropping beads of sweat and teardrops upon it.
I heard someone practising the art of lamentation,
Reaching the peak of profound restlessness.
Crying one's heart out to relieve oneself of the burden of epics,
The melody has touched a peculiar kind of fifth note.
It is the art that arrives after pangs of grief. Springtime.
O God, diminish my wisdom
May I never get to know
That after spring passes away, the law of jungle takes over
And in the heat of summer, the tears dry out and disappear.
Let it be a garden, not a jungle
A wet garden reflecting the gardener's sorrowful failure
Where the weeds of history are absent.
Allow me to hope for the rays of a new Eden,
That millennium created out of pain, faces me
The ground with blood and bones, scattered all around
Where the stems bore flowers with great difficulty
Where a poisoned fruit grew in nature's lap
Where a scheming and dishonourable child was cradled in a mother's gentle and warm lap.

I confess to knowing nothing
That appetizing play of bitter curry is only for the tongue's tastebuds.
Necessity is dead.
This time, please close my eyelids without my knowing
Take my weightless word without my knowledge
And set it upon the beak of the morning magpie-robin.
May the door of Eden become free
Without knowing the answer to that age-old question.

(From the anthology *Nishphal Utsav*)

## 42

I know and understand that sense of pain
The spring sky is gloomy,
He is arriving again with a wilting bunch of flowers
In our heart's crumbling home.
The evenings remained incomplete in the teardrops wiped away-
Becoming the flag of Therigatha, following his footsteps.
Suddenly, some new bird warbling a new song is heard
Indeed, he thinks
Come and listen to my hopeful ballad of incomplete youth of eternity,
These are boundless, ambrosial, varied.
The cuckoo heralding evening bids farewell to time's passage with such hope!
I have prepared a seat of soft words for him,
Whose meaning isn't different from the babble of newborns
Perhaps its love or some other ancient intoxication
Which is circular, repeating, ceaseless.
Come and perch upon my poetry
After the everlasting storm,
Today, as if in this sudden dawning of some day from the future
The heart of clouds has grown strangely asleep and quiet.

(From the anthology *Nisphol Utsav*)

## 9

Not even a thin shred of hope is left
On the mobius's lace,
My days—
Returning back.
To this spell of time as well I have offered my final farewell,
Even though the birds have invented sweet songs
Meant for recollecting me with anguish,
The mirror of time past.
By bearing that tiny sky,
I have decided not to go ahead anywhere
My favourite window for a long time.
Dry gooseberry kept in salt
And several days old tobacco.
On this map of ages
There wouldn't be a single trace anywhere,
Of my disappearance.
I couldn't do anything,
When time danced
To sing that song which compels you to dance!
Just like till the wee hours of the night yesterday in the nearby apartment
Some people
Were feasting,
Even through them time has passed away.

(From the anthology *Nisphol Utsav*)

## 1

I will chase myself away.
Where only sweet flowers bloom, dispersing their pleasant fragrance
And the farewell of old age in the mortal world is graced by billowing saccharine waves.
This is merely a small festival of a toxic evening
Celebrated by the smoke rising from burning the plastic garbage
By those of us who do not succumb to the bites from swarms of mosquitoes;
For the amusement of cleaning the passage of time in a corner of the compound.
After several days since that festival, if someone digs up the ground
I will be discovered in an embrace of plastic waste.
It is good that it will be torn to shreds
That cruel love that was there for the sake of the soft words of youth alone.
After all of that, I will chase myself away again.
To that place where only sweet flowers bloom, dispersing their pleasant fragrance…
But I shall forever be in love with the wind that blows through the evening groves,
And shall not tolerate it if I find it mingled with the odour of sweat and the scent of blood.
After abandoning me all to myself, you should not worry about my existence at all.

(From the anthology *Nisphol Utsav*)

## Artistry

What can be done to keep art alive?

How is it so important: she asks just once and immerses herself
In knitting wool quietly.
In the aquarium adorning the drawing room
Whatever the fishes are up to at the moment
Nobody comes to know.

This morning a kitten was pressed to death
Under the front wheel of my car.
Mercy is lost from the paths.

I have just poured myself a glass of water, it is cold
She says she too needs a glassful.

It is half past eight in the evening
For what reason, one wonders,
Is she a bit better organised today?
The sake of art ?

Suddenly she starts to undo
Two strands of wool from the knitting.
But the subtle smile she wears on her face
Is very much unperturbed.

Perhaps the mere act of knitting wool
Is so much filled with art!

(From the anthology *Joabelir Boxonto*)

## In Autumn

Autumn days taught me to feel bothered for no reason whatsoever.
Then it was that age when just below the ribcage
An unripe sweet fruit starts budding with a/an pungent/bitter/acrid taste.
Then like the sweet chirping of a robin
Within that unripe fruit a seed starts to signal.
For this incubation
I was really unprepared, I liked mathematics.
I liked mathematics because
I memorized the tables really well when young
Like a bamboo shoot I had a joint
Covered by calyx.
One day upon examining myself out of curiosity
Like a crow I cawed and cawed and had my first ejaculation.
I was really unprepared for this sudden dishonour.
The innocence of youth abandoned my home
And before starting any new calculations
An immense zero came and entered my notebook.
That was my first poem,
I had no reason to sulk in self-pity
I really liked mathematics even then.
Monkeys leave their teeth marks on unripe fruits, rip them apart.
Within the fruit a tree of the future beckons
Goes on fighting against the wind.
O my dear heart
The favourite sweet fruit of youth
Your whole story started
In an unreasonably bothersome period of autumn.

(From the anthology *Joabelir Baxonto*)

## Introduction

I am mesmerized by my own uniqueness.
(That) my immense blackness
Is laced with stripes of red, white and yellow
And two greenish horns.
I present myself like a suit-piece in the tailoring;
I possess the intimacy of wool,
And a reason more genuine
Than the commercial performance of the salesman.
I am a human being
Forged by a mortal humanity in terms of a
Mortal body.
I exist in this world
To nibble upon a word liberated from the discourse.
Now people have freed the moon from fables
Glued it upon the firmament of eternity.
Rambling about in the alleys of delusion for ages
At last
I have procured a dream in the neighbourhood of your dreams.
I have spent money.
When you visit me as a neighbour
You don’t bother to come closer
To the sky-clad mountains to the north,
Because after everything’s said and done
My hospitality is not yet gratifying.

I have an unpardonable past.
My anger prepares me for bracing harsh winters
Keeps me warm.


(From the anthology *Boga Phool Aru Tejor Taap*)

অলকেশ কলিতাৰ

# গ্ৰন্থসম্ভাৰ

(চমু পৰিচিতি)

টোকা ঃ ধীমান বৰ্মন





**ভাস্কৰ** (কবিতা)
প্ৰকাশক ঃ পাঞ্চজন্য
প্ৰকাশৰ চন ঃ ২০১২
উছৰ্গা ঃ নীলমণি ফুকন
প্ৰচ্ছদ শিল্পী ঃ মনজিৎ ৰাজখোৱা
মূল্য ঃ ৪০.০০ টকা

*ভাস্কৰ* এটা দীঘলীয়া কবিতাৰ ছিৰিজ। শিল্প আৰু শিল্পীৰ সম্পৰ্কৰ দ্বান্দ্বিক প্ৰকাশে কবিতালানিক জীৱন দিছে। শিলৰ উপমাৰে জগতৰ নিৰ্জীৱ উপাদানক ভাষাৰ কালিকাৰে জীৱন্ত কৰাৰ পাছত সেই শিল কিদৰে শিল্পীৰ জীৱনৰ অংশ হৈ পৰে তাক *ভাস্কৰ* কাব্যগ্ৰন্থত কবিয়ে তুলি ধৰিছে।





**বগা ফুল আৰু তেজৰ তাপ** (কবিতা)
প্ৰকাশক ঃ পেপিৰাছ
প্ৰকাশৰ চন ঃ ২০১৪
উছৰ্গা ঃ মা-দেউতা
প্ৰচ্ছদ আলোকচিত্ৰ ঃ এজন তপস্বীৰ সৈতে
মহাবোধি মন্দিৰ, বুদ্ধগয়া
মূল্য ঃ ১৭৫.০০ টকা

*বগা ফুল আৰু তেজৰ তাপ* কাব্যগ্ৰন্থত কবিয়ে সামাজিক দায়ৱদ্ধতা আৰু মানৱ জীৱনৰ সামাজিক গুৰুত্বক প্ৰতীকী ৰূপত উপস্থাপন কৰিছে। সমাজ আৰোপিত বান্ধোন আৰু সামাজিক প্ৰাণীৰ ব্যক্তিগত জীৱনৰ স'তে সমাজৰ দ্বন্দ্বৰ সম্পৰ্ক *বগা ফুল আৰু তেজৰ তাপ*ত কবিয়ে কলাত্মক ৰূপত উপস্থাপন কৰিছে।





**যোৱাবেলিৰ বসন্ত** (কবিতা)
প্ৰকাশক ঃ আঁক-বাঁক
প্ৰকাশৰ চন ঃ ২০১৬
উছৰ্গা ঃ সমীৰ তাঁতী, অনুভৱ তুলসী আৰু নীলিম কুমাৰ
প্ৰচ্ছদ শিল্পী ঃ নিখিলেশ্বৰ বৰুৱা
(পেইণ্টিং ঃ দ্য কালেক্টৰ)
মূল্য ঃ ১০০.০০ টকা

*যোৱাবেলিৰ বসন্ত* কবিৰ এক উল্লেখযোগ্য সাহিত্য কৃতি। মনস্তত্ত্বৰ বহুস্তৰীয় উপাদান আৰু জীৱন সম্পৰ্কে থকা অন্তহীন উৎসুকতা এই কাব্যগ্ৰন্থত বাঙ্ময় ৰূপত বিদ্যমান। দৰ্শন-চিত্ৰকল্প সম্পৃক্ত এই কাব্যগ্ৰন্থত পঢ়ুৱৈয়ে নিজৰ অৱচেতন অস্তিত্বক বিচাৰি পায়।





**নিষ্ফল উৎসৱ** (কবিতা)
প্ৰকাশক ঃ পূৰ্বায়ণ
প্ৰকাশৰ চন ঃ ২০১৯
উছৰ্গা ঃ নীলমণি ফুকন
প্ৰচ্ছদ শিল্পী ঃ সঞ্জীৱ বৰা
মূল্য ঃ ১২০.০০ টকা

*নিষ্ফল উৎসৱ*-এ সামৰি থৈছে মৃত্যু চেতনাৰ মাজতো প্ৰস্ফুটিত প্ৰগাঢ় জীৱনবোধক। উৎসৱবোৰ মাথোঁ কি বিজয়ৰ নিচান? ব্যৰ্থতাৰ মাজতো জীৱনক উদ্‌যাপন কৰাৰ বাট এটাৰ সন্ধান *নিষ্ফল উৎসৱ*ৰ মাজেৰে কবিয়ে পঢ়ুৱৈক দিব খুজিছে।




**পৰাস্মৃতি** (কবিতা)
প্ৰকাশক ঃ পূৰ্বায়ণ
প্ৰকাশৰ চন ঃ ২০২১
উছৰ্গা ঃ উমা
প্ৰচ্ছদ শিল্পী ঃ অলকেশ কলিতা
(পেইণ্টিং ঃ আমাৰ বাগান-২০০৭)
মূল্য ঃ ১৬০.০০ টকা

অন্তিম সংকলন *পৰাস্মৃতি*ত স্মৃতি-বিস্মৃতিৰ স'তে মানৰ জীৱনৰ সুগভীৰ সম্পৰ্কক কবিয়ে উপস্থাপন কৰিছে। সোঁৰৰণীৰ মাজেৰে আগবঢ়া জীৱনে কিদৰে সমাযোজন কৰে ভূত-ভৱিষ্যতৰ অনুষংগৰ লগত— তাৰ কলাত্মক প্ৰকাশে কবিতালানিক দিছে অন্য এক মাত্ৰা।




**আৰু এটা বিধুৰ বেলা** (কবিতা)
প্ৰকাশক ঃ পূৰ্বায়ণ
প্ৰকাশৰ চন ঃ ২০২২
উছৰ্গা ঃ সৌৰভ শইকীয়া আৰু মনোজ শৰ্মা
প্ৰচ্ছদ শিল্পী ঃ চিত্ৰলেখা
মূল্য ঃ ১৬০.০০ টকা

*আৰু এটা বিধুৰ বেলাত* পূৰঠ কাব্যচিত্ৰ আৰু দাৰ্শনিক দ্বন্দ্ব বিদ্যমান। জীৱনবোধ আৰু আত্মমগ্ন তন্ময় ভাষা এটাৰ মাজেৰে সমাজ বাস্তৱতাক বিচাৰি চোৱাটো কাব্যগ্ৰন্থখনৰ এক বিশেষ সফলতা।

# শোকবাণী

(অলকেশ কলিতাৰ মৃত্যুত পৰিয়াললৈ প্ৰেৰণ কৰা
বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শুভাকাংক্ষীৰ শোকবাৰ্তা)

# অজিৎ বৰুৱা অনুৰাগী সমাজ

যোৰ পুখুৰী পাৰ, নাওজান পথ, উজান বজাৰ, গুৱাহাটী-১

প্ৰসংগ নং ঃ............................ তাং ঃ ২৪/০৪/২০২৪

## শোক বাৰ্তা

যোৱা ১৮ এপ্ৰিল, বৃহস্পতিবাৰৰ নিশা আমাৰ ভাতৃপ্ৰতিম তৰুণ কবি অলকেশ কলিতাই আমাৰ মাজৰপৰা কায়িকভাৱে চিৰবিদায় লয়। এটি সুন্দৰ মনৰ অধিকাৰী অলকেশৰ দৰে স্বকীয় কাব্যবোধসম্পন্ন এগৰাকী কবিক অকালতে হেৰুৱাই আমি আটায়ে মৰ্মাহত। আমাৰ সাহিত্যৰ বাবেও এয়া কাহানিও পূৰাব নোৱৰা এক বিশেষ ক্ষতি। ঘাতকৰূপী স্কিজ'ফ্ৰেনিয়াৰ বিৰুদ্ধে এখন মহাযুদ্ধত অৱতীৰ্ণ হৈও অলকেশে মননশীল বৌদ্ধিক উদ্দীপনাৰে আমাৰ বাবে ভালেখিনি গুৰুত্বপূৰ্ণ কাব্যসম্পদ উপহাৰ দি গৈছে, যাৰ বাবে 'নিজৰে তেজকেইটোপাৰ উত্তাপত উমাল হৈ' থাকিব খোজা কবি অলকেশ আমাৰ হৃদয় আৰু সাহিত্যত সদায়েই উজলি থাকিব।

আজি গুৱাহাটীৰ উজান বজাৰৰ অজিৎ বৰুৱা অনুৰাগী সমাজৰ কাৰ্যালয়ত সন্ধিয়া ৬ বজাত অনুষ্ঠিত এখনি শোকসভাত এই শোকপ্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে আমাৰ মৰমৰ আৰু শ্ৰদ্ধেয় কবি, অজিৎ বৰুৱা অনুৰাগী সমাজৰ কাৰ্যবাহী সদস্য অলকেশ কলিতাৰ অতনু আত্মাৰ সদ্‌গতিৰ অৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা জনায়। আজিৰ সভাই লগতে প্ৰয়াত কলিতাৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈকো সমবেদনা আৰু সহমৰ্মিতা জ্ঞাপন কৰে।

(অনুভৱ তুলসী) ২৪/০৪/২৪
সভাপতি

(কুশল দত্ত) 24/04/24
সম্পাদক

অজিৎ বৰুৱা অনুৰাগী সমাজ
২৪/০৪/২০২৪

প্ৰতি,
শ্ৰীযুত ফণী কলিতা আৰু পৰিয়াল
পিয়লি ফুকন নগৰ, গুৱাহাটী-৩

কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020, Assam
e-mail: assamjatiyabidyalay@gmail.com
website: www.assamjatiyabidyalay.com

☏: 0361-2597921 (Principal)
0361-2694229 (Office)

প্ৰসংগ : অজাবি/২২/০৩/২০২৪-২৫
Ref :

তাৰিখ ২২-০৪-২০২৪
Date :

## শোক প্ৰস্তাৱ

উদীয়মান কবি তথা অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অলকেশ কলিতাৰ যোৱা ১৮ এপ্ৰিল, ২০২৪ তাৰিখ বৃহস্পতিবাৰে হোৱা পৰলোক প্ৰাপ্তিত অসম জাতীয় বিদ্যালয়ৰ পৰিয়ালবৰ্গই গভীৰ শোক প্ৰকাশ কৰি সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে আজি ১৯ এপ্ৰিল, ২০২৪ তাৰিখে পুৱাৰ সমাৱেশত তেখেতৰ আত্মাৰ চিৰশান্তিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

# বড়িগোগ সাহিত্য সভা

ডাকঘৰ ঃ কনিহা

জিলা ঃ কামৰূপ (অসম)

পিন ঃ ৭৮১৩৮০

সভাপতি
ফোন নং-

পঞ্জীয়ন ক্ৰমাংক ঃ ৪২/৮৬-৮৭

সম্পাদক
ফোন নং-

প্ৰসঙ্গ-

দিনাংক ২১/৪/২০২৫

## শোকবাৰ্তা

বৃহত্তৰ বড়িগোগ অঞ্চলৰ সাহিত্যৰ সৰ্বসাধাৰণীত শৈশৱতে সাহিত্যৰ সোপানতো যিজন পৰৱৰ্তী সময়ত আধুনিক অসমীয়া কবিতাৰ পথাৰত 'স্বকীয়' অভিধাৰে বিকশিত উঠা তৰুণ কবি শ্ৰী অলকেশ কলিতাৰ যোৱা ১৯ এপ্ৰিল তাৰিখে আকস্মিকভাৱে পৰলোক প্ৰাপ্তি ঘটে।

আজি বড়িগোগ সাহিত্য সভাই অলকেশ কলিতাৰ চুটি জীৱন কালৰ সাহিত্য প্ৰতিভাক দুখ-বেদনা আৱেগেৰে সোঁৱৰণ কৰে। এগৰাকী বৌদ্ধিক চিন্তাৰ অধিকাৰী অলকেশ কলিতাৰ মৃত্যুতে সকলোৰে হৃদয়ত বেদনাহত কৰে। তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়।

বড়িগোগ সাহিত্য সভাৰ হৈ —

সভাপতি
বড়িগোগ সাহিত্য সভা
ডাক- কনিহা, কামৰূপ

সম্পাদক

"চিৰ চেনেহী মোৰ ভাষা জননী"

**জ্যোতিনগৰ সাহিত্য সভা**

জ্যোতিনগৰ, বামুণীমৈদাম, গুৱাহাটী - ৭৮১০২১
স্থাপিত : ৮ আগষ্ট, ১৯৭৬ খ্ৰীষ্টাব্দ, পঞ্জীয়ন নং - ৬০৫

ক্ৰমিক নং :................ তাৰিখ : ২৬|০৪|২০২৪

শোক প্ৰস্তাৱ

জ্যোতিনগৰ আঞ্চলিক সাহিত্য সভাৰ আজীৱন সদস্য শ্ৰীযুতা প্ৰমিলা কলিতাৰ দ্বিতীয় পুত্ৰ শ্ৰীঅলকেশ কলিতাৰ অকাল বিয়োগত জ্যোতিনগৰ আঞ্চলিক সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোক সন্তপ্ত পৰিয়ালৰ সদস্যবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

(স্বাক্ষৰ)
সভাপতি,
জ্যোতিনগৰ আঞ্চলিক সাহিত্য সভা।
গুৱাহাটী-৭৮১০২১

প্ৰতিলিপি প্ৰেৰণ— শ্ৰদ্ধেয় অলকেশ কলিতাৰ পৰিয়ালৰ সদস্যবৰ্গৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল। নিজুমিলনপুৰ পথ, গুৱাহাটী-৭৮১০২১।

(স্বাক্ষৰ)
সম্পাদক,
জ্যোতিনগৰ আঞ্চলিক সাহিত্য সভা,
গুৱাহাটী-৭৮১০২১।

**পিয়লি ফুকন নগৰ নামঘৰ**
**আৰু**
**শ্ৰীমন্ত শঙ্কৰ মাধৱ কলা কৃষ্টি কেন্দ্ৰ**
পিয়লি ফুকন নগৰ, গুৱাহাটী- ২১

প্ৰসঙ্গ নং ঃ

তাৰিখ ঃ ইং ২৪-০৪-২০২৪

## শোক প্ৰস্তাৱ

আজি ইং ২৪/০৪/২০২৪ তাৰিখে পিয়লি ফুকন নগৰ শ্ৰীমন্ত শংকৰ মাধৱ কলা কৃষ্টি কেন্দ্ৰ ও নামঘৰৰ কাৰ্যকৰী কমিটীৰ এখন সভাত পিয়লি ফুকন নগৰ নিবাসী শ্ৰীফনী কলিতা আৰু প্ৰমিলা কলিতাৰ কণিষ্ঠ পুত্ৰ বিশিষ্ঠ কবি অলকেশ কলিতাৰ যোৱা ইং ১৯/০৪/২০২৪ তাৰিখে অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয় আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

ইতি—

(শ্ৰীপৰেশ চন্দ্ৰ কলিতা)
সভাপতি

(শ্ৰীনৃপেন কলিতা)
সম্পাদক

**সশ্ৰদ্ধ সোঁৱৰণত**
**পিয়লি ফুকন নগৰ নামঘৰ কমিটি**
**পিয়লি ফুকন নগৰ, গুৱাহাটী- ২১**

প্ৰতিচ্ছবি
সম্পৰ্ক স্থাপন
(অসমীয়া সাহিত্যপ্ৰাণ ফেচবুক গোট)
স্থাপিত ঃ ২০১৮ চন

দূৰভাষ ঃ ৯৮৬৪৫ - ৪৬৪৬১
৯৭২৯৫ - ৮০৪১৫

প্ৰসংগ ঃ শোক বাৰ্তা

দিনাংক ঃ ২০-০৪-২০২৪

# কবি অলকেশ কলিতালৈ শ্ৰদ্ধাঞ্জলি

জীৱনৰ ৩৮ টা বছৰ পাৰ কৰি অভিমানী কবিজন গুচি গ'ল। অধ্যয়নপুষ্ট লেখকজনৰ কবিতাই নতুন প্ৰজন্মৰ শক্তিশালী কণ্ঠ হিচাপে নিজৰ পৰিচয় দাঙি ধৰিছিল। তেখেত কবি, গল্পকাৰ অলকেশ কলিতা। জীৱনকালৰ সময়ছোৱাত প্ৰতিভা বা সৃষ্টিৰ স্বীকৃতি জোখা নেযায়। এতিয়ালৈকে তেখেতৰ দুখন কিতাপ প্ৰকাশ হৈ ওলাইছিল। আন একখন গ্ৰন্থ প্ৰকাশৰ পথত আছিল বুলি জানিব পৰা গৈছে। কালি ২০২৪ চনৰ ১৯ এপ্ৰিলৰ ৰাতিপুৱা তেখেত উভতি নহা বাটেৰে গুচি যায়। সেয়া তেখেতৰ ভাষাতেই,

"মই একো কবলৈ বিচৰা নাই।
সেমেকাৰ শলিতাডাল মাত্ৰ ইমানকৈ কোঁচাই থলোঁ
যে সেমেকা নুমাই থাকিল।
কোঁচাটো, মেজখনৰ আচবাবখোৰ
মাত্ৰেই ইমান খেলিমেলি কৰি থলোঁ
যে সব খেলিমেলি হৈ গ'ল
অনাগত অনন্ত সময় খেলিমেলি হৈ গ'ল।"

অতি দুখেৰে জনাওঁ কবি অলকেশ কলিতা আমাৰ গ্ৰুপৰ বিশিষ্ট অনুগামীকাৰ, সু-লেখিকা প্ৰমিলা কলিতা বাইদেউৰ কণিষ্ঠ পুত্ৰ। বাইদেউ আৰু পৰিয়ালৰ এই অতলস্পৰ্শী শোকত প্ৰতিচ্ছবি পৰিয়ালো সমভাগী। আমি জানো মাক-দেউতাকৰ বাবে এই শোক কেনে মৰ্মান্তিক। আপোনালোকক সান্ত্বনা দিব পৰা শব্দ আমাৰ অভিধানত নাই। তথাপি কওঁ অলকেশ কলিতা অসমীয়া সাহিত্যৰ জগতত অমৰ হৈ থাকিব। শেষত তেখেতৰ কবিতাৰ শাৰীকেইটি পুনৰ সোঁৱৰিলো...

" মই যেতিয়া শব হৈ আছিলোঁ
মৰিশালিখনত এজোপা বগৰী আছিল।
আৰু মোৰ বিশ্বাস হৈছিল
মাক দেউতাকবোৰক শোকস্তব্ধ কৰি অকালতে ঢুকোৱা
ল'ৰা-ছোৱালীবোৰ তাতে বগৰী খাবলৈ আহে।
তলত লগা বগৰীবোৰ ভূত-প্ৰেত বিশ্বাসী।"

... অলকেশ, তুমিও আহিবা তেনেকৈয়ে বাৰে বাৰে।

নমিতা কৌৰৰ গগৈ
নাৰেঙ্গী, গুৱাহাটী
প্ৰতিচ্ছবি পৰিয়ালৰ হৈ

সুফলে যে সুগন্ধ মন্ত্র আহেবাত্রি মাতে
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে ।।

## সদৌ অসম কবি-সাহিত্য চক্ৰ

গুৱাহাটী, কামৰূপ মহানগৰ (অসম)

পঞ্জীয়ন নং : আৰ এচ/কে এ এম (এম)/২৬৩/এক্স/১৫৫

সভাপতি : অনুপকুমাৰ তালুকদাৰ
ভ্ৰাম্যভাষ : ৬০০২১-৭৭১১৫

প্ৰধান সম্পাদক : বিতুমনি গোস্বামী
ভ্ৰাম্যভাষ : ৮০১১২-২৬৮৪৬

প্ৰসংগ ..................

দিনাংক ..................

সমীপেষু,

শ্ৰীযুতা প্ৰমিলা কলিতা আৰু পৰিয়ালবৰ্গ
পিয়লি ফুকন নগৰ, গুৱাহাটী- ৭৮১০২১

শ্ৰদ্ধাভাজনেষু,

সম্ভাষণ গ্ৰহণ কৰিব।

গুৱাহাটীৰ পিয়লি ফুকন নগৰ নিবাসী তথা আমাৰ সকলোৰে শ্ৰদ্ধাৰ বিশিষ্ট অনুগামকাৰ, সু-লেখিকা শ্ৰীযুতা প্ৰমিলা কলিতা বাইদেউৰ কনিষ্ঠ পুত্ৰ প্ৰচাৰ বিমুখ এগৰাকী সম্ভৱনাময় সু-কবি অলকেশ কলিতাৰ পৰলোকপ্ৰাপ্তিত সদৌ অসম কবি-সাহিত্য চক্ৰই গভীৰ শোক প্ৰকাশ কৰে। এই সম্পৰ্কত এটি শোক প্ৰস্তাৱ পৰিয়ালটিৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

### শোক প্ৰস্তাৱ

৬ ব'হাগ ১৪৩১ ভাস্কৰাব্দ (১৯ এপ্ৰিল, ২০২৪ খ্ৰীষ্টাব্দ) ইং শুকুৰবাৰে নিশা গুৱাহাটীৰ পিয়লি ফুকন নগৰ নিবাসী অতি শান্ত, প্ৰচাৰ বিমুখ, সম্ভৱনাময় সু-কবি অলকেশ কলিতাৰ ৩৯ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। তেখেতৰ মহাপ্ৰয়াণত পৰিয়ালবৰ্গৰ মৰ্মান্তিক শোকৰ স'তে আমি সদৌ অসম কবি-সাহিত্য চক্ৰৰ পৰিয়ালবৰ্গও অতিশয় শোকাভিভূত হৈছোঁ। সেয়েহে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰ্থে সদৌ অসম কবি-সাহিত্য চক্ৰই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই শোক-সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

শ্ৰদ্ধাৰে—

সদৌ অসম কবি-সাহিত্য চক্ৰৰ পৰিয়ালবৰ্গ আৰু আমাৰ

সমূহ গুণমুগ্ধৰহৈ—

অনুপকুমাৰ তালুকদাৰ
সভাপতি
সদৌ অসম কবি-সাহিত্য চক্ৰ

বিতুমনি গোস্বামী
প্ৰধান সম্পাদক
সদৌ অসম কবি-সাহিত্য চক্ৰ

৮ ব'হাগ ১৪৩১ ভাস্কৰাব্দ // ২১ এপ্ৰিল, ২০২৪ খ্ৰীষ্টাব্দ

ASOM KOBI SAMAJ
Estd. 1986; Regd. No. 1901/89

*Rajeeb Kumar Phukan*
*President, Asom Kobi Samaj*

তৰুণ কবিৰ মৃত্যুত দুখানুভূতি ...

●

প'লৈগে তেজাল কবি জীৱনৰ ভৰদুপৰীয়া
এৰি থৈ তেওঁৰ ছাঁ ।
নিজৰে তেজৰ উত্তাপত উমাল হৈ সঁচা কথাবোৰে যেওঁ লিখিছিল কবিতা ।
এতিয়া কাক সোধোঁ অলকেশ হৃদয়ত ঠাঁই খাই থকা উদীপ্ত কবিতাৰ
গভীৰতাত ক'তনো লুকাই আছিল বিখণ্ডিত ঘাতকী মন ?

জীৱনবোধৰ গভীৰতাৰে সংপৃক্ত তোমাৰ কবিতাত তুমি যে আছা এতিয়া
সেয়েহে বাঁধ হৈ । আমি অনুভৱহে কৰিব পাৰোঁ ।

কেনেকৈনো সান্ত্বনা লভিব পাৰোঁ, কেনেকৈনো সান্ত্বনা দিব পাৰোঁ
তোমাৰ কায়িক অৱৰ্তমানৰ বাবে ?
তোমাৰ সকলো আত্মীয়-স্বজন, অন্তৰৰ আপোনজনৰ বাবে ব্যক্ত কৰিছোঁ
মাথো হৃদয়ৰ গভীৰ সমবেদনা ।

২৭ এপ্ৰিল ২০২৫

© 86385 12263
@ phukan.rajeeb@gmail.com/asomkobisamaj@gmail.com
® 10 Bhairabkund Apartment, Sagarika Path,
R.G. Barua Road, Guwahati, Assam-781024 (India)

# শোকবাৰ্তা

বিশিষ্ট যুৱকবি অলকেশ কলিতাৰ মৃত্যু অসমৰ কাব্য জগতৰ বাবে এক অপূৰণীয় ক্ষতি। প্ৰিয় কবিগৰাকীৰ বিয়োগত সমগ্ৰ অসমবাসীৰ লগতে সদৌ অসম কবি সন্মিলনো অতিশয় মৰ্মাহত। সন্মিলনৰ তৰফৰপৰা প্ৰয়াতজনৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

ওঁ শান্তি ।।

শ্ৰদ্ধাৰে-
বংশী বৰা, *সভাপতি*
চৈয়দ পাৰভিজ হুচেইন, *প্ৰধান সম্পাদক*
সদৌ অসম কবি সন্মিলন
২১ এপ্ৰিল-২০২৪

প্ৰচাৰ বিভাগ, সদৌ অসম কবি সন্মিলন
২১ এপ্ৰিল-২০২৪



পিকু (অলকেশ)ৰ ৮ মাহৰ ফটো



মাতৃৰ কোলা, পেহীয়েক, বায়েক
আৰু ককায়েকৰ সৈতে



দেউতাকৰ কোলাত অলকেশ



জাতীয় বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ অলকেশ,
সমনীয়াৰ মাজত তবলা চৰ্চ্চাৰ মুহূৰ্তত



মাতৃৰ সৈতে গেংটকত বৌদ্ধ মঠৰ সম্মুখত



মাঘৰ মেজিৰ কাষত ককায়েক বিকাশ আৰু
দেউতাকৰ লগত অলকেশ



স্কুটাৰত উঠাৰ হেঁপাহ।
ককায়েকৰ তত্বাৱধানত অলকেশ



বিয়াৰ কইনা বায়েকৰ লগত
দুই ককাই-ভাই বিকাশ আৰু অলকেশ



ভুবন পেহাক আৰু তেওঁৰ ছোৱালী (ভনীয়েক)ৰ লগত অলকেশ



ককায়েক-বৌৱেকৰ লগত অলকেশ



শতবৰ্ষীয় ককাক আৰু পৰিয়ালৰ লগত অলকেশ



পৰিয়ালৰ লগত



ককায়েক, বৌৱেক আৰু বৌৱেকৰ ভায়েক অৰুণাভ আৰু অভিষেকৰ লগত



ককায়েকৰ বিয়াত বন্ধু ড° অমৃত কুমাৰ উপাধ্যায়ৰ সৈতে অলকেশ



নতুন কমলাবাৰী সত্ৰত শৰণ লোৱাৰ সময়ত
সত্ৰাধিকাৰ ড° নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সৈতে





সত্ৰত ভকত-বৈষ্ণৱ আৰু মাক-দেউতাকৰ সৈতে অলকেশ



নতুন কমলাবাৰী সত্ৰৰ বাটচ'ৰাত




ভাই-ভনীহঁতৰ সৈতে



নেশ্বনেল জিয়োগ্ৰাফিক চেনেলৰ এটি প্ৰকল্পত সহকাৰী নিৰ্দেশক হিচাপে



এক নতুন যাত্ৰাত




সূৰ্যাস্তৰ এক মনোৰম মুহূৰ্তত মাক আৰু বায়েকৰ সৈতে মুম্বাইত




অলকেশৰ প্ৰিয় সময়ত




মিডিটেক দলৰ সৈতে জিম কৰবেট
ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ মুহূৰ্তত



৩৮তম জন্মদিনত মাকৰ সৈতে



অলকেশৰ সংগীত চৰ্চ্চাৰ সংগী
তবলাযোৰ




অলকেশৰ অধ্যয়ণ চৰ্চ্চাৰ মেজখন



নানকাৰ ভইৰাত অলকেশ



চিত্ৰনাট্যকাৰ আৰু সহ নিৰ্দেশক ৰূপে অলকেশ, চাৰা টʼভৰ লগত
Awesome Assamৰ কলা-কুশলীসকলৰ সৈতে




বন্ধু ধীমান বৰ্মন আৰু অভিজিৎ বৰাৰ সৈতে



পৰিয়ালৰ সৈতে এটি বিশেষ মুহূৰ্তত
পূৰ্বপুৰুষৰ গাঁৱলৈ যাত্ৰাৰ সময়ত




ভাই-ভনীৰ সৈতে আনন্দৰ মুহূৰ্তত



মহাবাহু ব্ৰহ্মপুত্ৰৰ তীৰত
মনালিছা শৰ্মাৰ কেমেৰাত

·



আৰবীয়ান সাগৰত মাকৰ সৈতে আলিবাগলৈ গৈ থকা মুহূৰ্তত




নীলমণি ফুকন ছাৰৰ সৈতে



বিশিষ্ট সমালোচক
জ্যোতি খাটনিয়াৰৰ সৈতে



বিশিষ্ট কবি নীলিম কুমাৰৰ সৈতে




কবিতা পাঠ কৰি থকা মুহূৰ্তত
অলকেশ




নৱপ্ৰজন্মৰ কবিবন্ধুসকলৰ সৈতে



গুৱাহাটী বিশ্ববিদ্যালয়ৰ বন্ধু-বান্ধৱীৰ সৈতে



জিম কৰবেট ৰাষ্ট্ৰীয় উদ্যানৰ ৰামগংগা নদীত গা ধুই থকা মুহূৰ্তত



পৰিয়ালৰ সৈতে উঠা অলকেশৰ অন্তিম ছবিখন




Lord Krishna to Arjuna in Chapter IX, verse 19, Srimad Bhagawad Gita :
*"I am also Death Personified."*

The lasso of death hung like an intrusive, demanding presence in the form of a virus called Covid 19. It was 2020 or wasn't it? Whilst this inescapable lasso ensnared even the healthiest of us in most homes in almost every corner of the planet, it did something quite the opposite - it allowed the birth of a friendship. Alakesh's Father, Phoni Dada called endearingly by all of us, has been a son-like presence to parents, Smt. Brinda Bardoloi and Sri Birendranath Bardoloi, for the longest time. Parents have loved Phoni Dada like their very own even after all these long decades.

Phoni Dada served as the bridge between Alakesh and us. Like everyone, Alakesh may have certainly been a unique experience to his parents as a son, a sibling to his brother and sister, a colleague in his profession, a neighbour to still others. What may have been his experience of himself will remain unknowable. A poet with the flair of a genius in the highs of his inner world, yet sadly a cruel and constant self-loathing voice in the abyss. It is seldom easy for even good, decent beings to cope with the peaks and troughs of human imagination.

Alakesh had a beautiful mind and opened his beautiful heart in the quiet expanse of total acceptance. He began to speak quite simply, innocently, about his vision of life, God, family, and the stark contrasting projections of his brilliant mind. Long hours of rapturous exchanges on Lord Krishna as both nirguna, niraakaar (attributeless, formless) and saguna, saakaar (with attributes and form). He maintained that God as saguna, saakaar was more accessible to him. He was a bhakta without doubt. Longish phone conversations - his dinner would get cold and his phone warm - time gave a glimpse of itself as timeless bliss. It was an honour that Alakesh felt safe and secure with Father and us to simply 'be' with no threat to be 'this' or 'that'. One could sense the freedom with which he shared his insights that were aflame with love for God and all things wondrous. Music, poetry, literature. His

intelligence and wit shone through unmistakably. The months of lockdown served as the backdrop for Alakesh to word the stirrings of his heart and the intriguing questions of his mind. Fiercely intelligent and unabashedly original in his views, he was deeply engaging. He did not hide what his mind created as his reality - Himalayan dreams, unyielding storms, the mystery of life and death. Phoni Dada tells us that Alakesh 'planned' his disappearance immaculately or was it an over-zealous, apparently innocuous attempt at feeling euphoria?

Alakesh is set free from assumed limitations of body and mind. Beings in higher realms are happy to have him back in their midst. We are equally happy for Alakesh.


We feel humbled that Alakesh gave us the joy of his presence, however fleetingly, in the dimension of time. Since joy is timeless, Alakesh remains a timeless joy. Thank you, Bou and Phoni Dada, for Alakesh.

*"I died as mineral and became a plant,*
*I died as plant and rose to animal,*
*I died as animal and I was human,*
*Why should I fear?*
*When was I less by dying?*
*Yet once more I shall die human,*
*To soar with angels blessed above.*
*And when I sacrifice my angel soul*
*I shall become what no mind ever conceived.*
*As a human, I will die once more,*
*Reborn, I will with the angels soar.*
*And when I let my angel body go,*
*I shall be more than mortal mind can know."*

*– Rumi"*

Gratefully,

SRI BIRENDRANATH BARDOLOI & FAMILY
23.51pm, 27.05.2024.



— আদালত

Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com
ISBN : 978-93-5860-603-4
9 789358 606034